● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

মই সেইজন মানুহক ভয় নকৰো যিয়ে একে সময়তে ১০ হেজাৰ কিক অনুশীলন কৰে; মই সেইজনক ভয় কৰো যিজনে এটা কিক ১০ হেজাৰবাৰ অনুশীলন কৰে।

ব্ৰুচ লী

*সমৰকলা বিশাৰদ-অভিনেতা*



www.dainikagradoot.in

৭ ১৩খন দেশলৈ বিয়পিল অ'মিক্ৰন ঃ বিশ্ব স্বাস্থ্য সংস্থা
১৫ ভাৰত-নিউজিলেণ্ডৰ প্ৰথম টেষ্ট ড্ৰ
৪ বৰাকত যদি অসমীয়া নিষিদ্ধ হ'ব পাৰে...

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৫৪তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ১৩ আঘোণ ১৪২৮ ভাস্কৰাব্দ ৩০ নৱেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 30 November 2021 মূল্য ঃ ৯.০০ টকা

■ সুৰামত্ত লোকক শুশ্ৰূষা কৰিবলৈ গৈ হেৰুৱালে প্ৰাণ ■ সাংবাদিকসহ দুজন গুৰুতৰভাৱে আহত ■ মূল অভিযুক্তসহ নজনক গ্ৰেপ্তাৰ ■ ড্ৰাগছ আসক্তি-সৰবৰাহত লিপ্ত অধিকাংশ অভিযুক্ত

# দিন-দুপৰতে ছাত্ৰ নেতাক মৰিয়াই হত্যা



■ যোৰহাটৰ মাজমজিয়াত বৰ্বৰ কাণ্ডত তীব্ৰ প্ৰতিক্ৰিয়া

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ২৯ নৱেম্বৰ ঃ** যোৰহাট নগৰৰ মাজমজিয়াত দিন দুপৰতে এচাম বৰ্বৰ লোকে মৰিয়াই নৃশংসভাৱে হত্যা কৰিলে এজন ছাত্ৰনেতাক। সদৌ অসম ছাত্ৰ সন্থাৰ সন্থাৰ এজন বিষয়ববীয়াক হত্যা কৰাৰ লগতে উন্মত্ত দলটোৱে এজন সাংবাদিকসহ দুজনক গুৰুতৰভাৱে আহত কৰে। সাংস্কৃতিক ৰাজধানী যোৰহাটৰ সন্মানক ভূলুণ্ঠিত কৰা এই ঘটনা সংঘটিত হয় নগৰৰ মাজমজিয়াৰ নিৰ্মল চাৰিআলিত। এই নিৰ্মম ঘটনাই আজি সমগ্ৰ অসমতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে।

নিহত যুৱকজন হ'ল গোলাঘাট জিলাৰ ব্ৰহ্মপুত্ৰ আঞ্চলিক ছাত্ৰসন্থাৰ শিক্ষা বিভাগৰ সম্পাদক তথা খুমটাইৰ এক নম্বৰ খকগুগুৰি গাঁৱৰ নিবাসী নবীন ভূঞা আৰু বীৰ ভূঞাৰ পুত্ৰ অনিমেষ ভূঞা। গণপ্ৰহাৰত গুৰুতৰভাৱে আঠ পৃষ্ঠাত চাওক



*এইদৰে বৰ্বৰভাৱে আক্ৰমণ কৰি হত্যা কৰা হ'ল উদীয়মান যুৱ নেতা অনিমেষ ভূঞাক, যোৰহাটৰ মাজমজিয়াত সোমবাৰে।*

■ ছপাশাল খুলি আত্মসংস্থাপনৰ ব্যৱস্থা কৰি লৈছিল জনপ্ৰিয় ছাত্ৰ নেতাই

## শোকাকুল পৰিৱেশ নিহত অনিমেষৰ গৃহত, অঞ্চলজুৰি ৰাজহুৱা ক্ষোভৰ সৃষ্টি

**অগ্ৰদূত বাৰ্তা**

**দেৰগাঁও/বৰুৱাবামুণগাঁও, ২৯ নৱেম্বৰ ঃ** আজি বিয়লি যোৰহাট চহৰত অতি নৃশংস হত্যাকাণ্ডৰ বলি হোৱা যুৱকজনৰ বৃহত্তৰ ব্ৰহ্মপুত্ৰ অঞ্চলৰ বাসগৃহত এক শোকাকুল পৰিৱেশে বিৰাজ কৰা পৰিলক্ষিত হয় । ব্ৰহ্মপুত্ৰ অঞ্চলিক ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদকৰ লগতে অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠিত-প্ৰতিষ্ঠান স'তে জড়িত হৈ থকা অঞ্চলটোৰ সকলোৰে মাজত জনপ্ৰিয় অনিমেষ ভূঞা (২৪) নামৰ ছাত্ৰনেতাজনৰ মৃত্যুৰ বাতৰি ব্ৰহ্মপুত্ৰ অঞ্চলৰ খকগুগুৰি গাৱঁত বিয়পি পৰাত গভীৰ শোকৰ ছাঁ পৰে অঞ্চলটোত। মৃত যুৱকজনে দুবছৰ পূৰ্বে গোৱাত থাকি ধন সঞ্চয় কৰি অঞ্চলটোৰ আমগুৰিত মহাবাহু নামেৰে এটা ছপাশাল খুলি ব্যৱসায় কৰি আহিছিল। সেয়ে বন্ধু তথা সাংবাদিক মৃদুষ্মন্ত বৰুৱা আৰু আছুৰ কৰ্মী প্ৰণয়জ্যোতি দত্তৰ আঠ পৃষ্ঠাত চাওক

## সপোন-কল্পনা-বাস্তৱ (৮)

■ সঞ্জীৱ সভাপণ্ডিত



ভাৰতৰ এজন ভূতপূৰ্ব ৰাষ্ট্ৰপতি এ পি জে আব্দুল কালামে ভাৰতীয় মানুহক— বিশেষকৈ নতুন চামক সপোন দেখিবলৈ উদগনি দিছিল। তেওঁ আৰু বহুত ভাল ভাল কথা কৈছিল— Igniting minds অৰ্থাৎ নিজৰ মনটোকে উদ্বেলিত কৰাৰ কথা কৈছিল বা অনবৰতে প্ৰতিটো কথাকে প্ৰশ্ন কৰাৰ কথা কৈছিল।

কিন্তু কামটো কেনেকৈ কৰে তাৰ একো ১০ পৃষ্ঠাত চাওক

■ ২০২৫ৰ নৱেম্বৰত উদ্বোধনৰ লক্ষ্য নিৰ্ধাৰণ ঃ ঘোষণা ড° শৰ্মাৰ

■ দুই জিলাৰ উন্নয়নৰ যাত্ৰাত নতুন মাত্ৰা প্ৰদানৰ আশা প্ৰকাশ

## অৱশেষত মাজুলী সংযোগী দলঙৰ নিৰ্মাণকাৰ্য মুকলি কৰিলে মুখ্যমন্ত্ৰীয়ে



**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ২৯ নৱেম্বৰ ঃ** মাজুলীৰ যোগাযোগ ব্যৱস্থাত এক নতুন মাত্ৰা প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৮.২৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ মাজুলী-যোৰহাট সংযোগী দলঙৰ নিৰ্মাণকাৰ্যৰ লগতে ইয়াৰ এপ্ৰ'চ নিৰ্মাণকাৰ্য মুকলি কৰে। উল্লেখ্য যে এই দলং নিৰ্মাণৰ বাবে ভাৰত চৰকাৰৰ পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰণালয়ে ৯২৫.৪৭ কোটি টকাৰ অনুমোদন দিছে। এই প্ৰকল্পটো লক্ষ্মৌৰ ১০ পৃষ্ঠাত চাওক

## মন্ত্ৰী-বিষয়া শূন্য দিছপুৰত ফাইলৰ দ'ম ঃ হতাশ জনতা

**ষ্টাফ ৰিপৰ্টাৰ**

**গুৱাহাটী, ২৯ নৱেম্বৰ ঃ** মাহটোৰ অধিকাংশ দিন দায়িত্বপ্ৰাপ্ত জিলা, বিভিন্ন মেল-মিটিঙত ৰাজ্য চৰকাৰৰ মন্ত্ৰী পাৰিষদ ব্যস্ত হৈ থকাৰ ফলত দিছপুৰত একপ্ৰকাৰ ফাইলৰ দ'ম বান্ধিছে। কোনোজন মন্ত্ৰী যদি সপ্তাহত এখন্তেক জনতা ভৱনত উপস্থিত হৈ দুই-এটা ফাইল খুঁচৰিছে কোনোজনে আকৌ ১০-১৫ দিন নিজ কাৰ্যালয়ত উপস্থিত হ'বলৈ সময় উলিয়াবলৈ সক্ষম হোৱা নাই বুলি অভিযোগ উঠিছে। ফলত জনতা ভৱনলৈ অহা বহুতেই ভাগ্য থাকিলেহে মন্ত্ৰীৰ সাক্ষাৎ মিলিব বুলি হুমুনিয়াহ কাঢ়ি দৈনিক তাঁত-বাটি কাঢ়িবলগীয়া হৈছে। উল্লেখ্য যে ৰাজ্য পৰিচালনাৰ হৃদপিণ্ডস্বৰূপ জনতা ভৱনত মন্ত্ৰী-বিষয়াৰ আঠ পৃষ্ঠাত চাওক

## পুনৰ জামিন আবেদন নাকচ প্ৰদীপ দত্তৰয়ৰ



**বিশেষ সংবাদদাতা**

**শিলচৰ, ২৯ নৱেম্বৰ ঃ** অসমীয়া ভাষাবিৰোধী ভাষ্য প্ৰকাশ কৰি ৰঙাঘৰৰ আলহী হোৱা বৰাকৰ প্ৰদীপ দত্তৰয়ৰ জামিন আবেদন আজি পুনৰ নাকচ হয়। আজি তেওঁৰ ১০ পৃষ্ঠাত চাওক

আলোচনা অবিহনেই বিধেয়ক গৃহীত ঃ ক্ষুব্ধ বিৰোধী ■ এমএছপিসহ নিষ্পত্তি নোহোৱা ইছ্যুৰ সমাধান নোহোৱাকৈ আঁতৰি নাযাও ঃ টিকাইট ■ চৰকাৰে বিচাৰে দেশৰ ক'তো প্ৰতিবাদ নহওক

## চাৰি মিনিটতে প্ৰত্যাহাৰ তিনি কৃষি আইন



**■ নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২৯ নৱেম্বৰ ঃ** সংসদত বিগত বৰ্ষত ধ্বনি ভোটত গৃহীত হোৱা বিতৰ্কিত কৃষি আইন অৱশেষত ধ্বনি ভোটতে আজি প্ৰত্যাহাৰ কৰিলে কেন্দ্ৰীয় চৰকাৰে। বিৰোধীৰ প্ৰবল হুলস্থূলৰ মাজতে লোকসভাত গৃহীত হ'ল কৃষি আইন প্ৰত্যাহাৰ বিধেয়ক। সংসদৰ আজিৰে পৰা আৰম্ভ হোৱা শীতকালীন অধিবেশনৰ প্ৰথমদিনাই উভয় সদনতে অভিলেখ সময়ত গৃহীত হয় এই কৃষক বিৰোধী আইন প্ৰত্যাহাৰ বিধেয়ক। আজি দিনৰ ১২-০৬ বজাত লোকসভাত উত্থাপন কৰা হয় বিতৰ্কিত কৃষি আইন প্ৰত্যাহাৰ বিধেয়ক। বিৰোধীয়ে এই বিধেয়কক লৈ আলোচনাৰ দাবীত তীব্ৰ হুলস্থূলৰ সৃষ্টি কৰাৰ মাজতে ১০ পৃষ্ঠাত চাওক

## মহানগৰীত জ্যেষ্ঠ ভ্ৰাতৃক শোৱাপাটীতে মৰিয়াই হত্যা ড্ৰাগছ আসক্তৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৯ নৱেম্বৰ ঃ** ধাৰাবাহিক হত্যাকাণ্ডই জোকাৰি যোৱা ৰাজধানী মহানগৰীত আজি পুৱতি নিশা সংঘটিত হ'ল আৰু এটি জঘন্য হত্যাকাণ্ড। বামুণীমৈদামৰ কুশলনগৰৰ বাসগৃহত শুই ১০ পৃষ্ঠাত চাওক

■ চৰকাৰৰ 'হনিমুন পিৰিয়ড' শেষ হ'ল

## জাতি বিৰোধী সিদ্ধান্তৰ হিচাপ লোৱাৰ সময় ঃ ভূঞা



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী ২৯ নৱেম্বৰ ঃ** 'মিছা প্ৰতিশ্ৰুতি আৰু প্ৰচাৰৰ ওপৰত নিৰ্ভৰশীল ড° হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰখন এখন ঠগবাজৰ চৰকাৰ। ছমাহ সম্পূৰ্ণ কৰা এই চৰকাৰখনৰ 'হনিমুন পিৰিয়ড' শেষ হ'ল। এতিয়া ৰাইজক কামৰ খতিয়ান দাঙি ধৰাৰ সময়।' এই ভাষ্য সাংসদ তথা আঞ্চলিক গণ মৰ্চাৰ সভাপতি অজিত কুমাৰ ভূঞাৰ। আজি ইয়াত এক সংবাদমেলত তেওঁ এইদৰে কয়। বিগত ছটা মাহত আঠ পৃষ্ঠাত চাওক

## প্ৰধান শিক্ষকসহ তিনিজনক গ্ৰেপ্তাৰ

মৰিগাঁৱত ছমহীয়া পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল কাণ্ড ■ চলাইছিল অবৈধ বেহা



**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও/ভূৰাগাঁও, ২৯ নৱেম্বৰ ঃ** মৰিগাঁও জিলাত চলি থকা নৱম আৰু দশম শ্ৰেণীৰ ছমহীয়া পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল কৰি মৰিগাঁও শিক্ষা বিভাগক কলংকিত কৰা ঘটনাৰ মূল অভিযুক্ত আতিকুল ইছলামৰ লগতে অন্যতম অভিযুক্ত মৈৰাবাৰী মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত ১০ পৃষ্ঠাত চাওক

বিগত অধিবেশনত হিংসাত্মক আচৰণ ■ অগণতান্ত্ৰিক আখ্যা বিৰোধীৰ

## বাৰিষাত 'অপৰাধ', শীতত 'শাস্তি'! ৰাজ্যসভাৰ ১২ বিৰোধী সাংসদ নিলম্বিত

**■ নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২৯ নৱেম্বৰ ঃ** সংসদৰ যোৱা বৰ্ষাকালীন অধিবেশনত সৃষ্টি হোৱা অভাৱনীয় হিংসাত্মক ঘটনাৰ বাবে ৰাজ্যসভাৰ ১২জন সাংসদক আজিৰে পৰা আৰম্ভ হোৱা শীতকালীন অধিবেশনৰ পৰা নিলম্বিত কৰা হয়। এই অধিবেশনত সেইসকল সাংসদে অংশগ্ৰহণ কৰিব নোৱাৰিব। বিৰোধী পক্ষই ইয়াক নীতিবিৰোধী বুলি সমালোচনা কৰিছে। সাংসদ নিলম্বিতকৰণৰ প্ৰস্তাৱত চৰকাৰীপক্ষই কয় যে সাংসদসকলে ইচ্ছাকৃতভাৱে নজিৰবিহীন হিংসাত্মক, অৱমাননাসূচক আচৰণ সংঘটিত কৰাৰ লগতে ইচ্ছাকৃতভাৱে নিৰাপত্তাৰক্ষীকো আক্ৰমণ কৰে। নিলম্বিত বিধায়কসকলৰ তালিকাত আছে শিৱসেনাৰ প্ৰিয়ংকা চতুৰ্বেদী, অনিল দেশাই, তৃণমূল কংগ্ৰেছৰ দোলা সেন, শান্তা ছেত্ৰী, চিপিএমৰ ইলামৰম কৰিম আৰু ছজন কংগ্ৰেছ নেতা। এক যৌথ ১০ পৃষ্ঠাত চাওক

## প্ৰতিষেধক অভিযানৰ বাবে বিষয়া-কৰ্মীৰ ছুটী বাতিল

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৯ নৱেম্বৰ ঃ** ক'ভিড-১৯ প্ৰতিষেধক অভিযান সম্পূৰ্ণ কৰাৰ বাবে ৰাজ্য চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। এই উদ্দেশে আজিৰে পৰা অহা পাঁচ ডিচেম্বৰলৈ আঠ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
| --- | --- | --- |
| গুৱাহাটী | ২৮° | ১৫° |
| ডিব্ৰুগড় | ২৭° | ১৩° |
| দিল্লী | ২৪° | ১৪° |
| কলকাতা | ২৯° | ১৮° |
| মুম্বাই | ৩৩° | ২২° |
| চেন্নাই | ২৮° | ২৪° |
| বাংগালুৰু | ২৩° | ২০° |
| শ্বিলং | ১৯° | ০৮° |

*২৯ নৱেম্বৰ, ২০২১*

■ কিমান ভয়াৱহ অ'মিক্ৰন? সংক্ৰমণৰ ক্ষমতা কে'বাগুণ অধিক

## কৰ'না ভাইৰাছৰ নতুন প্ৰজাতিক লৈ বিশ্ব স্বাস্থ্য সংস্থাৰ পাঁচ তথ্য



**■ নিউজ ব্যুৰ'**

**জেনেভা, ২৯ নৱেম্বৰ ঃ** ডেল্টা, ডেল্টা প্লাছৰ পাছত কৰ'না ভাইৰাছৰ শেহতীয়া প্ৰজাতি অ'মিক্ৰনক লৈ বিশ্বজুৰি সৃষ্টি হৈছে নতুন উদ্বেগৰ। আফ্ৰিকাত প্ৰথম চিহ্নিত হয় ক'ভিডৰ এই নতুন প্ৰজাতিৰ সংক্ৰমণ। আফ্ৰিকাৰ বৎছ'ৱানাত অ'মিক্ৰনৰ প্ৰথম সংক্ৰমণ ধৰা পৰাৰ পাছত হংকং, ইজৰাইলসহ ১৩ খন দেশ এতিয়ালৈকে এইবিধ ক'ভিডৰ দ্বাৰা প্ৰভাৱিত হৈছে। ক'ভিডৰ এই প্ৰজাতিয়ে বিশ্বত ১০ পৃষ্ঠাত চাওক

নতুনকৈ নিবিদা লাভ কৰা কোম্পানীৰ বেপৰোৱা কাৰ্যকলাপ ■ অব্যাহতি দিলে স্থানীয় কৰ্মচাৰীক

## মাচুল আদায়ৰ নামত তাণ্ডৱ, ডিমৰীয়াবাসীৰ প্ৰতিবাদত অচল হৈ পৰিল টোলগেট



**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ২৯ নৱেম্বৰ ঃ** 'টোলগেট বন্ধ কৰক', 'এইছ এম চিৰ দাদাগিৰি নচলিব', 'হৰেন মহন্তৰ মইমতালি নচলিব', 'টোলগেটত স্থানীয় ৰাইজৰ স্বাৰ্থ সুৰক্ষিত কৰক' 'এইছ এম চি মুৰ্দাবাদ' আদি প্ৰতিবাদী শ্ল'গানেৰে আজি উত্তাল হৈ ১০ পৃষ্ঠাত চাওক

## চেঙা তেল



*হে হে! তুমিও কম নহয় দিয়া, ১০ লাখটকীয়া গাড়ীত উঠি গৈ ২৫ হেজাৰটকীয়া সাহায্য আনিলা!*

## নাওসহ জব্দ ৭০টা গৰু, আৰক্ষীৰ গুলি সত্ত্বেও সৰবৰাহকাৰীৰ পলায়ন

**ব্ৰহ্মপুত্ৰৰ নদীপথেৰে চোৰাংকৈ সৰবৰাহ কৰিছিল মেঘালয়লৈ**

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৯ নৱেম্বৰ ঃ** গো-সুৰক্ষা আইন বলবৎ হোৱাৰ পাছতো ৰাজ্যজুৰি অব্যাহত আছে গৰুৰ চোৰাং সৰবৰাহ। আজি পুৱতি নিশা গোৱালপাৰা আৰক্ষীয়ে চলোৱা এক অভিযানত ব্ৰহ্মপুত্ৰৰ নদীপথৰ পৰা জব্দ কৰে চোৰাংকৈ সৰবৰাহ কৰা ৭০টা গৰু। অৱশ্যে আৰক্ষীৰ গুলিচালনা সত্ত্বেও চোৰাং সৰবৰাহকাৰীয়ে ঘটনাস্থলীৰ পৰা পলায়ন কৰিবলৈ সক্ষম হয়। ১০ পৃষ্ঠাত চাওক

অহা মাৰ্চত আৱাসিক প্ৰশিক্ষণ কেন্দ্ৰ বন্ধৰ নিৰ্দেশ ■ অৰ্ধ-লক্ষাধিক শিশু শ্ৰমিক শিক্ষাৰ্থীৰ জীৱনলৈ নামিব অন্ধকাৰ

■ আমাক এডোখৰ গৰম কাপোৰ দিয়ক ■ জাৰত কঁপি কঁপি মুখ্যমন্ত্ৰীলৈ কাতৰ আহ্বান জনালে এদল শিশুৱে

## শিক্ষাৰ পৰা বঞ্চিত কৰি আমাক পুনৰ শ্ৰমিক নকৰিব



**■ আব্দুল মজিদ**

**নলবাৰী, ২৯ নৱেম্বৰ ঃ** বিগত কিছুদিনৰ পৰা ৰাজ্যৰ সকলো প্ৰান্ততে শীত নামিছে। অন্যান্য প্ৰান্তৰ লগতে নলবাৰীত ইতিমধ্যে ১৯ ডিগ্ৰী চেলচিয়াছলৈ নিম্নগামী হৈছে তাপমাত্ৰা। ইয়াৰ মাজত এটা মাত্ৰ সাধাৰণ টি চাৰ্ট পিন্ধি জাৰত কঁপি কঁপি দিন পাৰ কৰিছে শিশু শ্ৰমিক শিক্ষাৰ্থীসকলে। প্ৰতি সন্ধিয়া জাৰত কঁপি কঁপিয়ে হাঁহি-ধেমালিৰে তেওঁলোকে পাৰ কৰিছে সময়। ব্যায়াম কৰিছে, গীত গাইছে। তাৰ লগতে দেশৰ ৰাষ্ট্ৰীয় সংগীতক প্ৰাৰ্থনাৰ ভাষা কৰি সমস্বৰে গাই গৈছে— জন গণ মন অধিনায়ক জয়হে!

এই ছবি নলবাৰী জিলাৰ বৰতলাত থকা বৰক্ষেত্ৰী বিশেষ আৱাসিক প্ৰশিক্ষণ কেন্দ্ৰৰ। ইয়াৰ কোনোবাজন যদি আহিছে ব্ৰহ্মপুত্ৰই ঘৰ-ভেটি উটুৱাই নি গৃহহীন কৰা পৰিয়ালৰ পৰা, কোনোবাজন আহিছে আত্মীয়-স্বজনক হেৰুৱাই হোটেল-লোকৰ ঘৰত বন কৰা অৱস্থাৰ পৰা। আৱাসকেন্দ্ৰটোৰ বৰ্তমানৰ প্ৰায় দুশজন শিক্ষাৰ্থীৰে অৱস্থা একে ধৰণৰ যদিও ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, মঙলবাৰ ১৩ আঘোণ ১৪২৮ ভাস্কৰাব্দ ৩০ নৱেম্বৰ ২০২১



## শোষণেই লক্ষ্য

আমাৰ দেশত জাত-পাতৰ সমস্যাটো ইমান পুৰণি আৰু জটিল যে দুই-চাৰিটা বাক্যতে তাৰ উত্তৰ দিয়াটো সম্ভৱ নহয়। আজিও দেশৰ বিভিন্ন প্ৰান্তত ইটো বৰ্ণৰ স'তে আনটো বৰ্ণৰ বিবাহ সম্ভৱ নহয়। কেনেবাকৈ তেনে কাৰ্য সম্ভৱ হৈ উঠিলেও সমাজে স্বীকৃতি নিদিয়ে অথবা তাৰ বাবে যথেষ্ট মূল্য ভৰিব লগা হয়। আনকি অসৱৰ্ণ বিবাহৰ হেতুকে প্ৰাণ বিসৰ্জন দিব লগা হৈছে বহুতেই। অশিক্ষিতৰ মাজতেই যে এই প্ৰথা আজিও কটকটীয়া হৈ আছে সি নহয়, আনকি উচ্চ শিক্ষিতৰ মাজতো বৰ্ণভেদৰ জালখন অটুট আছে। বেদৰ যুগৰ পৰা আজিলৈকে ভাৰতীয় সমাজৰ বুকুৰেদি বিভিন্ন আদৰ্শৰ কিমান ধুমুহা বৈ গৈছে, তাৰ তুলনা নাই। বিশেষকৈ বৌদ্ধধৰ্মই বৰ্ণভেদ প্ৰথাক সমূলঞ্চে নাশ কৰাৰ চেষ্টা চলাইছিল। তেনেদৰে দক্ষিণ ভাৰতৰ পৰা প্ৰবল ধুমুহাৰ দৰে অহা বৈষ্ণৱ ধৰ্মইও সৌৰাষ্ট্ৰৰ পৰা শদিয়ালৈকে প্ৰসাৰিত হৈ সকলোকে এক পৰমাত্মাৰ সন্তান হিচাপে গ্ৰহণ কৰি মানুহৰ মাজৰ ভেদাভেদ আঁতৰাবলৈ চেষ্টা চলাইছিল। ব্ৰাহ্ম সমাজেও বৰ্ণভেদ প্ৰথা বন্ধ কৰিবলৈ লোৱা উদ্যোগ আজিও অব্যাহত আছে। একেদৰেই আৰ্য সমাজ, ৰামকৃষ্ণ মিছন, ইস্কন আদিয়েও বৰ্ণভেদৰ বিনাশ ঘটাবলৈ বিচাৰিছে। এই সংস্কাৰবাদী প্ৰক্ৰিয়াসমূহ যে মুঠেও সফল হোৱা নাছিল তেনে নহয়; কিন্তু তৎসত্ত্বেও অমানৱীয় বৰ্ণবাদ নিৰ্মূল কৰাটো সম্ভৱ হোৱা নাই। হিন্দুত বাহিৰে আন ধৰ্মত এই ধৰণৰ কুসংস্কাৰ নাই। আজিও হিন্দু সমাজত স্মৃতি নিৰ্দেশিত বৰ্ণ প্ৰথাই একমাত্ৰ স্বীকৃত আৰু আইনসন্মত পথ হৈ আহিছে। সমাজৰ সকলো শ্ৰেণীৰ লোককে বৰ্ণপ্ৰথাৰ অন্তৰ্ভুক্ত কৰিবলৈ মনুকে আৰম্ভ কৰি স্মৃতিকাৰসকলে নিৰ্দেশ দিছিল। দলিতসকলক হিন্দু সমাজৰ অন্তৰ্ভুক্ত কৰাৰ পাছতো কিন্তু অস্পৃশ্য কৰি ৰখা হৈছে। দেশৰ বহু মন্দিৰত আজিও তথাকথিত নিম্ন বৰ্ণৰ মানুহৰ প্ৰৱেশ নিষেধ। সেই নিম্ন শ্ৰেণীৰ লোকসকলৰ দ্বাৰাই সকলোবোৰ লেতেৰা আৰু কঠিন কাম কৰোৱা হয়, অৰ্থাৎ তেওঁলোকৰ শ্ৰমৰ ফচল গ্ৰহণ কৰাটো শাস্ত্ৰ অনুসৰি বৈধ। উদাহৰণস্বৰূপে চাফাই কামত লিপ্ত হোৱাসকল (যিসকলক মহাত্মা গান্ধীয়ে 'হৰিজন' নাম দিছিল) আজিও অচ্যুৎ হৈয়ে আছে। বহু মন্দিৰত তেওঁলোকৰ প্ৰৱেশ নিষেধ। তেনেদৰে নিষাদ বা কৈৱৰ্তসকলে যোগান ধৰা মাছ উচ্চ শ্ৰেণীৰ লোকে খোৱাত আপত্তি নাই; কিন্তু মাছমৰীয়াসকলক সৌ সিদিনালৈকে অচ্যুৎ কৰি ৰখা হৈছিল। যিহেতু তেওঁলোকে কঠোৰ শ্ৰমেৰে মাছ ধৰে অথবা পশু-পক্ষী চিকাৰ কৰে, সেয়েহে সমাজত তেওঁলোকে বিশেষ স্থান লাভ কৰাটোৱে ন্যায়সংগত হ'লহেঁতেন; কিন্তু শোষক শ্ৰেণীটোৱে সকলো সময়তে তেওঁলোকক এনেদৰে পদদলিত কৰি ৰাখিব বিচাৰিছিল, যাতে তেওঁলোকৰ অধিকাৰৰ ধাৰণাই মনত শিপাব নোৱাৰে। তাৎপৰ্যপূৰ্ণ যে ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ— এই চাৰিটা বৰ্ণ থাকিলেও বহু সময়ত বৈশ্যসকলক গুৰুত্বহীন কৰি তোলা হৈছিল আৰু তেওঁলোক শূদ্ৰৰ শাৰীত পৰিছিলগৈ। ই নিঃসন্দেহে বিসংগতিমূলক কাৰ্য; কিয়নো স্মৃতিকাৰসকলেই কৈছে যে ব্ৰহ্মাৰ মূৰৰ পৰা জন্ম হৈছে ব্ৰাহ্মণৰ, বাহুৰ পৰা ক্ষত্ৰিয়ৰ, উৰুৰ পৰা বৈশ্যৰ আৰু ভৰিৰ পৰা শূদ্ৰৰ। ঈশ্বৰ স্তুতি, যাগ-যজ্ঞ, পূজা-পাতল আদিৰ অধিকাৰ একমাত্ৰ উচ্চ ব্ৰাহ্মণ-ক্ষত্ৰিয়ইহে লাভ কৰিছিল। শূদ্ৰৰ পক্ষে বেদ অধ্যয়ন নিষেধ আছিল। আনকি বেদৰ শ্লোক শুনাটোও অপৰাধ হিচাপে গণ্য কৰা হৈছিল। সৌসিদিনালৈকে গায়ত্ৰী মন্ত্ৰ কাণে-কাণে কোৱা হৈছিল, এই বাবেই যাতে শূদিৰে শুনাৰ সুযোগ নাপায়। গীতাত শ্ৰীকৃষ্ণই কৈছে যে চতুৰ্বৰ্ণ স্বয়ং ভগৱানে গুণকৰ্তা অনুসৰি সৃষ্টি কৰিছে; কিন্তু সেই প্ৰক্ৰিয়াক বংশানুক্ৰমিক কৰা হ'ল কি যুক্তিত? অৱশ্যে দুই-চাৰিজন শূদ্ৰকো অতি কৌশলেৰে ক্ষত্ৰিয়লৈ অনা হৈছিল, যাতে উচ্চ বৰ্ণৰ চতুৰালি ধৰা নপৰে। ব্ৰাহ্মণ, ক্ষত্ৰিয়ৰ পক্ষে নিম্ন বৰ্ণৰ ছোৱালীৰ পাণিগ্ৰহণ কৰাত দোষ নাই; কিন্তু ব্ৰাহ্মণ কন্যাৰ গাত নিম্ন বৰ্ণৰ লোকে হাত দিলে ৰৌ-ৰৌ নৰকত পতিত হয়। এই জাত প্ৰথাটো আদিম কালৰ পৰা আমাৰ গুৰি ধৰোতাসকলে এনেদৰে জীয়াই ৰাখিছে যাতে তেওঁলোকৰ অৰ্থনৈতিক শোষণ চলাই যোৱাটো সম্ভৱ হয়।

### খো লা ম ঞ্চ

## অসমীয়া বৰ্ণাঢ্য সাজপাৰ হেৰাই যাব নেকি?



**আমাৰ** ভাৰতবৰ্ষৰ প্ৰতিখন ৰাজ্যৰে ৰীতি-নীতি সুকীয়া, ভাষা সুকীয়া। সংস্কৃতি সুকীয়া। তথাপি আমি একতাৰ ডোলেৰে বান্ধ খাই আছো। আমি কওঁ আমি ভাৰতীয়। ভাৰত আমাৰ ৰাষ্ট্ৰ, আমাৰ দেশমাতৃ। ভাৰতবৰ্ষ মহান দেশ, ই পূৰ্বৰে পৰা সংস্কৃতিৰে বান্ধ খোৱা ৰাষ্ট্ৰ। আমাৰ চিৰ চেনেহী অসমী আইৰ সাজপাৰযোৰতে আছে সংস্কাৰ সংস্কৃতিৰ যুগান্তৰৰ চানেকি। সেই সাজ ছাঁতে শুকোৱা মুঠিতে লুকোৱা অসমীয়া শিপিনীয়ে নিজ হাতে বই পিন্ধা মেখেলা-চাদৰ ৰিহা। ইয়াৰ মান্যতাই অসমী আইৰ স্বাভিমান। আমাৰ সাজপাৰযোৰৰ মান্যতাৰ ওপৰত এটা সৰু ঘটনা উল্লেখ কৰাৰ হেঁপাহ সামৰিব নোৱাৰিলো। মোৰ নিজৰ কথাকে কওঁ। মোৰ ভাই খনিন দাস আৰু মই দিল্লী নগৰীৰ ৰেল ষ্টেছনৰ প্লেটফৰ্মত বহি আছিলো গুৱাহাটীমুখী ৰেলৰ অপেক্ষাত। তেনেতে এজন অসমীয়া যুৱ ছাত্ৰই একেখন প্লেটফৰ্মতে আছিল যদিও কিছু দূৰত আছিল। তেওঁ দৌৰি দৌৰি আমাৰ ওচৰ পাই বৈ দিলে আৰু ক'লে আপোনালোক অসমীয়া হয় নে বাইদেউ। ক'লৈ আহিছিল? ল'ৰাজনৰ লৰা-ঢপৰা আৰু কথা-বতৰা শুনি অকণ চিনাকিৰ দৰে হাঁহি সুধিলো। তুমি মোক ইমান মানুহৰ মাজত কেনেকৈ অসমীয়া বুলি চিনি পালা ভাইটি। ল'ৰাজনে ক'লে মই জৱাহৰলাল ইউনিভাৰচিটিত পঢ়ো। মই আপোনাৰ পিন্ধি থকা মুগাৰ মেখেলা-চাদৰতে চিনি পাইছো, সিয়ে মোক পৰিচয় কৰাই দিলে। ইয়াত অসমীয়া মানুহ দেখাই নাপাওঁ সেয়ে সুবিধা-সময় পালে ইয়ালৈকে আহো। দুআষাৰ কথা কিজানি নিজৰ ভাষাত কোনোবাৰ স'তে পাতিব পাওঁৱেই।

গিৰিজাবালা দাস, লেখিকা

এয়াই এটা জাতিৰ পৰিচয়। তেনেদৰে সকলো দেশৰ পৰিচয় আমি পাওঁ মহিলাই পিন্ধি থকা কাপোৰযোৰৰ মাধ্যমেৰে। আমাৰ জাতীয় সাজপাৰ পুৰুষৰ ধুতিচোলা চাদৰ, মহিলাৰ মেখেলা-চাদৰ, ৰিহা। পিছে ধুতি-পাঞ্জাবী সৰ্বভাৰতীয় পোছাক। সকলো ৰাজ্যৰ মানুহে পূজা-পাৰ্বণ, নাম-ধৰ্মত ব্যৱহাৰ কৰে; কিন্তু মহিলাৰ পোছাকযোৰ সৰ্বভাৰতীয় নহয়। সেই সাজ-পাৰযোৰ প্ৰতিখন ৰাজ্যৰ মহিলাৰ গাত সুকীয়া সুকীয়াভাৱে দেখিবলৈ পোৱা যায়। আজি আমাৰ দেশৰ নতুন প্ৰজন্মই নিজৰ জাতি, নিজৰ ভাষা, নিজস্ব সাজ-পোছাকত ঢাকোন দিবলৈ ধৰা যেনহে লাগে। আজিৰ নৱপ্ৰজন্মৰ অসমীয়া পোছাকযোৰ বৰ আমনিদায়ক হৈ পৰিছে। তেওঁলোকে ছোৱালীসকলৰ কথা কোৱা হৈছে। যিসকলে পেণ্ট-ছাৰ্ট স্প'ৰ্টিং আদি পোছাকত মনোনিবেশ কৰি নিজৰ সংস্কৃতিভৰা পোছাকযোৰ এৰিব বিচাৰিছে। এয়া এটা জাতিৰ অপমান। পিন্ধিব লৈছে পিন্ধক, কাৰণ আজি আৰু আগৰ দিন নাই। আজি কোনো ডেকা ল'ৰাই অসমৰ বাহিৰত অসমীয়া মহিলাৰ পোছাকযোৰ দেখি ঢপলিয়াই নাহে। আনহাতে, অসমীয়া শিক্ষিত যুৱতীসকলো দেশৰ বাহিৰত গৈ শিক্ষাগ্ৰহণ কৰি যি দেশতে থাকে সেই দেশৰে ৰীতি-নীতি শিকি লয়। তথাপি সামাজিক কাৰ্যবোৰত আমাৰ যুৱতীসকলে মান্যতা দিয়া উচিত কিহেৰে? জাতীয় পোছাকযোৰ আৰু ভাষাৰে; কিন্তু তাকে নকৰি আজি শিক্ষিত মহিলাসকলে টি ভিৰ বাতৰি, সমজুৱা অনুষ্ঠান পূজা-পাৰ্বণ এনেকি মহাপুৰুষ দুজনাৰ তিথি পাৰ্বণ, নামঘৰ, সামাজিক অনুষ্ঠানতো স্প'টিং পেণ্ট পৰিধান কৰি যোৱাটো অসমীয়া অপসংস্কৃতিৰ পৰিচায়ক। এতেকে আমাৰ সংস্কৃতিবান বৰ্ণাঢ্য সাজপাৰযোৰ অপসংস্কৃতিৰ গৰাহত লুপ্ত হ'বলৈ নিদি আজিৰ নৱ যুৱতীসকলে আদৰ-সাদৰ কৰি পিন্ধি নিজে গৌৰৱান্বিত হৈ দেশ মাতৃকো গৌৰৱান্বিত কৰাৰ লগতে সংস্কৃতিকো ৰক্ষা কৰক।

ফোন: ৯০৮২৬২৩১৯৯

# বৰাকত যদি অসমীয়া নিষিদ্ধ হ'ব পাৰে...

## বৰাকৰ গণতন্ত্ৰপ্ৰেমী-বাঙালীসকলে বাঙালী তালিবানসকলক লাই দিব নালাগিব

**প্ৰদীপ দত্ত ৰয়তো এজন দেখ দেখকৈ দেশদ্ৰোহী। তেওঁ চৰকাৰৰ ক'ভিড প্ৰতিষেধকৰ বিজ্ঞাপন থকা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ফটোযুক্ত বেনাৰ ভয়-ভাবুকিৰে নমোৱাইছে, জিলা প্ৰশাসনক হুমকি দিছে, অসমৰ ৰাজ্যভাষা অসমীয়াক অৱমাননা কৰিছে আৰু ভাষিক সংঘৰ্ষ সৃষ্টিৰ ষড়যন্ত্ৰ চলাইছে। আইন, সংবিধান আৰু চৰকাৰৰ দৃষ্টিত সেইবোৰ অক্ষমনীয় অপৰাধ**

অসৱৰ্ণ
হীৰেন গগৈ



বৰাক ডেম'ক্ৰেটিক ফ্ৰন্ট নামৰ মুষ্টিমেয় উগ্ৰ বাঙালী লোকৰ সংগঠন এটাৰ নেতা প্ৰদীপ দত্ত ৰয়ৰ হুংকাৰত কাছাৰৰ মেহেৰপুৰ অঞ্চলৰ এটা পেট্ৰ'ল পাম্পৰ সন্মুখৰ পৰা অসমীয়া ভাষাত লিখা চৰকাৰী বিজ্ঞাপনৰ বেনাৰ এখন ২৪ ঘণ্টাৰ ভিতৰতে আঁতৰোৱা হৈছে। সংবাদ মাধ্যমৰ খবৰ মতে পেট্ৰ'ল পাম্পটোৰ মানুহেই সেইখন আঁতৰাইছিল আৰু সেই সম্পৰ্কে প্ৰশাসনৰ কোনো খবৰেই নাছিল। পাছত হিন্দু যুৱ ছাত্ৰ পৰিষদৰ কৰ্মী এজনৰ গোচৰৰ ভিত্তিতহে শিলচৰ আৰক্ষীয়ে অভিযুক্ত দত্ত ৰয়ক প্ৰথমে সোধা-পোছা কৰি গ্ৰেপ্তাৰ কৰিছে বুলি জনা গৈছে। অৱশ্যে তেওঁক মুকলি কৰি দিবলৈও বোধহয় বেছি সময় নালাগিব।

স্বাভাৱিকতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ ঠায়ে ঠায়ে অসমীয়া সংগঠনবোৰে উক্ত ঘটনাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে আৰু অসমীয়া-বিদ্বেষী প্ৰদীপ দত্ত ৰয়ক গ্ৰেপ্তাৰ কৰি অসমৰ পৰা বাহিৰ কৰি দিয়াৰ দাবীও উত্থাপন কৰিছে। সেই দাবী যে পূৰণ নহ'ব, সেইটো সহজে বুজিব পৰা কথা; কিন্তু দত্ত ৰয়ৰ কৰ্ম-কাণ্ডই অসমীয়া লোকৰ মনত বাঙালী-বিদ্বেষৰ মাত্ৰা ঠিকেই বঢ়াই দিছে। কিছুদিনৰ আগতে শিলচৰ ৰেলষ্টেছনৰ ওচৰত অসমীয়া হৰ্ডিং এখনতো ক'লা চিয়াহী লগোৱা হৈছিল। অসমীয়া আৰু বাঙালীৰ মাজত ভাষিক সংঘৰ্ষ এটা লগোৱাৰ পৰিকল্পনা এটা সুচিন্তিতভাৱেই চলোৱা হৈছে যেন পাওঁ। উভয় সম্প্ৰদায়ৰ জনসাধাৰণ সজাগ আৰু সৰৱ নহ'লে অসমত আৰু এটা ভাষিক সংঘৰ্ষ ঘটি যাবও পাৰে। প্ৰদীপ দত্ত ৰয় নামৰ নেতাজন বৰাকবাসীৰ আস্থাভাজন হয় নে নহয়, নাইবা তেওঁলোকৰ সংগঠনটোৰ গণভিত্তি আছে নে নাই, সেইটো ডাঙৰ কথা নহয়; ডাঙৰ কথা হৈছে এইটোহে যে তেওঁলোকে বাঙালীৰ ভাষিক উগ্ৰ জাতীয়তাবাদক জগাই তুলিব খুজিছে আৰু ভাষা-ধৰ্মৰ নামতেই মানুহ অতি সহজে আৰু আটাইতকৈ বেছি উত্তেজিত হয়। সাধাৰণ মানুহৰ তেনে ভাবাবেগ জাগি উঠিলে এজন পাৱত গজা অখ্যাত নেতাও ৰাতিটোৰ ভিতৰতে বিখ্যাত হৈ পৰিব পাৰে বা জাতীয় নেতালৈয়ো ৰূপান্তৰিত হ'ব পাৰে। আৰু যদি বৰাকৰ বাঙালীভাষী লোকসকল সেই ভাবাবেগৰ ঢৌত উটি যায় নাইবা নীৰৱ হৈ বহি থাকে তেনেহ'লে তাৰ নিশ্চিত প্ৰতিক্ৰিয়া ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমীয়া সমাজখনত ঘটিবই। 'কা' বিৰোধী আন্দোলনে ইতিমধ্যে অসমীয়া লোকসকলৰ মনতো বাঙালী ভীতি সিঁচি থৈছেই। প্ৰদীপ দত্ত ৰয়ৰ দৰে অসমীয়া বিদ্বেষী বাঙালী নেতাৰ দপ্‌দপনি চলি থাকিলে অসমীয়াৰ সুপ্ত বাঙালীভীতিয়ে প্ৰতিহিংসাৰ ৰূপ ল'লে আচৰিত কথা নহ'ব।

বৰাকত বাঙালী সহযোগী ভাষা। গতিকে তাৰ বাঙালীসকলে নিজৰ ভাষাটোক প্ৰধান ভাষা হিচাপে ব্যৱহাৰ কৰি আছে আৰু অসমীয়াই তেওঁলোকৰ সেই অধিকাৰ কাঢ়ি ল'বলৈ কেতিয়াও বিচৰা নাই; কিন্তু বৰাকখনতো অসমৰে অংগ আৰু অসমীয়া অসমৰ ৰাজ্যভাষা। গতিকে চৰকাৰে তাত অসমীয়া ভাষাত বিজ্ঞাপনৰ বেনাৰতো আঁৰিবই পাৰে। তদুপৰি তাৰ কোনোবা নাগৰিকে অসমীয়া ভাষা ক'ব, লিখিব বা আনধৰণেও ব্যৱহাৰ কৰিবলৈ বিচাৰিলে সেই অধিকাৰ তেওঁৰ পৰা কাঢ়ি লোৱা হ'ব কিয়? বৰাকত বাঙালীৰ তালিবানী শাসন চলিব নেকি? প্ৰদীপ দত্ত ৰয়হঁতৰ মনোভাব আৰু আচৰণত তেনে তালিবানী অসহিষ্ণুতা তথা বৰ্বৰতাৰহে প্ৰতিফলন ঘটিছে। এতিয়া তেওঁলোকৰ হাততে বৰাক উপত্যকাটো গতাই দিব লাগিব নেকি? গণতান্ত্ৰিক দেশ এখনৰ চৰকাৰে সেই কাম কৰিব নোৱাৰে। বৰাকৰ গণতন্ত্ৰপ্ৰেমী-বাঙালীসকলেও বাঙালী তালিবানসকলক লাই দিব নালাগিব আৰু আন ভাষা-ধৰ্মৰ মৰ্যাদা ৰক্ষাৰ বাবে সৰৱ আৰু সক্ৰিয় হ'ব লাগিব। ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাঙালীসকলেও তেওঁলোকৰ একাংশ সগোত্ৰীয়ই বৰাকত প্ৰদৰ্শন কৰা ভাষিক উগ্ৰতাক গৰিহণা দিয়াৰ লগতে তাৰ বিৰুদ্ধে মাৰ বান্ধি ওলাই আহিব লাগিব। দুয়োটা উপত্যকাৰ বাঙালীসকলে যদি এই সুবুদ্ধি দেখুৱাব নোৱাৰে, বৰাকত তাৰ উগ্ৰ বাঙালী-জাতীয়তাবাদীসকলৰ চাপত অসমীয়া ভাষা যদি নিষিদ্ধ হ'বলগীয়া হয়, তেনেহ'লে ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাঙালীসকলৰো কোনো নৈতিক অধিকাৰ নাথাকিব নিজৰ মাতৃভাষাৰ অধিকাৰ ভোগ কৰাৰ বা বিচৰাৰ।

বৰাকৰ একাংশ উগ্ৰ বাঙালী জাত্যাভিমানীৰ এনেবোৰ অবাঞ্চিত উন্মাদনাৰ বাবেই অসমৰ বহুতো জনা-শুনা লোকে বৰাক উপত্যকাৰ জিলা তিনিখনক অসমৰ পৰা বেলেগ কৰি দিয়াৰ কথা কৈ আছে। প্ৰদীপ দত্ত ৰয়ৰ দৰে তালিবানী বাঙালীৰ ৰাজত্বহে যদি বৰাকত চলি থাকে, তেনেহ'লে সকলো অসমীয়াই এদিন বৰাকৰ জিলাকেইখনক অসমৰ পৰা বাহিৰ কৰি দিবলৈ দাবী কৰিব। বৰাকৰ জিলাকেইখন বাঙালী অধ্যুষিত হৈ পৰাৰ বাবেই অসমত বাঙালীভাষীৰ জনসংখ্যা বাঢ়ি আছে। সেইকেইখন জিলা অসমৰ পৰা বাদ পৰিলে ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়াভাষী লোকসকল সংখ্যাগতভাৱে সম্পূৰ্ণ নিৰাপদ হ'ব। এই যুক্তিতেই বৰাকৰ পৃথকীকৰণৰ দাবী উত্থাপন কৰা হৈছে। মই নিজে এই দাবীৰ সমৰ্থক নহয়। কাৰণ



বৰাকত এখন পৃথক ৰাজ্য হ'লে অসমত আৰু একাধিক ৰাজ্য গঠনৰ দাবী উত্থাপিত হ'ব। আনকি মধ্য আৰু নামনি অসমৰ জিলাবোৰক লৈ মিঞা ৰাজ্য এখনৰ দাবীও উঠিব পাৰে। সেয়ে বৰাকতে অসমৰ বিভাজন শেষ নহ'বগৈ। এই দুৰ্ভাৱনাৰ বাবেই ভাষাৰ ভিত্তিত অসমৰ বিভাজন কাম্য নহয় বুলি ভাবো; কিন্তু বৰাকৰ বাঙালীসকলৰ আচৰণ যদি ঠিক নহয়, তেওঁলোকে যদি মনে-প্ৰাণে বৰাকক অসম বুলি ভাবিব নোৱাৰে, অসমীয়া ভাষাৰ প্ৰতি তেওঁলোকৰ উচাত্মিকতাপূৰ্ণ বিদ্বেষ যদি বাঢ়ি যায়, তেনেহ'লে মোৰ দৰে লোকসকলেও হয়তো এদিন বৰাক উপত্যকাৰ বাঙালীভাষী জিলাকেইখনক অসমৰ পৰা কাটি আঁতৰাই পঠোৱাৰ কথা ভাবিবলৈ বাধ্য হ'ব; কিন্তু সেই দিন যাতে কেতিয়াও নাহে, তাৰ ব্যৱস্থাহে এতিয়া কৰিব লাগিব।

মন কৰিবলগীয়া কথা যে বৰাকৰ উগ্ৰ বাঙালী জাত্যাভিমানীসকলে হ'লে পৃথক বাংলাভাষী ৰাজ্য এখনৰ দাবী উত্থাপন কৰা নাই। তেওঁলোকৰ দুই-এজনৰ মুখত পৃথক ৰাজ্যৰ কথা কেতিয়াবা ঘুনুক-ঘানাককৈ শুনা গ'লেও চতুৰ বাঙালী ৰাজনৈতিক আৰু বুদ্ধিজীৱীসকলে তাক বাঢ়িবলৈ দিয়া নাই। অসমত বাঙালী ভাষা-সংস্কৃতি আৰু ৰাজনীতিৰ সম্প্ৰসাৰণত বাধা পৰিব বুলি ভাবিয়েই তেওঁলোকে পৃথক ৰাজ্য এখন নিবিচাৰে বুলি মোৰ ধাৰণা। বৰাকৰ বাঙালীভাষী জিলা তিনিখনৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবেও তেওঁলোকক অসমৰ টকা লাগে। অসমীয়াই আন্দোলন কৰি কেন্দ্ৰৰ পৰা বিশেষ কিবা আদায় কৰিলে তাৰো ভাগ তেওঁলোকক লাগে। পৃথক হৈ গ'লে সেই সুযোগ তেওঁলোকে নাপাব। অসমীয়াই বিদেশী খেদা আন্দোলন কৰি আঠশজনক ছহিদ কৰিলে। সেই আন্দোলনত বাঙালীসকলৰ কোনো সহযোগিতা নাছিল; কিন্তু সেই ত্যাগৰ বিনিময়ত আৰু অসম চুক্তিৰ জৰিয়তে অসমীয়াই লাভ কৰা পুৰস্কাৰৰ ভাগ হ'লে তেওঁলোকে থপিয়াই ঠিকেই নিলে। বৰাকৰ বাঙালীয়ে অসমখনক নিজৰ ৰাজ্য বুলি নাভাবে, তেওঁলোকৰ দৃষ্টি আৰু আসক্তি সদায় কলকাতাৰ ফালেহে; কিন্তু অসম বিশ্ববিদ্যালয়খন স্থাপন কৰিবলগীয়া হ'ল শিলচৰতহে। সেই অসম বিশ্ববিদ্যালয়ত হ'লে অসমীয়া ভাষা এলাগী হ'ল, অসমীয়া শিক্ষক-অধ্যাপকসকলৰ বাবেও প্ৰতিকূল পৰিৱেশ এটাৰহে সৃষ্টি হ'ল। এনেকৈয়ে বৰাকত বাঙালীভাষীৰ একাধিপত্য বা জমিদাৰিহে চলি আছে। অসমত থাকি চৰকাৰৰ পুঁজি বা আৰ্থিক অনুদানবোৰো অনায়াসে পাই আছে। তাৰ তুলনাত তেওঁলোকৰ ৰাজহৰ অৱদানো কমহে।

অথচ প্ৰদীপ দত্ত ৰয়হঁতৰ অভিযোগ, অসমত বাংলা ভাষা আৰু বাঙালীসকল হেনো অতি বিপন্ন। অথচ সেই 'বিপন্ন' বাঙালীয়ে অসমত থাকি অসমীয়া ভাষাকে নিষিদ্ধ কৰিব পাৰে, অসমীয়াক অবাধে তুচ্চ-তাচ্ছিল্য কৰিব পাৰে, চৰকাৰকো হুংকাৰ দিব পাৰে। 'বিপন্ন' বাঙালীৰ লক্ষণ সেইবোৰেই। সেই 'বিপন্ন' বাঙালীৰ উদ্ধাৰৰ বাবে দত্ত ৰয়ে এতিয়া পশ্চিমবংগৰ স্বেচ্ছাচাৰী মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীক আমন্ত্ৰণ কৰিছে। তাৰ মানে তেওঁ অসমৰ ৰাজনৈতিক কৰ্তৃত্বও বাঙালী উগ্ৰজাতীয়তাবাদীৰ হাতলৈ নিব বিচাৰিছে।

চৰকাৰে প্ৰদীপ দত্ত ৰয়ৰ দৰে উগ্ৰ বাঙালী জাত্যাভিমানী তথা ভাষিক-সংঘাতৰ প্ৰৰোচনাকাৰীক শাস্তি দিব বা নিয়ন্ত্ৰণ কৰিব নোৱাৰাটো সঁচাই পৰিতাপৰ কথা। হিন্দুত্ববাদী বিজেপি চৰকাৰখনে হিন্দু বাঙালীক ৰক্ষণা-বেক্ষণ দি থকাৰ অভিযোগ এটা আগৰে পৰাই আছেই। প্ৰদীপ দত্ত ৰয়ো বিজেপিৰে মানুহ বুলিও বিশিষ্ট বুদ্ধিজীৱীৰ মুখত শুনা গৈছে। এই অভিযোগবোৰৰ যথাযথ উত্তৰ বিজেপি চৰকাৰখনে দিব লাগিব। কথাৰে নহয়, কামেৰেহে। বিজেপিয়ে দেশদ্ৰোহৰ অভিযোগত হকে-বিহকে বহুতকে অপৰাধী সজাই আহিছে। প্ৰদীপ দত্ত ৰয়তো এজন দেখ দেখকৈ দেশদ্ৰোহী। তেওঁ চৰকাৰৰ ক'ভিড প্ৰতিষেধকৰ বিজ্ঞাপন থকা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ফটোযুক্ত বেনাৰ ভয়-ভাবুকিৰে নমোৱাইছে, জিলা প্ৰশাসনক হুমকি দিছে, অসমৰ ৰাজ্যভাষা অসমীয়াক অৱমাননা কৰিছে আৰু ভাষিক সংঘৰ্ষ সৃষ্টিৰ ষড়যন্ত্ৰ চলাইছে। আইন, সংবিধান আৰু চৰকাৰৰ দৃষ্টিত সেইবোৰ অক্ষমনীয় অপৰাধ। অসমত বাঙালী উগ্ৰজাতীয়তাবাদৰ বিষবাষ্প বিয়পাবলৈ তেওঁ মমতা বেনাৰ্জীকো আমন্ত্ৰণ কৰিছে। গতিকে দত্ত ৰয়ৰ বিৰুদ্ধে চৰকাৰ কঠোৰ হ'বই লাগিব আৰু তেওঁৰ বিৰুদ্ধে সঠিক আৰু কঢ়া অভিযোগনামাও প্ৰস্তুত হ'ব লাগিব। গোচৰৰ বাবে গোচৰ নহয়, উপযুক্ত শাস্তি দানৰ বাবে গোচৰ ৰুজু হ'ব লাগিব। বিচাৰত দত্ত ৰয় দোষমুক্ত হ'বলৈ হ'লে জগৰীয়া হ'ব চৰকাৰ। তেনে ক্ষেত্ৰত চৰকাৰৰ কপটালিহে প্ৰমাণিত হ'ব। ড্ৰাগছ ব্যৱসায়ী, দালাল, দুৰ্নীতিকাৰী, গো-ধন সৰবৰাহকাৰী আদিৰ বিৰুদ্ধে হুংকাৰ দি থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মুখত প্ৰদীপ দত্ত ৰয়ৰ দৰে জাত্যাভিমানী আৰু পৰজাতি বিদ্বেষী অপৰাধীৰ বিৰুদ্ধেও গোঁজৰণি উঠিব লাগিব।

খিলঞ্জীয়া অসমীয়াৰ এতিয়া আগ-পিছ দুয়োফালে বিপদ। এফালে মিঞা মৌলবাদীসকলৰ অসমক মিঞালেণ্ড কৰাৰ সুদূৰপ্ৰসাৰী পৰিকল্পনা আৰু আনফালে অসমক বাঙালীভাষী কৰাৰ অপপ্ৰয়াস। বিজেপিয়ে যদি অসমক মিঞালেণ্ড হোৱাৰ পৰা বচাব পাৰে, ভাল কথা; কিন্তু মিঞাৰ আগ্ৰাসন ৰোধ কৰাৰ নামত যদি বাঙালীৰ ভাষিক সম্প্ৰসাৰণবাদৰ স'তে আপোচ কৰা হয়, অসমীয়া জাতিৰ বাবে সিয়ো হ'ব এক পৰম দুৰ্ভাগ্য। অসম আৰু অসমীয়া ভাষাৰ বিৰুদ্ধে বাঙালী হিন্দু আৰু বাঙালী মুছলমানসকলক একমুঠি কৰাৰ বাবেও একাংশ বাঙালী উগ্ৰজাতীয়তাবাদী সক্ৰিয় হৈ আছে। সেই ষড়যন্ত্ৰ প্ৰতিহত কৰিব নোৱাৰিলেও অসমীয়াৰ বিপদ অৱধাৰিত। এই উভয় সংকট সফলতাৰে মোচন কৰাই এতিয়া বিজেপিৰ বাবে আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান।

ফোন: ৮৮১১৮২৭৪৩২

# সম্পদ আহৰণেৰে অসমৰ প্ৰগতি নিশ্চিত কৰক

## অসমত তিনিটা কাগজ প্ৰস্তুত উদ্যোগ কাৰ্যকৰী হৈ আছিল, কিন্তু আজি তিনিওটাৰে স্থিতি বিনাশ হৈছে

অৱলোকন
মৃণালকান্তি চক্ৰৱৰ্তী



**যোৱা** 1939-45 বৰ্ষৰ দ্বিতীয় বিশ্ব মহাযুদ্ধৰ সময়ত সমগ্ৰ বিশ্বত এক সংকটমুখী, বিধ্বংসীমূলক দৃশ্যপট ৰচনা হৈছিল যদিও, সেই সংকটময় পৰিস্থিতিৰ মাজত ভাৰতবৰ্ষৰ পূৰ্বাঞ্চল অসমত যথেষ্ট উন্নয়নমূলক কাৰ্যক্ৰম ৰচনা হৈছিল।

অসম আছিল হাবি-বন পৰিবেষ্টিত উপযুক্ত পথ-ঘাটবিহীন এখন অনুন্নত অঞ্চল। অতি দুৰ্গম হাবি-বননি অঞ্চলৰ মাজেদি মিত্ৰ ৰাষ্ট্ৰ সমন্বিত ইংৰাজ সৈন্যবাহিনীৰ পশ্চিম অঞ্চলৰ পৰা পূৰ্বাঞ্চল অতিক্ৰমী সুদূৰ ব্ৰহ্মদেশলৈ (বৰ্তমান ম্যানমাৰ) বিশাল সৈন্যবাহিনীৰ যাতায়াত কাৰ্যই এক গভীৰ সংকটময় পৰিস্থিতিৰ সৃষ্টি কৰিছিল। ফলত তদানীন্তন ঔপনিবেশিক ইংৰাজ শাসকসকলে অসমৰ পথ-ঘাট, দলং আদি নিৰ্মাণ কাৰ্যত যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। ক্ৰমে পথ-ঘাট নিৰ্মাণ হ'ল, নৈ আৰু বিভিন্ন জলাশয়ৰ ওপৰত দলং নিৰ্মাণ হ'ল। বিমানকোঠ নিৰ্মাণ হ'ল, বিমান চলাচল আৰম্ভ হ'ল। আনকি জল পৰিবহণ ব্যৱস্থায়ো যথেষ্ট গতিশীলতা লাভ কৰিলে। অসমৰ বিভিন্ন অঞ্চলৰ নগৰ-চহৰসমূহ নৱৰূপ লৈ আত্মপ্ৰকাশ কৰিলে। ব্যৱসায়-বাণিজ্য, বিভিন্ন পৰিবহণ ব্যৱস্থাৰ উন্নয়নৰ কাৰণে আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় স্তৰত ক্ৰমাৎ যথেষ্ট সমাদৰ লাভ কৰিলে।

1947ৰ 15 আগষ্টত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিলে। ভাৰতৰ আন আন ৰাজ্যৰ লগত অসম উন্নয়ন আৰম্ভ হ'ল, কিন্তু সেয়া আছিল অতি লেহেম গতিসম্পন্ন। ৰাজ্যখনত শিক্ষা-দীক্ষাৰ গতি বৃদ্ধি হ'ল যদিও সেয়া এক সীমিত ৰূপত অগ্ৰসৰ হ'বলৈ ধৰিলে। আনকি অসমৰ সম্পদৰাজিৰ সদ্ব্যৱহাৰ অসমৰ বাহিৰলৈ সদ্ব্যৱহাৰৰ কাৰণে প্ৰেৰণ কৰাৰ প্ৰয়াস বন্ধ কৰিবলৈ আৰু অসমবাসীৰ ন্যায্য দাবী প্ৰতিষ্ঠা কৰিবলৈ একাধিকবাৰ আন্দোলন কাৰ্য চলাবলগীয়া হ'ল। আনহাতে, এটা সময়ত অসম অবৈধ বিদেশীসকলৰ এখন ৰম্যভূমিত পৰিণত হ'ল। জনসংখ্যা ইমান বৃদ্ধি পালে যে 2011ত ইয়াৰ গতি 3.12 কোটি হ'লগৈ। 2021ত লোকপিয়ল হোৱা নাই যদিও তথ্য অনুযায়ী জনসংখ্যা 3.55 কোটিলৈ বৃদ্ধি পাব বুলি ধাৰণা কৰা হৈছে।

যি কি নহওক 1947ৰ পৰা 1998লৈ প্ৰগতি সীমাৰেখা স্থবিৰ হৈ থকা নাই, গতিশীল হৈ আছিল। কিন্তু তুলনামূলকভাৱে সেয়া যথেষ্ট নাছিল, আৰু অধিক প্ৰয়োজন আছিল।

প্ৰয়াত অটল বিহাৰী বাজপেয়ী ভাৰতৰ প্ৰধানমন্ত্ৰী হোৱাৰ পাছত তেওঁ 'Look to the East vision' এক নতুন প্ৰকল্প হাতত লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। সেইমতে উত্তৰ-পূৰ্বাঞ্চলৰ পথ-ঘাটসমূহ চাৰিশাৰীযুক্ত কৰাৰ প্ৰকল্প ঘোষণা কৰিলে। মুঠতে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি তেওঁ অতি সজাগ দৃষ্টি অৱলম্বন কৰিলে। ড° মনমোহন সিঙৰ 10 বছৰীয়া কাৰ্যকালত অসমৰ উন্নয়ন যে হোৱা নাছিল সেই কথা ক'লে ভুল হ'ব কিন্তু আপেক্ষিকভাৱে সেয়া যথেষ্ট নাছিল। বিশেষকৈ যোৱা 1991ৰ পৰা তেওঁ ধাৰাবাহিকভাৱে ভাৰতীয় উচ্চ সদনত অসমৰ পৰা প্ৰতিনিধিত্ব কৰিছিল আৰু অসমবাসীয়ে তেওঁৰ পৰা আৰু অধিক অৱদান আশা কৰিছিল।

তৰুণ গগৈৰ কালৰে পৰা হিমন্ত বিশ্ব শৰ্মাৰ বৰ্তমান কাৰ্যকাললৈকে অসমৰ বহুতো উন্নতি সাধন হ'ল। পথ-ঘাট নিৰ্মাণ, ব্ৰহ্মপুত্ৰ নৈৰ ওপৰত নতুন দলং নিৰ্মাণ, নতুন বিশ্ববিদ্যালয় স্থাপন, সাধাৰণ শিক্ষা, কাৰিকৰী শিক্ষা, চিকিৎসা শিক্ষা আদি সকলো ক্ষেত্ৰতে আশানুৰূপভাৱে গতিশীলতা লাভ কৰি আছে। সীমান্ত বিবাদ, উগ্ৰপন্থী সমস্যা সমাধান আদি বিভিন্ন স্তৰত অসম যথেষ্ট অগ্ৰগতি লাভ কৰিছে। নতুন ৰেলপথ, দলং, বিমানকোঠ নিৰ্মাণৰ উপৰি নিবনুৱা সমস্যাৰ প্ৰতি দৃষ্টিভংগী, সহায়বিহীন কৰ্মহীন নাৰীসকলক উপযুক্ত ভাট্টা প্ৰদান আদি প্ৰকল্পই চৰকাৰখন যথেষ্ট জনমুখী কৰি তুলিছে। আজি ৰাজ্যখনত পথচাৰী ভিকহুৰ সংখ্যা তুলনামূলকভাৱে যথেষ্ট কম। প্ৰায় সকলোৱে আত্মনিৰ্ভৰশীল হ'বলৈ আগ্ৰহী হৈ পৰিছে।



অসমৰ বহু অঞ্চলত বহুতো সুপ্ত সম্পদ এতিয়াও অনাৱিষ্কৃত হৈ আছে। খাৰুৱা তেল, কয়লা, চুণশিল আৰু নানা ধৰণৰ সম্পদ এতিয়াও ভূগৰ্ভত স্থিতিপূৰ্ণভাৱে থকা বুলি বহুতে ধাৰণা কৰে। তেনে ধৰণৰ সম্পদৰ আৱিষ্কাৰ আৰু গতিশীলতাই প্ৰগতিৰ এক নতুন দিগন্ত ৰচনা কৰা সম্ভৱ।

অসমৰ চাহ উদ্যোগ বিশ্বৰ এক আপুৰুগীয়া সামগ্ৰী কিন্তু এই উদ্যোগ যথাৰ্থতে পূৰ্ব সমন্বিত নহয়। উজনি অসমৰ প্ৰায় অঞ্চলত সাধাৰণ পৰ্যায়ত যথেষ্ট পৰিমাণে চাহ খেতি হৈছে যদিও, সেইবোৰৰ ঔদ্যোগিক প্ৰক্ৰিয়া অতি গতিশীলতা লাভ কৰা নাই। কৃষি কাৰ্যৰ গতি যথেষ্ট উন্নত পৰ্যায়লৈ ধাৱিত হৈছে যদিও পঞ্জাৱ আৰু আন ৰাজ্যৰ তুলনাত একেখন পথাৰত একাধিক খেতি কাৰ্য সম্পন্ন কৰা এতিয়াও সম্ভৱ হৈ উঠা নাই।

অসমৰ বস্ত্ৰ শিল্পই এটা সময়ত যথেষ্ট সমাদৰ লাভ কৰিছিল যদিও বহিঃৰাজ্যৰ কৃত্ৰিম সামগ্ৰীয়ে অসমৰ প্ৰাচীন গৰিমা হ্ৰাস কৰিবলৈ সচেষ্ট হৈছে। অনুৰূপভাৱে কাঁহ-পিতল, তাম্ৰ শিল্পৰ বিকাশ ক্ৰমাৎ নিম্নমুখী হৈছে আৰু বহিঃৰাজ্যৰ প্ৰতিযোগিতামূলক কাৰ্যই এই শিল্পসমূহৰ স্থিতি বিপন্ন কৰি তুলিছে।

অসমৰ বিভিন্ন অঞ্চলত পৰ্যাপ্ত পৰিমাণে মৰাপাটৰ খেতি হয়; কিন্তু ৰাজ্যখনত আজিলৈকে কোনো মানযুক্ত মৰাপাট কল স্থাপন হোৱা নাই। ফলত উৎপাদিত মৰাপাটৰ সৰহভাগেই পশ্চিমবংগৰ কলকাতা আৰু বিভিন্ন অঞ্চলত প্ৰক্ৰিয়াযুক্ত সামগ্ৰী উৎপাদনৰ কাৰণে প্ৰেৰণ কৰা হয়। অসমবাসীৰ কাৰণে সেয়া অতি দুৰ্ভাগ্যজনক কথা। অনুৰূপভাৱে অসমৰ গাঁৱে-ভূঞে প্ৰচুৰ পৰিমাণে চুপাৰি উৎপন্ন হয়। তেনে ধৰণৰ উৎপাদিত সামগ্ৰী উন্নত প্ৰক্ৰিয়াযুক্ত সামগ্ৰী প্ৰস্তুতিকৰণৰ কাৰণে বহিঃৰাজ্যলৈ প্ৰেৰণ কৰিবলগীয়া হয়। আজি যদি অসমত তেনে কোনো উন্নতমানৰ মৰাপাট কাৰখানা আৰু চুপাৰিৰ পৰা প্ৰক্ৰিয়াযুক্ত সামগ্ৰী প্ৰস্তুতকৰণৰ কাৰণে একোটাকৈ উদ্যোগ নিৰ্মাণ কৰা হ'লহেঁতেন, এফালে অসমৰ নিবনুৱা সমস্যা যথেষ্টখিনি হ্ৰাস পালেহেঁতেন আৰু আনফালে ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থাৰো যথেষ্ট উন্নতি সাধন নিশ্চিত হ'লহেঁতেন।

অসমত তিনিটা কাগজ প্ৰস্তুত উদ্যোগ কাৰ্যকৰী হৈ আছিল, কিন্তু আজি তিনিওটাৰে স্থিতি বিনাশ হৈছে। অথচ অসমত কাগজ উদ্যোগৰ কাৰণে বাহ-বেত, কাঠ আদি প্ৰচুৰ কেঁচা সামগ্ৰী আছে। অনুৰূপভাৱে, দীৰ্ঘদিন ধৰি চলি থকা কাঠ ফলা উদ্যোগ, প্লাইউড উদ্যোগ আৰু ধুবুৰীৰ অতি আপুৰুগীয়া জুইশলা উদ্যোগ আজি এক ধ্বংসমুখী অৱস্থাৰ গৰাহত নিমজ্জিত হৈছে। কেঁচা সামগ্ৰী সংৰক্ষণৰ বাবে শীত-তাপ নিয়ন্ত্ৰণ কক্ষ নিৰ্মাণৰ উপযুক্ত ব্যৱস্থাৰ অভাৱত খেতিয়ক বা বেপাৰীসকল অশেষ ক্ষতিৰ সন্মুখীন হৈছে।

অসম চৰকাৰ আজি গভীৰ ঋণৰ গৰাহত নিমজ্জিত হৈছে। উন্নয়নমূলক কাৰ্য চলিছে যদিও ঋণৰ বোজাই যে অসমখনক জুৰুলা কৰি তুলিছে, এই কথা উল্লেখ কৰাৰ প্ৰয়োজন নাই। ফলত উৎপাদন আৰু ৰাজহ সংগ্ৰহৰ গতিশীলতাৰ প্ৰয়োজনীয়তা অতি ইতিবাচক বুলি অনুভৱ হৈছে।

আনহাতে ব্যয়ৰ ধাৰাবাহিকতা হ্ৰাস কৰাৰ অতি প্ৰয়োজনীয়তা দেখা গৈছে। প্ৰকাশিত তথ্যমতে, যোৱা পাঁচ বছৰত অসম চৰকাৰে চাৰ্টাৰ্ড বিমান ব্যৱহাৰৰ ক্ষেত্ৰত 52,18,49,955 টকা আৰু হেলিকপ্টাৰ ব্যৱহাৰৰ ক্ষেত্ৰত 29,71,29,129 টকা ব্যয় কৰিছে। এনে ধৰণৰ ব্যয় নিয়ন্ত্ৰণৰ প্ৰয়োজন বুলি ৰাইজে অনুভৱ কৰে। মুঠতে উন্নয়ন কাৰ্যৰ লগত সম্পদ আহৰণ, আহৰণৰ উৎস, গতিশীলতা আৰু ব্যয় নিয়ন্ত্ৰণৰ সম্বন্ধে চৰকাৰৰ সজাগ দৃষ্টিৰ প্ৰয়োজনীয়তা আছে বুলি আমি সাধাৰণ ৰাইজে অনুভৱ কৰো। তেতিয়াহ'লে ৰাজ্যখন প্ৰগতিৰ ক্ষেত্ৰত অধিক গতিশীলতা লাভ কৰিব।

ফোন: [illegible]

দৈনিক অগ্ৰদূত

বৃহত্তৰ অসমীয়া জাতি বহুতো সৰু সৰু জনগোষ্ঠীৰ সমষ্টি। এই জনগোষ্ঠীসমূহৰ অবিহনে অসমীয়া জাতি বৰ্তি থাকিব নোৱাৰে। অসমীয়া জাতিটোক সবল আৰু সুন্দৰকৈ ৰাখিবৰ বাবে প্ৰত্যেকজন অসমীয়াই ইয়াৰ অংশীদাৰ গোষ্ঠীসমূহৰ মনৰ ভাব বুজি পাব লাগিব আৰু পৰস্পৰ উন্নতিৰ পথত হেঙাৰ হোৱাৰ পৰিৱৰ্তে প্ৰগতিৰ কাৰক হ'ব লাগিব। বৰ্তমান অসমত বৃহত্তৰ অসমীয়া জাতি সত্তাক অধিক সবল কৰাৰ পৰিৱৰ্তে ইয়াৰ উপাদান বিভিন্ন জনগোষ্ঠীসমূহৰ মাজত স্বকীয় সত্তাকহে অধিক গুৰুত্ব দিয়াৰ প্ৰৱণতা সজোৰে গা কৰি উঠিছে।

# জননেতা ভীমবৰ দেউৰীৰ সোঁৱৰণত

## ৩০ নৱেম্বৰৰ মৃত্যু তিথি উপলক্ষে



তৰেণ বড়ো

**অসম** মুলুকত এনে বহু ব্যক্তি আছে যিসকলে দেশ তথা বৃহৎ অসমীয়া জাতিৰ উন্নতিকল্পে বিভিন্ন প্ৰকাৰে নিৰাধাৰে সেৱা আগবঢ়োৱা সত্বেও ইতিহাসৰ পাতত আজিকোপতি যোগ্য স্থান লাভ কৰিবলৈ সমৰ্থ হোৱা নাই। বৃহত্তৰ অসমীয়া জাতি বহুতো সৰু সৰু জনগোষ্ঠীৰ সমষ্টি। এই জনগোষ্ঠীসমূহৰ অবিহনে অসমীয়া জাতি বৰ্তি থাকিব নোৱাৰে। অসমীয়া জাতিটোক সবল আৰু সুন্দৰকৈ ৰাখিবৰ বাবে প্ৰত্যেকজন অসমীয়াই ইয়াৰ অংশীদাৰ গোষ্ঠীসমূহৰ মনৰ ভাব বুজি পাব লাগিব আৰু পৰস্পৰ উন্নতিৰ পথত হেঙাৰ হোৱাৰ পৰিৱৰ্তে প্ৰগতিৰ কাৰক হ'ব লাগিব। বৰ্তমান অসমত বৃহত্তৰ অসমীয়া জাতি সত্তাক অধিক সবল কৰাৰ পৰিৱৰ্তে ইয়াৰ উপাদান বিভিন্ন জনগোষ্ঠীসমূহৰ মাজত স্বকীয় সত্তাকহে অধিক গুৰুত্ব দিয়াৰ প্ৰৱণতা সজোৰে গা কৰি উঠিছে। বিভিন্ন সময়ত তোষামোদ আৰু অৱহেলাৰ বাবে বহুতো ভৈয়ামৰ জনজাতিয়ে পৃথকীকৰণৰ আন্দোলনো কৰা দেখা গৈছে আৰু সমাজখনত অনৈক্য তথা সমাজত অশান্তিৰ সৃষ্টি হৈছে। উপ-জাতিসকলক উপেক্ষিত কৰাই নহয় তেওঁলোকৰ ভাষা-সংস্কৃতি, ধৰ্মীয় দিশ আদিৰ প্ৰতিও বৰ্ণ হিন্দুসকলে স্পষ্ট অৱহেলা কৰাৰ নিদৰ্শন আছে। বৰ্ণহিন্দুসকলৰ এই আচৰণ পিছপৰা সম্প্ৰদায়সমূহৰ মাজত অসন্তুষ্টি ক্ৰমাগতভাৱে বৃদ্ধি পাই আহিছে আৰু ইয়াৰ ফলস্বৰূপে তেওঁলোকৰ নিজ স্বাৰ্থৰ বিষয়ে চিন্তাচৰ্চা কৰিবৰ প্ৰয়াসেৰে তথা নিজস্ব সম্প্ৰদায়ৰ উন্নতি তথা ৰক্ষণা-বেক্ষণৰ হকে সাম্প্ৰদায়িক ভিত্তিত কিছুমান দল-সংগঠন জাতীয় অনুষ্ঠান গঢ় লোৱা দেখা গৈছে।

এনেকুৱা সময়ত অসমৰ জনজাতিসকলৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ পথ প্ৰদৰ্শক হিচাপে এজন অতি তীক্ষ্ণ বুদ্ধিৰ, দূৰদৃষ্টি সম্পন্ন ব্যক্তিৰ জন্ম তথা আৱিৰ্ভাৱ হৈছিল। যিজনে সংকীৰ্ণতাৰ উৰ্দ্ধত থাকি বৃহত্তৰ অসমীয়া জাতিৰ শৌৰ্য, বীৰ্য অটুট ৰখাৰ বাবে ইয়াৰ মেৰুদণ্ড স্বৰূপ জনজাতীয় লোকসকলক একত্ৰিত কৰি বৰ্ণহিন্দুসকলৰ সমানে আগবাঢ়িব পৰাকৈ তেওঁলোকক প্ৰতিষ্ঠা কৰাৰ পৰিকল্পনাৰে উদ্যোগ গ্ৰহণ কৰিছিল। বৰ্ণহিন্দু তথা মুছলমানসকলৰ দ্বাৰা প্ৰভাৱিত অসমৰ ৰাজনীতিত জনজাতীয় লোকসকলকো সমানে থিয় কৰিবৰ বাবে প্ৰচেষ্টা হাতত লৈছিল আৰু সকলো হৈছিল। তেওঁ অসমৰ বিশিষ্ট নেতা জনজাতিসকলৰ ত্ৰাণকৰ্তা দেউৰী সম্প্ৰদায়ত জন্মগ্ৰহণ কৰা সুযোগ্য জনজাতি সন্তান ভীমবৰ দেউৰী।

অসমৰ সৰ্বাংগীন উন্নতিৰ হকে চিন্তা কৰি জনজাতীয় লোকৰ বাবে উন্নতি কৰাৰ হকে ১৯৩৩ত ট্ৰাইবেল লীগ গঠন কৰি নিজে সম্পাদকৰ দায়িত্ব বহন কৰিছিল। এই ট্ৰাইবেল লীগৰ দাবীৰ ভিত্তিত ১৯৩৫ত অসম বিধানসভাৰ মুঠ ১০৮ খন অসমৰ ভিতৰত চাৰিখন আসন ভৈয়াম আৰু পাহাৰীয়া জনজাতিৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰা হয়। ১৯৩৮ত ডিব্ৰুগড়ৰ লোকেল ব'ৰ্ডৰ সদস্য হয়। ১৯৪৫ৰ নৱেম্বৰত শ্বিলঙত জনগোষ্ঠীসমূহৰ প্ৰতিনিধিৰে এখন অধিবেশন বহে আৰু অধিবেশনত Assam Tribes and Races Federationৰ জন্ম হয়। সংগঠনৰ মুৰব্বী আছিল ভীমবৰ দেউৰী। ১৯৪৬ত চৰ্দাৰ পেটেলৰ উপদেশ ক্ৰমে ভীমবৰ দেউৰী বন আৰু শ্ৰমবিভাগৰ মন্ত্ৰীৰূপে গোপীনাথ বৰদলৈ মন্ত্ৰীসভাত অন্তৰ্ভুক্ত হয়। ভীমবৰ দেউৰী এজন সহজ-সৰল, প্ৰচাৰ বিমুখ আৰু গভীৰ অধ্যয়ন পিপাসু ব্যক্তি আৰু দেশপ্ৰেমিক আছিল। তেওঁ এজন বৰ সাহসী, নিৰ্ভীক, স্পষ্টবাদী, সুচিন্তিত ব্যক্তি আছিল। অন্যায়, দুৰ্নীতি, অবিচাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। স্বীকাৰ্য যে প্ৰাচ্য আদৰ্শবাদী ভীমবৰ দেউৰী উত্তৰ পুৰুষৰ বাবে এক আদৰ্শ পুৰুষ।

জীৱিত কালত এই মহান ব্যক্তিজনে অসমৰ হকে সদায় মাত মাতিছিল। তেওঁ সেইসময়ত অসম ৰক্ষাৰ বাবে 'ইনাৰ লাইন' পদ্ধতি প্ৰৱৰ্তন কৰিবলৈ কঠোৰ ব্যৱস্থা ল'বলৈ আহ্বান জনাইছিল। আজি এই 'ইনাৰ লাইন' ব্যৱস্থা থকাহেঁতেন অসমত অবৈধ বিদেশী বা বহিৰাগত সমস্যা নহ'লহেঁতেন। ভীমবৰ দেউৰীয়ে জনজাতিসকলৰ মাটিবাৰী ৰক্ষাৰ ক্ষেত্ৰত জনজাতি বেল্ট আৰু বেষ্টনীৰ ৰক্ষণা-বেক্ষণৰ কথা মন্ত্ৰী পৰিষদত এক সক্ৰিয় আইন প্ৰৱৰ্তনৰ ব্যৱস্থাৰ বাবে উত্থাপন কৰিছিল।

কোৱা বাহুল্য যে ১৯৪৬ত ব্ৰিটিছ প্ৰধানমন্ত্ৰী ক্লিমেণ্ট এটলিয়ে ভাৰতলৈ পঠোৱা 'কেবিনেট মিছনে' অসমক পূব পাকিস্তানৰ লগত চামিলৰ ষড়যন্ত্ৰক প্ৰতিৰোধ কৰা অসমৰ অন্যতম নেতাজন হ'ল ভীমবৰ দেউৰী। অসমৰ প্ৰাদেশিক নেতাসকলৰ প্ৰতিবাদক সন্মান জনাই 'কেবিনেট মিছনে' পুনৰ বিবেচনা কৰিবলৈ বাধ্য হয়। ফলত অসম প্ৰদেশ ৰক্ষা পৰে। অসমক গ্ৰুপিঙৰ পৰা পক্ষা কৰাৰ ক্ষেত্ৰত গোপীনাথ বৰদলৈৰ লগত ভীমবৰ দেউৰীয়ে অসমবাসীৰ নেতা হিচাপে সমস্থান পোৱা উচিত। অসমবাসীক আজি এক স্বতন্ত্ৰ জাতি হিচাপে থিয় কৰোৱাৰ ভীমবৰ দেউৰীৰ অৱদান বিশেষভাৱে স্বীকাৰ কৰিব লাগিব। দেউৰী সঁচাকৈ জননেতা আছিল। এগৰাকী মহান ব্যক্তিৰ ১৯৪৭ৰ ৩০ নৱেম্বৰত পৰলোকপ্ৰাপ্তি হৈছিল।

আজিৰ এই পবিত্ৰ তিথিত ভীমবৰ দেউৰীক আন্তৰিকতাৰে সুঁৱৰিছো।

ফোন ঃ ৯১০১০-২২০৮১

ভীমবৰ দেউৰী এজন সহজ-সৰল, প্ৰচাৰ বিমুখ আৰু গভীৰ অধ্যয়ন পিপাসু ব্যক্তি আৰু দেশপ্ৰেমিক আছিল। তেওঁ এজন বৰ সাহসী, নিৰ্ভীক, স্পষ্টবাদী, সুচিন্তিত ব্যক্তি আছিল। অন্যায়, দুৰ্নীতি, অবিচাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। স্বীকাৰ্য যে প্ৰাচ্য আদৰ্শবাদী ভীমবৰ দেউৰী উত্তৰ পুৰুষৰ বাবে এক আদৰ্শ পুৰুষ। জীৱিত কালত এই মহান ব্যক্তিজনে অসমৰ হকে সদায় মাত মাতিছিল। তেওঁ সেইসময়ত অসম ৰক্ষাৰ বাবে 'ইনাৰ লাইন' পদ্ধতি প্ৰৱৰ্তন কৰিবলৈ কঠোৰ ব্যৱস্থা ল'বলৈ আহ্বান জনাইছিল। আজি এই 'ইনাৰ লাইন' ব্যৱস্থা থকাহেঁতেন অসমত অবৈধ বিদেশী বা বহিৰাগত সমস্যা নহ'লহেঁতেন।

সাহিত্যিক, সাংবাদিক হোমেন বৰগোঁহাঞিৰ জন্মদিন সতে জানুৱাৰীত সাহিত্যিক পেঞ্চন আৰু অনুদানৰ ঘোষণা আগবঢ়োৱাৰ লগতে ১৭ জানুৱাৰীৰ শিল্পী দিৱসত শিল্পীপেঞ্চন-অনুদান আৰু তিনি ছেপ্টেম্বৰৰ অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ জন্মদিনৰ লগত সংগতি ৰাখি উক্ত দিনটোত ক্ৰীড়াপেঞ্চন আৰু অনুদান ঘোষণাৰ দিন ধাৰ্য কৰিছে। পূৰ্বতে স্বাধীনতা দিৱসত এই পেঞ্চন আৰু অনুদানসমূহৰ কথা ঘোষণা কৰা হৈছিল। সেয়া বন্ধ কৰি অসমৰ তিনিগৰাকী বৰেণ্যৰ জন্মদিনত এই ঘোষণাৰ সিদ্ধান্ত লৈছে। লগতে এই সন্দৰ্ভত বাচনিৰ নীতি সলনি কৰাটোহে অধিক বাঞ্ছনীয় হ'লহেঁতেন।

# শিল্পী-সাহিত্যিকৰ পেন্সন

## ৰাজহুৱা ধনৰ অপচয় নকৰিব

হিতেশ ডেকা

**ড°** হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰ ক্ষমতালৈ আহিয়ে বিভিন্ন অভিনৱ সিদ্ধান্ত লোৱাৰ দৰে শিল্পী, সাহিত্যিক আৰু খেলুৱৈৰ শিতানত আগবঢ়োৱা পেঞ্চন আৰু এককালীন অনুদানৰ ক্ষেত্ৰতো কিছু ব্যতিক্ৰম সিদ্ধান্ত গ্ৰহণ কৰিছে। বিশিষ্ট সাহিত্যিক, সাংবাদিক হোমেন বৰগোঁহাঞিৰ জন্মদিন সতে ডিচেম্বৰত সাহিত্যিক পেঞ্চন আৰু অনুদানৰ ঘোষণা আগবঢ়োৱাৰ লগতে ১৭ জানুৱাৰীৰ শিল্পী দিৱসত শিল্পীপেঞ্চন-অনুদান আৰু তিনি ছেপ্টেম্বৰৰ অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ জন্মদিনৰ লগত সংগতি ৰাখি উক্ত দিনটোত ক্ৰীড়াপেঞ্চন আৰু অনুদান ঘোষণাৰ দিন ধাৰ্য কৰিছে। পূৰ্বতে স্বাধীনতা দিৱসত এই পেঞ্চন আৰু অনুদানসমূহৰ কথা ঘোষণা কৰা হৈছিল। সেয়া বন্ধ কৰি অসমৰ তিনিগৰাকী বৰেণ্যৰ জন্মদিনত এই ঘোষণাৰ সিদ্ধান্ত লৈছে। লগতে এই সন্দৰ্ভত বাচনিৰ নীতি সলনি কৰাটোহে অধিক বাঞ্ছনীয় হ'লহেঁতেন।

উল্লেখিত দিন অনুসৰি সাহিত্যিক আৰু শিল্পীপেঞ্চন আৰু এককালীন সাহায্য প্ৰাপকৰ নাম ঘোষণা কৰা হ'ব। এই সন্দৰ্ভত আবেদন প্ৰক্ৰিয়াও ইতিমধ্যে সমাপ্ত হৈছে। প্ৰতিবছৰৰ দৰে এইবাৰৰ নাম ঘোষণাৰ সময়তো হয়তো ইয়াকে লৈ সন্তুষ্টি-অসন্তুষ্টি, তৰ্ক-বিতৰ্কৰ সূচনা হ'ব। বঁটা-বাহনক লৈ বিতৰ্ক, সন্তুষ্টি-অসন্তুষ্টি বিশ্বজুৰিয়ে আছে আৰু হয়তো থাকিব। ন'বেলৰ দৰে বঁটাক লৈয়ে প্ৰথম বছৰৰ পৰা বিতৰ্ক চলি আহিছে। প্ৰথম বছৰ সাহিত্যৰ ন'বেলক লৈও বহুতৰ মাজত অসন্তুষ্টি আছিল। ট'লষ্টয়ৰ দৰে সাহিত্যৰ মহৰ্ষি এগৰাকীক ন'বেল প্ৰদান নকৰাক লৈ যিদৰে অসন্তুষ্টি আছিল তেনেদৰে বহুতৰ অসন্তুষ্টি আছিল মহাত্মাৰ দৰে অহিংসাৰ পূজাৰী পুণ্যাত্মাক ন'বেল প্ৰদান নকৰাকলৈও। খেদ আহিছিল অ'বামাৰ দৰে নেতাক ৰাষ্ট্ৰপতিৰ আসনত অধিস্থিত হোৱাৰ পাছতে ন'বেল দিয়াক লৈ। যি ন'বেল বহুতৰ বাবে জীৱনৰ শেষ হেঁপাহ, সেই ন'বেলৰ দৰে পুৰস্কাৰ প্ৰত্যাখ্যান কৰা ৰোমা ৰোলা, জাঁ পল ছাৰ্ত্ৰৰ দৰে লেখকো আছে। আছে ইয়াৰ ধন ৰাশিৰে কামত আহিব বুলি কৈ বঁটাক নগণ্য কৰা বঁটা প্ৰাপক। যিয়েই নহওক, এনে বহু বিতৰ্ক, বাক-বিতণ্ডাৰ মাজেৰে শতিকা অতিক্ৰম কৰি আহিছে ন'বেলে। চলি থাকিব হয়তো এনে বিতৰ্ক, পোৱা-নোপোৱাক লৈ অনাগত দিনতো।

যদি ন'বেলৰ দৰে পুৰস্কাৰতে বিতৰ্ক থাকে, তেন্তে আমাৰ অসম মূলকৰ বঁটা বা পেঞ্চনত বিতৰ্ক নাথাকিব কিয়? অৱশ্যে এই কথাও ঠিক যে তাত বিতৰ্ক থাকিল বুলিয়েই আমাৰ ইয়াতো থাকিবই লাগিব বুলিতো কোনো কথা নাই।

প্ৰতিবছৰৰ দৰে এইবাৰো দিন সলনি কৰিলেও আগন্তুক দিনত শিল্পী-সাহিত্যিকৰ পেঞ্চন আৰু অনুদানৰ তালিকা ঘোষণা কৰা। এনেধৰণৰ তালিকা প্ৰকাশৰ পাছত প্ৰতি বছৰে হোৱাৰ দৰে এইবাৰো হয়তো বিতৰ্ক সৃষ্টি হ'ব। পোৱা-নোপোৱাৰ বিতৰ্কৰ লগতে অ-সাহিত্যিক, অ-শিল্পীয়ে পেঞ্চন, বঁটা পোৱাক লৈ অসন্তুষ্টি। চৈয়দ আব্দুল মালিকনো কোন সেই কথাও নজনা সাহিত্যিকে সাহিত্যৰ পেঞ্চন পোৱাৰ খবৰে যেনেদৰে মানুহক কৰি তোলে, ঠিক তেনেদৰে এচামক এনেবোৰ কথাই আমোদো দি আহিছে। কিবাকৈ দুখন জীৱনী গ্ৰন্থ বা কবিতা নামৰ দুখন সৰু পুস্তিকা উলিয়াই ৰাজনৈতিক ক্ষমতাৰে বিগত সময়ছোৱাত বহুতে সাহিত্যিক পেঞ্চন পাবলৈ সক্ষম হ'ল। এনেবোৰ কাৰ্য সংঘটিত হ'লেও মই ভাবো তালিকাৰ ষাঠি-সত্তৰ শতাংশই প্ৰকৃত সাহিত্যসেৱী বা শিল্পী। বাছনিৰ ক্ষেত্ৰত ৰাজনৈতিক হাত আছে যেতিয়া এনেধৰণৰ দুই-এক ব্যতিক্ৰম হ'বই বুলি ধৰিব লাগিব। যদিও সেয়া নহ'বলৈ তৎপৰতা চলোৱা উচিত।

চৰকাৰ এখনে ৰাজ্য বা দেশ এখন পৰিচালনাৰ বাবে নিৰ্দিষ্ট কিছুমান কামৰ বাবে নিৰ্দিষ্ট কিছুমান লোকক এক পদ্ধতিৰ জৰিয়তে মকৰল কৰে। তাৰ বাবে সেইসকলক পাৰিশ্ৰমিক দিয়া হয়। নিৰ্দিষ্ট সময়ত মানুহজনে কামৰ পৰা অৱসৰ লয় আৰু তাৰ পাছতো মানুহজনক দিয়া হয় পেঞ্চন। আনকি তেওঁৰ মৃত্যুৰ পাছতো তেওঁৰ বিধৱা পত্নীয়ে পাব পাৰে পেঞ্চন। চৰকাৰী কামৰ মাজতে তেওঁ সাহিত্য চৰ্চা কৰে। তেওঁ শিল্প চৰ্চা কৰে। তেওঁ সাহিত্য, শিল্প চৰ্চা কৰে নিচা-পেছা হওক বা সমাজখনৰ দায়বদ্ধতাৰ খাতিৰতে হওক, তেনে এজন ব্যক্তিকো ওপৰঞ্চিভাৱে তেওঁৰ চৰ্চাৰ বাবে পেঞ্চন দিয়া হয়। সাহিত্যৰ ক্ষেত্ৰত তেনে লোকেই অনেক।

অৱসৰপ্ৰাপ্ত কলেজ শিক্ষক এজনৰ পেঞ্চনৰ পৰিমাণ সাধাৰণ পৰিয়াল দুই-তিনিটা পৰিয়ালৰ উপাৰ্জনৰ সমান বুলিব পাৰি। তেনে বহু শিক্ষকৰ আকৌ পত্নীও চাকৰিয়াল। নোটবুক, টিউচন আদিৰ যোগেৰেও পৰ্যাপ্ত ধন আহে পকেটলৈ। ডক্তৰেট নামৰ আগত আছে যেতিয়া তেওঁৰ কিতাপো প্ৰকাশ কৰে প্ৰকাশকে। তেনে এজন সাহিত্যিকক এনেধৰণৰ পেঞ্চন দিয়াৰ কিবা যুক্তিযুক্ততা আছেনে? তেওঁলোকৰ সাহিত্যৰ ক্ষেত্ৰত হয়তো যথেষ্ট অৱদান আছে। এনে বহুক্ষেত্ৰত তেলীৰ মূৰত তেল দি থকাৰ দৰে হৈ থকা নাইনে? একাধিক চৰকাৰী পেঞ্চন দি ৰাজহুৱা ধনৰ অপচয় কৰা হোৱা নাইনে? পেঞ্চন মানে বহুতে সন্মান বুলি ধৰি লৈ সাহিত্যিক পেঞ্চনাৰ বুলি ফটাঢোলো বজাই আছে। আৰ্থিকভাৱে স্বচ্ছল হ'লেও তেনে সাহিত্যিকে সুবিধাটো আছে যেতিয়া আবেদন কৰিবই। কৰিছে। বহুতে ৰাজনৈতিক নেতাক কাকুতি-মিনতি কৰিছে। মন্ত্ৰী-বিধায়কৰ দুৱাৰে দুৱাৰে ঘূৰিছে ধন-বিত খৰচ কৰি হ'লেও। অৱশ্যে বহুতে নিজকে সাহিত্যিক বুলি নিজেই আবেদন কৰিবলৈও লাজো কৰে। তেনে সাহিত্যিকো আছে।

সাহিত্য সমাজৰ দাপোণ। সাহিত্য, শিল্পক সেয়ে উলাই কৰিব নোৱাৰি। তাৰবাবে চৰকাৰে দায়বদ্ধতাৰে কাম কৰিব লাগিব। চৰকাৰে তেনে সাধনাত ব্ৰতীসকলক কাম কৰি যোৱাৰ বাবে উৎসাহ দি পৃষ্ঠপোষকতা কৰিব লাগিব। যিবোৰ কাম তাহানিতে ৰজা-মহাৰজাসকলে কৰিছিল। কবি-সাহিত্যিক বা শিল্পীক পৃষ্ঠপোষকতা কৰি কাম কৰিবলৈ উৎসাহ দিছিল। কিন্তু কাৰ্যত যিটো লক্ষ্য কৰা গৈছে শিল্প-সাহিত্যৰ ক্ষেত্ৰত চৰকাৰে পৃষ্ঠপোষকতা কৰিব দূৰৈৰ কথা, ঘৰখনেই কোনো ধৰণৰ সহযোগ নকৰে। কাৰণ এইবোৰ কৰি পেটৰ ভাত মোকলাব নোৱাৰি বুলি পৰিয়ালেও নিশ্চিত থাকে। মনৰ তাগিদা বা দায়বদ্ধতাৰ বাবে হয়তো নিজে শিল্প বা সাহিত্যৰ বিভিন্ন ক্ষেত্ৰত এচাম জড়িত হৈ পৰে। কিন্তু অৰ্থই তেওঁলোকক বাধাৰ সৃষ্টি কৰে এসময়ত, যিসকলৰ অন্ততঃ চৰকাৰী চাকৰিবাকৰি নাথাকে বা কোনোধৰণৰ নিৰ্ভৰযোগ্য সংস্থাপন নাথাকে। আমি ভাবো চৰকাৰী চাকৰি নথকা অথচ চৰকাৰী চাকৰিৰ বয়স অতিক্ৰম কৰা এনে চাম সাহিত্য সৃষ্টিত যাতে আগবাঢ়ি যাব পাৰে তাৰ বাবে প্ৰেৰণা জলপানি, উৎসাহ মাননি (এনেধৰণৰ কিবা এক নামকৰণ কৰি) আদি আগবঢ়োৱা উচিত।

৪০ উৰ্দ্ধৰ এনে লোকক পেঞ্চন ব্যৱস্থাৰ দৰে মাননিৰ ব্যৱস্থা কৰিলে বহু উপকৃত হ'ব আৰু হয়তো উৎকৃষ্ট সাহিত্য সৃষ্টিৰ বাবে প্ৰেৰণা দিয়া হ'ব। চৰকাৰী পেঞ্চনপ্ৰাপ্ত সাহিত্যিকক আৰু এটা পেঞ্চন দিয়াৰ সলনি সন্মানজনকভাৱে বঁটা আৰু এককালীন ধন দি সন্মান জনাব লাগে। দুটা পেঞ্চন বন্ধৰ বাবে এনে এক প্ৰস্তাৱ কিছু বছৰ আগতে বিত্তমন্ত্ৰী হিচাপে ড০ হিমন্ত বিশ্ব শৰ্মাই আনিছিল যদিও পৰৱৰ্তী সময়ত সেয়া অজান কাৰণত বন্ধ হৈ থাকিল। আমি ভাবো এনে এক সদিচ্ছা চৰকাৰে দেখুৱালে সঁচা অৰ্থত সাহিত্য সৃষ্টি কৰাসকল অনুপ্ৰাণিত হ'ব। চৰকাৰী চাকৰি-বাকৰি নথকাজনে সাহিত্য চৰ্চা ইচ্ছা থাকিলেও মুক্তভাৱে কৰিব নোৱাৰে, নোৱাৰে উদ্বেগহীনভাৱে কৰিব। পেঞ্চনৰ সলনি প্ৰেৰণা মাননি বা আন নামকৰণ কৰিলে চৰকাৰখনে সঁচা অৰ্থতে সাহিত্য বা শিল্পৰ ক্ষেত্ৰত পৃষ্ঠপোষকতা কৰাৰ লেখীয়া হ'ব। শিল্প-সাহিত্যৰ বাবে পৃষ্ঠপোষকতাৰহে দৰকাৰ, পেঞ্চনৰ নহয়। আশাকৰো মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীয়ে এইক্ষেত্ৰত এক দৃঢ় পদক্ষেপ গ্ৰহণ কৰিব। পুৰোহিত বা নামঘৰীয়ালৈ এককালীন সাহায্য দিয়াৰ ক্ষেত্ৰত চৰকাৰী পেঞ্চনপ্ৰাপ্তই আবেদন কৰিব নোৱাৰাৰ নিয়ম বান্ধি দিয়াৰ সময়ত সাহিত্যিক বা শিল্পী পেঞ্চনৰ ক্ষেত্ৰত দুটা পেঞ্চন পাব কিদৰে? এই ৰাজহুৱা ধনৰ অপচয় বন্ধ কৰাৰ বাবে চৰকাৰে চিন্তা চৰ্চা কৰা উচিত বুলি ভাবো।

ফোন ঃ ৬০০২০৯৭৭৬৩



আমাৰ বিশ্বব্ৰহ্মাণ্ডখন চলি আছে ইটোৱে সিটোক কৰা সহযোগিতাৰ ওপৰত। বেলিয়ে সহযোগ কৰিছে ধৰণীক, পৃথিৱীয়ে সহযোগ কৰিছে সূৰ্যক। প্ৰকৃতিয়ে সহযোগ কৰিছে মানুহক, মানুহে সহযোগ কৰিছে প্ৰকৃতিক। বিশ্বব্ৰহ্মাণ্ডৰ সহযোগিতা ৰহস্যময়ী, কিন্তু মানৱ সমাজৰ মাজত চলি থকা সহযোগিতা অনুভূতিশীল।

# সহযোগিতাৰ মহামন্ত্ৰ

হৰ্ষমোহন শৰ্মা

No man is an island, entire of itself, every man is a piece of the continent.

আমাৰ বিশ্বব্ৰহ্মাণ্ডখন চলি আছে ইটোৱে সিটোক কৰা সহযোগিতাৰ ওপৰত। বেলিয়ে সহযোগ কৰিছে ধৰণীক, পৃথিৱীয়ে সহযোগ কৰিছে সূৰ্যক। প্ৰকৃতিয়ে সহযোগ কৰিছে মানুহক, মানুহে সহযোগ কৰিছে প্ৰকৃতিক। বিশ্বব্ৰহ্মাণ্ডৰ সহযোগিতা ৰহস্যময়ী, কিন্তু মানৱ সমাজৰ মাজত চলি থকা সহযোগিতা অনুভূতিশীল।

সহযোগিতা হৈছে আমাৰ জীৱন ৰথ চলোৱাৰ আটাইতকৈ বেছি প্ৰয়োজনীয় আৰু আলোকসন্ধানী বিচাৰধাৰা। মানৱ সভ্যতাৰ কোনো সমাজ-সহযোগিতা অবিহনে আগুৱাই যাব নোৱাৰে বা ঠন ধৰি উঠিব নোৱাৰে। ই মানৱ জীৱনৰ চালিকা শক্তিৰ মূল চাবি-কাঠি। সহযোগিতাৰ দ্বাৰাই আমি এটা সামূহিক লক্ষ্য আগত ৰাখি ঐক্যবদ্ধভাৱে কাম কৰি যাব পাৰো। সহযোগিতা হৈছে দুজন বা ততোধিক মানুহৰ মাজত বুজাপৰাৰে আগুৱাই গৈ ঈপ্সিত লক্ষ্যত উপনীত হোৱা এক ব্যৱস্থা। সহযোগিতাই আমাৰ মাজত মিলামিছা বৃদ্ধি কৰে, সামূহিক লক্ষ্য নিৰ্ধাৰণ কৰে, একেলগ হৈ কাম কৰাৰ মানসিকতা গঢ়ি তোলে, ভিন্নজনৰ প্ৰতিভা বিকাশত সহায় কৰে আৰু লগতে ফলাফলৰ আনন্দ ভাগ বাটোৱাৰা কৰাত সুবিধা কৰি দিয়ে।

যিকোনো কামত সহযোগিতা দুই প্ৰকাৰৰ হ'ব পাৰে— প্ৰত্যক্ষ সহযোগিতা আৰু পৰোক্ষ সহযোগিতা। প্ৰত্যক্ষ সহযোগিতা আধুনিক সমাজ ব্যৱস্থাত এৰাব নোৱৰা ভাবধাৰা। যিবোৰ ঔদ্যোগিক ক্ষেত্ৰ আছে, বিশেষকৈ য'ত ডাঙৰ ডাঙৰ সংস্থাবোৰ থাকে আৰু য'ত ব্যক্তিগত ঘনিষ্ঠতা কমকৈ থাকে তাত ব্যক্তিগত সহযোগিতাই তেওঁলোকৰ উদ্দেশ্য সাধনত সহায় কৰে। যি সমাজ ব্যৱস্থা প্ৰথা বা পৰম্পৰাৰ দ্বাৰা পৰিচালিত হয় আৰু য'ত যিকোনো উৎসৱ-পাৰ্বণ সামূহিকভাৱে পালন কৰা হয় তাত প্ৰত্যক্ষ সহযোগিতাই সকলোকে কাম কৰাৰ উৎসাহ যোগায়। আনহাতে, পৰোক্ষ সহযোগিতাত যিকোনো কামত প্ৰত্যেকজন ব্যক্তিৰে নৈতিক সমৰ্থন থাকে। যেনে পৰিয়াল এটাত সন্তান ডাঙৰ-দীঘল কৰোতে ঘৰৰ প্ৰতিগৰাকী সদস্যৰে প্ৰত্যক্ষ বা পৰোক্ষ সহযোগিতা থাকে। ঠিক তেনেদৰে ঘৰ এটা বান্ধোতে, একেলগে খেলোতে, প্ৰাৰ্থনা কৰোঁতে, পথাৰত শস্য সিঁচোতে বা চপাওতে পৰিয়ালৰ সকলোৰে প্ৰত্যক্ষ বা পৰোক্ষ সহযোগিতা থাকে। কিছুমান সহযোগিতাত কোনো ধৰণৰ স্বাৰ্থপৰতা নাথাকে। তেজৰ সম্পৰ্ক, পৰস্পৰে পৰস্পৰৰ প্ৰতি দায়িত্বশীলতা প্ৰকাশ সহযোগিতাৰ প্ৰাথমিক আধাৰ। প্ৰাথমিক পৰ্যায়ৰ সহযোগিতা সাধাৰণতে পৰিয়াল, ওচৰ চুবুৰীয়া আৰু সৰু সৰু সম্প্ৰদায়বোৰৰ মাজত পোৱা যায়। পৰিয়ালৰ লগত সুখ দুখৰ ভাগ-বাটোৱাৰা কৰাটোও একপ্ৰকাৰৰ সহযোগিতা। আনহাতেদি, এচাম মানুহে আন এচাম মানুহৰ লগত সহযোগিতা কৰে কেৱল স্বাৰ্থৰ বাবে। অৰ্থনৈতিক, ৰাজনৈতিক আৰু ধৰ্মীয় ক্ষেত্ৰখনত স্বাৰ্থপৰ সহযোগিতাই বৰকৈ কাম কৰে। এনেকুৱা ক্ষেত্ৰবোৰত এজন ব্যক্তিয়ে আন এজন ব্যক্তিক নজনাকৈয়ে পৰোক্ষভাৱে সহায় কৰি যায়। বাণিজ্যিক সংস্থা, উদ্যোগ, চৰকাৰ আদিত এনেকুৱা দ্বিতীয় শ্ৰেণীৰ সহযোগিতা সদায়েই বিদ্যমান।

কেতিয়াবা মানুহৰ পৰস্পৰৰ মাজত বেয়া পোৱা থাকিলেও পৰিস্থিতিগত কাৰণত সহযোগিতা আগবঢ়াবলৈ বাধ্য হয়। উদাহৰণস্বৰূপে প্ৰতিৱেশীৰ ঘৰত কিবা বিপদ হ'লে, জুই লাগিলে বিপদৰ পৰা উদ্ধাৰ কৰিবলৈ বা জুই নুমাবলৈ সহযোগিতা কৰা যায়। ঠিক তেনেদৰে ৰাজনৈতিক ক্ষেত্ৰখনতো কেতিয়াবা ৰাজনৈতিক শত্ৰুক মষিমূৰ কৰিবলৈও সাপ-নেউলৰ সহযোগিতা দেখা যায়। আধুনিক সমাজ ব্যৱস্থাত মানুহৰ মাজত গঢ় লৈ উঠা এখন সমাজ হৈছে 'ফ্লেট সমাজ'। এই নতুন সমাজ ব্যৱস্থাটোত কিছুমান লিখিত সহযোগিতাৰ কথা থাকে আৰু যিবোৰ অনিচ্ছাসত্বেও বহুতো মানুহে পালন কৰিবলগীয়া হয়।

কিছুমান সহযোগিতা মানৱীয় প্ৰমূল্যবোধেৰে ভৰপূৰ। শাৰীৰিকভাৱে অক্ষম লোকক সহায়, নিঃস্ব, আৰ্তজনক সহায়, দুৰ্গম পথত গাড়ী মটৰ বেয়া হ'লে ভাল কৰাৰ বাবে সহায় ইত্যাদি। সংঘবদ্ধ জীৱন ব্যৱস্থাত সহযোগিতাই এটা গুৰুত্বপূৰ্ণ ভূমিকা লয়। মানুহৰ জীৱন ইজনে সিজনক সহায় নকৰিলে অচল হৈ পৰে। আমাৰ বিজ্ঞান, প্ৰযুক্তিবিদ্যা, কৃষি, উদ্যোগ, পৰিবহণ, যোগাযোগ, ব্যৱসায়-বাণিজ্য সকলো সহযোগিতাৰ বলতেই অগ্ৰসৰ হয়। বস্তু উৎপাদন, বিতৰণ আৰু বজাৰমুখীকৰণত সহযোগিতা নহ'লে ব্যৱসায় অসম্ভৱ। চুবুৰীয়া ৰাষ্ট্ৰৰ মাজত সহযোগিতা নাথাকিলে উত্তেজনা বৃদ্ধি পায়। ইয়ে বেপাৰ-বাণিজ্যত প্ৰভাৱ পেলায়। ফলত দুয়োদেশৰ নাগৰিকৰ ক্ষতি হয়। ইয়ে দেশৰ প্ৰগতিটো অন্তৰায় হৈ থিয় দিয়ে।

আমি এখন হিংসাজৰ্জৰ পৃথিৱীত বাস কৰি আছো। সহযোগিতাৰ অভাৱত আমি ইজনে-সিজনক সন্দেহৰ চকুৰে চাইছোঁ। আত্মকেন্দ্ৰিকতাই আমাক এক স্বাৰ্থপৰ আৱেগহীন প্ৰাণীলৈ ৰূপান্তৰিত কৰিব ধৰিছে। পিছে আমি এখন ভ্ৰাতৃত্ববোধৰ পৃথিৱী আশা কৰিবলৈ হ'লে আমাৰ পৰিয়ালবোৰত সহযোগিতাৰ ভাবধাৰা গঢ় দিব লাগিব। ল'ৰা-ছোৱালীক সৰুৰে পৰাই আনৰ উপকাৰ কৰা, সহায় সহযোগিতা কৰাৰ শিক্ষা দিব লাগিব। সহযোগিতাই আমাৰ মনৰ পৰা হিংসা, বিদ্বেষ, ঈৰ্ষাৰ ভাব আঁতৰ কৰে । স্কুলতো শিক্ষকে ছাত্ৰ ছাত্ৰীক সহযোগিতাৰ গুণাগুণ সম্পৰ্কে জ্ঞান দিব লাগিব। প্ৰথম অৱস্থাৰ পৰাই যদি ল'ৰা-ছোৱালীৰ মনত সহযোগিতাৰ ভাবধাৰাই পোখা মেলে তেন্তে আমাৰ ভৱিষ্যতৰ সমাজখনত সুখ শান্তিয়ে বিৰাজ কৰিব। No one can whistle a symphony. It takes a whole orchestra to play it. জীৱন নামৰ গীতটিত সকলোৰে বাদ্যযন্ত্ৰৰে সহযোগ কৰিলেহে সুন্দৰ , সুমধুৰ গানৰ সৃষ্টি হ'ব।

মানুহে সহযোগিতা অবিহনে সুখী আৰু আৰামী জীৱন কটাব নোৱাৰে। মানুহৰ বাহিৰেও পৰুৱা, বান্দৰ আৰু আন আন জীৱ-জন্তুৰ মাজতো সহযোগিতা দেখা যায়। সহযোগিতা হৈছে এখন সভ্য সমাজৰ মূল চাবি-কাঠি। সহযোগিতাৰ ওপৰতে মানৱ সমাজ বৰ্তি থাকে। সামাজিক আৰু মনোবৈজ্ঞানিক দৃষ্টিকোণৰ পৰা মানুহৰ জীৱন সহযোগিতাৰেহে আগবাঢ়িব লাগিব। কাৰণ মানুহে একাকীত্বৰে ভৰা নিৰ্জনতাৰ জীৱন অতিবাহিত কৰিব নোৱাৰে। সহযোগিতাৰ ওপৰতে সামাজিক ঐক্য আৰু সংহতি নিৰ্ভৰ কৰে। ইয়ে পৰস্পৰৰ মাজত থকা বিভেদ, পাৰ্থক্য নোহোৱা কৰে আৰু মানুহৰ মাজত সমমৰ্মিতাৰ ভাব বৃদ্ধি কৰে। পৰিয়াল এটাত সহযোগিতা লাগিবই। গিৰিয়েক-ঘৈণীয়েকৰ মাজত সহযোগিতা থাকিলেহে পৰিয়াল এটাত সুখ, শান্তি আৰু সমৃদ্ধি আহে। বহুতো জটিল সমস্যা সহযোগিতাৰ ভাবধাৰাৰে সমাধান কৰিব পাৰি। সহযোগিতা হৈছে শান্তি, প্ৰগতি আৰু সমৃদ্ধিশালী সমাজ এখনৰ আধাৰ। সহযোগিতা এক ইতিবাচক চিন্তা। ইয়াৰ শিক্ষা ল'ব পাৰি ঘৰখনত, স্কুলত নাইবা খেলপথাৰত। সহযোগিতাই আমাৰ মাজৰ পৰা শত্ৰুতা নাশ কৰি বন্ধুত্বৰ এনাজৰীডাল মজবুত কৰে। Coming together is a beginning, staying together is progress and working together is success---Henry Ford.

ফোন-৯৪০১০৭৭২৭১

গিৰিয়েক-ঘৈণীয়েকৰ মাজত সহযোগিতা থাকিলেহে পৰিয়াল এটাত সুখ, শান্তি আৰু সমৃদ্ধি আহে। বহুতো জটিল সমস্যা সহযোগিতাৰ ভাবধাৰাৰে সমাধান কৰিব পাৰি। সহযোগিতা হৈছে শান্তি, প্ৰগতি আৰু সমৃদ্ধিশালী সমাজ এখনৰ আধাৰ। সহযোগিতা এক ইতিবাচক চিন্তা। ইয়াৰ শিক্ষা ল'ব পাৰি ঘৰখনত, স্কুলত নাইবা খেলপথাৰত। সহযোগিতাই আমাৰ মাজৰ পৰা শত্ৰুতা নাশ কৰি বন্ধুত্বৰ এনাজৰীডাল মজবুত কৰে।

## মহিলা সাংসদৰে ছেলফি উঠি টুইট থাৰুৰৰ ঃ কোনে কয় লোকসভা আকৰ্ষণীয় স্থান নহয়?



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ নৱেম্বৰ ঃ** 'কোনে কয় কাম কৰাৰ বাবে লোকসভা আকৰ্ষণীয় স্থান নহয়?' মহিলা সাংসদৰ স'তে ছেলফি উঠি টুইটাৰত ফটোসহ এই মন্তব্য প্ৰকাশ কৰিলে কংগ্ৰেছৰ সাংসদ শশী থাৰুৰে। সাংসদজনৰ এই টুইটক লৈ এতিয়া সামাজিক মাধ্যমত অব্যাহত আছে বিতৰ্ক। মহিলা সাংসদৰ স'তে ফটো উঠি এইদৰে কৰা মন্তব্যৰে প্ৰকৃততে থাৰুৰে মহিলাক অপমান কৰিলে বুলিও একাংশ সামাজিক মাধ্যম ব্যৱহাৰকাৰীয়ে অভিযোগ কৰিছে। দিল্লীত সম্প্ৰতি সংসদৰ শীতকালীন অধিবেশন অব্যাহত আছে। এই অধিবেশনতে অংশ লোৱাৰ সময়ত একাধিক মহিলা সাংসদৰ স'তে ছেলফি উঠিছিল থাৰুৰে। উক্ত ছেলফিত থাৰুৰৰ স'তে আছিল তৃণমূল কংগ্ৰেছৰ তাৰকা সাংসদ নুছৰৎ জাহান, মিমি চক্ৰৱৰ্তী, কেপ্টেইন অমৰিন্দৰ সিঙৰ পত্নী প্ৰণীত কৌৰ, এন চি পিৰ সাংসদ সুপ্ৰিয়া ছ'লে, কংগ্ৰেছৰ সাংসদ জ্যোতিমণি আৰু তামিজাছি থাংগাপান্দিয়া। একাংশ সামাজিক মাধ্যম ব্যৱহাৰকাৰীয়ে থাৰুৰৰ ৰসিকতাক প্ৰশংসা কৰিলেও আন একাংশৰ মতে, সাংসদজনে এই মন্তব্যৰে মহিলাক অপমান কৰিলে বুলি অভিযোগ কৰিছে। এজন টুইটাৰ ব্যৱহাৰকাৰীয়ে কয়, 'আপোনাৰ কৰ্মক্ষেত্ৰ আকৰ্ষণীয় কৰি তোলাৰ বাবে মহিলাসকল লোকসভাৰ সাজ-সজ্জাৰ সামগ্ৰী নহয়। তেওঁলোক সাংসদ আৰু আপুনি তেওঁলোকক অপমান কৰিছে।'

## ব্ৰিটেইনত ১৮ উৰ্দ্ধৰ বয়সৰ লোকক দিয়া হ'ব ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক



**নিউজ ব্যুৰ', লণ্ডন, ২৯ নৱেম্বৰ ঃ** কৰ'নাৰ নতুন প্ৰজাতি অমিক্ৰনৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে ব্ৰিটেইনত চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। দেশখনে ইতিমধ্যে এই নতুন ভাইৰাছত আক্ৰান্ত দেশৰ স'তে বিমান যোগাযোগ বন্ধ ঘোষণা কৰিছে।

তদুপৰি ৰাজহুৱা স্থান আৰু পৰিবহণ ব্যৱস্থাত মাস্কৰ পৰিধান বাধ্যতামূলক কৰা হৈছে। ক'ভিডৰ পৰীক্ষণ ব্যাপক কৰিবলৈকো ব্ৰিটেইনৰ স্বাস্থ্য বিভাগে অভিযান অব্যাহত ৰাখিছে। অমিক্ৰনৰ সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ ব্ৰিটিছ স্বাস্থ্য বিভাগে দেশখনৰ সকলো ১৮ উৰ্দ্ধৰ বয়সৰ লোকক ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক প্ৰদানৰ সিদ্ধান্ত লৈছে। বৰ্তমানলৈকে দেশখনৰ ৪০ উৰ্দ্ধৰ বয়সৰ লোকক বুষ্টাৰ প্ৰতিষেধক প্ৰদান কৰা হৈছে। ব্ৰিটেইনত বৰ্তমানলৈকে ১.৮ কোটি নাগৰিকে ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক লাভ কৰিলে।

## বিহাৰত বাধ্যতামূলক হ'ব মন্দিৰৰ পঞ্জীয়ন, আদায় দিব লাগিব চাৰি শতাংশ কৰ



**নিউজ ব্যুৰ', পাটনা, ২৯ নৱেম্বৰ ঃ** বিহাৰত সকলো মন্দিৰৰ পঞ্জীয়ন বাধ্যতামূলক হ'ব। বিহাৰ ধাৰ্মিক ন্যাস ব'ৰ্ডে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি ৰাজ্যখনৰ প্ৰতিটো সাৰ্বজনীন মন্দিৰৰ ক্ষেত্ৰত পঞ্জীয়ন কৰাটো আইনগতভাৱে বাধ্যতামূলক হ'ব। তদুপৰি প্ৰতিটো মন্দিৰে চাৰি শতাংশ কৰ আদায় দিব লাগিব। বৰ্তমানে বিহাৰত ৪,৬০০টা পঞ্জীকৃত মন্দিৰ আছে আৰু এইকেইটা মন্দিৰে কৰ আদায় দি আহিছে। কিন্তু ৰাজ্যখনত সৰু-ডাঙৰ অসংখ্য মঠ-মন্দিৰ আছে যদিও এইসমূহ মন্দিৰৰ পঞ্জীয়ন কৰা হোৱা নাই।

## দুৰ্ভিক্ষৰ কবলত আফগানিস্তান, প্ৰধানমন্ত্ৰী হাছান অখুন্দৰ আশ্বাস 'আল্লাই দিব খাদ্য'



**নিউজ ব্যুৰ', কাবুল, ২৯ নৱেম্বৰ ঃ** যোৱা ১৫ আগষ্টত তালিবানে কাবুল পুনৰ দখল কৰাৰ পাছত বিগত তিনি মাহত দেশখনৰ অৰ্থনীতি যথেষ্ট বিপৰ্যস্ত হৈছে। ৰাজনৈতিক অস্থিৰতাৰ লগতে আফগানিস্তানত সাধাৰণ নাগৰিকৰ জীৱনলৈও বিপৰ্যয় নামি আহিছে। সম্প্ৰতি আফগানিস্তানত খাদ্যৰ সংকটে দেখা দিছে আৰু যথেষ্টসংখ্যক নাগৰিকে দুসাঁজ আহাৰৰ বাবে হাহাকাৰ কৰিছে। দুৰ্ভিক্ষ সদৃশ পৰিস্থিতিত দেশবাসীয়ে ত্ৰাহিমধুসূদন সোঁৱৰাৰ সময়তে সাধাৰণ নাগৰিকক উদ্দেশি বাৰ্তা প্ৰেৰণ কৰিলে তালিবানৰ প্ৰধানমন্ত্ৰী মোল্লা মহম্মদ হাছান অখুন্দে। আফগান প্ৰধানমন্ত্ৰীয়ে দেশবাসীক আশ্বাস দি কয় যে আল্লাই খাদ্যৰ যোগান ধৰিব। আফগান ৰাষ্ট্ৰীয় টিভিৰ জৰিয়তে দিয়া বাৰ্তাত অখুন্দে কয়, 'মানুহৰ মুখত খাদ্য তুলি দিবলৈ আল্লাই সহায় কৰিব।'

### এতিয়াও জানিব পৰা হোৱা নাই নতুন ভাইৰাছৰ মাৰণ ক্ষমতা ঃ নতুন বিপদ সৃষ্টি কৰিব পাৰে

# ১৩খন দেশলৈ বিয়পিল অ'মিক্ৰন ঃ বিশ্ব স্বাস্থ্য সংস্থাৰ সকীয়নি

**নিউজ ব্যুৰ' জেনেভা, ২৯ নৱেম্বৰ ঃ** কৰ'নাৰ নতুন বিপজ্জনক প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ ব্ৰিটেইন, অষ্ট্ৰেলিয়া, জাৰ্মানী, ফ্ৰান্সসহ বিশ্বৰ ১৩ খন দেশলৈ বিয়পিল। সৰহসংখ্যক দেশে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি সংক্ৰমিত দেশৰ স'তে বিমান যোগাযোগ নিষিদ্ধ কৰিছে। বিশ্ব স্বাস্থ্য সংস্থা (হু)ই সকীয়নি দি কৈছে যে নতুন প্ৰজাতিৰ ক'ভিড ভাইৰাছে বিশ্বৰ বাবে নতুন বিপদৰ সৃষ্টি কৰিব পাৰে। এই প্ৰজাতিৰ আগমনৰ ফলত যদি কৰ'নাৰ সংক্ৰমণ অধিক দ্ৰুত হয়, তেন্তে ইয়াৰ পৰিণতিও ভয়াৱহ হোৱাৰ শংকা আছে বুলি হুৱে মত প্ৰকাশ কৰে। আন্তৰ্জাতিক স্বাস্থ্য সংস্থাটোৱে লগতে কয় যে বৰ্তমানলৈকে অ'মিক্ৰনত আক্ৰান্ত এজনো ৰোগীৰ মৃত্যু হোৱাৰ তথ্য লাভ কৰা হোৱা নাই। ক'ভিডৰ এইবিধ নতুন ভাইৰাছ কিমান সংক্ৰামক আৰু ঘাতক সেই তথ্যও বৰ্তমানলৈকে লাভ কৰা নাই বুলি হুৱে জানিবলৈ দিয়ে।



উল্লেখ্য যে অমিক্ৰনৰ প্ৰথম সংক্ৰমণ আফ্ৰিকাৰ বষ্ট'ৱানাত ধৰা পৰিছিল। ইয়াৰ পাছত এইবিধ নতুন ক'ভিডৰ সংক্ৰমণ হংকং, ব্ৰিটেইন, জাৰ্মানী, নেদাৰলেণ্ডছ, ডেনমাৰ্ক, বেলজিয়াম, ইজৰাইল, চেক গণৰাজ্য, অষ্ট্ৰেলিয়া, পৰ্তুগাল, কানাডা আৰু ফ্ৰান্সত ধৰা পৰিল। অতি কম সময়ৰ ভিতৰত ক'ভিডৰ এই নতুন প্ৰজাতিৰ সংক্ৰমণ বিশ্বৰ বহুকেইখন দেশলৈ বিয়পি পৰাত বিশ্ব স্বাস্থ্য সংস্থাই উদ্বেগ প্ৰকাশ কৰিছে। প্ৰকাশিত তথ্য অনুসৰি, ক'ভিডৰ ডেল্টা প্ৰজাতিৰ ১০০ দিনত যিমান সংক্ৰমণ হৈছিল, অ'মিক্ৰন প্ৰজাতিয়ে মাত্ৰ ১৫ দিনতে ততোধিক লোকক আক্ৰান্ত কৰিবলৈ সক্ষম হৈছে। এই কথাৰ পৰা বিজ্ঞানীসকলে কৈছে যে অ'মিক্ৰন তুলনামূলকভাৱে অত্যধিক সংক্ৰামক ক'ভিড ভাইৰাছ। অৱশ্যে এই নতুন ভাইৰাছৰ মাৰণ ক্ষমতা এতিয়াও জানিব পৰা হোৱা নাই।

## আৰ এছ এছ সৈনিক সংগঠন নহয় ঃ মোহন ভাগৱত



**নিউজ ব্যুৰ' গোৱালিয়ৰ, ২৯ নৱেম্বৰ ঃ** ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (আৰ এছ এছ)ৰ সন্দৰ্ভত মানুহৰ মনত থকা বিভ্ৰান্তি দূৰ কৰিবলৈ সংগঠনটোৱে সময়ে সময়ে উদ্যোগ গ্ৰহণ কৰি আহিছে। এইবাৰ আৰ এছ এছৰ মুৰব্বী মোহন ভাগৱতে ঘোষণা কৰি ক'লে যে এই সংগঠনটো কোনো সৈনিক সংগঠন নহয়। আৰ এছ এছ প্ৰকৃততে এটা পাৰিবাৰিক পৰিৱেশযুক্ত সংগঠন বুলি ভাগৱতে দাবী কৰে। সংঘৰ মধ্য ভাৰতত স্বৰ সাধকৰ সামৰণি অনুষ্ঠানত অংশ লোৱাৰ সময়ত ভাষণ দি ভাগৱতে কয়, 'সংঘত সংগীত অনুষ্ঠান কৰা হয় যদিও ই কোনো সংগীতশালা নহয়। ই ব্যায়ামাগাৰ বা সমৰ কলাৰ ক্লাব নহয়। সংঘত নিৰ্দিষ্ট পোছাক পৰিধান কৰা হয়, কিন্তু ই কোনো সৈনিক সংগঠন নহয়।'

## ফ্ৰান্সত অ'মিক্ৰন আতংক, নতুন প্ৰজাতিৰ ভাইৰাছত আঠজন আক্ৰান্ত



**নিউজ ব্যুৰ', পেৰিছ, ২৯ নৱেম্বৰ ঃ** স্বৰূপ সলনি কৰি অধিক বিপজ্জনক হৈছে ক'ভিড ভাইৰাছ। বিশ্বত এইবাৰ নতুন আতংক হিচাপে উপস্থিত হ'ল ক'ভিডৰ অ'মিক্ৰন প্ৰজাতি। দক্ষিণ আফ্ৰিকাত প্ৰথম সংক্ৰমণ চিনাক্ত হোৱা অমিক্ৰন প্ৰজাতিৰ সংক্ৰমণ এইবাৰ বিয়পিল ফ্ৰান্সলৈ। কালি ফ্ৰান্সৰ স্বাস্থ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰা প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি বিগত ১৪ দিনত আফ্ৰিকাৰ পৰা ফ্ৰান্সলৈ উভতি অহা আঠজন লোক অ'মিক্ৰন প্ৰজাতিত আক্ৰান্ত হোৱা বুলি শংকা কৰা হৈছে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে ইতিমধ্যে কে'বাখনো ইউৰোপীয় দেশৰ স'তে সহমত প্ৰকাশ কৰি আফ্ৰিকাৰ সাতখন দেশৰ স'তে বিমান সেৱা বন্ধ ৰখাৰ সিদ্ধান্ত ল'লে ফ্ৰান্সে। দক্ষিণ আফ্ৰিকাৰ পাছত নেদাৰলেণ্ডছত ১৩ জন লোকৰ শৰীৰত ক'ভিডৰ নতুন প্ৰজাতিৰ সংক্ৰমণ চিনাক্ত কৰা হৈছিল। ইজৰাইলতো এজন লোকৰ শৰীৰত অমিক্ৰনৰ সংক্ৰমণ ধৰা পৰিছে। দক্ষিণ আফ্ৰিকাৰ বষ্ট'ৱানা, জিম্বাব'ৱে, হংকং, বেলজিয়ামৰ পাছত ব্ৰিটেইন, জাৰ্মানী, চেক প্ৰজাতন্ত্ৰ আৰু অষ্ট্ৰেলিয়াতো ইতিমধ্যে ক'ভিডৰ নতুন প্ৰজাতিত আক্ৰান্ত ৰোগীক চিনাক্ত কৰা হৈছে।

## বিটকইনক বৈধ মুদ্ৰা স্বীকৃতিৰ কোনো প্ৰস্তাৱ নাই ঃ বিত্ত মন্ত্ৰণালয়



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ নৱেম্বৰ ঃ** ভাৰতত ক্ৰিপ্টকাৰেন্সী নিষিদ্ধ হ'ব পাৰে বুলি জল্পনা-কল্পনা অব্যাহত থকাৰ সময়তে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি সদনত কয় যে কেন্দ্ৰীয় চৰকাৰে বিটকইন লেনদেনৰ সন্দৰ্ভত এতিয়ালৈকে কোনো তথ্য সংগ্ৰহ কৰা নাই। কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে লগতে জনায় যে বিটকইনক দেশত বৈধ মুদ্ৰা হিচাপে স্বীকৃতি দিয়াৰ কোনো প্ৰস্তাৱ চৰকাৰে গ্ৰহণ কৰা নাই। ক্ৰিপ্টকাৰেন্সী বিষয়ক এক প্ৰশ্নৰ উত্তৰ দি আজি লোকসভাত লিখিতভাৱে এইদৰে জনালে সীতাৰমনে।

## অ'মিক্ৰন সন্দৰ্ভত চিকিৎসকৰ পৰামৰ্শ ঃ উপসৰ্গ থাকিলে পলম নকৰিব



**নিউজ ব্যুৰ', ইন্দোৰ, ২৯ নৱেম্বৰ ঃ** কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ আবিৰ্ভাৱে বিশ্বজুৰি পুনৰ নতুন আতংকৰ সৃষ্টি কৰিছে। চিকিৎসক বিশেষজ্ঞই বৰ্তমানলৈকে লাভ কৰা তথ্য অনুসৰি, ক'ভিডৰ এইবিধ প্ৰজাতি পূৰ্বৰ প্ৰজাতিৰ তুলনাত অধিক দ্ৰুত সংক্ৰামক আৰু এই প্ৰজাতিয়ে অতি সঘনে নিজৰ স্বৰূপ সলনি কৰে। অৱশ্যে অ'মিক্ৰন কিমান ঘাতক সেয়া এতিয়ালৈকে জানিব পৰা হোৱা নাই বুলি গৱেষকসকলে কৈছে। ভাৰতত এই প্ৰজাতিৰ ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। চিকিৎসকসকলে পৰামৰ্শ দি কয় যে অ'মিক্ৰনৰ সংক্ৰমণ সহজে আৰু সোনকালে চিনাক্ত কৰিবলৈ হ'লে সকলো নাগৰিকে স্বাস্থ্যৰ ক্ষেত্ৰত অধিক সতৰ্কতা অৱলম্বন কৰিব লাগিব। চৰ্দি লগা, কাহ, জ্বৰ, মূৰৰ বিষ, হাত-ভৰিৰ বিষ, ভোক নলগা, শ্বাস-প্ৰশ্বাসৰ সমস্যা, খাদ্যৰ সোৱাদ অনুভৱ নকৰা, গোন্ধ অনুভৱ নকৰাৰ দৰে উপসৰ্গই দেখা দিলে পলম নকৰি চিকিৎসকৰ পৰামৰ্শ ল'বলৈ বিশেষজ্ঞসকলে সকলোকে আহ্বান জনাইছে। অন্যথা নতুন প্ৰজাতিৰ ভাইৰাছত সংক্ৰমিত হৈ দীৰ্ঘদিন চিকিৎসা অবিহনে থকাৰ পৰিণতিত ৰোগীৰ জীৱনলৈ বিপদ নামি আহিব পাৰে। চিকিৎসকসকলে লগতে কয় যে উচ্চ ৰক্তচাপ, মধুমেহ, বৃক্ক ৰোগী, হাপানী ৰোগী, কৰ্কট ৰোগীয়ে কৰ'নাৰ সংক্ৰমণৰ পৰা নিজক মুক্ত ৰাখিবলৈ সৰ্বাধিক সতৰ্কতা অৱলম্বন কৰা জৰুৰী।

## ২৪ ঘণ্টাত দেশত আক্ৰান্ত ৮,৩০৯ জন, মৃত্যু হ্ৰাস ২৩৬ লৈ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ নৱেম্বৰ ঃ** দেশৰ দৈনিক ক'ভিড সংক্ৰমণ দেওবাৰৰ তুলনাত আজি সামান্য হ্ৰাস পালে। যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ৮,৩০৯ জন লোক। কেৰল কেৰালাতে বিগত এদিনত ক'ভিডত সংক্ৰমিত হ'ল চাৰে চাৰি হেজাৰ লোক। মহাৰাষ্ট্ৰ, তামিলনাডু আৰু পশ্চিমবংগত ক'ভিডৰ দৈনিক সংক্ৰমণ ৭০০-৮০০ৰ ভিতৰত আছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি বৰ্তমানলৈকে দেশত তিনি কোটি ৪৫ লাখ ৮০ হেজাৰ ৮৩২ জন লোক ক'ভিডত আক্ৰান্ত হ'ল। সোমবাৰৰ তুলনাত আজি ক'ভিডত মৃতকৰ সংখ্যা ২৩৬ জনলৈ হ্ৰাস পালে। কেৰালাত ১৫৯, মহাৰাষ্ট্ৰত ৩৩, পশ্চিমবংগত ১২ আৰু তামিলনাডুত নজন ক'ভিড ৰোগীৰ বিগত এদিনত মৃত্যু হ'ল।

## প্ৰাচীৰ ভাঙিলে চীনত দৈনিক সংক্ৰমণ ৬.৩ লাখ হ'ব পাৰে ঃ বিশেষজ্ঞৰ দাবী



**নিউজ ব্যুৰ' বেইজিং, ২৯ নৱেম্বৰ ঃ** এতিয়াও বিশ্বৰ অধিকাংশ দেশৰ যাত্ৰীক চীনত প্ৰৱেশৰ অনুমতি দিয়া হোৱা নাই। অতিমাৰী প্ৰতিৰোধ কৰিবলৈ 'শূন্য ক'ভিড নীতি' পালন কৰি জি জিনপিঙৰ চৰকাৰে যি নিৰাপত্তা প্ৰাচীৰ দেশখনত গঢ়ি তুলিছে, সেয়া ভংগ কৰিলে চীনত দৈনিক সংক্ৰমণে ছয় লাখ ৩০ হেজাৰৰ সীমা অতিক্ৰম কৰিব পাৰে। পেকিং বিশ্ববিদ্যালয়ৰ এক প্ৰতিবেদনত বিশেষজ্ঞই এইদৰে দাবী কৰি কয় যে বৰ্তমানৰ পৰিস্থিতিত আমেৰিকা, ব্ৰিটেইন, ফ্ৰান্সৰ নীতি অনুসৰণ কৰি চীনে যদি আন দেশৰ নাগৰিকৰ বাবে দেশখনৰ দুৱাৰ মুকলি কৰি দিয়ে, তেন্তে দৈনিক লাখ লাখ লোক চীনত ক'ভিডত আক্ৰান্ত হোৱাৰ যথেষ্ট সম্ভাৱনা আছে।

উল্লেখ্য যে ২০১৯ বৰ্ষৰ অন্তিম ভাগত চীনৰ উহানত কৰ'নাৰ প্ৰথম সংক্ৰমণ ধৰা পৰাৰ পাছৰে পৰা ক'ভিড প্ৰতিৰোধৰ বাবে বেইজিঙে কঠোৰ পদক্ষেপ গ্ৰহণ কৰি আহিছে। এই কঠোৰতা অৱলম্বনৰ ফলতে চীনত আজিও ক'ভিড পৰিস্থিতি নিয়ন্ত্ৰণত আছে। যোৱা শনিবাৰে দেশখনত নতুনকৈ ২৩ জন ক'ভিড ৰোগীক চিনাক্ত কৰা হৈছিল। এইসকল আক্ৰান্তৰ ২২ জনেই হৈছে বিদেশী নাগৰিক। চীনে আমেৰিকাৰ ক'ভিড নীতি অনুসৰণ কৰিলে দৈনিক ছয় লাখ ৩৭ হেজাৰ লোক ক'ভিডত সংক্ৰমিত হোৱাৰ শংকা আছে। একেদৰে ব্ৰিটেইনৰ পথ অৱলম্বন কৰিলে দৈনিক প্ৰায় দুই লাখ ৭৫ হেজাৰ আৰু ফ্ৰান্সৰ পথ গ্ৰহণ কৰিলে দৈনিক সংক্ৰমণ চাৰে চাৰি লাখ হোৱাৰ সম্ভাৱনা আছে।

## ইমৰান চৰকাৰৰ বিৰুদ্ধে বিৰোধীৰ ব্যাপক প্ৰতিবাদ



**নিউজ ব্যুৰ', ইছলামাবাদ, ২৯ নৱেম্বৰ ঃ** পাকিস্তানৰ জমাত-এ-ইছলামী (জে আই) দলে দেশখনত ভয়াৱহ ৰূপ ধাৰণ কৰা মূল্যবৃদ্ধি আৰু কৰ্মসংস্থাপনহীনতাৰ সন্দৰ্ভত ইমৰান খানৰ চৰকাৰৰ বিৰুদ্ধে ব্যাপক প্ৰতিবাদ অব্যাহত ৰাখিছে। জে আয়ে আহ্বান জনোৱা চৰকাৰ বিৰোধী প্ৰতিবাদত যথেষ্টসংখ্যক যুৱক-যুৱতীয়ে অংশ লৈছে। নিউজ ইণ্টাৰনেচনেলৰ বাতৰি অনুসৰি, দেশত এক কোটি যুৱক-যুৱতীক সংস্থাপন প্ৰতিশ্ৰুতি দিয়া ইমৰানৰ চৰকাৰৰ মিথ্যাচাৰৰ বিৰুদ্ধে এইসকল প্ৰতিবাদকাৰীয়ে আন্দোলন অব্যাহত ৰাখিছে। জে আইৰ নেতা আমিৰ ছিৰাজুল হকে প্ৰতিবাদী ৰেলীত অংশ লৈ অভিযোগ কৰি কয় যে ইমৰানৰ চৰকাৰে দেশবাসীক দিয়া প্ৰতিশ্ৰুতি এটাও পালন কৰিবলৈ সক্ষম হোৱা নাই। ইমৰানৰ চৰকাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱা বুলি দাবী কৰি হকে লগতে কয় যে এই চৰকাৰৰ শাসন কালত পাকিস্তানত অভূতপূৰ্ব মূল্যবৃদ্ধি হোৱাৰ লগতে নিবনুৱা সমস্যাই সৰ্বকালৰ ভয়াৱহ ৰূপ ধাৰণ কৰিছে।

## অহা জানুৱাৰীত আৰৱ ভ্ৰমণলৈ যাব পাৰে প্ৰধানমন্ত্ৰী মোদী



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ নৱেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা বছৰৰ জানুৱাৰীত সংযুক্ত আৰৱ ৰাষ্ট্ৰ ভ্ৰমণ কৰিব পাৰে। নতুন বছৰৰ প্ৰথম মাহটোতে মোদীয়ে প্ৰথমটো বিদেশ ভ্ৰমণৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি, মোদীয়ে ডুবাই এক্সপ' অনুষ্ঠানত অংশ ল'বলৈ যাব পাৰে। তদুপৰি ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে এই ভ্ৰমণকালত সংযুক্ত আৰৱৰ শীৰ্ষ নেতাকো সাক্ষাৎ কৰাৰ সম্ভাৱনা আছে।

## স্বাধীনতাৰ ৭৫ বছৰ পাছতো নিৰ্মূল হোৱা নাই জাতিভেদ, ধৰ্মান্ধতা ঃ উচ্চতম ন্যায়ালয়

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ নৱেম্বৰ ঃ** 'দেশ স্বাধীন হ'ল ৭৫ বছৰ পূৰ্বে। ইমান বছৰত যথেষ্ট উন্নতি হৈছে দেশত। কিন্তু দুৰ্ভাগ্যজনকভাৱে আজিও দেশত জাতিভেদ অব্যাহত আছে।' জাতিভেদৰ কাৰণত হত্যা বিষয়ক এটি গোচৰত উচ্চতম ন্যায়ালয়ে এইদৰে পৰ্যবেক্ষণ কৰি মত প্ৰকাশ কৰিলে। উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ এল নাগেশ্বৰ ৰাৱৰ নেতৃত্বাধীন বিচাৰপীঠে ১৯৯১ বৰ্ষত উত্তৰ প্ৰদেশত সংঘটিত হোৱা জাতিভেদ



বিষয়ক এক গোচৰৰ ৰায়দান কৰাৰ সময়ত এই পৰ্যবেক্ষণ উপস্থাপন কৰে। সৰ্বোচ্চ ন্যায়ালয়ে উক্ত পৰ্যবেক্ষণত কয়, 'স্বাধীনতাৰ ৭৫ বছৰ পাছতো নিৰ্মূল হোৱা নাই জাতিভেদ। জাতিভেদৰ কাৰণত যিসমূহ হিংসা বা অপৰাধমূলক ঘটনা সংঘটিত হৈছে তাৰ পৰা প্ৰমাণিত হয় যে স্বাধীনতাৰ ৭৫ বছৰৰ পাছতো দেশৰ পৰা জাতিভেদ নিৰ্মূল কৰা সম্ভৱ হোৱা নাই। জাতিভেদৰ কাৰণত সংঘটিত হোৱা হিংসাৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ সময় সুধী সমাজৰ বাবে উপস্থিত হৈছে।' সৰ্বোচ্চ ন্যায়ালয়ে লগতে মত প্ৰকাশ কৰি কয় যে দেশত ধৰ্মান্ধতা এতিয়া আছে আৰু সংবিধানত উল্লেখিত সমান অধিকাৰৰ বিষয়টো ধৰ্মান্ধতাৰ কাৰণত খৰ্ব হৈ আহিছে। উল্লেখ্য যে উত্তৰ প্ৰদেশত ১৯৯১ বৰ্ষত জাতিভেদৰ কাৰণত সংঘটিত এক হিংসাকাণ্ডত এগৰাকী মহিলাসহ তিনিজন ব্যক্তিৰ মৃত্যু হৈছিল। এই গোচৰত সৰ্বোচ্চ ন্যায়ালয়ে ২৩ অভিযুক্তক দোষী সাব্যস্ত কৰিলে।

## প্ৰভাৱিত দেশৰে বিমান সেৱা বন্ধৰ সিদ্ধান্ত আমেৰিকাৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৯ নৱেম্বৰ ঃ** দক্ষিণ আফ্ৰিকাত সৰ্বপ্ৰথম চিনাক্ত হোৱা কৰ'না ভাইৰাছৰ নতুন প্ৰজাতি অমিক্ৰনৰ সংক্ৰমণৰ পৰা দেশবাসীক ৰক্ষা কৰিবলৈ আমেৰিকাই বিশেষ তৎপৰতা প্ৰদৰ্শন কৰিছে। মাৰ্কিন ৰাষ্ট্ৰপতি জ' বাইডেনৰ নিৰ্দেশত ইতিমধ্যে প্ৰশাসনে অমিক্ৰন প্ৰভাৱিত দেশৰ স'তে বিমান যোগাযোগ বন্ধ ৰাখিবলৈ সিদ্ধান্ত লৈছে। ৱাশ্বিংটনে ইতিমধ্যে আফ্ৰিকাৰ দেশৰ স'তে বিমান সেৱা বন্ধ ৰখাৰ পদক্ষেপ গ্ৰহণ কৰিছে।

## ইজৰাইলক ধমক ইৰানৰ ঃ আমাক আক্ৰমণৰ পূৰ্বে নিজৰ শক্তি জুখি চাওক

**নিউজ ব্যুৰ', তেহৰান, ২৯ নৱেম্বৰ ঃ** ইৰান আৰু ইজৰাইলৰ মাজত সংঘাত অব্যাহত থকাৰ সময়তে আকৌ এবাৰ ইৰানে ইজৰাইলক ধমক দিলে। ইৰানৰ পাৰমাণৱিক শক্তি কেন্দ্ৰৰ মুৰব্বী মহম্মদ এছলামীয়ে দেশখনৰ পাৰমাণৱিক কেন্দ্ৰত ইজৰাইলে আক্ৰমণ চলাব বুলি দিয়া ভাবুকিৰ সন্দৰ্ভত প্ৰত্যুত্তৰ দিলে। 'অল মছিৰা' টেলিভিছনৰ এক সাক্ষাৎকাৰত এছলামীয়ে কয় যে ইৰানক এনে ভাবুকি দিয়াৰ পূৰ্বে ইজৰাইলে নিজৰ শক্তি পৰীক্ষা কৰি চোৱা উচিত। ইৰানৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদৰ সচিব আলী চামখানিয়ে পূৰ্বে ধমক দি কৈছিল যে যদি ইজৰাইলে ইছলামীক গণৰাজ্য আক্ৰমণ কৰাৰ ধৃষ্টতা প্ৰদৰ্শন কৰে, তেন্তে বিত্তীয় দিশত দেশখনে যথেষ্ট ক্ষতিগ্ৰস্ত হ'ব লাগিব।



## খঙতে হাতত অস্ত্ৰ তুলি লৈছে কাশ্মীৰৰ যুৱকে ঃ অভিযোগ আব্দুল্লাৰ



**নিউজ ব্যুৰ', শ্ৰীনগৰ, ২৯ নৱেম্বৰ ঃ** জম্মু-কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই ৰাজ্যখনৰ সন্ত্ৰাসবাদী কাৰ্যকলাপৰ সন্দৰ্ভত মন্তব্য প্ৰকাশ কৰি কয় যে কাশ্মীৰৰ যুৱ প্ৰজন্মই খং আৰু ক্ষোভতে হাতত অস্ত্ৰ তুলি লৈছে। নেচনেল কনফাৰেন্সৰ নেতাজনে কাশ্মীৰ উপত্যকাত সন্ত্ৰাসবাদী কাৰ্যকলাপ বৃদ্ধি পোৱা বুলি দাবী কৰি কয়, 'পৰিস্থিতি এতিয়া এনে হৈছে যে শ্ৰীনগৰত কোনো সুৰক্ষিত নহয়। সন্ত্ৰাসবাদীসকল কোনো বহিৰাগত নহয়, তেওঁলোক কাশ্মীৰৰে যুৱক। খং আৰু অন্যান্য কাৰণত তেওঁলোকে অস্ত্ৰ তুলি লৈছে।' ড'ডাত এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত আব্দুল্লাই লগতে কয় যে ৩৭০ ধাৰা বিলোপৰ পাছত কাশ্মীৰত সন্ত্ৰাসবাদ নোহোৱা হ'ব বুলি কেন্দ্ৰীয় চৰকাৰে দাবী কৰিছিল যদিও সেয়া এতিয়া মিথ্যা প্ৰমাণিত হৈছে।

# প্ৰধান শিক্ষকসহ তিনিজনক গ্ৰেপ্তাৰ

*এক পৃষ্ঠাৰ পৰা* প্ৰধান শিক্ষক নজৰুল ইছলাম আৰু বিদ্যালয়খনৰ সহকাৰী শিক্ষক আনোৱাৰ হুছেইন ছিৰাজীক মৈৰাবাৰী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীৰ লগতে দণ্ডাধীশৰ জেৰাৰ অন্তত আজি প্ৰথমে মূল অভিযুক্ত আতিকুল আৰু সহকাৰী শিক্ষক ছিৰাজীক গ্ৰেপ্তাৰ কৰে। নিশাৰ ভাগলৈ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষকজনক গ্ৰেপ্তাৰ কৰা হয় বুলি আৰক্ষী সূত্ৰই জনাইছে।

আৰক্ষী সূত্ৰই জনোৱা মতে, মৈৰাবাৰী মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক ইছলাম আৰু সহকাৰী শিক্ষক ছিৰাজীয়ে অকৰ্তৃত্বশীলভাৱে বিদ্যালয়খনত নিয়োজিত কৰি ৰখা ধৃত আতিকুলৰ জৰিয়তে দীৰ্ঘদিনৰ পৰা বিদ্যালয়খনত এনেধৰণৰ কৰ্মকাণ্ড সংঘটিত কৰি অহাৰ অভিযোগ বহু পুৰণি। যোৱা ২৫ নৱেম্বৰত নৱম আৰু দশম শ্ৰেণীৰ সমাজ বিজ্ঞানৰ প্ৰশ্ন আৰু পুনৰ ২৭ নৱেম্বৰত দশম শ্ৰেণীৰ বিজ্ঞানৰ প্ৰশ্নকাকত ধনৰ বিনিময়ত ফাদিল কৰিছিল এই দুই শিক্ষকে। এই তথ্য পোহৰলৈ অহাত মৰিগাঁও জিলা শিক্ষা বিভাগে দুয়োটা পৰীক্ষা বাতিল কৰিবলগীয়া হয়। শৈক্ষিক সমাজত তোলপাৰ লগোৱা উক্ত ঘটনাটোক মৰিগাঁৱৰ উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াই গুৰুত্ব সহকাৰে লৈ এক দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা কৰিছিল। ঘটনাৰ তদন্তকাৰী বিষয়া তথা লাহৰীঘাটৰ কাৰ্যবাহী দণ্ডাধীশ স্বৰাজ ভাৰত লাগাচুৱে মৈৰাবাৰী আৰক্ষীৰ সহযোগত যোৱা নিশা হোৱাটছ্এপত বিয়পা তথ্যৰ ভিত্তিত প্ৰথমতে আতিকুলক আৰু আজি দিনৰ ভাগত মৈৰাবাৰী মাধ্যমিক বিদ্যালয়ৰ শৈক্ষিক দিশটোৰ দায়িত্বত থকা সহকাৰী শিক্ষক ছিৰাজীক আটক কৰি সোধ-পোছ অব্যাহত ৰখাৰ পাছত তেওঁলোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে সহকাৰী শিক্ষক ছিৰাজীয়ে আতিকুলৰ জৰিয়তে মেট্ৰিক পৰীক্ষাত ছাত্ৰ-ছাত্ৰীৰ পৰা ২০-২৫ হেজাৰ টকাকৈ লৈ প্ৰতি বছৰে লাখ লাখ টকাৰ নকল যোগানৰ ব্যৱসায় চলোৱাৰো গুৰুতৰ অভিযোগ আছে। লক্ষ্যণীয়ভাৱে ছিৰাজী বিদ্যালয়খনৰ বৰ্তমানৰ পৰিচালনা সমিতিৰ সভাপতি ইব্ৰাহিম আলীৰ খুলশালীয়েক। পৰিচালনা সমিতিৰ সভাপতি আলীৰ ক্ষমতাৰ বলতে বলীয়ান হৈ ছিৰাজীয়ে কোনোধৰণৰ বিভাগীয় অনুমতি নোহোৱাকৈ আতিকুলক খটুৱাই আছিল বিদ্যালয়খনৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰূপে। মৈৰাবাৰী আৰক্ষীয়ে অধিক তদন্তৰ খাতিৰত কোনো কথা ৰাজহুৱা কৰা নাই যদিও প্ৰশ্নকাকত ফাদিল কাণ্ডত যে বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক ইছলাম আৰু সহকাৰী শিক্ষক ছিৰাজী ওতঃপ্ৰোতভাৱে জড়িত, সেই কথা ইতিমধ্যে আটকাধীন মূল অভিযুক্ত আতিকুলৰ স্বীকাৰোক্তিৰ পৰা পৰিস্ফুট হৈ পৰিছে। দুই অসৎ শিক্ষক আৰু বিদ্যালয়খনত অকৰ্তৃত্বশীলভাৱে থকা আতিকুলৰ বিৰুদ্ধে আৰক্ষী প্ৰশাসনে কি পদক্ষেপ গ্ৰহণ কৰে, তাৰ প্ৰতি স্থানীয় লোকে দৃষ্টি নিবন্ধ ৰাখিছে।

ইপিনে, মৰিগাঁৱত দুদিনকৈ প্ৰশ্নকাকত ফাদিল হোৱা ঘটনাই অবাঞ্ছিত পৰিস্থিতিৰ সন্মুখীন হোৱা সমগ্ৰ বিষয়টো সহজ ভাৱে ল'ব পৰা নাই মৰিগাঁও আছুৱে। সেই উদ্দেশ্যে আজি জিলা আছুৰ সভাপতি দিপুল কুমাৰ নাথ আৰু সাধাৰণ সম্পাদক ৰূপজ্যোতি মেধিৰ নেতৃত্বত এটা প্ৰতিনিধি দলে জিলা শিক্ষা বিষয়াৰ স'তে প্ৰশ্নকাকত ফাদিল ঘটনা সন্দৰ্ভত এক দীঘলীয়া আলোচনাত মিলিত হয়। ৰাইজৰ অভিযোগ অনুসৰি জিলা ছাত্ৰ সন্থাৰ নেতৃত্বই মৰিগাঁও জিলা শিক্ষা বিষয়াক শিক্ষা বিভাগত হোৱা ছাত্ৰ-ছাত্ৰীৰ ইউনিফৰ্ম আৰু মধ্যাহ্ন ভোজনত হোৱা দুৰ্নীতি ৰোধ কৰা, পৰিদৰ্শকৰ কাৰ্যালয়ত হোৱা লবীকেন্দ্ৰিক ৰাজনীতি, এচাম মধ্যভোগীৰ দপদপনি বন্ধ কৰাৰ ক্ষেত্ৰত শিক্ষা বিষয়াজনক কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ দাবী জনোৱাৰ লগতে জিলা শিক্ষা বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীয়ে এই পৱিত্ৰ অনুষ্ঠানটো ধন ঘটাৰ কাৰ্যালয়লৈ যাতে পৰিৱৰ্তন নকৰে, তাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়। কোনো কাৰণতে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ভৱিষ্যতক লৈ কাকো হেতালি খেলিবলৈ দিয়া নহ'ব বুলি ছাত্ৰ সন্থাৰ নেতৃত্বই স্পষ্টভাৱে অৱগত কৰে। এই বৈঠকতে এসপ্তাহৰ ভিতৰত মৰিগাঁও জিলা শিক্ষা বিভাগত সংস্কাৰ সাধনৰ প্ৰথম পদক্ষেপৰূপে জিলা শিক্ষা বিষয়া আৰু শিক্ষা বিভাগৰ সকলো পৰিদৰ্শক বিষয়াৰ স'তে এক উচ্চ পৰ্যায়ৰ আলোচনাত মিলিত হ'ব বুলি শিক্ষা বিষয়াই আশ্বাস দিয়ে জিলা আছুক। ইপিনে, মৰিগাঁও জিলাত দুবাৰকৈ নৱম আৰু দশম শ্ৰেণীৰ প্ৰশ্নকাকত ফাদিল হোৱাত বীৰ লাচিত সেনা, অসমৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি সপোন অসম আৰু সম্পাদক দীপমণি হীৰা স্বাক্ষৰিত এক স্মাৰকপত্ৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰি দোষীক কঠোৰ শাস্তি বিহিবলৈ দাবী উত্থাপন কৰে। লগতে আজি শিক্ষা বিভাগৰ কাৰ্যালয়ত হুংকাৰ দি ২৪ ঘণ্টাৰ ভিতৰত এই ঘটনাত জড়িত থকা সকলো লোকক গ্ৰেপ্তাৰ কৰিবলৈ লাচিত সেনাই দাবী জনায়।

# মন্ত্ৰী-বিষয়া শূন্য দিছপুৰত

*এক পৃষ্ঠাৰ পৰা* সেৰেঙা উপস্থিতিৰ ফলত সাধাৰণ জনতাই দৈনিক মন্ত্ৰী-বিষয়াক লগ কৰাৰ উদ্দেশ্যে দিছপুৰলৈ তাঁত-বাটি কাঢ়িবলগীয়া হোৱা বিষয়টোৱে অসন্তুষ্টিৰ সৃষ্টি কৰিছে। শেহতীয়াকৈ মুম্বাইত অনুষ্ঠিত বিজেপিৰ প্ৰশিক্ষণ শিবিৰৰ সময়ত প্ৰায় মন্ত্ৰী-বিধায়ক শূন্য হৈ পৰা জনতা ভৱন পুনৰ এসপ্তাহৰ বাবে মন্ত্ৰী-বিষয়া শূন্য হৈ পৰিছে। ফলত জনতা ভৱনৰ পৰা বাহনেৰে সংশ্লিষ্ট মন্ত্ৰী-বিষয়া নিয়োজিত হৈ থকা স্থানলৈ গুৰুত্বপূৰ্ণ ফাইলসমূহ লৈ যোৱাৰ ব্যৱস্থা কৰা হৈছে আৰু স্বাক্ষৰ কৰি পুনৰ জনতা ভৱনলৈ ওভতাই অনা হৈছে বুলি এক সূত্ৰই সদৰী কৰিছে। উল্লেখ্য যে আজিৰে পৰা ৰাজ্যত আৰম্ভ হৈছে 'হৰ ঘৰ দস্তক' শীৰ্ষক অভিযান। যাৰ ফলত এসপ্তাহ মন্ত্ৰী-শীৰ্ষ বিষয়া শূন্য হৈ থাকিব জনতা ভৱন। এই কাৰ্যসূচীৰ সফল ৰূপায়ণ কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত ইতিমধ্যে সংশ্লিষ্ট স্থানলৈ ঢাপলি মেলিছে মন্ত্ৰী-বিধায়কক ধৰি জনতা ভৱনৰ শীৰ্ষ বিষয়াসকল। ইয়াৰ মাজতে বিভিন্ন উদ্দেশ্যত মন্ত্ৰী-বিষয়াক লগ কৰিবলৈ অহা বহুজনে মন্ত্ৰী-বিষয়া আহিব আহিব বুলি দিনটো দুৱাৰ মুখত খাপ পিটি হুমুনিয়াহ কাঢ়িবলগীয়াত পৰে। অৱশ্যে মন্ত্ৰী-শীৰ্ষ বিষয়া শূন্য জনতা ভৱনত আজি আনদিনৰ দৰে ব্যস্ততাও দেখিবলৈ পোৱা নগ'ল। কিছু সংখ্যক লোকে বিভিন্ন সমস্যা লৈ মন্ত্ৰী-বিষয়াক লগ কৰিবলৈ আহিছিল যদিও প্ৰতিটো ব্লক ঘূৰি অৱশেষত বিৰক্তি মনেৰে উভতি যায়। কে'বাটাও সমস্যা লৈ নাম প্ৰকাশত অনিচ্ছুক তথা বৰক্ষেত্ৰীৰ পৰা অহা দুগৰাকী মহিলাই মন্ত্ৰীৰ দুৱাৰে দুৱাৰে টুকুৰিয়াই হতাশ হৈ বিষাদ মনেৰে উভতি যাব লগা হয়। 'দৈনিক অগ্ৰদূত'ৰ লগত হোৱা কথা-বাৰ্তাৰ দুই মহিলাই আগতেও দুদিন জনতা ভৱনলৈ আহিছিল যদিও মন্ত্ৰীক সাক্ষাৎ কৰিবলৈ সক্ষম নোহোৱা বুলি সদৰী কৰি মন্ত্ৰীক লগ কৰিবলৈ ভাগ্য লাগিব বুলি হুমুনিয়াহ কাঢ়ি আঁতৰি যায়। সমান্তৰালভাৱে নাম প্ৰকাশৰ বাবে অনিচ্ছুক কে'বাজনো নিম্ন বৰ্গৰ বিষয়াই পূৰ্বৰ চৰকাৰসমূহতকৈ এই চৰকাৰৰ মন্ত্ৰীৰ জনতা ভৱনত উপস্থিতি অতি কম বুলি সদৰী কৰি এসপ্তাহ পৰ্যন্ত মন্ত্ৰী কাৰ্যালয়ত উপস্থিত নোহোৱাৰ ফলত বহু ফাইল জমা হৈ পৰি ৰয় বুলি কয়। অৱশ্যে পূৰ্বৰ চৰকাৰ তুলনাত এই চৰকাৰৰ মন্ত্ৰী কম সময় কাৰ্যালয়ত উপস্থিত থাকিলেও যি কেইদিন উপস্থিত থাকে অধিক সময় কাম কৰে বুলিও সদৰী কৰে।

# শোকাকুল পৰিৱেশ নিহত অনিমেষৰ

*এক পৃষ্ঠাৰ পৰা* লগত যোৰহাট চহৰলৈ গৈ এই নৃশংস ঘটনাৰ বলি হ'বলগীয়া হোৱা ঘটনাত অঞ্চলটোৰ ৰাইজে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ লগতে দোষীক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি উচিত শাস্তিৰ দাবী জনাইছে। আনহাতে, অবাঞ্ছিতভাৱে মৃত্যুক সাৱটি লোৱা ছাত্ৰনেতাজনৰ মৃত্যু শোকত অঞ্চলটোৰ গৰিষ্ঠসংখ্যক দোকান বন্ধ কৰি শোক প্ৰকাশ কৰে। শোকাকুল পৰিৱেশৰ মাজতে নিহত অনিমেষৰ জ্যেষ্ঠ ভ্ৰাতৃয়ে কয়, 'তাৰ প্ৰেছ আছে। কম্পিউটাৰৰ বস্তু নিবলৈ যোৰহাটলৈ গৈছিল। বজাৰ কৰিবলৈ অহা ল'ৰাটোক মানুহে এই অৱস্থা কৰি দিলে। মানুহ ইমান... বুজাব নোৱৰা অৱস্থাৰ সৃষ্টি হৈছে।' আনহাতে, অনিমেষৰ সম্পৰ্কীয় ভ্ৰাতৃ এজনে সংবাদ মাধ্যমৰ আগত কয় যে গৃহ বিভাগে আৰক্ষীক বহু নীতি-নিৰ্দেশনা দিয়া সকলোৱে দেখি আহিছে যদিও প্ৰশাসনে যে এই দিশত কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই সেয়া স্পষ্ট হ'ল। 'এজন মদপী লোক আহি তাৰ গাড়ীৰ কাষত পৰা বাবে সি দাগী হ'ল। তাক নৃশংসভাৱে হত্যা কৰিছে যোৰহাটবাসীয়ে। যোৰহাট প্ৰশাসনে হত্যাকাৰীক গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক শাস্তি দিয়ক। অন্যথা আমি গোলাঘাটবাসীয়ে যোৰহাট আৰক্ষী থানা ঘেৰাও কৰিম। ভুক্তভোগীয়ে ন্যায় পাব লাগিব।' সম্পৰ্কীয় ভ্ৰাতৃজনে এইদৰে কয়। ইফালে, বিকাশ বৰুৱা নামৰ এজন স্থানীয় যুৱকে 'দৈনিক অগ্ৰদূত'ক কয়, '৫০-৬০জন মান মানুহে মাৰধৰ কৰিছিল ৰাষ্ট্ৰীয় ঘাইপথত। ৰাষ্ট্ৰীয় ঘাইপথতেই আমাৰ সুৰক্ষা নাই। তেনে ক্ষেত্ৰত বাহিৰত কি হ'ব? ডকমকা কাণ্ড এইবাৰ সংঘটিত হ'ল যোৰহাটত। সকলোৰে চকুৰ আগত।' নিহত ছাত্ৰনেতা অনিমেষে ক্ষুদ্ৰ ব্যৱসায়েৰে পৰিয়াল পোহপাল দিছিল বুলি সদৰী কৰি স্থানীয় যুৱকজনে পুনৰ কয়, 'এতিয়া সেই পৰিয়ালটোৰ দায়িত্ব চৰকাৰে ল'বনে?' ডিজিটেল মাধ্যমত সিদ্ধহস্ত অনিমেষে এই ক্ষেত্ৰত সকলোকে সহায় কৰিছিল বুলিও তেওঁ কয়। ইপিনে, এই ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দি দোষীৰ শাস্তিৰ দাবী জনাইছে বৰুৱাবামুণগাঁও প্ৰেছ ক্লাবে।

# জাতি বিৰোধী সিদ্ধান্তৰ হিচাপ লোৱাৰ

*এক পৃষ্ঠাৰ পৰা* এইখন চৰকাৰে খোজে খোজে মিছা কথা, মিছা প্ৰতিশ্ৰুতিৰে অসমীয়া জাতিক প্ৰতাৰণা কৰি কেতবোৰ ভয়ংকৰ অসম বিৰোধী সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, 'ক্ষমতাত টিকি থাকিবলৈ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰখনে নাগপুৰীয়া আৰু দিল্লীৰ প্ৰভুসকলক সন্তুষ্ট কৰিবলৈ এই সিদ্ধান্তবোৰ গ্ৰহণ কৰিছে। যাৰ ভয়ংকৰ পৰিণাম ভোগ কৰিব লাগিব চৰকাৰখনে। কিয়নো 'হনিমুন পিৰিয়ড' শেষ হ'ল তেওঁলোকৰ। এতিয়া ৰাইজে তেওঁলোকৰ কামৰ খতিয়ান ল'ব। তেওঁলোকৰ প্ৰতাৰণা-প্ৰৱঞ্চনাৰ ৰাজনীতি চূড়ান্ত পৰ্যায় পাইছেগৈ। যি এতিয়া ৰাইজে মৰ্মে মৰ্মে উপলব্ধি কৰিছে।' বিগত ছমাহত ৰাইজ তথা ৰাজ্যৰ বাবে চৰকাৰখনে কি উন্নয়নমূলক কাম কৰিছে তাৰ খতিয়ান ৰাইজে বিচাৰিব বুলি চৰকাৰক ভূঞাই সকীয়াই দিয়ে। সংবাদমেলত তেওঁ শেহতীয়াকৈ অসম লোকসেৱা আয়োগৰ নিযুক্তিৰ পৰীক্ষাসমূহৰ পৰা অসমীয়া প্ৰশ্নকাকত প্ৰত্যাহাৰ কৰি চৰকাৰখনে বহিঃৰাজ্যৰ প্ৰাৰ্থীক সৰ্বাধিক নিযুক্তিৰ বাট মোকলাই দিয়া বুলি ক্ষোভ ব্যক্ত কৰে। তেওঁ কয়, 'জাতি-মাটি-ভেটি ৰক্ষাৰ শ্ল'গান দি ক্ষমতা দখল কৰা চৰকাৰখনৰ উদ্যোগত নিজৰ ভাষাৰ এনে আলৈ-আথানি হোৱাটো অত্যন্ত দুৰ্ভাগ্যজনক। যি সময়ত অসম লোকসেৱা আয়োগৰ নিযুক্তি দিয়া পদবীসমূহত সৰ্বাধিক সংখ্যক থলুৱাৰ নিযুক্তিৰ পথ সুগম কৰিব পৰাকৈ সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগিছিল তেনে সময়তে বিজেপি চৰকাৰখনে ইয়াৰ বিপৰীতে গৈ অসমৰ বাহিৰৰ প্ৰাৰ্থীৰ নিযুক্তিৰ বাটহে মোকলাই দিছে। ই অত্যন্ত গৰিহণাৰ যোগ্য। ইয়াৰ বিৰুদ্ধে অসমৰ ৰাইজে, দল-সংগঠনে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰা উচিত।' তেনেদৰে অসম ভূমি আৰু ৰাজহ অধিনিয়ম, ১৮৬১ৰ ১০ নম্বৰ অধ্যায়ৰ মূল আত্মাটোক নস্যাৎ কৰি অসম কেবিনেটে জনজাতীয় বেল্ট আৰু ব্লকসমূহৰ সংৰক্ষিত ভূমিৰ বেচা-কিনাৰ ক্ষেত্ৰত গ্ৰহণ কৰা সিদ্ধান্ত কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে বুলি সাংসদ ভূঞাই উল্লেখ কৰে। মিট্টালৰ দৰে বণিয়াৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ গ্ৰহণ কৰা এই সিদ্ধান্তই ভূমিপুত্ৰৰ ভূমিৰ ওপৰত থকা আইনী অধিকাৰ এই চৰকাৰৰ দিনতেই নাইকিয়া হৈ পৰিব বুলি তেওঁ শংকা ব্যক্ত কৰে। জনজাতীয় বেল্ট-ব্লকৰ মাটি অকৰ্তৃত্বশীল হস্তান্তৰৰ দৰে এটা বিষয়ত ৰাজ্য চৰকাৰে আইন ভংগকাৰীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণৰ পৰিৱৰ্তে মাটি হস্তান্তৰৰ নীতি-নিয়ম দুষ্টচক্ৰৰ স্বাৰ্থত শিথিল কৰি দিবলৈ চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি তেওঁ মন্তব্য কৰে। সংবাদমেলত তেওঁ লগতে গো-সুৰক্ষা আইনে অসমৰ গ্ৰাম্য অৰ্থনীতি একেবাৰে ধ্বংস কৰি পেলাব বুলিও সন্দেহ প্ৰকাশ কৰে। তেওঁ কয়, 'এই অবাঞ্ছিত আইন প্ৰবৰ্তনে অনাগত দিনত অসমৰ গ্ৰাম্য অৰ্থনীতিত ইয়াৰ প্ৰতিকূল প্ৰভাৱ পেলাব। ইয়াৰ ভয়ংকৰ পৰিণতিৰ বাবে হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ বিজেপি সাজু হ'বৰ হ'ল।' সংবাদমেলত সাংসদ ভূঞাই মাইক্ৰ' ফাইনেন্সৰ ঋণ ৰেহাইৰ বাবে চৰকাৰে যি নীতি গ্ৰহণ কৰিছে সেই নীতিৰ আওতাৰ পৰা বহু মহিলা বাহিৰত ৰৈ গৈছে বুলি উল্লেখ কৰে। তেওঁ লগতে বৰ্তমানৰ চৰকাৰখন ধাৰত পোত গৈ থকা বুলি উল্লেখ কৰি কয়, 'প্ৰায় ৯৫ হেজাৰ কোটি টকাৰ ঋণ লৈছে চৰকাৰখনে। সেই ঋণৰ দ্বাৰা হিতাধিকাৰী সৃষ্টি কৰিছে। মাইক্ৰ' ফাইনেন্সৰ সমস্যা সমাধানৰ বাবেও ঋণ লৈছে চৰকাৰখনে। এই ঋণ কোনো উৎপাদনশীলতাৰ কামত ব্যৱহাৰ হোৱা নাই। কেৱল হিতাধিকাৰী সৃষ্টিৰ বাবেহে লৈছে। এই ঋণৰ দ্বাৰা ৰাজ্যৰ অৰ্থনীতি সবল কৰাৰ ক্ষেত্ৰত কোনো আঁচনি লোৱা নাই। চৰকাৰে ৰাইজক ঋণৰ জালত পেলাই যি কাম কৰিছে তাৰ আমি বিৰোধিতা কৰিছো। ই আমাৰ ভৱিষ্যৎ আৰু ৰাজ্যৰ অৰ্থনীতি ধ্বংসৰ মুখলৈ লৈ যাব।' ভূঞাই চৰকাৰক ৰাইজক মূৰ্খ বুলি নাভাবি বাস্তৱসন্মত দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ সকীয়াই দিয়ে। তেনেদৰে চৰকাৰে ৰাজ্যত যি নতুন নতুন বিশ্ববিদ্যালয়ৰ ঘোষণা কৰিছে সেই সন্দৰ্ভতো তেওঁ প্ৰতিক্ৰিয়া ব্যক্ত কৰে। তেওঁ কয়, 'অসমত যি কেইখন বিশ্ববিদ্যালয় আছে সেইসমূহত আন্তঃগাঁথনি অত্যন্ত দুখলগা। তেনে পৰিস্থিতিত সেই বিশ্ববিদ্যালয়সমূহৰ আন্তঃগাঁথনি সবল নকৰাকৈ চৰকাৰে নতুন নতুন বিশ্ববিদ্যালয়ৰ ঘোষণা কৰিছে। নতুন বিশ্ববিদ্যালয় ঘোষণাৰ ক্ষেত্ৰত আমাৰ আপত্তি নাই; কিন্তু থকাকেইখনৰ আন্তঃগাঁথনি সবল নকৰাকৈ নতুন বিশ্ববিদ্যালয় ঘোষণাৰ পৰিণতি কি হ'ব পাৰে সেয়া চৰকাৰে ভাবিব লাগিছিল। যাৰ বাবে পৰিস্থিতি বেয়াৰ ফালে গতি কৰিব।' ইফালে, তিনি ক'লা কৃষি আইন বাতিলৰ সন্দৰ্ভতো তেওঁ প্ৰতিক্ৰিয়া ব্যক্ত কৰি তেওঁ কয়, 'বিগত এটা বছৰে আইনকেইখন বাতিলৰ বাবে আন্দোলন কৰি থকা নেতাসকলৰ লগত আলোচনা কৰি এই সিদ্ধান্ত গ্ৰহণ কৰিলে গণতন্ত্ৰৰ বাবে ই এক ইতিবাচক খবৰ হ'লহেঁতেন। কিন্তু ইয়াৰ বিপৰীতে প্ৰধানমন্ত্ৰীয়ে একপক্ষীয়ভাৱে ইয়াক ঘোষণা কৰে। আইনকেইখন বাতিল হোৱাটো ভাল খবৰ। সংসদত কি হয় সেয়া চাবলগীয়া হ'ব।' তেনেদৰে সাংসদজনে অসমত যি ভাষাকেন্দ্ৰিক ৰাজনীতি চলি আছে সেয়া ৰাজনৈতিক পৃষ্ঠপোষকতাত হৈ আছে বুলি উল্লেখ কৰে। অসমীয়া ভাষাৰ বিৰুদ্ধে চলি অহা এই ষড়যন্ত্ৰ সঁচাকৈ দুৰ্ভাগ্যজনক বুলি তেওঁ কয়। সাংসদ ভূঞাই কয়, '৬০ৰ ভাষা আন্দোলনৰ পিছত অসমীয়া-বাঙালীৰ সংঘাত বহু পৰিমাণে কমি আহিছিল। এতিয়া আকৌ ৰাজনৈতিক পৃষ্ঠপোষকতাত ভুমুকি মাৰিছে। 'কা'ৰ জৰিয়তে অসমৰ ভাষা-সংস্কৃতি ধ্বংস হ'ব বুলি বহু বুদ্ধিজীৱী, ভাষাবিদে সকীয়াই দিছিল। 'কা'ৰ জৰিয়তে চৰকাৰে ষড়যন্ত্ৰ কৰিছে। নিজৰ ৰাজ্যতে এনেদৰে ৰাজ্য ভাষাৰ অপমান ক'তো হোৱা নাই। বৰাকতো বাদেই গুৱাহাটীতে অসমীয়া ভাষাৰ ব্যৱহাৰ বাধ্যতামূলক কৰিব পৰা নাই। এই ক্ষেত্ৰত সাহিত্য সভাই দুদিন হৈ-চৈ কৰি দেখুৱালে। আজি ক'ত তেওঁলোক? ভাষা ৰক্ষাৰ ক্ষেত্ৰত কি ভূমিকা আছে তেওঁলোকৰ ? প্ৰদীপ দত্ত ৰয়ৰ দৰে মানুহক চৰকাৰে ব্যৱহাৰ কৰি আহিছে। বিজেপি চৰকাৰে ভাষাক লৈ ৰাজনীতি কৰি আহিছে। বিভাজন আনিছে আমাৰ জাতি-জনগোষ্ঠীৰ মাজত। ফলত অহা লোকপিয়লত অসমীয়া ভাষীৰ সংখ্যা ৩০ শতাংশতকৈয়ো তললৈ নামি অহাটো একো আচৰিত নহ'ব। অসমীয়া ভাষাৰ বিপদ সমাগত। সময় থাকোতেই অসমৰ ৰাইজ, দল, সংগঠনে এই ক্ষেত্ৰত সক্ৰিয় ভূমিকা পালন কৰা উচিত।'


প্ৰতিকাত্মক দখলী জাননী

ICICI Bank

শাখা কাৰ্যালয় ঃ আই চি আই চি আই বেংক লিমিটেড, লেণ্ডমাৰ্ক বিল্ডিং, ৪ৰ্থ মহলা, ২২৮এ, এজেচি বসু ৰোড কলকাতা-৭০০০২০,
চি আই এন নম্বৰ ঃ এল৬৫১৯০জি জে ১৯৯৪পি এল চি ০২১০১২, www.icic.bank.com

যিহেতু
নিম্ন স্বাক্ষৰকাৰী আই চি আই চি আই বেংক লিমিটেডৰ বিষয়াই চিকিউৰিটিজেছন অৱ ফাইনেন্সিয়েল এছেটেছ এণ্ড এনফৰ্চমেণ্ট অৱ চিকিউৰিটি ইন্টাৰেষ্ট আইন, ২০০২ৰ অধীনৰ আৰু চিকিউৰিটি ইন্টাৰেষ্ট (এনফৰ্চমেণ্ট) বিধি ২০০২ৰ অনুচ্ছেদ ১৩ (১২)ৰ লগতে বিধি ৩-এ প্ৰদান কৰা ক্ষমতা অনুসৰি নিম্ন লিখিত ঋণীসকলক তলত উল্লেখ কৰা পৰিমাণৰ ঋণ আদায়ৰ বাবে দাবী জাননী জাৰি কৰিছিল, যাতে উক্ত ঋণী/সহ ঋণীসকলে সেই জাননী পোৱাৰ ৬০ দিনৰ ভিতৰত সুদসহ সমূদায় ঋণ আদায় কৰে।
যিহেতু নিৰ্দিষ্ট সময়ৰ ভিতৰত নিম্ন লিখিত ঋণী/সহ ঋণীসকলে সমূদায় ধনৰাশি পৰিশোধ কৰাত অপাৰগ হয়, গতিকে নিম্ন স্বাক্ষৰকাৰী কৰ্তৃত্বশীল বিষয়াই তলত উল্লেখ কৰা বিৱৰণৰ সম্পত্তি উক্ত আইনৰ অনুচ্ছেদ ১৩ (৪) আৰু বিধি ৮-এ প্ৰদান কৰা কৰ্তৃত্ব অনুসৰি নিম্ন উল্লেখিত তাৰিখত প্ৰতিকাত্মক দখলী কৰিছে বুলি ঋণী/সহ ঋণী লগতে সৰ্বসাধাৰণ ৰাইজক এই জাননী দ্বাৰা জনোৱা হ'ল। ঋণী/সহ ঋণীৰ লগতে সৰ্বসাধাৰণ ৰাইজক সতৰ্ক কৰি দিয়া যায় যে নিম্নোলিখিত সম্পত্তিৰ স'তে লেনদেন নকৰে যেন। অন্যথা আই চি আই চি আই বেংক লিমিটেড অনুসৰি মূল্য আদায় কৰা হ'ব।

| ক্ৰ নং | ঋণী/সহঋণী/জামিনদাৰসকলৰ নাম (লোণ একাউণ্ট নং) আৰু ঠিকনা | সম্পত্তিৰ বিৱৰণ আৰু প্ৰতীকাত্মক দখলৰ তাৰিখ | ডিমাণ্ড জাননীৰ তাৰিখ | শাখাৰ নাম |
|---|---|---|---|---|
| ১ | চিৰাম শ্ৰীৰাজেন্দ্ৰ কুমাৰ সিং/চিৰাম সংগীতা দেৱী/লামবই খোংগানখোং ইম্ফল পশ্চিম জিলা-মণিপুৰ পশ্চিম ইম্ফল-৭৯৫০০৪ LBGUW00004929561 | দাগ নম্বৰ ঃ ১৫১৬, পট্টা নম্বৰ ঃ ই (পুৰণা) জড়িত পট্টা নম্বৰ ঃ ৯৪২ (নতুন) ৰাজহগাঁও নম্বৰ ঃ ৯১ (এ) লামফেলপাত, ইম্ফল পশ্চিম জিলা মণিপুৰ মুঠ মাটিকালি .০৮৯২ হেক্টৰ/প্ৰতীকাত্মক ২৩.১১.২০২১ | ২৩/০৬/২০২১ ৬০,৫২, ২৩৯/- | অসম/ মণিপুৰ |
| ২ | চিৰাম ৰাজু সিং/ৰাজকুমাৰী সুলোচনা দেৱী/ পিতৃ চিৰাম আমুবা সিং পিচুমথং নিনগম লেইৰাক ইম্ফল মণিপুৰ ইম্ফল পশ্চিম ৭৯৫০০১ LBIMP00004723300/ LBGUW00005107130 | পট্টা নং ৬৭৬ (পুৰণা) ১৯১২ (নতুন) চিএছ দাগ নম্বৰ ঃ ৬৪৪৫ ৰাজহ গাঁও নম্বৰ ঃ ৪২ কেইশ্বামথং পশ্চিম ইম্ফল পশ্চিম জিলা ঃ মণিপুৰ ইম্ফল মুঠ মাটিকালি ০.১৩০ হেক্টৰ প্ৰতীকাত্মক অধিগ্ৰহণৰ তাৰিখ ২৩-১১-২০২১ | ২৩/০৬/২০২১ ৬৫,৩৩, ০৬২/- | অসম/ মণিপুৰ |

ওপৰত উল্লেখ কৰা ঋণী/জামিনদাৰসকলক এই জাননী প্ৰকাশ পোৱাৰ ৩০ দিনৰ ভিতৰত ওপৰত উল্লেখ কৰা ধনখিনি আদায় দিবলৈ জনোৱা হ'ল, অন্যথা ছিকিউৰিটী ইন্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) আইন, ২০০২ৰ বিধি ৮ আৰু বিধি ৯ অনুসৰি বন্ধকত দিয়া উক্ত সম্পত্তি বিক্ৰী কৰা হ'ব।

তাৰিখ ঃ ৩০ নৱেম্বৰ, ২০২১
স্থান ঃ অসম

কৰ্তৃত্বশীল বিষয়া
আই চি আই চি আই বেংক লিমিটেড


# প্ৰতিষেধক

*এক পৃষ্ঠাৰ পৰা* চৰকাৰৰ প্ৰতিষেধক অভিযানত জড়িত থকা ৰাজ্য চৰকাৰৰ সকলো বিষয়া-কৰ্মচাৰী মঞ্জুৰ হোৱা ছুটী বাতিল কৰা হৈছে। আজি অসম চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱাই এই সম্পৰ্কীয় এক নিৰ্দেশনা জাৰি কৰে। ইতিমধ্যে অসম চৰকাৰৰ প্ৰতিষেধক অভিযানত জড়িত বিষয়া-কৰ্মচাৰীসকল এই সম্পৰ্কীয় দায়িত্বস্থলীত নিয়োজিত হৈছে।

# বিহালীত কিশোৰৰ কৰুণ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২৯ নৱেম্বৰ ঃ** যোৱা নিশা বিহালীৰ টেলেঙনীয়াত এজন ১৬ বছৰীয়া কিশোৰৰ অকাল মৃত্যুক কেন্দ্ৰ কৰি উত্তেজনাই বিৰাজ কৰিছে অঞ্চলটোত। বিহালীৰ টেলেঙনীয়া গাঁৱৰ উদয় হাজৰিকা নামৰ লোকজনৰ ঘৰৰ কাষৰে পুখুৰীত অঞ্চলটোৰেই বিশ্বজিৎ দাস ওৰফে বল'দা (১৬)ৰ মৃতদেহ উদ্ধাৰ হয়। ৰহস্যজনক বিষয়টো হ'ল বিশ্বজিৎ দাসৰ মৃতদেহৰ পৰা প্ৰায় ৩০ ফুট দূৰৈত উদ্ধাৰ হৈছে কিশোৰজনে ব্যৱহাৰ কৰা ছেণ্ডেল। অঞ্চলটোৰ একাংশ লোকৰ অভিযোগ এয়া এক পৰিকল্পিত হত্যাকাণ্ড।


**INFORMATION WANTED**



Name : Md. MukleshurReja@Chanka (Aged-30 years), S/O Md. Abu Mokarim.
Residential Address : Village-NayaGaon, Jhaudanga, Pt-II, PO & PS-Mankachar, District-South Salmara, Assam
Physical Description : Height-About 5 Feet 4 Inch Complexion-Swarthy, Medium Built

The criminal Investigation Department Assam, has declared a reward of rupees 1 (one) lakh to any person who will provide authentic information leading to the arrest of the above noted person, wanted in connection with Bhangagarh PS Case No.413/2021 U/S 420 IPC R/W Sec. 66(C)/66(D) IT Act Added Sec.419/468/471 IPC.

It is to be noted that any person harbouring the accused person can be prosecuted for harbouring the accused person under section 212 IPC.

Contact Details :
Special Superintendent of Police, CID, Assam-(9435377335)
Sukumar Sinha, Inspector of Police, CID, Assam-(9435111436)
CID Control-(0361-2529782), (iv) CID Reception-0361-2521618
E-Mail Address : cid.crime@assampolice.gov.in

Sd/-
Spl. Superintendent of Police, CID, Assam
Ulubari, Guwahati

Janasanyog/D/10283/21



**OFFICE OF THE SUPERINTENDENT OF POLICE : UDALGURI : ASSAM**
**MISSING INFORMATION**



The above is photograph of Sri Krishna Kt. Baruah (33 Yrs) S/O-Unknown, Vill-Habigaon, P.S.-Udalguri, Dist.-Udalguri who has been missing since 29/10/2021 from Udalguri Town.
This refers to Udalguri PS GDE No-04 Dtd. 01/11/2021 and this office Man Missing Register Entry No. 149 Dtd. 08/11/2021.

**Descriptive Roll of the Missing Person :**
1. Complexion - Fair
2. Age - 33 Years
3. Height - 5.5 Feet
4. Built - Healthy
5. W/apparel - Pant & Shirt
6. L/Known - Assamese & Hindi

All efforts may be made to trace out/recover the above noted missing person at the earliest and result thereof may be intimated to this office at the following helpline numbers for further necessary action : 8134852559/9859427622 (Cell phone).

Superintendent of Police,
Udalguri, Assam

Janasanyog/D/10341/21



**OFFICE OF THE SUPERINTENDENT OF POLICE : UDALGURI : ASSAM**
**MISSING INFORMATION**



The above is photograph of Smt Santushi Pradhan (30 Yrs) W/O Sri Om Bahadur Pradhan, Vill- Amjuli, P.S.-Harisinga, Dist.-Udalguri who has been missing since 10/10/2021 from her home.
This refers to Harsinga PS GDE No-35 Dtd. 03/11/2021 and this office Man Missing Register Entry No. 151 Dtd. 08/11/2021.

**Descriptive Roll of the Missing Person :**
1. Complexion - Fair
2. Age - 30 Years
3. Height - 5.6 Feet
4. Built - Medium
5. W/apparel - Churidar
6. L/Known - Assamese & Hindi

All efforts may be made to trace out/recover the above noted missing person at the earliest and result thereof may be intimated to this office at the following helpline numbers for further necessary action : 8134852559/9859427622 (Cell phone).

Superintendent of Police,
Udalguri, Assam
Dated : 17/11/2021

Janasanyog/D/10332/21



**OFFICE OF THE SUPERINTENDENT OF POLICE : UDALGURI : ASSAM**
**MISSING INFORMATION**



The above is photograph of Smt Jyoti Chouhan (22 Yrs) W/O Sri Rohit Chouhan, Vill- No-2 Golma, P.S. Udalguri, Dist. Udalguri who has been missing since 04/11/2021 from No-2 Golma.
This refers to Udalguri PS GDE No-194 Dtd. 09/11/2021 and this office Man Missing Register Entry No. 153 Dtd. 09/11/2021.

**Descriptive Roll of the Missing Person :**
1. Complexion - Swarthy
2. Age - 22 Years
3. Height - 5 Feet
4. Built - Medium
5. W/apparel - Yellow colour Churidar
6. L/Known - Assamese

All efforts may be made to trace out/recover the above noted missing person at the earliest and result thereof may be intimated to this office at the following helpline numbers for further necessary action : 8134852559/9859427622 (Cell phone).

Superintendent of Police,
Udalguri, Assam

Janasanyog/D/10319/21


# দিন-দুপৰতে ছাত্ৰ নেতাক মৰিয়াই হত্যা

*এক পৃষ্ঠাৰ পৰা* আঘাতপ্ৰাপ্ত হোৱা দুজন যুৱক ক্ৰমে একে অঞ্চলৰে ব্ৰহ্মপুত্ৰ আঞ্চলিক ছাত্ৰসন্থাৰ উপ-সভাপতি প্ৰণয় দত্ত আৰু এক বৈদ্যুতিন সংবাদ মাধ্যমৰ খুমটাইৰ সাংবাদিক তথা প্ৰাক্তন ছাত্ৰনেতা মৃদুষ্মন্ত বৰুৱা। ঘটনাৰ বিৱৰণি অনুসৰি, তিনিওজন যুৱকে এখন তিনিচকীয়া বাহন লৈ যোৰহাট নগৰৰ মাৰোৱাৰীপট্টিত ঘৰুৱা বজাৰ কৰিবলৈ আহিছিল। চালকৰ আসনত আছিল সাংবাদিক মৃদুষ্মন্ত। মৃত অনিমেষৰ সহপাঠী তথা মৃদুষ্মন্তই 'দৈনিক অগ্ৰদূত'ক জনোৱা মতে, সময় তেতিয়া প্ৰায় ১-৩০ বাজিছিল। তিনিও আহি নিৰ্মল চাৰিআলিৰ সমীপতে থকা ট্ৰাক ষ্টেণ্ডৰ কাষতে বাহনখন ৰখায়। গাড়ীখন পাৰ্ক কৰি দুই বন্ধু অনিমেষ আৰু প্ৰণয় দোকানলৈ খোজ লৈছেহে মাত্ৰ। সেই সময়তে এজন বয়সস্থ লোকে এখন স্কুটী আনি তেওঁলোকৰ বাহনখনৰ ওচৰতে ৰাখে যদিও মদ্যপ অৱস্থাত থকা লোকজন মুহূৰ্ততে পৰি যায়। লোকজন পৰি যোৱা দেখি মৃদুষ্মন্তই তেওঁক দাঙি ধৰাত মুখৰ পৰা তেজ ওলোৱা প্ৰত্যক্ষ কৰে। তিনিও লগ লাগি বৃদ্ধজনক পানী খুৱাই শুশ্ৰূষা কৰিবলৈ লওঁতেই ঘটি গ'ল উক্ত নৃশংস ঘটনা। এই বুলি উল্লেখ কৰি গুৰুতৰভাৱে আহত মৃদুষ্মন্তই কয়, 'যিজন মানুহক আমি দাঙি ধৰি সহায় কৰি আছো, তেওঁ চিঞৰিবলৈ ধৰিলে- ইহঁতে মোক খুন্দিয়াই পেলাই দিলে। এই বুলি কৈ আমাক আক্ৰমণ কৰিবলৈ ধৰে। হাতৰ মুঠিত স্কুটীৰ চাবি পাত লৈ মোক আঘাত কৰে। মই কি হ'ল টলকিবই নোৱাৰিলো। মুহূৰ্ততে বহুত মানুহ গোট খাই গ'ল আৰু প্ৰায় ৫০-৬০ জন লোকে আমাক আগুৰি ধৰি উপৰ্যুপৰি চৰ-গোৰ-ঘোচাৰে আক্ৰমণ কৰিবলৈ ধৰিলে। আমি যিমানেই আমি মৰা নাই বুলি হাত যোৰ কৰি নামাৰিবলৈ ভৰিয়ে হাতে ধৰিছো, সিমানে আমাক মাৰিবলৈ ধৰিলে। পলাবলৈ লৈও নোৱাৰিলো। ইপিনে, অনিমেষ লেবেজান হৈ পৰিছে। তাৰ পাছতো তাক চোঁচৰাই চোঁচৰাই মাৰিয়ে আছে। মই বচাবলৈ গৈয়ো ৰক্ষা কৰিব নোৱাৰিলো। এটা সময়ত আমি নিৰ্মল চাৰিআলিৰ ট্ৰেফিক পুলিচ কেইজনৰ সহায় ভিক্ষা কৰি তেওঁলোকক সাৱটি ধৰিলোগৈ। তাৰ পাছতো আমাক আক্ৰমণ কৰিবলৈ নেৰিলে। পুলিচেও আমাক সিহঁতৰ পৰা ৰক্ষা কৰিব নোৱাৰিলে।' দুখত ভাঙি পৰা মৃদুষ্মন্তই কান্দি কান্দি কয়, 'দুই-এজন লোকে আমাৰ হৈ মাত মাতিছিল যদিও বেছি ভাগ লোকে আমাক অপৰাধী সজাই দূৰৰ পৰা ৰংহে চাই থাকিল। প্ৰায় ২০-২৫ মিনিট আমাক আক্ৰমণ কৰিয়ে থাকিল। মাৰি মাৰি নিৰ্মল চাৰিআলি পোৱালেহি, তাতে তিনিজন ট্ৰেফিক পুলিচে এখন অট'ত উঠাই আঁতৰাই নিবলৈ চেষ্টা কৰে যদিও তাতো আমি ৰক্ষা পৰা নাছিলো।' ইপিনে আৰক্ষীয়ে জনোৱা মতে, অট'ত উঠিয়ে গাড়ীৰ মজিয়াত বেহুচ হৈ পৰি যায় গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত অনিমেষ। পাছত তিনিওকে যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ লৈ নিয়া হয় যদিও অনিমেষক চিকিৎসকে মৃত বুলি ঘোষণা কৰে। আনহাতে, দুই সতীৰ্থ মৃদুষ্মন্ত আৰু প্ৰণয়ক প্ৰাথমিক চিকিৎসাৰ অন্তত ঘৰলৈ যাবলৈ দিয়া হয়। দুয়োৰে শৰীৰৰ বিভিন্ন ঠাইত আঘাত পাইছে যদিও সম্প্ৰতি বিপদমুক্ত বুলি জনাইছে।

উল্লেখ্য যে যিজন লোকৰ বাবে এই নাৰকীয় ঘটনাৰ সূত্ৰপাত হ'ল, তেওঁ হৈছে নগৰৰ সমীপৰ বড়িগাঁৱৰ মোহন চন্দ্ৰ বৰা (৬৩)। দিন দুপৰতে সুৰাপান কৰি মাতাল হৈ আহি তেওঁ ভাৰসাম্য ৰাখিব নোৱাৰি স্কুটীসহ বাগৰি পৰে। তাৰ পাছতে আৰম্ভ হয় তেওঁৰ নাটক। সহায় কৰিবলৈ যোৱা তিনি যুৱকক দোষী সজাই নিজে আক্ৰমণ কৰাৰ উপৰি আনকো প্ৰৰোচিত কৰে আৰু নিজৰ দুই পুত্ৰকো মাতি আনে। তেওঁৰ দুই পুত্ৰ ক্ৰমে নীৰজ দাস ওৰফে কুলাই ল'ৰা আৰু অকণি দাসে আহি সমগ্ৰ ঘটনাটো অধিক উত্তপ্ত কৰি তোলে। তেওঁলোক দুজনে লগত একে গাঁৱৰে আন একাংশ যুৱকক মাতি আনে বুলি স্থানীয় সূত্ৰই জনাইছে।

### ঘটনাৰ সন্দৰ্ভত এই পৰ্যন্ত নজন অভিযুক্তক গ্ৰেপ্তাৰ ঃ ড্ৰাগ্‌ছ সৰবৰাহত লিপ্ত মূল অভিযুক্ত

ঘটনাৰ সন্দৰ্ভত যোৰহাট আৰক্ষীয়ে এই পৰ্যন্ত মুঠ নজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। ঘটনাৰ কিছু সময়ৰ পাছতে আৰক্ষীয়ে সুৰাপায়ী বৃদ্ধ দাসৰ দুই পুত্ৰ নীৰজ আৰু অকণিৰ লগতে বিতুল দাস নামৰ আন এজন যুৱকক ঘটনাত জড়িত থকাৰ অভিযোগত গ্ৰেপ্তাৰ কৰে বুলি আৰক্ষীৰ তৰফৰ পৰা জনোৱা হৈছে। বৰ্তমান অঞ্চলটোত আৰক্ষীৰ অভিযান চলি আছে। উপলব্ধ হোৱা ভিডিঅ' ফুটেজ পৰীক্ষা কৰি ঘটনাত জড়িতসকলৰ সন্ধান কৰি থকা হৈছে। নিশাৰ ভাগলৈ আৰক্ষীয়ে সুৰাপায়ী বৃদ্ধ দাসৰ লগতে আন পাঁচ অভিযুক্তক গ্ৰেপ্তাৰ কৰে। ধৃত পাঁচজন হৈছে ক্ৰমে বিতোপন দাস, বিক্ৰম দাস, সুভাষ বৰা, অবিনাশ বৰা আৰু দেৱ দাস। দাসৰ পুত্ৰ নীৰজক আৰক্ষীয়ে মূল অভিযুক্তৰূপে চিনাক্ত কৰিছে। উল্লেখ্য যে ড্ৰাগ্‌ছ আসক্ত নীৰজ ড্ৰাগ্‌ছ সৰবৰাহৰ লগতো জড়িত বুলি আৰক্ষীয়ে জনাইছে। বিভিন্ন অপৰাধমূলক কাৰ্যকলাপত লিপ্ত নীৰজে নিয়মীয়াকৈ ড্ৰাগ্‌ছ সৰবৰাহ কৰিছিল আৰু আৰক্ষীয়ে তেওঁক একাধিকবাৰ গ্ৰেপ্তাৰ কৰিছিল। আনহাতে, ঘটনাৰ অন্যতম জগৰীয়া তথা নীৰজৰ পিতৃ এজন সুৰাসক্ত লোক বুলি স্থানীয় লোকে জনায়। ঘটনাত জড়িত অধিকাংশই সুৰা আৰু ড্ৰাগ্‌ছত আসক্ত বুলি স্থানীয় সূত্ৰই সদৰী কৰে।

ঘটনাৰ সন্দৰ্ভত যোৰহাটৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মনে কয় যে ঘটনাত জড়িতসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব। 'কোনো কাৰণতে অপৰাধীক সাৰি যাবলৈ দিয়া নহ'ব। এই সংক্ৰান্তত এক দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা কৰা হ'ব।' উপায়ুক্তই এইদৰে কয়।

### আজি আছুৰ প্ৰতিবাদ-ক'লা দিৱস

এই ঘটনাই আজি স্বাভাৱিকতে নগৰবাসীক স্তম্ভিত কৰি তোলে। ঘটনাত জড়িত প্ৰতিজন লোকক শীঘ্ৰে গ্ৰেপ্তাৰ কৰিবলৈ সচেতন মহলে দাবী জনাইছে। নাৰকীয় ঘটনাৰ তীব্ৰ প্ৰতিবাদ জনাই কাইলৈ আছুৱে ক'লা দিৱস ঘোষণা কৰিছে। এক বিবৃতিত যোৰহাট আছুৱে কয় যে যোৰহাটত সংঘটিত হোৱা এনে জঘন্য কাণ্ডৰ প্ৰতিবাদত আৰু দোষীক কঠোৰ শাস্তি প্ৰদানৰ দাবীত সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাই উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত কাইলৈ দিনৰ ১১ বজাৰ পৰা মুখত ক'লা কাপোৰ মাৰি অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰিব। ঘটনাক গৰিহণা দি যোৰহাট চিকিৎসা মহাবিদ্যালয় চৌহদত উপস্থিত হৈ সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সভাপতি বিজয় শংকৰ বৰদলৈয়ে কয়, 'সাংস্কৃতিক ৰাজধানী, শৈক্ষিক নগৰী, বৌদ্ধিক চিন্তা-চৰ্চাৰ প্ৰাণকেন্দ্ৰ বুলি আমি সততে ফিতাহি মাৰি থকা যোৰহাটবাসীয়ে আজি লজ্জানত হৈ শিৰ উচ্চ কৰিব পৰা নাই। আমাৰ দৰ্পচূৰ্ণ হ'ল। এচাম মানৱৰূপী পশু, পিশাচৰ কাৰণে যোৰহাটৰ ঐতিহ্যত কালিমা লাগিল। এইসকল পিশাচৰ কাৰণে আজি আমাৰ মুখৰ ভাষা হেৰাই যাব লগা এটা বেদনাদায়ক পৰিস্থিতিৰ সৃষ্টি হৈছে।' যোৰহাট আৰক্ষীৰ ফোপোলা স্বৰূপ ইতিমধ্যে উদং খাই গৈছে বুলি মন্তব্য কৰি জিলা ছাত্ৰ সন্থাৰ সভাপতি বৰদলৈ আৰু সাধাৰণ সম্পাদক দীপ দত্তই কয়, 'কিদৰে নগৰৰ মাজমজিয়াত দিনৰ পোহৰত তিনিজন যুৱকক এচাম দানৱে আক্ৰমণ কৰি এজন যুৱকক হত্যা কৰিব পাৰিলে? এইয়া অত্যন্ত দুৰ্ভাগ্যৰ বিষয়।' ইতিমধ্যে এই নাৰকীয় ঘটনাৰ তদন্ত আৰু দোষীক কৰায়ত্ত কৰাৰ দাবীত জিলা ছাত্ৰ সন্থাই মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে। ছাত্ৰনেতাদ্বয়ে লগতে কয়, 'যোৰহাট আৰক্ষীক আমি জিলা ছাত্ৰ সন্থাই ২৪ ঘণ্টাৰ সময়সীমা বান্ধি দিছো। ২৪ ঘণ্টাতকৈ যদি এক ছেকেণ্ড সময়ো অতিক্ৰম কৰে, তেন্তে যোৰহাট সম্পূৰ্ণৰূপে স্তব্ধ কৰি দিয়া হ'ব।' সভাপতি বৰদলৈয়ে পুনৰ কয়, 'তেওঁলোকে ব্যক্তিগত কামত আহিছিল গোলাঘাটৰ পৰা যোৰহাটলৈ। আজি ১-৩০ বজালৈ সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ প্ৰতিবাদী কাৰ্যসূচী চলি আছিল। জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী চলি আছিল। শেষ হোৱাৰ মাত্ৰ কেইমিনিট মানৰ পূৰ্বে মোক মৃদুষ্মন্ত বৰুৱাই কান্দি কান্দি ফোন কৰি ক'লে, 'দাদা, ক'ত আছে?' মই ক'লো, 'আমাৰ কাৰ্যসূচী চলি আছে, আমি ক'ৰ্টৰ সন্মুখত আছো।' তেওঁ ক'লে, 'দাদা, আমাক সহায় কৰক। আমাক পাব্লিকে মাৰিছে সৰু এটা ঘটনাক কেন্দ্ৰ কৰি।' মই তৎকালীনভাৱে যোৰহাট আৰক্ষীক ঘটনা সন্দৰ্ভত অৱগত কৰি ক'লো যে নিৰ্মল চাৰিআলিৰ ওচৰত এটা ঘটনা সংঘটিত হৈছে। লগতে আমাৰ সতীৰ্থ কেইজনমানকো ঘটনাটো কি হৈছে চাই আহিবলৈ ক'লো। যদি পাব্লিকে মাৰিছে, তেওঁলোকক উদ্ধাৰ কৰিব লাগে বুলিও ক'লো। পুলিচ তথা আমাৰ ছাত্ৰসন্থাৰ কৰ্মী গৈ পোৱাৰ আগতে ইতিমধ্যে তেওঁলোক থানালৈ আহিল। থানাৰ পৰা মেডিকেল গ'ল। অত্যন্ত দুৰ্ভাগ্যজনকভাৱে অনিমেষ ভূঞাই অকাল মৃত্যুক সাৱটি ল'বলগীয়া হ'ল।' যোৰহাটৰ দৰে সংস্কৃতিবান, সম্ভ্ৰান্ত লোকে বাস কৰা ঠাইত এনে নিকৃষ্ট, নাৰকীয় কাণ্ড আশ্চৰ্যকৰ বুলি মন্তব্য কৰি ছাত্ৰনেতাজনে পুনৰ কয়, 'মৃদুষ্মন্ত বৰুৱাই কোৱা মতে নিৰ্মল চাৰিআলি পাৰ হৈ এখন দোকানত বজাৰ কৰিবলৈ গৈছিল। যোৱাৰ বাটতে এজন মানুহ স্কুটীৰ পৰা পৰি গৈছিল। পিতৃৰ বয়সৰ লোক বাবে তেওঁলোকে লোকজনক পৰি থকাৰ পৰা উঠাই দিলে। তেতিয়াই এই দুৰ্ভাগ্যজনক ঘটনাটো সংঘটিত হয়।'

ইপিনে, আছুৰ কেন্দ্ৰীয় সমিতিৰ অভিৱৰ্তন গোস্বামী , গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰঞ্জন সোণোৱালৰ নেতৃত্বত সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ এটা প্ৰতিনিধি দল ঘটনাৰ কিছু সময়ৰ পাছতে যোৰহাট চিকিৎসা মহাবিদ্যালয় চৌহদত উপস্থিত হয়। তেতিয়াই চিকিৎসা মহাবিদ্যালয়খনত এক শোকস্তব্ধ পৰিৱেশৰ সৃষ্টি হোৱাৰ লগতে সমগ্ৰ যোৰহাটবাসীয়ে এই ঘটনাক একেমুখে গৰিহণা দিছে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ , বীৰ লাচিত সেনা , কৃষক মুক্তি সংগ্ৰাম সমিতি আদি কৰি যোৰহাটৰ সকলো দল-সংগঠন চিকিৎসা মহাবিদ্যালয়ত উপস্থিত হৈ ঘটনাটোক গৰিহণা দিয়াৰ লগতে দোষীক কৰায়ত্ত কৰি কঠোৰ শাস্তি বিহাৰ দাবী জনাইছে ।

■ পদ প্ৰাদেশিকীকৰণৰ পৰা বঞ্চিত কামৰূপৰ পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়

# বিনা বেতনে সেৱা আগবঢ়াই আছে শিক্ষক-কৰ্মচাৰীয়ে

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৯ নৱেম্বৰ ঃ** কামৰূপ গ্ৰাম্য জিলাৰ হাজো বিধানসভা সমষ্টিৰ উত্তৰ দিশৰ উচ্চ শিক্ষাৰ অনুষ্ঠান পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়ত শিক্ষকতা কৰি থকা ১৭ গৰাকী শিক্ষকৰ লগতে কে'বাগৰাকী তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ পদ আজিলৈ প্ৰাদেশিকীকৰণ নকৰাত এইসকলৰ পৰিয়াললৈ ঘোৰ অমানিশা নামি আহিছে। বছৰৰ পাছত বছৰ ধৰি চৰকাৰৰ মুখলৈ চাই সেৱা আগবঢ়াই অহা এইসকল দুৰ্ভগীয়া শিক্ষক-কৰ্মচাৰীৰ প্ৰায়ভাগেই হতাশ হৈ পৰিছে। নিজৰ জীৱিকা আৰু পৰিয়াল ভৰণ-পোষণ দিয়াৰ ক্ষেত্ৰত চৰম আৰ্থিক দৈন্যই দেখা দিছে দুৰ্ভগীয়া এই শিক্ষক-কৰ্মচাৰীসকলৰ। শিক্ষা-দীক্ষাৰে পৰিপুষ্ট হৈ নিজক প্ৰতিষ্ঠা কৰাৰ সপোন একপ্ৰকাৰ চাৰখাৰ হোৱাৰ পথত অপ্ৰাদেশিকীকৃত শিক্ষক-কৰ্মচাৰীসকলৰ। ২০১৩ৰ তদানীন্তন ৰাজ্য চৰকাৰে অপ্ৰাদেশিকীকৃত শিক্ষানুষ্ঠানসমূহ প্ৰাদেশিকীকৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰে যদিও বিভিন্ন অজুহাতত মহাবিদ্যালখনৰ মুঠ ৩৩ গৰাকী শিক্ষকৰ ২২গৰাকী শিক্ষক প্ৰাদেশিকীকৰণৰ আওতাৰ পৰা বাদ পৰে। তদুপৰি যোৱা বেলি অসম চৰকাৰৰ শিক্ষা বিভাগে প্ৰকাশ কৰা প্ৰাদেশিকীকৃত শিক্ষকৰ তালিকাত আশ্চৰ্যজনকভাৱে পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়ৰ মাত্ৰ পাঁচগৰাকী শিক্ষকক টিউটৰ এচিষ্টেণ্ট প্ৰফেচাৰ হিচাপে প্ৰাদেশিকীকৰণ কৰাত আন ১৭ গৰাকী পুনৰ বাদ পৰে। প্ৰাপ্ত তথ্য মতে, মহাবিদ্যালয়খনৰ অৰ্থনীতি আৰু বুৰঞ্জী বিভাগত সৰহসংখ্যক শিক্ষাৰ্থীয়ে অধ্যয়ন কৰি থকাৰ পাছতো এগৰাকী শিক্ষকৰ পদো প্ৰাদেশিকীকৰণ নকৰাৰ লগতে সংস্কৃত বিভাগৰ শিক্ষকগৰাকী ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে পদোন্নতি লাভ কৰাত বৰ্তমান বিভাগটো শিক্ষক বিহীনভাৱে চলি আছে। স্মৰ্তব্য যে মহাবিদ্যালয়খনত কে'বাটাও বিভাগত কনিষ্ঠ শিক্ষকৰ পদ প্ৰাদেশিকীকৰণ হোৱাত বহুদিন পূৰ্বে যোগদান কৰা জ্যেষ্ঠ শিক্ষকসকলৰ পদ প্ৰাদেশিকীকৰণত ভয়াৱহ দুৰ্যোগ নামি আহিছে। এইসকল শিক্ষক-কৰ্মচাৰীৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি নৱগঠিত অসম চৰকাৰৰ শিক্ষামন্ত্ৰীজনে মহাবিদ্যালয়ত কৰ্মৰত আটাইকেইগৰাকীৰে পদসমূহ প্ৰাদেশিকীকৰণৰ দাবী জনাইছে পশ্চিম বড়িগোগ আঞ্চলিক ছাত্ৰ সন্থাই, ইতিমধ্যে মন্ত্ৰীজনক এখন স্মাৰকপত্ৰ দিছিল। আনহাতে, আঞ্চলিক আছুই স্মাৰকপত্ৰ দিয়াৰ আগতে বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা মংগলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াৰ জন্ম গাঁৱৰ গাতে লাগি থকা মহাবিদ্যালয়খনৰ এই সমস্যা সমাধান কৰি অবিভক্ত পশ্চিম বড়িগোগত মৌজাৰ শিক্ষাৰ্থীসকলৰ লগতে অবৈতনিক শিক্ষক-কৰ্মচাৰীসকলৰ অনাগত ভৱিষ্যৎ উজ্জ্বল কৰিবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষই সাংসদজনৰ হাতত এখন স্মাৰকপত্ৰ অৰ্পণ কৰিছিল। অঞ্চলবাসী ৰাইজ তথা বৰ্তমান মহাবিদ্যালয়খনত অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ বৰ্তমানৰ চৰকাৰলৈ কাতৰে আহ্বান জনাই কয় যে দুৰ্ভগীয়া শিক্ষক-কৰ্মচাৰীসকলৰ পদসমূহ প্ৰাদেশীকৃত কৰি পৰম উপকাৰ কৰাৰ লগতে মহাবিদ্যালয়খনৰ শৈক্ষিক বাতাবৰণ সুস্থ কৰি তোলক। উল্লেখ্য যে কামৰূপ আৰু নলবাৰী জিলাৰ বৃহৎ অঞ্চল এটাক সামৰি উক্ত মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিছিল। অঞ্চলটোৰ অৰ্থনৈতিক অনগ্ৰসৰ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ গঢ়াৰ সপোনৰ থলী উক্ত মহাবিদ্যালয়ৰ শৈক্ষিক বাতাবৰণ সুস্থ কৰাৰ স্বাৰ্থত এই দুৰ্ভগীয়া শিক্ষক-কৰ্মচাৰীসকলৰ পদসমূহ নিয়মীয়া কৰাটো অতিপাত জৰুৰী।



*অসম-মেঘালয় সীমান্তত কালি অনুষ্ঠিত জনশুনানিত অংশগ্ৰহণকাৰী মহিলা।*

## বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা বিনামূলীয়া স্বাস্থ্য শিবিৰ মেডিকা ছুপাৰস্পেচিয়েলটিৰ হাস্পতালৰ

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ২৯ নৱেম্বৰ ঃ** ৰটাৰী ক্লাব অৱ ডিব্ৰুগড় আৰু ৰোটাৰেক্টৰ সহযোগত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনত এক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। য'ত ডাঃ দিলীপ কুমাৰে, হৃদৰোগৰ ৰোগীসকলক আৰু ডাঃ প্ৰশান্ত দেৱনাথে, গেষ্ট্ৰ, আৰু লিভাৰৰ ৰোগী সকললৈ পৰামৰ্শ আগবঢ়ায়। ডিব্ৰুগড়ৰ বিভিন্ন প্ৰান্তৰ পৰা অহা লোকসকলৰ বিনামূলীয়াকৈ বিপি আৰু ছুগাৰৰ পৰীক্ষা, ইচিজি আদি কৰা হয়। ডাঃ সঞ্চিতা মজুমদাৰে এজন এজনকৈ ৰোগীৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে ৰোগীৰ প্ৰয়োজন অনুযায়ী হৃদৰোগ বা লিভাৰৰ পৰামৰ্শৰ বাবে মেডিকা ছুপাৰস্পেচিয়েলটি চিকিৎসালয়ৰ পৰা অহা জ্যেষ্ঠ চিকিৎসকৰ ওচৰত প্ৰেৰণ কৰে। শিবিৰত সৰ্বমুঠ ১২৫ জন ৰোগীৰ স্বাস্থ্য পৰীক্ষা কৰা হয়। আনহাতে, সন্ধিয়ালৈ স্বাস্থ্য সম্পৰ্কীয় আলোচনা অনুষ্ঠিত হয় য'ত ডাঃ দিলীপ কুমাৰে হৃদৰোগ আৰু ইয়াৰ পৰা কেনেকৈ নিজকে বচাব পাৰি তাৰ বিষয়ে কয়। ডাঃ প্ৰশান্ত দেৱনাথে কেনেকৈ নিজৰ লিভাৰ সুস্থ কৰি ৰাখিব পাৰি আৰু খোৱা-বোৱা কেনেকৈ কি কৰিলে আমি পেটৰ বিভিন্ন সমস্যাৰ পৰা মুক্তি পাব পাৰি তাৰ বিষয়ে সদৰী কৰে। আলোচনাত মেডিকা ছুপেৰস্পেচিয়েলটি হাস্পতালৰ গ্ৰুপ প্ৰেচিডেন্ট ডাঃ সৌমিত্ৰ ভাৰদ্বাজ, মেডিকা ইনফৰ্মেচন চেন্টাৰৰ স্বত্বাধিকাৰী আদিত্য কুমাৰ শীল, ৰটাৰী ক্লাব অৱ ডিব্ৰুগড়ৰ সভাপতি প্ৰতুল বৰুৱা, সম্পাদক সাগৰ দত্ত, ৰোটাৰেক্টৰ সভাপতি ঋষিকেশ গোস্বামীকে আদি কৰি বহু ব্যক্তিয়ে ভাগ লয়। মেডিকা ছুপেৰস্পেচিয়েলটি হাস্পতালৰ গ্ৰুপ প্ৰেছিডেন্ট ডাঃ সৌমিত্ৰ ভাৰদ্বাজ আৰু মেডিকা ইনফৰ্মেচন চেন্টাৰ, ডিব্ৰুগড়ৰ স্বত্বাধিকাৰী আদিত্য কুমাৰ শীলে প্ৰতিমাহে এনেকৈ বিভিন্ন বিভাগৰ স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰা হ'ব বুলি উল্লেখ কৰে।

## ৰাইজে ড° শৰ্মাৰ দৰে এজন যোগ্য মুখ্যমন্ত্ৰী পাইছে ঃ জয়ন্ত মল্ল

বিশেষ সংবাদদাতা

**নগাঁও, ২৯ নৱেম্বৰ ঃ** ''কা' আন্দোলনকাৰীসকলৰ নিহিত উদ্দেশ্যেসমূহ অসমৰ ৰাইজে দেখা পাইছে। মই নাভাবো যে কোনোবাই 'কা' আন্দোলনৰ নাম লৈ কাৰোবাক বিপথে পৰিচালিত কৰিব পাৰিব।' এই মন্তব্য নলবাৰী বিধায়ক তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাৰ। কালি নগাঁৱত অনুষ্ঠিত বিজেপিৰ যুৱ মৰ্চাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সভাত অংশগ্ৰহণ কৰি সংবাদ মাধ্যমৰ আগত এই মন্তব্য কৰি বিধায়কজনে কয়, ''কা' আন্দোলনৰ সময়ত কোনোবা সাংসদ হ'ল। কোনোবাই বিধায়ক হোৱাৰ প্ৰচেষ্টা চলাইছিল। সেই প্ৰচেষ্টাক ৰাইজে গ্ৰহণ নকৰিলে।' প্ৰসংগক্ৰমে তেওঁ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক প্ৰশংসা কৰি কয়, 'অসমৰ সকলো কথাকে প্ৰতিনিধিত্ব কৰিবৰ বাবে, অভিভাৱকত্ব দিবৰ বাবে ড° হিমন্ত বিশ্ব শৰ্মাৰ দৰে অতিযোগ্য মুখ্যমন্ত্ৰী অসমবাসীয়ে পাইছে। অসমৰ ৰাইজৰ মুখ্যমন্ত্ৰীৰ প্ৰতি আস্থা আৰু বিশ্বাস আছে। সকলো সমস্যা সমাধান কৰিবৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সঠিক নেতত্ব দিব পাৰিব বুলি অসমৰ ৰাইজৰ বিশ্বাস আছে। গতিকে এনে সময়ত 'কা'কে ধৰি এইধৰণৰ বিপথে পৰিচালিত কৰিবলৈ যিমানে উচটনি নিদিয়ক কিয় কাম নিদিব।' তেওঁ লগতে কয় যে, 'একাংশ সংগঠনে সংগঠন কৰিবলৈ আৰু চান্দা উঠাবলৈ এই ধৰণৰ কাম কৰে।' কংগ্ৰেছক কঠোৰ সমালোচনা কৰি বৰুৱাই কয় যে ৭০ বছৰে নোহোৱা কাম যেতিয়া এজন মুখ্যমন্ত্ৰীৰ দিনত আৰম্ভ হয় তেতিয়া কংগ্ৰেছ অস্থিৰ হৈ পৰে। এতিয়া প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাকে ধৰি একাংশ কংগ্ৰেছ নেতাই বিভিন্ন ধৰণৰ মন্তব্য কৰিছে। কংগ্ৰেছ চৰকাৰৰ দিনত কি কাম হৈছিল আৰু এতিয়া কি কাম হৈছে তাৰ তুলনা কৰিলেই তেওঁলোকৰ অস্তিত্ব হেৰাই যাব বুলি বৰুৱাই তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। তেওঁলোকৰ মন্তব্যৰ কোনো ভিত্তি নাই।

## খাৰবোজাৰ পৰা চোৰাং ছেণ্ডগ্ৰেভেল ভৰ্তি ডাম্পাৰ জব্দ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৯ নৱেম্বৰ ঃ** গোৱালপাৰা জিলাৰ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাপিথৰ খাৰবোজাৰ পৰা যোৱা নিশা বন বিভাগে চোৰাংকৈ ছেণ্ডগ্ৰেভেল সৰবৰাহ কৰা ডাম্পাৰ এখন জব্দ কৰে। গোৱালপাৰা বন সংমণ্ডল প্ৰাধিকাৰী বিষয়াই এ এছ-২৬ চি-৮৪৮৩ নম্বৰৰ ছেণ্ডগ্ৰেভেল ভৰ্তি ডাম্পাৰখন জব্দ কৰি নিজৰ কাৰ্যালয়লৈ আনে। অসাধু চক্ৰই বন বিভাগৰ লগতে সংশ্লিষ্ট সকলো পক্ষকে মেনেজ কৰি জিলাখনত শিল, বালি, কাঠ, ছেণ্ডগ্ৰেভেল, চীপচ আদিৰ ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ তদন্তৰ জৰিয়তে বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে সচেতন মহলে।

## নিমিষতে জাহ গ'ল সুমিত্ৰা ছেত্ৰীৰ সপোনৰ ঘৰখন

অগ্ৰদূত বাৰ্তা

**বকো, ২৯ নৱেম্বৰ ঃ** অকলশৰীয়া সুমিত্ৰা ছেত্ৰীৰ আপোন বুলিবলৈ আছিল মাথোঁ সপোনৰ পঁজাঘৰটো। স্বামীৰ মৃত্যুৰ পাছত বিগত ২৩টা বছঠৰ অকলশৰে পাৰ কৰা মহিলাগৰাকীৰ দুচকুৰে কেৱল চকুলো নিগৰিছে। বকোৰ কেন্দুগুৰিত কিশোৰী বিয়োগী নামৰ লোকজনৰ এডোখৰ ভূমিত ৰখীয়া হিচাপে ৩৫ বছৰ আছিল দুৰ্ভগীয়া মহিলাগৰাকী। ভূমি ডোখৰত এটা পঁজাঘৰত বসবাস কৰি আহিছিল। যোৱা ২৬ নৱেম্বৰৰ দিনৰ ভাগত মহিলাগৰাকীৰ সপোনৰ পঁজাঘৰটোত অগ্নিকাণ্ড সংঘটিত হয়। ঘটনাস্থলীত অগ্নিসেৱা কেন্দ্ৰৰ বাহন উপস্থিত হৈ জুই নিৰ্বাপিত কৰিলেও সম্পূৰ্ণৰূপে ভস্মীভূত হয় পঁজাঘৰটো। সুমিত্ৰা ছেত্ৰীয়ে পুৱা ভগৱানৰ সন্মুখত জ্বলোৱা বন্তিৰ পৰা অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটা বুলি সন্দেহ প্ৰকাশ কৰিছে। একেদৰে পুৱা ভাত-পানী খাই চিলিণ্ডাৰ অফ কৰি পাহাৰলৈ যোৱাৰ কথা ব্যক্তি কৰিছে। আনহাতে আৰক্ষীয়ে চিলিণ্ডাৰ বিস্ফোৰণ ঘটি অগ্নিকাণ্ড সংঘটিত হোৱা বুলি সন্দেহ কৰিছে। অগ্নিকাণ্ডত দৰিদ্ৰ মহিলাগৰাকীৰ ভোটাৰ কাৰ্ড, পৰিচয় পত্ৰ, সাচতীয়া নগদ ধন, সা-সামগ্ৰীকে ধৰি প্ৰায় ডেৰ লক্ষাধিক টকাৰ ক্ষয়-ক্ষতি হয়।

■ ভোটাৰ কাৰ্ড, নগদ ধনকে আদি কৰি সা-সম্পত্তি ভস্মীভূত

## পলাশবাৰী উপৰহালীত প্ৰাক্তন সৈনিক সমাৰোহ



অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ২৯ নৱেম্বৰ ঃ** পলাশবাৰী উপৰহালীস্থিত চিলাৰায় ভৱনত কালি দিনজোৰা কাৰ্যসূচীৰে মিৰ্জা আঞ্চলিক প্ৰাক্তন সৈনিক সমাৰোহ অনুষ্ঠিত হয়। মিৰ্জা আঞ্চলিক প্ৰাক্তন সৈনিকসকলৰ লগতে পৰিয়ালবৰ্গ আৰু বিধৱা বীৰ নাৰীসকলক একত্ৰিত কৰাৰ বাবে প্ৰাক্তন সৈনিক সমাৰোহ অনুষ্ঠিত কৰে। এই উপলক্ষে পুৱা চাফাই অভিযান আৰু বৃক্ষৰোপণ কৰে মিৰ্জা আঞ্চলিক প্ৰাক্তন সৈনিক সন্থাৰ উপদেষ্টা ৰাম প্ৰসাদ তালুকদাৰে। পতাকা উত্তোলন কৰে সৈনিক সন্থাৰ সভাপতি সুধন্ন কলিতাই। ছহিদ বেদীত বন্তি প্ৰজ্বলন কৰে সৈনিক সন্থাৰ উপদেষ্টা বীৰেন কলিতাই। ইয়াৰ পাছতে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে সৈনিক সন্থাৰ উপ-সভাপতি ভদ্ৰেশ্বৰ দাস আৰু সহ-সম্পাদক আনন্দ দেৱ শৰ্মাই। সৈনিক সন্থাৰ সভাপতি সুধন্ন কলিতাৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সমাৰোহত পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই উপস্থিত থাকি প্ৰাক্তন সৈনিক সন্থাৰ ভূমি আবণ্টনৰ লগতে এটি গৃহ নিৰ্মাণ কৰি দিয়াৰ বাবে উল্লেখ কৰে। অনুষ্ঠানত গুৱাহাটী এয়াৰ ফ'ৰ্চ ষ্টেছনৰ এয়াৰ অফিচাৰ কামাণ্ডিং, অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ নাৰায়ণ দত্ত, বেংক অৱ বৰোদাৰ পৰিচালক ব্ৰিগেডিয়াৰ ৰাৱাট উপস্থিত থকাৰ উপৰি অৱসৰপ্ৰাপ্ত চুবেদাৰ তথা জিলা সৈনিক কল্যাণ বিষয়া বসন্ত বৰুৱা উপস্থিত থাকে। সমাৰোহত বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয় অসমৰ পৰা লাডাখলৈ পদযাত্ৰা কৰি অভিলেখ সৃষ্টি কৰা ক্ৰীড়াবিদ অঞ্জলি দাসক। অনুষ্ঠানত উপৰহালী ৰাইজ গয়ৰহৰ সভাপতি-সম্পাদক উপস্থিত থকাৰ লগতে অৱসৰপ্ৰাপ্ত সৈনিকসকল উপস্থিত থাকে।

## শিক্ষক-সমাজকৰ্মী বসন্ত বৈশ্যৰ পৰলোক

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৯ নৱেম্বৰ ঃ** নলবাৰী জিলাৰ পূব কালাকুছি নিবাসী শিক্ষক, বিশিষ্ট সমাজকৰ্মী বসন্ত বৈশ্যৰ (৫৬) যোৱা ২৭ নৱেম্বৰৰ নিশা মৃত্যু হোৱা খবৰে অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে। হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা প্ৰয়াত বৈশ্যই বৰক্ষেত্ৰীৰ লোহাৰকাঠা অঞ্চলৰ সুতাৰকুছি এম হ ইস্কুলত কৰ্মৰত হৈ আছিল। ইফালে অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠানত জড়িত হৈ সমাজসেৱা কৰাৰ লগতে বিজেপিৰ এজন নিষ্ঠাৱান সমৰ্থক আছিল। তেওঁৰ মৃত্যুত স্থানীয় সাংসদ দিলীপ শইকীয়া, বিধায়ক জয়ন্ত মল্ল বৰুৱা, প্ৰাক্তন বিধায়ক অশোক কুমাৰ শৰ্মা, জিলা পৰিষদৰ সদস্য বিৰাজ মেধি, আঞ্চলিক সদস্য জচিম আলী, জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ, পূব নলবাৰী মণ্ডল সভাপতি প্ৰতুল কলিতা, আছু, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদসহ ব্যক্তি বিশেষে শোক প্ৰকাশ কৰি পৰিয়ালক সমবেদনা জ্ঞাপন কৰে, মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই পুত্ৰ সহ বহু আত্মীয়ক এৰি যায়।

## গাঁও পঞ্চায়তৰ জিআৰএছৰ বিৰুদ্ধে উপায়ুক্তক অভিযোগ

অগ্ৰদূত বাৰ্তা

**হোজাই, ২৯ নৱেম্বৰ ঃ** হোজাইৰ যোগীজান উন্নয়ন খণ্ডৰ অন্তৰ্গত হিন্দু ব্লক গাঁও পঞ্চায়তৰ অন্তৰ্গত একাংশ জৱকাৰ্ড শ্ৰমিকে হোজাই জিলা উপায়ুক্তক দাখিল কৰা অভিযোগ অনুসৰি জিআৰএছ জিয়াবুৰ লস্কৰ চৰকাৰে বান্ধি দিয়া নীতি-নিয়ম অমান্য কৰি আহিছে। চৰকাৰী নিৰ্দেশ অনুসৰি আধাৰ কাৰ্ডৰ লগত জৱকাৰ্ড লিংক কৰাৰ বাবে যোগীজান উন্নয়ন খণ্ডৰ বিষয়াই জৱকাৰ্ড শ্ৰমিকসকলক জনায়। জৱকাৰ্ড শ্ৰমিকসকলে জিআৰএছৰ জৰিয়তে আধাৰকাৰ্ডৰ লগতে জৱকাৰ্ডৰ লিংক স্থাপন কৰিব লাগে। কিন্তু শ্ৰমিকসকলে জিআৰএছজনক এই বিষয়ে ক'লে তেওঁ কয়, 'মোৰ ঘৰত আহিব আৰু যদি পঞ্চায়তৰ কাৰ্যালয়ত আহিব লাগে তেন্তে খৰচ দিব লাগিব।' উপায়ুক্তৰ কাৰ্যালয়ে তদন্ত কৰিলে সকলো কথা পোহৰলৈ আহিব বুলি অভিযোগ উত্থাপন কৰে জৱকাৰ্ড শ্ৰমিকসকলে।

## ধান কটাক লৈ মাৰপিট হোজাইত

অগ্ৰদূত বাৰ্তা

**হোজাই, ২৯ নৱেম্বৰ ঃ** হোজাইৰ মোৱাঝাৰত কালি পকা ধান কটাক লৈ মাৰপিটৰ ঘটনা সংঘটিত হয়। এই ঘটনা মোৱাঝাৰৰ চামৰালিত বাসিন্দা মহাম্মদ হুছেইনৰ পৈতৃক সম্পত্তিৰ ভূমিত আন লোকে পথাৰৰ ধান কটা আৰম্ভ কৰাৰ বাবে ঘটে মাৰপিটৰ ঘটনা। ফলত দুয়ো পক্ষৰ কে'বাজনো আহত হয়। আহতসকলৰ ভিতৰত মহিলাও আছিল। এই ঘটনাৰ পাছতে মহাম্মদ হুছেইনে কে'বাজনো লোকক অভিযুক্ত কৰি মোৱাঝাৰ থানাত এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে ইতিমধ্যে গোচৰ পঞ্জীয়ন কৰি তদন্ত আৰম্ভ কৰিছে।

## জামুগুৰি অগ্নিনিৰ্বাপক বাহিনীৰ মকড্ৰিল কাৰ্যসূচী



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৯ নৱেম্বৰ ঃ** ভূমিকম্প, জুই লগা আদি দুৰ্যোগৰ সময়ত কিদৰে সাৱধানতা অৱলম্বন কৰি নিজৰ লগতে আন লোকসকলকো ৰক্ষা কৰিব পাৰি সেই বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে জামুগুৰিহাটৰ অগ্নি-নিৰ্বাপক বাহিনীৰ বিষয়া-কৰ্মচাৰীসকলে বিদ্যালয় তথা ৰাজহুৱা স্থানত যোৱা ২৭ নৱেম্বৰৰ পৰা দুদিনীয়াকৈ মকড্ৰিল কাৰ্যসূচী ৰূপায়ণ কৰে। অঞ্চলটোৰ হলি চাইল্ড ইংলিছ স্কুল, জামুগুৰি জুনিয়ৰ কলেজ, কন্যাকা উদ্যোগ প্ৰতিষ্ঠান আদিত ছাত্ৰ-ছাত্ৰী তথা উদ্যোগটোত কৰ্মত নিয়োজিত লোকসকলক সজাগ আৰু সচেতন কৰাৰ বাবে বাহিনীটোৰ জোৱানসকলে তেনে দুৰ্যোগৰ সময়ত ল'ব লগ সাৱধনতা-সচেতনতা সন্দৰ্ভত কি ধৰণৰ ব্যৱস্তা ল'ব লাগে সেই কামসমূহ শিকাই দিয়াৰ চেষ্টা কৰে। জামুগুৰিহাটৰ অগ্নিনিৰ্বাপক বাহিনীৰ বিষয়া হৱলাকান্ত ৰাভাৰ নেতৃত্বত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত সজাগতামূলক মকড্ৰিল কাৰ্যসূচীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী তথা লোকসকল উপকৃত হ'ব পাৰিব বুলি আশা কৰিছে বাহিনীটোৰ বিষয়া-কৰ্মচাৰীসকলে।

## যোৰহাটত আছুৰ সাংগঠনিক কৰ্মশালা সম্পন্ন

■ নৱনিৰ্মিত ছহিদ বেদী উন্মোচন

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২৯ নৱেম্বৰ ঃ** সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ আহ্বানত যোৰহাট মহকুমা ছাত্ৰ সন্থাৰ উদ্যোগত পশ্চিম যোৰহাট আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত দহোটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোৱা ২৮ নৱেম্বৰত এক সাংগঠনিক কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালা অনুষ্ঠিত হোৱাৰ পূৰ্বেই পুৱাৰ ভাগত বিদ্যালয় চৌহদত পতাকা উত্তোলন কাৰ্যসূচীৰ পাছতেই নৱনিৰ্মিত ছহিদ বেদী উন্মোচন কৰে আছুৰ সহকাৰী সাধাৰণ সম্পাদক জুল খাউণ্ডে। কাৰ্যসূচীত বিদ্যালয়খনৰ অধ্যক্ষ চৈয়দ নজিব উল্লাহও উপস্থিত থাকে। ইয়াৰ পাছতেই যোৰহাট মহকুমা ছাত্ৰ সন্থাৰ সভাপতি বিতোপন বৰাৰ সভাপতিত্বত আৰম্ভ হোৱা কৰ্মশালাখনত উদ্দেশ্য ব্যাখ্যা কৰে মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক যদুমণি বৰুৱাই। সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক জুল খাউণ্ডে কৰ্মশালা উদ্বোধন কৰি অসমত ছাত্ৰ সংগঠনৰ ইতিহাস আৰু আছু সন্দৰ্ভত বিস্তৃতভাৱে আলোকপাত কৰে। যোৰহাট জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা ৰাজীৱ বৰাই ছাত্ৰ সন্থাৰ গঠন প্ৰণালীৰ ওপৰত বক্তব্য আগবঢ়ায়। কৰ্মশালাত সাংবাদিক নৱজ্যোতি বৰুৱাই স্মাৰকপত্ৰ প্ৰস্তুত, প্ৰেছ বিবৃতি লিখাৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰি বহুমূলীয়া বক্তব্য প্ৰদান কৰে। যোৰহাট মহকুমা ছাত্ৰ সন্থাৰ অন্তৰ্গত ১০খন আঞ্চলিক ছাত্ৰ সন্থাৰ তিনিশতাধিতকৈও অধিক ছাত্ৰকৰ্মীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাখনত সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সভাপতি বিজয় শংকৰ বৰদলৈয়ে কৰ্মশালাখনৰ প্ৰাসংগিকতা, সংগঠনৰ ভেটি সুদৃঢ় কৰাৰ স্বাৰ্থত কৰণীয়, অপশক্তিৰ মোকাবিলা ইত্যাদি সন্দৰ্ভত এঘন্টাজোৰা প্ৰশিক্ষণ প্ৰদান কৰে। ছাত্ৰ সংগঠন আৰু আইনী দিশ, ছ'চিয়েল মিডিয়া আৰু সীমাবদ্ধতা ইত্যাদি সন্দৰ্ভত জ্যেষ্ঠ অধিবক্তা ৰিন্টু গোস্বামীয়ে বহুমূলীয়া প্ৰশিক্ষণ আগবঢ়ায়। সৰ্বশেষত সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য জিতু নেওগে ছাত্ৰ সন্থাৰ কৰ্মীৰ আচাৰ-ব্যৱহাৰ, কথনশৈলীৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰে। নেওগে এনে ধৰণৰ উৎকৃষ্ট পদক্ষেপ গ্ৰহণৰ বাবে সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ আৰু যোৰহাট মহকুমা ছাত্ৰ সন্থাক ধন্যবাদ জ্ঞাপন কৰে। কৰ্মশালাখনত সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপ দত্ত, প্ৰাক্তন ছাত্ৰকৰ্মী আনন্দ দাস, সমৰ বৰুৱা আদি উপস্থিত থাকে।

## শিক্ষক জয়ন্ত সিংহৰ মৃত্যুত প্ৰাথমিক শিক্ষক সন্মিলনীৰ শোক প্ৰকাশ

অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ২৯ নৱেম্বৰ ঃ** ১৩ নম্বৰ শিমলাগুৰি প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক জয়ন্ত সিংহৰ যোৱা ১৭ নৱেম্বৰত মৃত্যু হোৱাত কাজলগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীয়ে গভীৰ শোক প্ৰকাশ কৰে। কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত সন্মিলনীৰ সভাপতি আৰু সম্পাদক ক্ৰমে কেশৱ বাহাদুৰ ছেত্ৰী আৰু প্ৰাণ সূত্ৰধৰে মানৱ সম্পদ গঢ়াৰ সেৱাত ব্ৰতী হৈ কৰ্মৰত অৱস্থাত মৃত্যু হোৱাত গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

## মা শব্দই আমাক সাহস, উদ্যম আৰু অনুপ্ৰেৰণা দিয়ে ঃ ড° ভট্টাচাৰ্য

■ কিতাপ পঢ়াটো এক নিচা হিচাপে গঢ়ি তোলা উচিত ঃ জুবিন গাৰ্গ

■ টিহুৰ মাখিবাহাত ৰাজহুৱা পুথিভঁৰালৰ নৱনিৰ্মিত ভৱন উদ্বোধন

অগ্ৰদূত বাৰ্তা

**টিহু, ২৯ নৱেম্বৰ ঃ** 'বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ সমানে আমি আগবাঢ়ি যাব লাগিব যদিও কিতাপ পঢ়াৰ অভ্যাস আমাৰ থাকিব লাগিব। কাৰণ পুথি অধ্যয়নৰ জৰিয়তে লাভ কৰা জ্ঞানৰ মাদকতা ক'তো পোৱা নাযায়।' সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই কালি টিহুৰ মাখিবাহাত এইদৰে কয়। মাখিবাহাৰ নৱনিৰ্মিত ৰাজহুৱা পুথিভঁৰাল আৰু মাখিবাহা আঞ্চলিক ছাত্ৰ সন্থাৰ নৱনিৰ্মিত ভৱনৰ উদ্বোধনী অনুষ্ঠানত ড° ভট্টাচাৰ্যই মাটি, মন আৰু মগজু নিজৰ মতে গঢ়ি তুলিব পাৰি বুলি উল্লেখ কৰি মা শব্দই আমাক সাহস, উদ্যম আৰু অনুপ্ৰেৰণা যোগায় বুলি মন্তব্য কৰে। আমি সকলোৱে শিপাৰ লগত সম্পৰ্কিত হৈ আগবাঢ়িব লাগিব বুলি উনুকিয়াই 'মোৰ ঠাই আপোন হওঁক, মোৰ ঠাই সপোন হওঁক' বুলি সকলোকে সংকল্প ল'বলৈ আহ্বান জনায়। সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠকৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত আছুৰ মুখ্য উপদেষ্টা ড° ভট্টাচাৰ্যই পুনৰ কয় যে প্ৰজন্মই প্ৰজন্মই কিতাপ পঢ়াৰ আন্দোলন গঢ়ি তুলি নতুন প্ৰজন্ম অধ্যয়নপুষ্ট হ'ব লাগিব।' অনুষ্ঠানত ড° ভট্টাচাৰ্যই মাখিবাহাৰ নৱপ্ৰজন্মক 'আমি জিলিকিম, মাখিবাহাক জিলিকাম অসমক জিলিকাম' বুলিও সংকল্প ল'বলৈ মুকলি আহ্বান জনায়। ভাষণ প্ৰসংগত তেওঁ পুথিভঁৰাল সমিতিক শিশু পুতিভঁড়াল আৰু বুক বেংক আৰম্ভ কৰিবলৈ আহ্বান জনাই আছুৰ ফালৰ পৰা পুথিভঁৰাললৈ কে'বাখনো পুথি প্ৰদান কৰে। অনুষ্ঠানত যুৱ-প্ৰজন্মৰ হাৰ্টথ্ৰৰ জুবিন গাৰ্গে পুথিভঁৰাললৈ শুভেচ্ছা জনাই কিছু সংখ্যক পুথি আৰু নগদ ধন প্ৰদান কৰাৰ লগতে কিতাপ পঢ়াটো এক নিচা গঢ়ি তোলা উচিত বুলি মন্তব্য কৰে। অনুষ্ঠানত গুৱাহাটী মহানগৰ আৰক্ষীৰ যুটীয়া আয়ুক্ত পাৰ্থ সাৰথি মহন্তই কয় যে ৰামচন্দ্ৰই হৰধনু ভঙাতোও প্ৰতিযোগিতা আছিল আৰু অৰ্জুনে পানীত চাই মাছৰ চুক ফুটোৱাটো প্ৰতিযোগিতাই আছিল। গতিকে প্ৰতিযোগিতা আমাক লাগিবই। কিন্তু এই প্ৰতিযোগিতা ভাল উদ্দেশ্যত হ'লে সমাজৰ উন্নীত হয়। অসম চৰকাৰৰ গৃহ বিভাগৰ সচিব দিগন্ত বৰাই গ্ৰামাঞ্চলত লুকাই থকা প্ৰতিভাসমূহক উলিয়াই আনিবলৈ সকলোকে আহ্বান জনায়। অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়াই প্ৰাক্তন ছাত্ৰ নেতা তথা শালবাৰীৰ মহকুমা আৰক্ষী বিষয়া সমীৰণ বৈশ্যই ৰাজহুৱা পুথিভঁৰালটোৰ নিৰ্মাণৰ ইতিবৃত্ত দাঙি ধৰে। মাখিবাহা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অনুপ হালৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত আমেৰিকা নিবাসী বিজ্ঞানী ভাস্কৰ দেৱচৌধুৰী, গৰিমা শইকীয়া গাৰ্গ, বাগ্‌সাৰ আৰক্ষী অধীক্ষক ৰাজেন সিং আদি বিশিষ্ট ব্যক্তিসকলে বক্তব্য আগবঢ়ায়। উল্লেখ্য যে অত্যাধুনিকভাৱে নিৰ্মাণ কৰা মাখিবাহা ৰাজহুৱা পুথিভঁৰাল চৌহদৰ দেৱালত বিভিন্ন চিত্ৰ সুদৃশ্যভাৱে অংকন কৰাৰ লগতে জুবিন গাৰ্গ আৰু ড° সমুজ্জ্বল ভট্টাচাৰ্যৰ চিত্ৰ অংকন কৰা হয়। ইপিনে, আছুৰ মুখ্য উপদেষ্টা ড° ভট্টাচাৰ্যই মাখিবাহা আঞ্চলিক ছাত্ৰ সন্থাৰ নৱনিৰ্মিত এটা ভৱন উদ্বোধন কৰে। ইয়াৰ পূৰ্বে মাখিবাহাত জুবিন গাৰ্গকে ধৰি বিশিষ্ট অতিথিসকল উপস্থিত হোৱাত বিভিন্ন কৃষ্টি-সংস্কৃতিৰ মিলন ঘটাই আয়োজন কৰা সাংস্কৃতিক শোভাযাত্ৰাৰে মাখিবাহা ৰাজহুৱা পুথিভঁৰাললৈ আদৰি অনা হয়। মাখিবাহাত ৰাজহুৱা পুথিভঁৰাল উদ্বোধনক লৈ অঞ্চলটোত এক উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হোৱা পৰিলক্ষিত হয়।




## ইকৰাণি কৃষি প্ৰধান কাৰিকৰী হাইস্কুলত লোক সংস্কৃতি প্ৰদৰ্শন কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা

**বৰহোলা, ২৯ নৱেম্বৰ ঃ** অসম চৰকাৰৰ শিক্ষা বিভাগে বৰ্তমান ছাত্ৰ-ছাত্ৰীসকলক পুথিগত শিক্ষা দিয়াৰ উপৰি সাংস্কৃতিক, বৌদ্ধিক আদি দিশবিলাকৰো শিক্ষা প্ৰদান কৰি আগুৱাই নিয়াৰ ব্যৱস্থা কৰিছে। লোকসংস্কৃতিৰ জৰিয়তে কৈশোৰ সৰলীকৰণ আৰু সামাজিক পৰিৱৰ্তনৰ ওপৰত তেজপুৰ বিশ্ববিদ্যালয়, ইউনিচেফ আৰু ইক, ক্লাবৰ উদ্যোগত সমগ্ৰ শিক্ষা অসমৰ সহযোগিতাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত লোকসংস্কৃতি চৰ্চা আৰু প্ৰদৰ্শনৰ বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। সেই উদ্দেশ্যে বিদ্যালয়খনত যোৱা ২৫ আৰু ২৬ নৱেম্বৰত কেউটা অনুষ্ঠানৰ তৰফৰ পৰা বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। প্ৰথম দিনা চিত্ৰাংকন, আকস্মিক বক্তৃতা, কুইজ আৰু প'ষ্টাৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ২৬ নৱেম্বৰত ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা দিহানাম, বিহু নৃত্য প্ৰদৰ্শন, সৃষ্টিশীল নৃত্য, জিকিৰ-জাৰী, আৰু সমবেত সংগীত পৰিৱেশন কৰা হয়। ইয়াৰ পাছত বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী কল্পনা কছাৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আঁত ধৰে শিক্ষয়িত্ৰী সূৰ্যৱতী শইকীয়াই আৰু উদ্দেশ্য ব্যাখ্যা কৰে শিক্ষয়িত্ৰী জ্যোৎস্না সোণোৱালে। সভাত শিক্ষক ৰবীন মহন্ত আৰু শিক্ষয়িত্ৰী নিজৰা হাজৰিকাই বক্তব্য প্ৰদান কৰে। প্ৰতিযোগিতাত স্থান প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক সভাত বঁটা প্ৰদান কৰা হয়। সভাৰ অন্তত শিক্ষয়িত্ৰী মাইনু বৰুৱাই শলাগৰ শৰাই আগবঢ়ায়।

## তাই আহোম যুৱ পৰিষদৰ আমগুৰি আঞ্চলিক সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**আমগুৰি, ২৯ নৱেম্বৰ ঃ** তাই আহোম যুৱ পৰিষদ অসমৰ আমগুৰি আঞ্চলিক সমিতিখন যোৱা ২৮ নৱেম্বৰত পুনৰ গঠন কৰা হয়। এই উপলক্ষে আমগুৰি পৌৰসভাৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় সংগঠনটোৰ এক প্ৰতিনিধি সভা। সভাত প্ৰদ্যুৎ গগৈক সভাপতি, আদিত্য ৰূচাওক সম্পাদকৰূপে লৈ ৪১ জনীয়া সদস্যসহ তাই আহোম যুৱ পৰিষদৰ আমগুৰি আঞ্চলিক সমিতি গঠন কৰা হয়। সভাত সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক দিগন্ত তামুলী, শিৱসাগৰ জিলা সমিতিৰ জয়ন্ত বৰগোহাঁই, নিলিম চেতিয়া, সৌৰভ নেওগ, পবিত্ৰ গগৈ আৰু মন্টু গগৈ উপস্থিত থাকে।

### ■ বৰছলাৰ অৰুণ চাহ বাগিচাত হাইস্কুল নিৰ্মাণৰ কাম মুকলি মন্ত্ৰী সঞ্জয় কিষাণৰ

# ৰাজ্যৰ বাগিচাত শৈক্ষিক ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা হ'ব

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ২৯ নৱেম্বৰ ঃ** 'ৰাজ্যখনৰ চাহ বাগিচাসমূহত চৰকাৰে নতুনকৈ স্থাপন কৰা প্ৰায় ১১৯ খন হাইস্কুলত আগন্তুক ২০২০ৰ মাৰ্চত পাঠদান প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব। ইয়াৰ পাছতেই চাহ বাগিচাসমূহত শৈক্ষিক ক্ষেত্ৰখনৰ এক নতুন দিগন্তৰ সূচনা হ'ব। চাহ বাগিচাসমূহত ব্ৰিটিছ আমোলতে স্থাপন হোৱা কোম্পানীৰ অধীনত থকা আওপুৰণি প্ৰাথমিক বিদ্যালয়সমূহত চাহ বাগিচাৰ শিশুসকলে প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিব লগা হৈছিল বছৰ বছৰ ধৰি। কিন্তু বিজেপি চৰকাৰে চাহ বাগিচাত শৈক্ষিক পৰিৱেশ গঢ়ি তুলিবলৈ নতুন দিগন্তৰ সূচনা কৰি এক অভিলাষী আঁচনিৰ জৰিয়তে চাহ বাগিচাত নতুনকৈ স্থাপন কৰা হাইস্কুলসমূহৰ নিৰ্মাণ কাৰ্য ক্ষিপ্ৰতাৰে চলিছে। চাহ বাগিচাত নতুনকৈ স্থাপন কৰা ১১৯খন হাইস্কুলত আগন্তুক মাৰ্চত পাঠদান প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ লক্ষ্য লৈছে চৰকাৰে।' এই মন্তব্য শ্ৰম আৰু চাহ জনজাতি উন্নয়ন বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণৰ। শোণিতপুৰ জিলাৰ বৰছলাৰ অৰুণ চাহ বাগিচাত আজি প্ৰস্তাৱিত চাহ বাগিচা হাইস্কুলৰ নিৰ্মাণ কাৰ্য আৰু এছঅ'পিডিৰ অধীনত পথ নিৰ্মাণ কাৰ্য আৰম্ভ কৰি আয়োজিত সভাত এই মন্তব্য কৰে। মন্ত্ৰী কিষাণে সভাত কয় যে চাহ শ্ৰমিকৰ কল্যাণৰ বাবে স্বাধীনতাৰ পাছত কোনো এখন চৰকাৰে নকৰা কাম বিজেপি চৰকাৰে কৰিলে। চাহ শ্ৰমিকৰ দৈনিক মজুৰিও বৃদ্ধি কৰা হৈছে। চাহ শ্ৰমিকসকলৰ উন্নয়নৰ বাবে একাধিক অভিলাষী আঁচনি ৰূপায়ণ কৰা হৈছে বুলি মন্ত্ৰী কিষাণে সভাত উল্লেখ কৰি পুনৰ কয় যে চৰকাৰে এইবাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে যে চাহ বাগিচাৰ অস্থায়ী শ্ৰমিকসকলক জৱ কাৰ্ড দিয়া হ'ব। জৱ কাৰ্ডৰ অধীনত অস্থায়ী শ্ৰমিকসকলে বাগিচাৰ ভিতৰতে তিনিমাহ কাম কৰিব পাৰিব বুলি প্ৰকাশ কৰি চাহ শ্ৰমিকৰ উন্নয়নৰ ক্ষেত্ৰত এইখন চৰকাৰে কোনো ত্ৰুটি নাৰাখে বুলি উল্লেখ কৰে। মন্ত্ৰী কিষাণে অৰুণ চাহ বাগিচাত হাইস্কুলৰ নিৰ্মাণৰ কাম আৰম্ভ কৰাৰ পাছতেই চাহ বাগিচাখনৰ দুৰ্গা মণ্ডপ প্ৰাংগণত আয়োজিত সভাত অংশগ্ৰহণ কৰে। উল্লেখ্য যে মন্ত্ৰী কিষাণে সভাখনত ঝুমুৰ গীত গাই চাহ বাগিচাৰ শ্ৰমিকসকলৰ স'তে ঝুমুৰৰ তালে তালে এপাক নাচে। বৰছলা মণ্ডল বিজেপিৰ সম্পাদক জীৱন পাঠকে আঁত ধৰা সভাত বৰছলাৰ স্থানীয় বিধায়ক গণেশ লিম্বুৱে চাহ বাগিচাৰ শৈক্ষিক উত্তোৰণৰ ক্ষেত্ৰত বিজেপি চৰকাৰে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰে। সভাত শোণিতপুৰ জিলা চাহ মৰ্চাৰ সভাপতি শিৱচৰণ চাহু, ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহক জগদীশ খনাল, ৰাজ্যিক চাহ মৰ্চাৰ কাৰ্যনিৰ্বাহক ধীৰেন তিৰ্কী, বৰছলা মণ্ডল বিজেপিৰ সভাপতি হেমন্ত ডেকা, বিহগুৰী মণ্ডল বিজেপিৰ সভাপতি মুকুল সূতৰ উপৰি বহু কেইগৰাকী ব্যক্তি উপস্থিত থাকে। ইপিনে, অৰুণ চাহ বাগিচাত নিৰ্মাণ কৰা হাইস্কুলখন স্বাধীনতা সংগ্ৰামী ছহিদ মংগল কুৰ্কুৰ নামকৰণ কৰিবলৈ মন্ত্ৰী কিষাণক উক্ত সভাতেই বৰছলা শাখা আটাছাইে স্মাৰকপত্ৰ প্ৰদান কৰি আহ্বান জনায়।



বৰমাৰ লেখক শিক্ষক অংগদ চন্দ্ৰ চৌধুৰীৰ আদ্যশ্ৰাদ্ধত গ্ৰন্থ উন্মোচন।

## উৰিয়ামঘাটত সৌৰ লাইটসহ অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ চি আৰ পি এফৰ

**অগ্ৰদূত বাৰ্তা**

**উৰিয়ামঘাট, ২৯ নৱেম্বৰ ঃ** অসম-নগালেণ্ড সীমান্তৰ চি ছেক্টৰৰ শান্তি-শৃংখলাৰ দায়িত্বত নিয়োজিত ১৪২ নম্বৰ চিআৰপিএফ বাহিনীয়ে অঞ্চলটোত বসবাস কৰা বিভিন্ন জাতি জনগোষ্ঠীৰ জনসাধাৰণৰ স'তে সুসম্পৰ্ক বৰ্তাই ৰখাৰ উদ্দেশ্যে অঞ্চলটোত বিভিন্ন সামাজিক জনকল্যাণমূলক আঁচনি ৰূপায়ণ কৰি আহিছে। বাহিনীটোৰ উৰিয়ামঘাটস্থিত মুখ্য কাৰ্যালয়ৰ চিভিক একছন প্ৰগেম অনুসৰি সীমান্তৰ চি ছেক্টৰৰ ভালেকেইখন গাঁৱৰ গাঁও প্ৰধানক একোটাকৈ সৌৰ লাইট প্ৰদান কৰাৰ উপৰি বহুকেইগৰাকী হিতাধিকাৰীক একোটাকৈ খোৱাপানীৰ ফিল্টাৰ প্ৰদান কৰে। তদুপৰি বাহিনীটোৰ উৰিয়ামঘাট কেম্পৰ কাষতে থকা বেচৰকাৰী বাছ আস্থানত লক্ষাধিক টকাৰে নিৰ্মাণ কৰি উলিওৱা মহিলা আৰু পুৰুষৰ দুটা প্ৰস্ৰাৱাগাৰ ৰাইজৰ সেৱাত আনুষ্ঠানিকভাৱে মুকলি কৰে বাহিনীটোৰ খটখটী ৰেঞ্জৰ ডিআইজি পি এইছএছ ৰাৱটে। চিভিক একছন প্ৰগেমত উপস্থিত থাকে সৰুপথাৰ বিধানসভা সমষ্টিৰ বিধায়ক বিশ্বজিত ফুকন, গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱা, সৰুপথাৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মৃগাংক নবিশ, মহকুমা আৰক্ষী বিষয়া ত্ৰিনয়ন ভূঞা, সীমান্ত দণ্ডাধীশ প্ৰাঞ্জিল গগৈ, ১৪২ নম্বৰ চিআৰপিএফ বাহিনীৰ ডেপুটি কামাণ্ডাৰ ধৰ্মবীৰ কুমাৰ, চি ছেক্টৰৰ ছেক্টৰ কামাণ্ডাৰ পি পি মুকেশ, নগালেণ্ডৰ ৱালাং মহকুমাৰ মহকুমাধিপতি তথা বি এম জমিৰ, উৰিয়ামঘাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া যোচেফ কেভম, নগালেণ্ডৰ ৱালাং আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াকে ধৰি দুয়োখন ৰাজ্যৰ ভালেসংখ্যক বিষয়া-কৰ্মচাৰী, চি ছেক্টৰৰ গাঁওসমূহৰ গাঁও প্ৰধানসকল আৰু ভালেসংখ্যক স্থানীয় ৰাইজ। চিভিক একছন প্ৰগেমৰ আৰম্ভণিতে স্থানীয় বহু কেইগৰাকী কণ কণ ছাত্ৰ-ছাত্ৰীয়ে নৃত্য-গীত পৰিৱেশন কৰি সকলোকে আমোদ দিয়ে।

## অংগদ চন্দ্ৰ চৌধুৰীৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান ঃ গ্ৰন্থ উন্মোচন

**বৰমা, ২৯ নৱেম্বৰ ঃ** বৰমা অঞ্চলৰ বিশিষ্ট লোক, লেখক, শিক্ষক সমাজ জীৱনৰ স'তে জড়িত অংগদ চন্দ্ৰ চৌধুৰীৰ বিষয়ে আলোকপাত কৰা এখন গ্ৰন্থ যোৱা ২৮ নৱেম্বৰত আদ্যশ্ৰাদ্ধৰ দিনা উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি গৱেষণা বিভাগৰ অধ্যাপক ড° অনিল চন্দ্ৰ বড়োই চৌধুৰীৰ বিষয়ে গ্ৰন্থ প্ৰণয়ন কৰি মহৎ কাৰ্য সমাপন কৰা বুলি উল্লেখ কৰে। অনুষ্ঠানত নিখিল বড়ো সাহিত্য সভাৰ সভাপতি তৰেন বড়োই বড়োসকলৰ সমাজ-সাহিত্য, উত্তৰণৰ বিষয়ে আলোকপাত কৰি মৃত ব্যক্তিৰ বিষয়ে গ্ৰন্থ যুগুত কৰা কাৰ্যৰ বাবে পৰিয়ালৰ শলাগ লয়। বড়োসকলৰ লিপি আন্দোলনত অংগদ চৌধুৰীয়ে অংশগ্ৰহণ কৰাৰ কথা উল্লেখ কৰি শ্ৰদ্ধাৰে স্মৰণ কৰে বিশিষ্ট সাহিত্যিকজনে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সমাজ কৰ্মী চুনিৰাম বড়ো, থানেশ্বৰ বড়ো, অৱসৰপ্ৰাপ্ত অধ্যাপক দিলীপ কুমাৰ শৰ্মাকে ধৰি কে'বাজনো বক্তাই প্ৰয়াত অংগদ চন্দ্ৰ চৌধুৰীৰ সংগ্ৰামী জীৱনৰ ওপৰত ভাষণ প্ৰদান কৰে। অনুষ্ঠানৰ আঁত ধৰে বৰমা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক দেওবাৰ ৰামচিয়াৰীয়ে। ইয়াৰ আগতে চৌধুৰীৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰে প্ৰয়াত অংগদ চন্দ্ৰ চৌধুৰীৰ পত্নী ললিতা চৌধুৰীয়ে।

## বাগ্‌সাত আৰম্ভ হ'ল 'হৰ ঘৰ দস্তক' কাৰ্যসূচী

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ২৯ নৱেম্বৰ ঃ** সমগ্ৰ দেশৰ লগতে অসমতো চৰকাৰে কৰ'না মহামাৰী নিয়ন্ত্ৰণৰ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। বিশেষকৈ ক'ভিড প্ৰতিষেধক প্ৰদানৰ জৰিয়তে ক'ভিড মহামাৰী নিয়ন্ত্ৰণৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। এই উদ্দেশ্যে ৰাজ্যত যাতে এশ শতাংশ লোককে ছিটাকৰণ কৰিব পাৰে তাৰ বাবে 'হৰ ঘৰ দস্তক' কাৰ্যসূচী গ্ৰহণ কৰিছে। বাগ্‌সা জিলাতো আজি এই কাৰ্যসূচী সম্পৰ্কে উপায়ুক্ত আয়ুস গাৰ্গে এক সংবাদমেল আয়োজন কৰে। উপায়ুক্ত সভাকক্ষত অনুষ্ঠিত সংবাদমেলত বাগ্‌সা জিলাৰ মুঠ ৮৮০টা প'লিং কেন্দ্ৰ থকাৰ কথা উল্লেখ কৰি বৰ্তমানলৈ ৫,৭৬,৪২১জন লোকে প্ৰথম পালি আৰু ২,১৩,৬৫৭জন লোকে দ্বিতীয় পালি ক'ভিড প্ৰতিষেধক গ্ৰহণ কৰাৰ কথা উপায়ুক্তজনে জানিবলৈ দিয়ে। আনহাতে, জিলাখনৰ ভিতৰুৱা অঞ্চলৰ একাংশ লোক দ্বিতীয় পালি ক'ভিড প্ৰতিষেধক ল'বলৈ বাকী থকাৰ কথা উল্লেখ কৰি এই সম্পৰ্কে ৰাইজৰ মাজত সজাগতাৰ প্ৰয়োজন আছে বুলি তেওঁ মন্তব্য কৰে। সংবাদমেলত বাগ্‌সা জিলাৰ অভিভাৱক মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই ক'ভিড প্ৰতিষেধক সম্পৰ্কে ৰাইজক সজাগ কৰাৰ ক্ষেত্ৰত সংবাদ মাধ্যমৰো দায়িত্ব আছে বুলি মন্তব্য কৰে। মন্ত্ৰীজনে সাংবাদিকসকলক ক'ভিড নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কেৱল সাংবাদিকৰূপে নাথাকি এয়া সামাজিক দায়িত্বৰূপে লোৱাৰ বাবে আহ্বান জনায়। আনহাতে, অনাগত দিনত ভিডিঅ' প্ৰস্তুত কৰি সামাজিক মাধ্যমৰ জৰিয়তে প্ৰচাৰ চলাই ৰাইজক সজাগ কৰাৰ কথাও উল্লেখ কৰে। সংবাদমেলত তামুলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক জলেন দৈমাৰী, বাগ্‌সাৰ অতিৰিক্ত উপায়ুক্ত আশ্ৰাফুল আমিন, বন্তি তালুকদাৰ, আৰক্ষী অধীক্ষক ৰাজেন সিং, চক্ৰ বিষয়া ভাস্কৰজ্যোতি বৰা, জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক মবিদুৰ ৰহমান আদি উপস্থিত থাকে।

## ৰঙিয়া মহাবিদ্যালয় আছু গোটৰ বাৰ্ষিক অধিবেশন সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ২৯ নৱেম্বৰ ঃ** নামনি অসমৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ অনুষ্ঠান ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰে গোটৰ বাৰ্ষিক অধিবেশন যোৱা ২৬ নৱেম্বৰত দিনজোৰা কাৰ্যসূচীৰে ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। এই উপলক্ষে আছু গোটৰ সভাপতি মোস্তাক আহমেদে পতাকা উত্তোলন কৰাৰ লগতে সাধাৰণ সম্পাদক প্ৰণৱজ্যোতি কলিতা আৰু পিণ্টু ডেকাই ছহিদ তৰ্পণ কৰে। মোস্তাক আহমেদৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক তৌফিকুৰ ৰহমানে। উদ্বোধনী ভাষণত তেওঁ কয় যে ছাত্ৰ-ছাত্ৰীসকলে সেৱাৰ মনোভাবেৰে সমাজ জীৱনত আগবাঢ়িব লাগিব। জাতীয় দৃষ্টিভংগীৰে সকলোৱে অসমৰ হৈ কাম কৰাৰ উপৰি আন্দোলন কৰাৰ লগতে অৰ্থনৈতিক সংগ্ৰামতো গুৰুত্ব দিব লাগিব। অৰ্থনৈতিক সংগ্ৰাম কৰি আমি যুৱ প্ৰজন্মক উৎসাহিত কৰিব লাগিব। প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে জাতীয় দায়বদ্ধতাৰে আগুৱাই গৈ সমাজৰ নেতৃত্ব ল'ব লাগিব। লগতে আমাৰ ভাষা-সংস্কৃতি সুৰক্ষিত কৰিবলৈ হ'লে নিজৰ মাজত থকা ভেদাভেদ পৰিহাৰ কৰি ছ্যুকাফাই গঢ়ি যোৱা বৰ অসমখনক জীয়াই ৰাখিব লাগিব। সভাত ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি জয়ন্ত শৰ্মাই সাংগঠনিক দিশৰ ওপৰত বক্তব্য ৰখাৰ লগতে মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সভানেত্ৰী নিলাক্ষী শৰ্মাই মহাবিদ্যালয় সম্পৰ্কত বক্তব্য ৰাখে। ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক মৃণ্ময় কুমাৰ ডেকাই আগন্তুক বৰ্ষৰ বাবে মনোনীত নতুন সমিতিখনৰ বিষয়ে জানিবলৈ দিয়ে। তেওঁ সভাত ঘোষণা কৰা অনুসৰি আছু গোটৰ সভাপতি প্ৰণৱজ্যোতি কাকতি, সাধাৰণ সম্পাদক মৌচম কলিতা, মহম্মদ আফ্ৰিদী সাধাৰণ সম্পাদক আৰু ছাত্ৰী গোটৰ সভানেত্ৰী হাচিদা বেগম, সাধাৰণ সম্পাদক হিচাপে মনিষা ইয়াছমিন আৰু নিতুমণি কলিতাক দায়িত্ব অৰ্পণ কৰা হয়। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলে চিনাকি পৰ্ব বিহু নৃত্য, অসমীয়া আধুনিক নৃত্য, কবিতা পাঠ আৰু গীত পৰিবেশনেৰে অধিবেশনস্থলী আনন্দময় কৰি তোলে। সভাত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৰঙিয়া মহাবিদ্যালয় শাখাৰ সভাপতি নৱেল বড়ো সহ কে'বাগৰাকী ছাত্ৰনেতা উপস্থিত থাকে।

## শিৱসাগৰত সদৌ অসমীয়া কৈৱৰ্ত সন্মিলনীৰ সংবিধান দিৱস পালন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৯ নৱেম্বৰ ঃ** শিৱসাগৰত সদৌ অসমীয়া কৈৱৰ্ত সন্মিলনী জিলা সমিতিৰ উদ্যোগত যোৱা ২৬ নৱেম্বৰত সংবিধান দিৱস পালন কৰা হয়। ১৯০৫ৰ পৰা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ পিতৃ আৰু কেইজনমান সমাজ সচেতন ব্যক্তিৰ প্ৰচেষ্টাত গঢ় লৈ উঠা দিৱসত সমল ব্যক্তি হিচাপে উপস্থিত থাকে গড়গাঁও মহাবিদ্যালয়ৰ প্ৰবক্তা ড° সব্যসাচী মহন্ত। নগৰৰ যুৱ দলত অনুষ্ঠিত অনুষ্ঠানত ড° ৰঞ্জনা দাসৰ সভাপতিত্বত উদ্দেশ্য ব্যাখ্যা কৰে নৃপতি ৰঞ্জন হাজৰিকাই। বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে অধ্যাপক ড° পংকজ হাজৰিকা, ক্ষিৰোদ নাথ দাস, পাৰুল দাস আৰু মৃদুল দাস। এই সমিতিৰ জৰিয়তে কৈৱৰ্ত সমাজৰ পূৰ্বপুৰুষসকলক একত্ৰিত কৰি আগুৱাই নি কৈৱৰ্ত সমাজৰ সৰ্বাংগীণ উন্নতি কৰাৰ চেষ্টা অব্যাহত ৰখা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

## দুই নম্বৰ গেদাৰবৰীত লোকশিল্পী গুণ শইকীয়া সোঁৱৰণী ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ আয়োজন

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৯ নৱেম্বৰ ঃ** ১৯৭৯তে গ্ৰামাঞ্চলত শৰীৰ চৰ্চাৰ বাবে নগাঁও জিলাৰ দুই নম্বৰ গেদাৰবৰীত প্ৰতিষ্ঠা হোৱা গেদাৰবৰী শৰীৰ চৰ্চা কেন্দ্ৰৰ ৪৩ সংখ্যক প্ৰতিষ্ঠা দিৱস অহা তিনি আৰু চাৰি ডিচেম্বৰত অনুষ্ঠিত হ'ব। এই প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীসমূহৰ অন্যতম কাৰ্যসূচী হিচাপে দ্বিতীয়দিনা দিনৰ ১-৩০ বজাৰ পৰা লোকশিল্পী গুণ শইকীয়া সোঁৱৰণী ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত পুৰস্কাৰসমূহ ক্ৰমে নগদ সাতহেজাৰ টকা, পাঁচহেজাৰ টকা, তিনিহেজাৰ টকা আৰু লগতে কিতাপৰ টোপোলা, স্মাৰক আৰু মানপত্ৰ। প্ৰথমদিনা নাট্যকাৰ দীপ শৰ্মা ৰচিত আৰু ঋতুৰাজ বৰঠাকুৰৰ পৰিচালনাত কেন্দ্ৰৰ যুৱক-যুৱতী দ্বাৰা মঞ্চায়ন কৰা হ'ব এখন নাটক 'হাৰমাল'। চাৰি ডিচেম্বৰত সন্ধিয়া অনুষ্ঠিত হ'ব দেহশ্ৰী প্ৰদৰ্শনৰ অনুষ্ঠান আৰু জনপ্ৰিয় কণ্ঠশিল্পী আচুৰ্য বৰপাত্ৰৰ সংগীতানুষ্ঠান। ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ প্ৰতিযোগীসকলে ৭০০২০০৬৬১২, ৮৬৩৮৪৫১৭৪২, ৬০০০৬২০৯২৫, ৭০০২৩৮৮৬৫২, ৯৩৯৫১১১৫৯২ ম'বাইল নম্বৰত যোগাযোগ কৰিব পাৰিব।

## কৃষ্ণাইৰ খৰিয়াপাৰাত সমূহীয়া ধান কটা পৰ্ব



**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ২৯ নৱেম্বৰ ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ কাযৰীয়া খৰিয়াপাৰাত যোৱা ২৮ নৱেম্বৰত দেখা গ'ল এক মনমোহা দৃশ্য। খৰিয়াপাৰাৰ বিশাল পথাৰত গাঁওখনৰ পুৰুষসকলে সমূহীয়াভাৱে কাটিলে সোণালী ধান। ধান কটাৰ মাজতে বিহু নাচি-বাগি কৰিলে আনন্দ। উল্লেখ্য যে খৰিয়াপাৰা গাঁওবাসীয়ে ৰাইজৰ নামত থকা মুঠ আঠ বিঘা ভূমিত সমূহীয়াভাৱে কৰিছিল শালিধানৰ খেতি। নদন-বহন কৰি বাঢ়ি অহা ধানখিনি সময়ত সোণোৱালী হৈ আহিল। অৱশেষত ৰাইজে লগে ভাগে আহি ধানখিনি দাই নিয়ে। এই ক্ষেত্ৰত খৰিয়াপাৰাৰ কেইজনমান যুৱকে জনোৱা অনুসৰি এই ধানখিনি মৰণা মৰাৰ পাছত ৰাজহুৱা ভঁৰালত সংৰক্ষণ কৰা হ'ব আৰু সময়ত এই ধান বিক্ৰী কৰি পোৱা ধনখিনি ৰাজহুৱা উৎসৱ আদিত ব্যৱহাৰ কৰা হ'ব। যুৱকসকলে প্ৰকাশ কৰা অনুসৰি সমূহীয়াভাৱে এইদৰে কৃষিকাৰ্য কৰা পৰম্পৰাই খৰিয়াপাৰাবাসী ৰাইজক একত্ৰিত কৰি ৰাখিবলৈ সক্ষম হৈছে।

## ৰঙাপৰা সমষ্টিৰ ধুলাপাদুং চাহ বাগিচাত আদৰ্শ গাঁও যোজনা সন্দৰ্ভত সভা

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ২৯ নৱেম্বৰ ঃ** শোণিতপুৰ জিলাৰ ৭৪ নম্বৰ ৰঙাপৰা সমষ্টিৰ অন্তৰ্গত ধুলাপাদুং চাহ বাগিচা আদৰ্শ গাঁও হিচাপে নিৰ্বাচিত হোৱা সন্দৰ্ভত ধুলাপাদুং চাহ বাগিচাৰ খেলপথাৰত যোৱা ২৭ নৱেম্বৰত এক সজাগতা সভা অনুষ্ঠিত হয়। ফুলুগুৰী গাঁও পঞ্চায়তৰ সভাপতি কৈলাশ ওৰাঙৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত বিধায়ক কৃষ্ণ কমল তাঁতীয়ে কয় যে অসম আদৰ্শ গ্ৰাম যোজনাৰ অধীনত ২০২০-২১ত ৰঙাপৰা সমষ্টিৰ দুখন গাঁৱৰ ভিতৰত ধুলাপাদুং চাহ বাগিচা নিৰ্বাচিত হৈছে আৰু ইতিমধ্যে শোণিতপুৰ জিলা উন্নয়ন বিভাগৰ দ্বাৰা আবণ্টন দিয়াৰ লক্ষ্যৰে ৫০ লাখ টকাৰ ৩০ শতাংশ অৰ্থাৎ ১৫ লাখ টকা গাঁও পৰ্যায়ৰ সমিতিলৈ মোকলাই দিছে আৰু উক্ত ৫০ লাখ টকা খৰচৰ বাবে ধুলাপাদুং আদৰ্শ গাঁৱৰ প্ৰৱেশ পথৰ তোৰণৰ বাবদ ১০ লাখ, শিশু উদ্যান নিৰ্মাণৰ বাবে ১০ লাখ, শ্ৰীশ্ৰী জগন্নাথ মন্দিৰ নবীকৰণৰ বাবে সাতলাখ টকা, পদপথত সৌৰচাকিৰ বাবে ১০লাখ, ছটা চালি গৃহ নিৰ্মাণৰ বাবে তিনিলাখ টকাৰ আঁচনিৰ অনুমোদন দিয়া হৈছে। বিধায়ক তাঁতীয়ে আঁচনি ৰূপায়ণৰ বাবে আধাৰশিলা স্থাপন কৰে আৰু আদৰ্শ গাঁও সন্দৰ্ভত সজাগতা সভাত অংশগ্ৰহণ কৰে। ৰঙাপৰা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া নিশিনাথ শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা সজাগতা সভাত শোণিতপুৰ জিলা পৰিষদৰ সভানেত্ৰী ডলি চুৰেন, ফুলুগুৰী গাঁও পঞ্চায়তৰ সচিব কমল দৰ্জি, ধুলাপাদুং চাহ বাগিচাৰ জ্যেষ্ঠ পৰিচালক প্ৰদীপ কাকতি, ৰঙাপৰা আঞ্চলিক পঞ্চায়তৰ সদস্য-সদস্যা ক্ৰমে সঞ্জয় মিৰ্ধা, গৌৰী কাণ্ডলনা, কাকলি ভাগৱতী, নৰেন্দ্ৰ সৰকাৰ, বসন্ত মল্লিক, মিলাৰ পাল, সমাজকৰ্মী মুকুল তাঁতীৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে। সভাত ধুলাপাদুং চাহ বাগিচাৰ জ্যেষ্ঠ পৰিচালক প্ৰদীপ কাকতিয়ে সকলো সময়তে বাগিচা কৰ্তৃপক্ষই আদৰ্শ গাঁও যোজনা অথবা অন্য চৰকাৰী আঁচনি ৰূপায়ণত সম্পূৰ্ণ সহযোগিতা আগবঢ়াব বুলি কয়।

## বৰহোলাত 'আঘোণৰ সোণগুটিৰ গোন্ধ' শীৰ্ষক কবিতানুষ্ঠান

**বিশেষ সংবাদদাতা**

**নগাবাট, ২৯ নৱেম্বৰ ঃ** বৰহোলা কবি সন্মিলনৰ উদ্যোগত আৰু বৰহোলা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগত অহা চাৰি ডিচেম্বৰত বৰহোলা বাগৰদিয়াস্থিত শিৰীষ্ বহুমুখী কৃষি পামত এক কবিতা পাঠ অনুষ্ঠান অনুষ্ঠিত কৰিছে। 'আঘোণৰ সোণগুটিৰ গোন্ধ' শীৰ্ষক কবিতা অনুষ্ঠান অনুষ্ঠিত হ'ব সন্ধিয়া চাৰি বজাৰ পৰা। যোৰহাট জিলাৰ বহুকেইজন ন-পুৰণি কবিয়ে অনুষ্ঠানত অংশগ্ৰহণ কৰিব। সকলো কবিতাপ্ৰেমী ৰাইজক উপস্থিত থাকিবলৈ আহ্বান জনাইছে আহ্বায়কসকলে।

## জীৱেশ্বৰ ফুকন সোঁৱৰণী মেধা বঁটা প্ৰদান

**সৰুপথাৰ, ২৯ নৱেম্বৰ ঃ** সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° প্ৰণৱ ঢেকিয়াল ফুকনে পিতৃ প্ৰয়াত জীৱেশ্বৰ ফুকনৰ সোঁৱৰণত এই বছৰৰ পৰা সৰুপথাৰ মহাবিদ্যালয়ৰ এগৰাকী মেধা সম্পন্ন তথা আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ বা ছাত্ৰীক প্ৰতি বছৰে বঁটা দিয়াৰ সিদ্ধান্ত লয়। জোনাকী পৰুৱাৰ দৰেই কেইখনমান অনগ্ৰসৰ গাঁৱৰ জাক জাক হাইঠাবুলীয়া সপোনক জোনাকী বাটেৰে আগুৱাই নিবলৈ এখন বিদ্যালয় প্ৰতিষ্ঠা কৰি জীৱনৰ মূল্যবান সময়খিনি আনৰ বাবেই উছৰ্গা কৰা প্ৰয়াত পিতৃৰ দৃষ্টিনন্দন হাতৰ আখৰ, নিয়ম নিষ্ঠা, দক্ষ পাঠদান শৈলী, ছাত্ৰ-ছাত্ৰীৰ বাবে কৰা অসীম কষ্টক সদায়ে আহৰণ কৰিবলৈ প্ৰয়াস কৰা ড° প্ৰণৱ ঢেকিয়াল ফুকনে সৰুপথাৰ মহাবিদ্যালয়ৰ মহীকান্ত তামুলী প্ৰেক্ষাগৃহত শনিবাৰে কিছু অৰ্থ সাহায্য, গ্ৰন্থ, এখন বন্ধোৱা মানপত্ৰ, গামোচাৰে এই বছৰৰ তথা প্ৰয়াত জীৱেশ্বৰ ফুকনৰ সোঁৱৰণত প্ৰথম বঁটা আগবঢ়াই সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ পৰা ৭৪.৫০ শতাংশ নম্বৰ লাভ কৰি স্নাতক হোৱা যুগল মেধিক।

## অসম কৃষি বিশ্ববিদ্যালয়ত ডিজিটেল ষ্টুডিঅ' মুকলি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২৮ নৱেম্বৰ ঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ সামূহিক বিজ্ঞান মহাবিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষা আৰু যোগাযোগ পৰিচালনা বিভাগত এটা ডিজিটেল ষ্টুডিঅ' আৰম্ভ কৰা হৈছে। ডিজিটেল পদ্ধতিৰে অত্যাধুনিক পেইন্টিঙ আৰু গ্ৰাফিক্সৰ সুবিধা উপলব্ধ এই ষ্টুডিঅ'টো যোৱা ২৬ নৱেম্বৰত মুকলি কৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক তপন গোহাঁয়ে। ভাষণ প্ৰসংগত তেওঁ বৰ্তমান সময়ত এনে ধৰণৰ ষ্টুডিঅ'ৰ প্ৰয়োজনীয়তা আৰু বিভিন্ন প্ৰশিক্ষণৰ যোগেদি নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত ইয়াৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। মুখ্য অধ্যাপিকা ড° ডেইজী হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত সামূহিক বিজ্ঞান মহাবিদ্যালয়ৰ বিজ্ঞানগুৰু ড° ৰূপলেখা বৰাই আধুনিক প্ৰযুক্তি সম্বলিত এই ষ্টুডিঅ'ই বহু দিশত নতুনত্বৰ সন্ধান দিব বুলি ভাষণত উল্লেখ কৰে। সম্প্ৰসাৰণ শিক্ষা আৰু যোগাযোগ পৰিচালনা বিভাগৰ সহকাৰী অধ্যাপিকা ড° চয়নিকা বৰাই আঁত ধৰা অনুষ্ঠনত শলাগৰ শৰাই আগবঢ়াই অধ্যাপিকা ড° জুলিয়ানা শৰ্মাই।

## মেৰাপানীত বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ ঃ এজনক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ২৯ নৱেম্বৰ ঃ** মেৰাপানী আৰক্ষীয়ে যোৱা ২৮ নৱেম্বৰত অভিযান চলাই মেৰাপানী ফৰেষ্ট ব্লকৰ কৰিম আলীৰ ঘৰৰ পৰা বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ কৰাৰ লগতে খাইৰুল আলী হুছেইন নামৰ এজনক গ্ৰেপ্তাৰ কৰে। তথ্য মতে, দীৰ্ঘদিন ধৰি কৰিম আলী নামৰ লোকজনে নগালেণ্ডৰ লগত যোগসূত্ৰ ৰক্ষা কৰি ড্ৰাগছৰ ব্যৱসায় চলাই আহিছিল। মেৰাপানী আৰক্ষীয়ে কিছুদিনৰ পূৰ্বে ড্ৰাগছ ব্যৱসায়ৰ লগত জড়িত অভিযোগত কৰিমক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছিল। জেলৰ পৰা ওলাই আহি পুনৰ ড্ৰাগছ ব্যৱসায় আৰম্ভ কৰিবলৈ লয়। স্থানীয় সচেতন লোকৰ সহযোগত মেৰাপানী আৰক্ষীয়ে কৰিমৰ ঘৰত তালাচী চলাই বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ কৰাৰ লগতে তেওঁৰ পুত্ৰক গ্ৰেপ্তাৰ কৰে। জব্দকৃত ড্ৰাগছসমূহ এছ পি এছ ফেন প্লাছ নিচাযুক্ত বুলি জনোৱাৰ লগতে উক্ত টেবলেটসমূহ লক্ষাধিক টকা মূল্যৰ বুলি আৰক্ষী সূত্ৰই জানিবলৈ দিছে।



টীয়ক সাহিত্য সভাৰ বঁটা প্ৰদানৰ এটি দৃশ্য, টীয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত।

### ■ ডিচেম্বৰৰ ভিতৰতে ঘোষণা হ'ব টে'ট পৰীক্ষাৰ ফলাফল ঃ শিক্ষামন্ত্ৰী

# শিক্ষকে আন্দোলন কৰিব নালাগে

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ২৯ নৱেম্বৰ ঃ** অহা ডিচেম্বৰৰ ভিতৰত ঘোষণা হ'ব টে'ট পৰীক্ষাৰ ফলাফল। কোনো প্ৰাৰ্থীয়ে প্ৰলোভনত ভুল নাযাব। টকা লৈ কোনেও টে'ট উত্তীৰ্ণ কৰাই দিয়াৰ ক্ষমতা নাই।' এই মন্তব্য শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ। কালি ওদালগুৰিত বিজেপি অনুসূচিত জনজাতি মৰ্চাৰ এক কাৰ্যূচীত উপস্থিত থাকি তেওঁ এইদৰে কয়। তেওঁ পুনৰ কয়, 'ধনৰ বিনিময়ত টে'ট উত্তীৰ্ণ কৰাই দিয়াৰ নামত এটা চক্ৰ বৰ্তমানেও সক্ৰিয় হৈ আছে। বিভিন্ন জনলৈ চক্ৰটোৱে মেছেজ প্ৰেৰণ কৰিছে। এই চক্ৰটোৰ জালত যাতে কোনেও নপৰে সকলোকে মই শিক্ষামন্ত্ৰী হিচাপে আহ্বান জনাইছো। এই চক্ৰটোৰ স'তে জড়িত মুৰব্বী ইতিমধ্যে চিআইডিৰ জালত পৰিছে। চক্ৰটোৰ স'তে জড়িত আন আন লোককো ইতিমধ্যে বিচাৰি থকা হৈছে যদিও ইয়াৰে একাংশই বৰ্তমান পলাতক অৱস্থাত আছে। পলাতক অৱস্থাত থকাৰ পাছতো তেওঁলোকে কিছু কিছু লোকলৈ এই প্ৰলোভনৰ বাৰ্তা প্ৰেৰণ কৰি আছে। গতিকে টে'ট প্ৰাৰ্থীসকল সজাগ হ'ব লাগে। কোনেও ধনৰ বিনিময়ত টে'ট উত্তীৰ্ণ কৰাই অথবা টে'টৰ নম্বৰ বৃদ্ধি কৰিব নোৱাৰে। ইয়াৰ বিপৰীতে প্ৰাৰ্থীসকলে নিজে লিখা পৰীক্ষাৰ ওপৰত আস্থা ৰাখি ফলাফলৰ আশা কৰক। শিক্ষা বিভাগে শীঘ্ৰে অৰ্থাৎ ডিচেম্বৰৰ ভিতৰত টে'ট পৰীক্ষাৰ ফলাফল গোষণা কৰিব।' ইফালে প্ৰাথমিক শিক্ষকসকলে চাকৰি নিয়মীয়াকৰণত তথা গ্ৰেড পে বৃদ্ধিৰ বাবে আন্দোলনত কাৰ্যসূচী হাতত লোৱাৰ চৰ্চা অব্যাহত থকাৰ সময়তে আন্দোলন সন্দৰ্ভত মন্ত্ৰী ডাঃ পেগুৱে কয়, 'প্ৰাথমিক শিক্ষক সংগঠনৰ স'তে ইতিমধ্যে মই দুবাৰকৈ আলোচনাত মিলিত হৈছো। প্ৰয়োজন হ'লে তৃতীয়, চতুৰ্থবাৰলৈ আলোচনাত বহিম, শিক্ষকসকলৰ সমস্যা সমাধানৰ বাবে আমাৰ শিক্ষা বিভাগৰ প্ৰচেষ্টা অব্যাহত আছে। ভুকুতে কলটো নপকে, সকলো সমস্যা সমাধানৰ বাবেই সময়ৰ প্ৰয়োজন হয়। তেওঁলোকে উত্থাপিত ন্যায্য সমস্যা সমাধানৰ বাবে আমি পদক্ষেপ লৈ আছে।' ইফালে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্যজনক অপসাৰণৰ দাবীত এবছুকে ধৰি শিক্ষাৰ্থীসকলে কৰা আন্দোলন সন্দৰ্ভত শিক্ষামন্ত্ৰীজনে কয় যে 'বিশ্ববিদ্যালয় এখন আইনৰ দ্বাৰা পৰিচালিত হয়। ৰাজ্যপালজন হৈছে বিশ্ববিদ্যালয় এখনৰ মুখ্য। গতিকে ইয়াত ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে তাত পোনপটীয়াকৈ হস্তক্ষেপ কৰিব নোৱাৰে। আমি এটাই জানো যিখন আইন অনুসৰি বিশ্ববিদ্যালয় স্থাপন হৈছে সেই আইন অনুসৰিয়েই বিশ্ববিদ্যালয়খন পৰিচালিত হ'ব লাগে। অৱশ্যে বিশ্ববিদ্যালয়খনত নিয়মীয়া ৰেজিষ্টাৰ নিযুক্তিৰ বাবে আমাৰ বিভাগে ইতিমধ্যে নিৰ্দেশ দিছে।

# নগাঁৱৰ ৰাঙলুত পিষ্টল-ড্ৰাগছসহ দুজনক গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা**



**নগাঁও, ২৯ নৱেম্বৰ ঃ** নগাঁও আৰক্ষীৰ এটা দলে যোৱা ২৭ নৱেম্বৰৰ নিশা এক বিশেষ সূত্ৰৰ পম খেদি জিলাখনৰ ৰাঙলুৰ পৰা দুই কুখ্যাত অপৰাধীক গ্ৰেপ্তাৰ কৰাৰ লগতে তেওঁলোকৰ হাতৰ পৰা এটা পইণ্ট ৩২ পিষ্টলসহ বুজন পৰিমাণৰ নিচাযুক্ত সামগ্ৰী জব্দ কৰে। আজি নগাঁও সদৰ আৰক্ষী থানাত এক সংবাদমেল যোগে এই কথা সদৰী কৰি নগাঁও সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল বৰাই কয় যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা লোক দুজনৰ নাম ফইজুল ইছলাম আৰু ছিদ্দিক আলী। ১৩ পৃষ্ঠাত চাওক

## তিনিমাহে সন্ধানহীন পালেপাৰাৰ ৰূপজ্যোতি লহকৰ

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ২৯ নৱেম্বৰ ঃ** তিনিমাহতকৈ বেছিদিনে নিখোঁজ হৈ আছে ৰঙিয়া মহকুমাৰ কঞা আৰক্ষী থানাৰ অন্তৰ্গত পালেপাৰা গাঁৱৰ ৰূপজ্যোতি লহকৰ (২৮) নামৰ যুৱক এজন। দিন হাজিৰা কৰি জীৱন নিৰ্বাহ কৰা পিতৃ নগেন লহকৰে বিগত তিনিমাহে নিৰুদ্দিষ্ট পুত্ৰৰ সন্ধান বিচাৰি হাবাথুৰি খাইছে। ইতিমধ্যে স্থানীয় কঞা আৰক্ষী থানাত পুত্ৰ নিৰুদ্দেশ হোৱাৰ পাছতে লিখিতভাৱে অৱগত কৰিছে যদিও কোনো সন্ধান পোৱা নাই। পুৱাৰে ১৩ পৃষ্ঠাত চাওক

# চাহ জনজাতি হিচাপে জাতিগত প্ৰমাণপত্ৰ গ্ৰহণ নকৰে চাওতাল জনগোষ্ঠীয়ে

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ২৯ নৱেম্বৰ ঃ** অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ চাওতাল জনগোষ্ঠীৰ জাতীয় অনুষ্ঠান হিচাপে খ্যাত সদৌ চাওতাল ছাত্ৰ সন্থাৰ উদ্যোগত আৰু চাওতাল জাতীয় সংগঠনৰ সহযোগত জাতিগত প্ৰমাণপত্ৰ প্ৰদান সন্দৰ্ভত আয়োজিত বিশেষ জাতীয় অভিৰ্বতনত চাওতাল জনগোষ্ঠীৰ লোকসকলে চাহ জনগোষ্ঠী হিচাপে জাতিগত প্ৰমাণপত্ৰ গ্ৰহণ নকৰাৰ সিদ্ধান্ত লৈছে। আজি কলিয়াবৰৰ হাটবৰ নাট্য মন্দিৰত অনুষ্ঠিত বিশেষ জাতীয় অভিৰ্বতনত চাওতাল জনগোষ্ঠীৰ লোকসকলক চাওতাল হিচাপে জাতিগত প্ৰমাণপত্ৰ প্ৰদান কৰিবৰ বাবে অসম চৰকাৰক দাবী জনায়। যদি চৰকাৰে চাওতাল জনগোষ্ঠীক অন্যান্য পিছপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰি চাওতাল হিচাপে প্ৰদান নকৰে তেনেহ'লে সদৌ চাওতাল ছাত্ৰ সন্থাৰ লগতে চাওতাল জাতীয় সংগঠনসমূহে আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব। সদৌ চাওতাল ছাত্ৰ সন্থাৰ সভাপতি মিণ্টু হেম্বৰমৰ সভাপতিত্বত অনুষ্ঠিত বিশেষ জাতীয় অভিৰ্বতনত অসম চাওতালী সাহিত্য সভাৰ সভাপতি ৰেঞ্জামিন চৰেণ, অসম চাওতালী সাহিত্য পৰিষদৰ সভাপতি ডম্বৰুধৰ চৰেণ, আচডাৰ সভাপতি দেৱজিত হাচদা, এচেকাৰ সাধাৰণৰ সম্পাদক উৎপল চৰেণ, অসম চাওতালী যুৱ সন্থাৰ সম্পাদক বিনোদ চৰেণ, মাঝি মণ্ডল অসমৰ সাংগঠনিক সম্পাদক স্পপন হেম্বৰম, অসম চাওতালী মহিলা সমিতিৰ সহকাৰী সম্পাদিকা মায়াৰাণী হাচদা, বিশিষ্ট সমাজকৰ্মী বাপুৰাম কিস্কু, ভোলানাথ মাঝি, সমাজ সংগঠক বাপুৰাম বেশ্ৰা, ভাইমিল মাৰ্ডি, অধিবক্তা দিপাংকৰ হেম্বৰমকে ধৰি বহুকেইগৰাকী ব্যক্তি উপস্থিত থকা সভাত উদ্দেশ্য ব্যাখ্যা কৰে সদৌ চাওতাল ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰিমান চৰেণে।

# জাগীৰোডত প্ৰদীপ দত্ত ৰয়ৰ পুত্তলিকা দাহ

**অগ্ৰদূত বাৰ্তা**

**জাগীৰোড, ২৯ নৱেম্বৰ ঃ** সদৌ অসম বাঙালী পৰিষদ মৰিগাঁও জিলা সমিতিৰ উদ্যোগত আজি জাগীৰোডত হিন্দু বাঙালী আৰু অসমীয়াৰ মাজত চলি অহা সাতামপুৰুষীয়া সম্প্ৰীতিত বিভেদৰ বীজ সিঁচা অখ্যাত বাঙালী সংগঠনৰ নেতা প্ৰদীপ দত্ত ৰয়ৰ প্ৰতিকৃতি দাহ কৰে জাগীৰোডত। সদৌ অসম বাঙালী পৰিষদ মৰিগাঁও জিলা সমিতিৰ উদ্যোগত জাগীৰোডৰ মাজমজিয়াত ৰূপায়ণ কৰে এই কাৰ্যসূচী। কাৰ্যসূচীত বিতৰ্কিত দত্ত ৰয়ৰ পুত্তলিকা দাহ কৰাৰ লগতে মুৰ্দাবাদ ধ্বনিৰে উত্তাল কৰে পৰিৱেশ। আনহাতে, ৰয়ক গ্ৰেপ্তাৰৰ বাবে অসম চৰকাৰক ধন্যবাদ জ্ঞাপন কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনায় সদৌ অসম বাঙালী পৰিষদে। লগতে ভৱিষ্যতে এনেধৰণৰ বিতৰ্কিত মন্তব্যৰে বাঙালী-অসমীয়াৰ মাজৰ ভ্ৰাতৃত্ববোধ বিনষ্ট নকৰিবলৈ দত্ত ৰয়ক সকীয়াই দিয়ে সংগঠনৰ কৰ্মকৰ্তাসকলে।

## বঙাইগাঁৱৰ কাকৈজানাৰ ঠাকুৰাণীপাৰাত বন্যহস্তীৰ আতংক

■ ৰাইজক নিশা আঠ বজাৰ পৰা পুৱা আঠ বজালৈ ঘৰৰ পৰা ওলোৱাত প্ৰশাসনৰ বাধা আৰোপ

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৯ নৱেম্বৰ ঃ** বঙাইগাঁও জিলাৰ বইটামাৰী অঞ্চলৰ দেৱানগাঁও-ৰাভাপাৰাত যোৱা ২৭ নৱেম্বৰৰ নিশা প্ৰৱেশ কৰা দুটা বনৰীয়া হস্তী চলন-ফুৰণ কৰি থকাৰ মাজতে কালি পুৱাৰ ভাগত নককাটি পাহাৰ পাৰ কৰি জিলাখনৰ কাকৈজানাৰ ঠাকুৰাণীপাৰা অঞ্চলত বিচৰণ কৰি থকা প্ৰত্যক্ষ কৰে গাঁওখনৰ ৰাইজে। বনৰীয়া হাতীৰ জনাঞ্চলত বিচৰণৰ খবৰ জিলাখনৰ বন বিভাগক ৰাইজে জনোৱাৰ পাছত বন বিভাগৰ লোকে গাঁওখনত উপস্থিত হৈ হাতী দুটাক তাৰ পৰা খেদি পঠিওৱাৰ চেষ্টা কৰে। ইয়াৰ মাজতে দিনৰ ভাগত হাতী দুটাৰ আক্ৰমণত এজনী গাভিনী গাইৰ মৃত্যু হয়। বৰ্তমান হাতী দুটা ঠাকুৰাণীপাৰা পাহাৰৰ ওপৰত আশ্ৰয় লৈ আছে। হাতী দুটাৰ পৰা নিৰাপদে থাকিবলৈ কাকৈজানা গাঁও পঞ্চায়তৰ ফালৰ পৰা ঠাকুৰাণীপাৰা আৰু কাষৰীয়া গ্ৰামাঞ্চলৰ ৰাইজক নিশা আঠ বজাৰ পাছত আৰু পুৱা আঠ বজালৈকে ঘৰৰ পৰা ওলাবলৈ প্ৰশাসনে বাধা আৰোপ কৰিছে।

■ চৰকাৰী আৱাসৰ অভাৱত গৃহৰক্ষী বাহিনীয়ে দোকান ঘৰৰ কোঠাতে থাকি পালন কৰিছে কৰ্তব্য

# শিঙৰীত আৰক্ষীৰ আধুনিকীকৰণ ধোঁৱাচাঙত



**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ২৯ নৱেম্বৰ ঃ** ৰাজ্যৰ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে আৰক্ষী বিভাগক আধুনিকীকৰণ কৰাৰ লগতে আৰক্ষী থানা আৰু চকীসমূহ উন্নত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণৰ সময়তে এখন আৰক্ষী চকীৰ এক দুখজনক অৱস্থা উন্মোচিত হৈছে। দিনে-নিশাই ৰাইজৰ সেৱাত নিয়োজিত আৰক্ষীয়ে এতিয়া দোকানঘৰত দায়িত্ব পালন কৰিছে। এখন আৰক্ষী চকীত নিয়োজিত আৰক্ষী-গৃহৰক্ষী বাহিনী জোৱানসকলে এই দোকানত থাকে। বছৰৰ পাছত বছৰ বছৰ ধৰি ইয়াত নিয়োজিত এজনৰ পাছত আনজন আৰক্ষী-গৃহৰক্ষীৰ জোৱানে এই দোকান ঘৰত থাকি আহিছে। শোণিতপুৰ জিলাৰ বৰছলাৰ সমষ্টিৰ শিঙৰী আৰক্ষী চকীৰ এয়া এক পুতৌজনক অৱস্থা। ১৯৭১তে স্থাপিত শিঙৰী আৰক্ষী চকীত সম্প্ৰতি নিয়োজিত তিনিগৰাকী গৃহৰক্ষী বাহিনীৰ জোৱানে এই দোকান ঘৰখনক ভাড়াত লৈ থাকিবলগীয়া হৈছে। আৰক্ষী চকীত বৰ্তমানে নিয়োজিত হৈ থকা তিনি গৃহৰক্ষী জোৱানে আৰক্ষী চকীৰ চৌহদত চৰকাৰী আৱাস নাপাই কাষৰে এখন দোকান ঘৰৰ খিৰিকীবিহীন কোঠাকে ভাড়াত লৈ বসবাস কৰি আহিছে। অতি সীমিত দৰমহা লাভ কৰাৰ হেতু কম ভাড়াত পোৱা এটা সৰু কোঠাত থাকিবলৈ বাধ্য হৈছে। শিঙৰী আৰক্ষী চকীত কৰ্মৰত জোৱানে প্ৰকাশ কৰা মতে, এই খিৰিকীবিহীন দোকান ঘৰৰ ঘৰু কোঠাটোত ১৫-১৬ বছৰ ধৰি শিঙৰী আৰক্ষী চকীৰ এজনৰ পাছত আনজন গৃহৰক্ষী জোৱানে থাকি লৈ কষ্টকৰ জীৱন অতিবাহিত কৰি আহিছে। এই সৰু কোঠালিটোতেই ৰান্ধি-বাঢ়ি খাই দুৰ্ভগীয়া গৃহৰক্ষী জোৱান নৈশ যাপন কৰে। ইপিনে, শিঙৰী আৰক্ষী চকীৰ চৌহদৰ ভিতৰত চৰকাৰী আৱাসত থকা আৰক্ষীৰ জোৱানসকলেও এক অস্বাস্থ্যকৰ পৰিৱেশত থাকিবলগীয়া হৈছে। উল্লেখ্য যে শিঙৰী আৰক্ষী চকীত আৰক্ষীৰ যিখন বেৰেক আছে সেয়া পৰ্যাপ্ত নহয়। ইয়াত কৰ্তব্যৰত সকলো আৰক্ষী আৰু গৃহৰক্ষী বাহিনীৰ জোৱান উক্ত বেৰেকত থকাৰ অসুবিধা হয়। সেই বাবেই আৰক্ষী চকীৰ সন্মুখতে থকা এখন দোকান ঘৰভাড়া লৈ দুখন বিছনা পাৰি ইয়াত নিয়োজিত গৃহৰক্ষী জোৱানে অতি কষ্টৰে থাকিবলগীয়া হৈছে। ইপিনে, একেটা কোঠাতে ৰান্ধিছে আৰু দুখন বিছনা পাৰি ইয়াত নিশা কটাই কৰ্তব্য পালন কৰে গৃহৰক্ষী বাহিনীৰ জোৱানে। এনেদৰেই এক দুৰ্দশাগ্ৰস্ত জীৱন অতিবাহিত কৰিছে শিঙৰী আৰক্ষী চকীৰ গৃহৰক্ষী আৰু অসম আৰক্ষীৰ জোৱানসকলে। আইন-শৃংখলা ৰক্ষাকে ধৰি সৰ্বসাধাৰণৰ সুৰক্ষাৰ দায়িত্বত অহৰহ ব্যস্ত থকা আৰক্ষী আৰু গৃহৰক্ষী জোৱানসকলৰ এই সমস্যা সমাধানৰ বাবে অসম চৰকাৰে শীঘ্ৰেই কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰা উচিত বুলি সচেতন ৰাইজে মত প্ৰকাশ কৰিছে।

## কৰ্দৈগুৰিৰ বানাক্ৰান্তই নাপালে সংস্থাপন

■ বিনিদ্ৰ ৰজনী কটাইছে দুৰ্ভগীয়া পৰিয়ালে

**ডুমডুমা, ২৯ নৱেম্বৰ ঃ** তিনিচুকীয়া জিলাত থকা বানাক্ৰান্তক পুনৰ সংস্থাপন দিয়াৰ ক্ষেত্ৰত তিনিচুকীয়া জিলা প্ৰশাসনে কোনো গুৰুত্ব আৰোপ কৰা নাই। তিনিচুকীয়া জিলাৰ বহু ঠাইত বানত সৰ্বস্বান্ত বহু বানাক্ৰান্তই দুখ দুৰ্দশাৰ মাজেৰে দিন অতিবাহিত কৰিব লগাত পৰিছে। উদাহৰণ স্বৰূপে, তিনিচুকীয়া জিলাৰ কাঁইটীয়া গাঁৱৰ ১০২ টা ভূমিহীন পৰিয়ালে ২৮ বছৰেও সংস্থাপন নোপোৱা বিষয়টোৱেই বানপীড়িতক চৰকাৰে কিমান গুৰুত্ব দিছে সেয়া প্ৰমাণিত হৈছে। ইয়াৰে বহু কেইটা পৰিয়াল বিভিন্ন ঠাইত বাস কৰি কোনো মতে জীৱন নিৰ্বাহ কৰাৰ বিপৰীতে আশ্ৰয় শিবিৰত এতিয়াও ১২ টা দুৰ্ভগীয়া পৰিয়ালে বিনিদ্ৰ ৰজনী কটাবলগীয়া হৈছে। জিলাখনৰ ডুমডুমা ৰাজহ চক্ৰৰ অন্তৰ্গত কাঁইটীয়া গাঁৱৰ খাটিখোৱা কৃষকৰ মাটি ভেটি ব্ৰহ্মপুত্ৰত বিলীন হোৱাৰ ২৮ বছৰ অতিক্ৰম কৰিলে যদিও পুনৰ সংস্থাপনৰ বাবে চৰকাৰক আবেদন নিবেদন কৰিও ভাগৰি পৰিল। উল্লেখ্য যে বিগত ১৯৯২ৰ ১৩ এপ্ৰিলত ব্ৰহ্মপুত্ৰৰ অনন্ত নলাই কাঁইটীয়া গাঁৱৰ ১০২ টা পৰিয়ালক বান-খহনীয়াৰ কৱলত পেলাই নিঃশেষ কৰিছিল। বিগত ২৮ বছৰে বান-খহনীয়াৰ কৱলত কৰি সৰ্বস্বান্ত হোৱা এই দুৰ্ভগীয়া পৰিয়ালসমূহে পুনৰ সংস্থাপন লাভ নকৰিলে। বাৰুকৈয়ে বিধ্বস্ত হৈ পৰা পৰিয়ালক সেই সময়ত ৰাইজে শ্ৰমদানেৰে এক নম্বৰ কৰ্দৈগুৰি গাঁৱত এবিঘা মাটি ক্ৰয় কৰি বাঁহৰ বেৰা দিয়া ঘৰ সাজি দি থাকিবলৈ দিছিল। তেতিয়াৰে পৰা আজিও ১২ টা বানাক্ৰান্ত তথা ভূমিহীন পৰিয়ালে বিনিদ্ৰ ৰজনী কটাই জীৱন অতিবাহিত কৰিছে। কোনো এখন চৰকাৰেই কাঁইটীয়া গাঁৱৰ এইসকল ভূমিহীন, দুৰ্ভগীয়া পৰিয়ালক পুনৰ সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ নকৰিলে। সম্প্ৰতি পুনৰ সংস্থাপনৰ আশা পালি চৰকাৰলৈ বাট চাইছে।

## সোণাৰিত দুৰ্ঘটনাত নিহত যুৱক

**অগ্ৰদূত বাৰ্তা**

**সোণাৰি, ২৯ নৱেম্বৰ ঃ** সোণাৰি নগৰৰ সমীপৱৰ্তী টিকয়ঘাটত যোৱা নিশা সংঘটিত এক পথ দুৰ্ঘটনাত এজন যুৱক নিহত হয়। যুৱকজনৰ নাম বিকাশ বণিয়া (২৯) আৰু ঘৰ সোণাৰি আৰক্ষী থানাৰ অন্তৰ্গত ৰাইদঙীয়া ন-কছাৰী গাঁৱত। ভাৰতীয় বীমা নিগমৰ এজেন্টৰূপে কৰ্মৰত বিকাশ বণিয়াই সাপেখাতী নগৰৰ পৰা এ এছ-৩৩-১১১৭ নম্বৰৰ মটৰ চাইকেলখনত আহি থকা অৱস্থাতে পথৰ দাঁতিত ৰৈ থকা এন এল-০২ কিউ-৫৭৮৮ নম্বৰৰ ক্ৰেনখনত খুন্দা মৰাত উপৰি পৰেগৈ। ততালিকে চৰাইদেউ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হয় যদিও অৱস্থা অতি সংকটজনক হৈ থকাত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়লৈ স্থানান্তৰ কৰে। পুৱতি নিশা যুৱকজনৰ মৃত্যু হয়।

## পৰম্পৰাগত নৃত্য-গীতেৰে মুখৰিত ধোপগুৰি তিৱা সাহিত্য সভাৰ অধিবেশন সম্পন্ন

**অগ্ৰদূত বাৰ্তা**



**সোণাপুৰ, ২৯ নৱেম্বৰ ঃ** তিৱাসকলৰ ভাষা-সাহিত্য-সংস্কৃতি উন্নয়নত ব্ৰতী অন্যতম অনুষ্ঠান তিৱা মাথনলাই তখ্ৰা (তিৱা সাহিত্য সভা)ৰ কামৰূপ জিলা সমিতিৰ দ্বিতীয় ত্ৰি-বাৰ্ষিক অধিবেশন উলহ-মালহেৰে কালি ধোপগুৰিৰ ডিমৰীয়া উচ্চ মাধ্যমিক বিদ্যালয়ত সম্পন্ন হয়। দুদিনীয়াকৈ অনুষ্ঠিত অধিবেশনত পুৱা স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে তিৱা মাথনলাই তখ্ৰাৰ বিষয়ববীয়া তথা দূৰদৰ্শন কেন্দ্ৰ গুৱাহাটীৰ মুখ্য মঞ্চ প্ৰৱন্ধক, অনুষ্ঠান প্ৰস্তুতকাৰক ফটিক দেউৰীয়ে আৰু তখ্ৰাৰ পতাকা উত্তোলন কৰে সভাপতি যোগেৰাম বৰদলৈয়ে। ইয়াৰ পাছতে অনুষ্ঠিত মুকলি সভা সঞ্চলনা কৰে তখ্ৰাৰ কামৰূপ জিলা সমিতিৰ সভাপতি যোগেৰাম বৰদলৈয়ে। সভাত ২০২১ৰ সাহিত্য একাডেমী ভাষা সন্মান বঁটা প্ৰাপ্ত হৰচিং খলাৰ, লেখক-সাহিত্যিক পেঞ্চনাৰ মুৰুলীধৰ দাসকে মুখ্য কৰি কে'বাজনো বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। ১৩ পৃষ্ঠাত চাওক

## কোকৰাঝাৰত ড্ৰাগছসহ আসক্ত যুৱক ধৃত ঃ এজন পলায়ন

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ২৯ নৱেম্বৰ ঃ** ৰাজ্যত ড্ৰাগছ সৰবৰাহৰ বিৰুদ্ধে অসম আৰক্ষীৰ অভিযান অব্যাহত থকাৰ সময়ছোৱাতে আজি বিটিআৰৰ সদৰ কোকৰাঝাৰ চহৰৰ গৌড়নগৰত ড্ৰাগছ আসক্ত এজন যুৱকক আৰক্ষীয়ে হাতে-লোটে গ্ৰেপ্তাৰ কৰাত সক্ষম হয়। ধৃত যুৱকজন কোকৰাঝাৰৰ বাগানশালিৰ নিবাসী ডেলফেনিয়াম ব্ৰহ্ম (২০) বুলি জনা গৈছে। অৱশ্যে আৰক্ষীৰ উপস্থিতিৰ উমান পাই নাৰায়ণ দাস নামৰ এজন যুৱক পলাই সাৰিবলৈ সক্ষম হয়। উল্লেখ্য যে কোকৰাঝাৰ চহৰৰ আৱৰ্ত ভৱনৰ সমীপৱৰ্তী গৌড়নগৰত আজি বিয়লি ড্ৰাগছ আসক্ত ডেলফেনিয়াম ব্ৰহ্ম আৰু তেওঁৰ সহযোগী নাৰায়ণ দাসে ড্ৰাগছ সেৱন কৰি থকা এক গোপন খবৰ আৰক্ষীৰ আগত আহি পৰে। ততালিকে আৰক্ষীৰ দল এটি উক্ত স্থানত উপস্থিত হৈ ডেলফেনিয়াম ব্ৰহ্মক হাতে-লোটে কৰায়ত্ত কৰে আৰু তেওঁৰ কৱলৰ পৰা তিনিটা কণ্টেইনাৰসহ প্ৰায় তিনি গ্ৰাম ড্ৰাগছ জব্দ কৰে। সম্প্ৰতি কোকৰাঝাৰ সদৰ থানাত ধৃত যুৱকজনক অধিক সোধপোছ অব্যাহত ৰাখিছে।

## বাগ্‌সাৰ লাৱদাংগুৰি পথাৰত বন্যহস্তীয়ে ভাঙিলে চাৰিটা পৰিয়ালৰ বাসগৃহ

**অগ্ৰদূত বাৰ্তা**



**শালবাৰী, ২৯ নৱেম্বৰ ঃ** মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া বাগ্‌সাৰ খাৰিজা বিজনীৰ লাৱদাংগুৰি পথাৰত বন্যহস্তীৰ উপদ্ৰৱৰ ঘটনা দীৰ্ঘদিনীয়া। প্ৰতিনিয়ত বন্যহস্তীয়ে অঞ্চলটোত উপদ্ৰৱ চলাই অহাৰ সমান্তৰালকৈ যোৱা নিশাও বন্যহস্তীয়ে চাৰিটাকৈ পৰিয়ালৰ বাসগৃহ ভঙাৰ লগতে তহিলং কৰে বিস্তৰ শস্যভূমি। বন্যহস্তীৰ আক্ৰমণৰ পৰা কোনোমতেহে প্ৰাণ লৈ পলাবলৈ সক্ষম হয় পৰিয়ালকেইটা। বন্যহস্তীয়ে যোৱা নিশা লাৱদাংগুৰি পথাৰৰ কুমুদ নাথ, কাৰ্তিক নাথ, অলকা নাথ আৰু সন্ধ্যা নাথৰ বাসগৃহকেইটা ভাঙি চুৰমাৰ কৰে। উল্লেখ্য যে নিশা হ'লেই ৰাষ্ট্ৰীয় উদ্যানখনৰ কাষৰীয়া অঞ্চলটোলৈ ওলাই আহে বন্যহস্তী। একেদৰে যোৱা নিশাও এটা বন্যহস্তী আহি অঞ্চলটোত তাণ্ডৱৰ সৃষ্টি কৰে। বন্যহস্তী অহাৰ উমান পাই ৰাইজে চিঞৰ-বাখৰ কৰাত বন্যহস্তীটো পুনৰ মানাহৰ জংঘলৰ ফালে গুচি যায় বুলি স্থানীয় লোকে জানিবলৈ দিয়ে। উল্লেখ্য যে কিছুদিন পূৰ্বেও অঞ্চলটোত বন্যহস্তীয়ে উপদ্ৰৱ চলাই বহু পৰিয়ালৰ বাসগৃহ ভাঙি তাণ্ডৱৰ সৃষ্টি কৰিছিল। ইমানৰ পাছতো বন বিভাগে বিশেষ গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী লোকসকলে।

## নগাঁৱত ড্ৰাগছসহ গ্ৰেপ্তাৰ এক

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৯ নৱেম্বৰ ঃ** নগাঁৱত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীয়ে ধাৰাবাহিক অভিযান অব্যাহত ৰাখিছে। ইতিমধ্যে নগাঁও আৰক্ষীয়ে বৃহৎ পৰিসৰৰ ড্ৰাগছ জব্দ কৰাৰ লগতে বহুকেইজন ড্ৰাগছ মাফিয়া, সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। তাৰ পাছতো নগাঁৱত ড্ৰাগছ তথা নিচাযুক্ত ঔষধৰ প্ৰচলন হ্ৰাস পোৱা নাই। এই ব্যৱসায়ৰ স'তে জড়িত সকলে নিত্য নতুন কৌশল অৱলম্বন কৰি এই ব্যৱসায় অব্যাহত ৰাখিছে। নগাঁও আৰক্ষীয়ে ড্ৰাগছ ১৩ পৃষ্ঠাত চাওক

## ৰামদিয়া জ্ঞানোদয় সাহিত্য সভাৰ মাহিলি আলোচনাচক্ৰ-গ্ৰন্থ উন্মোচনী সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২৯ নৱেম্বৰ ঃ** কামৰূপ জিলা সাহিত্য সভাৰ অন্তৰ্গত ৰামদিয়া জ্ঞানোদয় সাহিত্য সভাৰ মাহিলি আলোচনাচক্ৰ কালি সন্ধিয়া নামপাৰা চ'কস্থিত কৃষ্ণকান্ত ডেকাৰ বাসগৃহত অনুষ্ঠিত হয়। মানসী ডেকাৰ গীতেৰে জ্ঞানোদয় সাহিত্য সভাৰ মাহিলি বৈঠকখন আৰম্ভ কৰা হয়। ৰামদিয়া জ্ঞানোদয় সাহিত্য সভাৰ সভাপতি অতুল চন্দ্ৰ কাকতিৰ সভাপতিত্বত মাহিলি বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ৰামদিয়া শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ উপ-প্ৰধান আচাৰ্য তপন তালুকদাৰে অসমীয়া সাহিত্যত ৰাসক্ৰীড়া শীৰ্ষক বিষয়ৰ ওপৰত তত্ত্বগধুৰ আলোচনা আগবঢ়ায়। ইয়াৰ পাছতে ৰামদিয়া ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক কৃষ্ণকান্ত ডেকাৰ শিশু উপযোগী দুখন গ্ৰন্থ উন্মোচন কৰে সুৰেন দাস মহাবিদ্যালয় হাজোৰ অধ্যাপকদ্বয় জয়ন্ত কুমাৰ দাস আৰু বিশ্বজিত কলিতাই। মাহিলি বৈঠকখনত বিশিষ্ট সাহিত্যিক ৰজত চন্দ্ৰ ভৰালী, প্ৰতুল ভৰালী, নকুল ডেকা, লীলাধৰ ডেকা, কুশল মেধি, বসন্ত ডেকা, অৰূপ কাকতি, সঞ্জীৱ দাস আৰু বিনোদ ভাগৱতীয়ে স্বৰচিত লেখা পাঠ কৰে। বৈঠক অনুষ্ঠানটোৰ আঁত ধৰে জ্ঞানোদয় সাহিত্য সভাৰ সম্পাদক ৰণজিৎ তালুকদাৰে। এই বৈঠকত বিগত মাহিলি বৈঠকখনৰ কাৰ্যবিৱৰণী পাঠ কৰে আলোচনাচক্ৰ সম্পাদক অমৰেন্দ্ৰ দাসে। তদুপৰি বৈঠকত লীলাধৰ ১৩ পৃষ্ঠাত চাওক

## ক্ষেত্ৰীত দুৰ্ঘটনাত নিহত এক, আহত দুই

**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ২৯ নৱেম্বৰ ঃ** ক্ষেত্ৰী আৰক্ষী থানাৰ অন্তৰ্গত চক্ষুৰাত যোৱা ২৬ নৱেম্বৰৰ বিয়লি সংঘটিত এক পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হোৱাৰ বিপৰীতে দুজন লোক গুৰুতৰভাৱে আহত। গুৱাহাটী অভিমুখী এ এছ ০১-এ এন-৩৬৭০ নম্বৰৰ তীব্ৰবেগী স্কৰপিঅ' বাহনখনে চক্ষুৰাত যান্ত্ৰিক বিজুতিৰ বাবে ৰৈ থকা এ এছ-০১ ডি এফ- ৪৯২০ নম্বৰ ফ'ৰ্ড ইকো বাহনখনক মহটিয়াই নিয়ে। ফলত ফ'ৰ্ড ইকো বাহনখনৰ যাত্ৰী ধ্ৰুৱজ্যোতি চক্ৰৱৰ্তী (৫০) থিতাতে নিহত হয়। আনহাতে, দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত দুজনক ক্ষেত্ৰী আৰক্ষীয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে।

■ এখন গাঁও পঞ্চায়তক দুভাগত বিভক্ত কৰিছে প্ৰশাসনে

# দীৰ্ঘদিনে প্ৰশাসনিক গাঁথনিত দেহাৰকুছি-সানেকুছি গাঁও পঞ্চায়তৰ ৰাইজৰ দুৰ্ভোগ

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ২৯ নৱেম্বৰ ঃ** নলবাৰী আৰু বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত দুখন গাঁও পঞ্চায়তৰ ৰাইজে প্ৰশাসনিক গাঁথনিত দীৰ্ঘদিনৰ পৰা যথেষ্ট যন্ত্ৰণা ভোগ কৰি আহিছে। পঞ্চায়ত দুখনৰ এখন পঞ্চায়তক দুভাগত বিভক্ত কৰি দুখন আৰক্ষী থানাত সংলগ্ন কৰি ৰাইজক যন্ত্ৰণা ভোগাই আহিছে।



অকল আৰক্ষী থানাই নহয় উক্ত পঞ্চায়তত আছে দুটাকৈ কৃষিখণ্ডৰ অধীনস্থ ৰাইজ। বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত ৫৩ নম্বৰ সানেকুছি গাঁও পঞ্চায়ত আছে দুখনকৈ আৰক্ষী থানাৰ অধীনস্থ গাঁও। উল্লেখ্য যে মুঠ সাতখন গাঁৱৰে গঠিত হৈছে গাঁও পঞ্চায়তখন। ইয়াৰে চাৰিখন গাঁও ক্ৰমে ছমাৰকুছি, সানেকুছি, উত্তৰকুছি আৰু বৰগাছা নলবাৰী সমষ্টিৰ ঘগ্ৰাপাৰ আৰক্ষী থানাৰ অন্তৰ্গত আৰু তিনিখন গাঁও ক্ৰমে বৰবুকীয়া, বৰশিমলুৱা আৰু আঠঘৰীয়া বৰক্ষেত্ৰী সমষ্টিৰ অধীনস্থ কমাৰকুছি আৰক্ষী চকীৰ অধীনত পৰে। ঠিক তেনেদৰে কৃষিখণ্ডৰ ক্ষেত্ৰতো চাৰিখন গাঁও ঘগ্ৰাপাৰ কৃষিখণ্ডত পৰাৰ বিপৰীতে তিনিখন গাঁও বৰভাগ কৃষিখণ্ডৰ অধীনত পৰে। ফলত সানেকুছি গাঁও পঞ্চায়তৰ অন্তৰ্গত ঘগ্ৰাপাৰত পৰা ১৩ পৃষ্ঠাত চাওক

## লাহৰীঘাটত মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**লাহৰীঘাট, ২৯ নৱেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত দোৱামাৰী গাঁৱত কালি এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হয়। উদ্ধাৰ হোৱা মৃতদেহটো লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত দোৱামাৰী গাঁৱৰ আমিৰ হামজাৰ পুত্ৰ জিন্নাতুল ইছলাম (২৮)ৰ। উল্লেখ্য যে এটা সন্তানৰ পিতৃ জিন্নাতুল যোৱা ২২ নৱেম্বৰৰ পৰা নিৰুদ্দেশ হৈ আছিল। পৰিয়ালৰ লোকে বহুৰ বিচাৰ-খোচাৰ কৰিও জিন্নাতুলৰ কোনো সন্ধান পোৱা নাছিল। আজি ওচৰ-চুবুৰীয়া ল'ৰা-ছোৱালীয়ে খৰি বিচাৰি গাঁৱৰ এঘৰৰ বাঁহবাৰীত যোৱাতহে প্ৰত্যক্ষ কৰে মৃতদেহটো। পাছত খৰি বিচাৰি ফুৰা ল'ৰা-ছোৱালীয়ে গাঁৱত খবৰ দিয়াত পৰিয়ালৰ লোকে গম পায় আৰু লাহৰীঘাট আৰক্ষী থানাত খবৰ দিয়ে। লাহৰীঘাট থানাৰ আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰি ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে।

# বৰহোলাৰ কপিলী দুগ্ধ উৎপাদক সমবায় সমিতিৰ আদৰণীয় পদক্ষেপ

■ বছৰি ছয় লক্ষাধিক টকা দুগ্ধ উৎপাদনেৰে স্বাৱলম্বী বহুজন

**বিশেষ সংবাদদাতা**

**নগাবাট, ২৯ নৱেম্বৰ ঃ** গো-পালনেৰে গুগ্ধ উৎপাদন কৰি গ্ৰামাঞ্চলৰ ৰাইজক স্বাৱলম্বী কৰাৰ এক আদৰণীয় পদক্ষেপ গ্ৰহণ কৰি আহিছে বৰহোলাৰ কপিলী দুগ্ধ উৎপাদক সমবায় সমিতি লিমিটেডে। উল্লেখ্য যে যি সময়ত কৰ্ম সংস্থাপন বিচাৰি একাংশ লোকে বহিঃৰাজ্যত গৈ হাবাথুৰি খাই ফুৰিছে তেনে সময়ত গ্ৰামাঞ্চলৰ বহুকেইজন লোকক দুগ্ধ উৎপাদন আৰু উচিত দামত বিক্ৰীৰে উপাৰ্জনৰ এক সুন্দৰ পথ মুকলি কৰিবলৈ সক্ষম হৈছে এই কপিলী দুগ্ধ সমবায় সমিতিখনে। ২০১৭ত বৰহোলাত জন্মগ্ৰহণ কৰা সমিতিখনত বৰ্তমান ১৫জন সদস্য সংযুক্ত হৈছে। এইসকলে মিলি বিগত বৰ্ষত প্ৰায় ছয় লক্ষাধিক টকাৰ গাখীৰ বিক্ৰী কৰিবলৈ সক্ষম হৈছে। আগন্তুক বৰ্ষবোৰতো বিক্ৰীৰ পৰিমাণ অধিক বৃদ্ধিৰ পৰিকল্পনা হাতত লৈছে সমিতিখনে। উল্লেখ্য




যে প্ৰথম বৰ্ষত দৈনিক মাত্ৰ ১৫ লিটাৰ গাখীৰ উৎপাদন কৰা সমিতিখনে বৰ্তমান প্ৰতিদিনে ডেৰ শতাধিক লিটাৰ উৎপাদন কৰিবলৈ সক্ষম হৈছে। এনেদৰে কপিলী দুগ্ধ উৎপাদক সমবায় সমিতিখনে সমাজলৈ স্বাৱলম্বিতাৰ এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে। ইয়াৰ লগতে গো-পালন আৰু দুগ্ধ উৎপাদনেৰে উপাৰ্জনমুখী হোৱা কাৰ্যত একাংশ শিক্ষিত নিবনুৱা যুৱক-যুৱতীও আকৰ্ষিত হোৱা পৰিলক্ষিত হৈছে। উল্লেখ্য যে যোৱা ২৭ নৱেম্বৰত কপিলী দুগ্ধ উৎপাদক সমবায় সমিতিয়ে বৰহোলাৰ ৰাংচালি প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত কৰিছিল এখন বিশেষ সাধাৰণ সভা। ১৩ পৃষ্ঠাত চাওক

# ২৮ বছৰে মুকলি নহ'ল নগৰবেৰাৰ ৩০খন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয়

## ■ উদাসীন জনপ্ৰতিনিধি ■ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপৰ দাবী

**আলোপতি, ২৯ নৱেম্বৰ ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ নগৰবেৰাৰ ৩০খন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয়খন অতি দুৰ্ভাগ্যজনকভাৱে নিৰ্মাণৰ ২৮ বছৰ পাছতো উদ্বোধন নোহোৱাকৈ পৰি থকা ঘটনাই স্বাস্থ্য বিভাগৰ ফোঁপোলা স্বৰূপটো উন্মোচিত হৈছে। প্ৰাপ্ত তথ্য মতে বকো সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা তদানীন্তন সাহায্য আৰু পুনৰসংস্থাপন মন্ত্ৰী গোপীনাথ দাসে ১৯৯৩ৰ ২৫ নৱেম্বৰত নগৰবেৰাৰ ৩০খন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয়খনৰ আধাৰশিলা স্থাপন কৰিছিল। ১৯৯৬ত নগৰবেৰা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ চৌহদত এককৌটি টকা ব্যয় কৰি চিকিৎসালয় গৃহ আৰু আৱাস গৃহ নিৰ্মাণৰ কাম সম্পন্ন কৰাৰ পাছতো চিকিৎসালয়খনৰ কাম-কাজ আৰম্ভ নোহোৱাত ৰাইজ তথা বিভিন্ন দল-সংগঠনৰ কৰ্মকৰ্তাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। বৃহত্তৰ নগৰবেৰা আৰু ইয়াৰ পাৰ্শ্ববৰ্তী অঞ্চলসমূহৰ দুই লক্ষাধিক লোকৰ চিকিৎসা সেৱাৰ একমাত্ৰ ভৰসা নগৰবেৰা ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত এতিয়াও পৰ্যাপ্ত চিকিৎসক আৰু আন্তঃগাঁথনিৰ সা-সুবিধা নাই। প্ৰয়োজনীয় তথা উন্নতমানৰ চিকিৎসা সেৱাৰ পৰা বঞ্চিত নগৰবেৰা, পিজুপাৰা, জামলাই, বিদ্যানগৰ, কল্যাণপুৰ, নাইটৰ, পলাহৰটাৰী, গান্ধীনগৰ, কালুবাৰী, মালঞ্চা, টুপামাৰী, ৰাংগাপানী, মেধিপাৰা, ৰংগেশ্বৰী



আদি গাঁৱৰ লগতে বৰপেটা জিলাৰ চেঙা আৰু বাঘবৰ সমষ্টিৰ দক্ষিণপাৰৰ চৰাঞ্চলৰ ৰোগীয়ে প্ৰতিদিনে চিকিৎসাৰ বাবে সুদূৰ গুৱাহাটী, গোৱালপাৰা আৰু বৰপেটালৈ যাবলগীয়া হয়। বিগত কংগ্ৰেছ চৰকাৰৰ শাসন কালত ৰাইজৰ বাৰম্বাৰ দাবীৰ পৰিপ্ৰেক্ষিতত তদানীন্তন স্বাস্থ্যমন্ত্ৰী তথা জ্যেষ্ঠ কংগ্ৰেছী বিধায়ক প্ৰয়াত ডাঃ ভূমিধৰ বৰ্মন আৰু তদানীন্তন জলসম্পদ বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী প্ৰাক্তন সাংসদ বিজয়া চক্ৰৱৰ্তীয়ে উক্ত চিকিৎসালয়খন মুকলি কৰাৰ বাবে ৰাজহুৱা প্ৰতিশ্ৰুতি দিছিল যদিও আজি পৰ্যন্ত তেওঁলোকৰ প্ৰতিশ্ৰুতি কাৰ্যকৰী নহ'ল। ফলত বছৰৰ পাছত বছৰ অব্যৱহৃত চিকিৎসালয় গৃহটো সম্প্ৰতি জহি-খহি যোৱাৰ উপক্ৰম হ'ব ধৰিছে। ইফালে বকো সমষ্টিৰ ৰাইজৰ ভোটৰে একাধিকবাৰ নিৰ্বাচিত জনপ্ৰতিনিধি তদানীন্তন ৰাজ্যিক মন্ত্ৰী তথা প্ৰাক্তন বিধায়ক গোপীনাথ দাস আৰু প্ৰাক্তন বিধায়ক জ্যোতিপ্ৰসাদ দাসেও নগৰবেৰাৰ ৩০খন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয়খন উদ্বোধন কৰাৰ ক্ষেত্ৰত ন্যূনতম গুৰুত্ব আৰোপ নকৰিলে বুলি অভিযোগ উত্থাপন হৈছে। একেদৰে সমষ্টিটোৰ বৰ্তমানৰ বিধায়িকা নন্দিতা দাসৰ লগতে বিজেপি চৰকৰৰ বিগত কাৰ্যকালৰ সময়তো দুৰ্ভাগ্যজনকভাৱে চিকিৎসালয়খন মুকলি কৰাৰ পদক্ষেপ গ্ৰহণ নকৰিলে। বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ চিকিৎসা সেৱাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি শীঘ্ৰে নগৰবেৰাৰ ২০খন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয়খন মুকলি কৰাৰ লগতে কাৰ্যক্ষম কৰি তুলিবলৈ ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত, গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইজ ওজা, স্থানীয় বিধায়িকা নন্দিতা দাস, কামৰূপ জিলাৰ উপায়ুক্ত কৈলাশ কাৰ্তিক এন আৰু সংশ্লিষ্ট বিভাগক ৰাইজে সৰব দাবী জনোৱাৰ লগতে এই ক্ষেত্ৰত ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক হস্তক্ষেপ কৰিবলৈ অনুৰোধ জনাইছে ৰাইজে।

# নাজিৰা নিৰ্বাচনী জিলাত ভোটাৰ সজাগতা অভিযান কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা



**নাজিৰা, ২৯ নৱেম্বৰ ঃ** ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশমৰ্মে বৰ্তমান চলি থকা ফটোযুক্ত ভোটাৰ তালিকাৰ সংক্ষিপ্ত সংশোধনী, ২০২২ প্ৰতি লক্ষ্য ৰাখি নাজিৰা নিৰ্বাচনী জিলাত ভোটাৰৰ মাজত ব্যাপক প্ৰচাৰ অভিযান হাতত লৈছে। বিগত প্ৰায় এসপ্তাহজুৰি নাজিৰা জিলা নিৰ্বাচনী বিষয়া তথা মহকুমাধিপতি সব্যসাচী কাশ্যপৰ তত্বাৱধানত এই অভিযান অব্যাহত ৰাখিছে। ইতিমধ্যে ভোটাৰক সজাগ কৰাৰ লক্ষ্যৰে মহকুমাধিপতিৰ সামগ্ৰিক পৰিকল্পনাৰে প্ৰস্তুত কৰা এটি চুটি ভিডিঅ' নাজিৰা মহকুমা প্ৰশাসনৰ ফেচবুক পেজত মুকলি কৰা হৈছে আৰু কম সময়ৰ ভিতৰতে ই প্ৰচুৰ জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। মহকুমাটোৰ অন্তৰ্গত নাজিৰা, মেকীপুৰ, বমনী, জয়মতী, ৰহদৈপুখুৰী আদি পঞ্চায়তত ভোটাৰৰ মাজত সজাগতা সৃষ্টিৰ লগতে ভোটাৰ হেল্পলাইন এপৰ সন্দৰ্ভতো প্ৰচাৰ চলোৱা হয়। উল্লেখ্য যে ভাৰতৰ নিৰ্বাচন আয়োগৰ ভোটাৰ হেল্পলাইন এপৰ জৰিয়তে অতি সহজতে ঘৰতে বহি ভোটাৰ তালিকাত নতুন নাম অন্তৰ্ভুক্তি, কৰ্তন, শুধৰণি আদি বিভিন্ন কাম কৰিব পাৰি। নাজিৰা আৰু শিমলুগুৰি নগৰৰ মূল প্ৰাণ কেন্দ্ৰতো এই এপৰ বিষয়ে শিবিৰ অনুষ্ঠিত কৰা হয়। ইয়াতেই উল্লেখনীয় দিশ এয়াই যে মহকুমাটোৰ অন্তৰ্গত সাতখনৰ চাহ বাগিচা সামৰি সেই অঞ্চলসমূহত বিশেষ সজাগতা শিবিৰ অনুষ্ঠিত কৰা হয়। যুৱপ্ৰজন্মক অধিক আকৰ্ষিত কৰাৰ লক্ষ্যৰে গড়গাঁও মহাবিদ্যালয়, নাজিৰা মহাবিদ্যালয় আৰু ছহিদ পিয়লি ফুকন মহাবিদ্যালয়ত বিশেষভাৱে ভোটাৰ হেল্পলাইন এপ বিষয়ে প্ৰচাৰ আৰু প্ৰশিক্ষণ দিয়া হয়। লগতে গড়গাঁও মহাবিদ্যালয়ত পোষ্টাৰ প্ৰদৰ্শনী আৰু ছহিদ পিয়লি ফুকন মহাবিদ্যালয়ত এখন কুইজ প্ৰতিযোগিতাও সম্পন্ন হয়। সমগ্ৰ নাজিৰা বিধানসভা সমষ্টি অঞ্চলসমূহত ভ্ৰাম্যমান বাহনৰ যোগেদি মাইকৰ দ্বাৰা ধাৰাবাহিকভাৱে প্ৰচাৰ কৰি ভোটাৰ ৰাইজক উৎসাহিত কৰা পৰিলক্ষিত হয়। এই সমূহ কাৰ্যসূচি নিয়োজিত সহকাৰী নিৰ্বাচক পঞ্জীয়ক বিষয়া, পৰ্যবেক্ষক আৰু সংশ্লিষ্ট ভোটগ্ৰহণ কেন্দ্ৰৰ বুথ পৰ্যায়ৰ বিষয়াসকলে সহযোগ আগবঢ়ায়।

## ডিগবৈত দুৰ্ঘটনাত থিতাতে নিহত যুৱক

**ডিগবৈ, ২৯ নৱেম্বৰ ঃ** ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত ডিগবৈ পেঙেৰী পথত মটৰ চাইকেল দুৰ্ঘটনাত থিতাতে নিহত হয় এজন যুৱক। দুৰ্ঘটনাত নিহত মটৰ চাইকেল আৰোহীজন পেঙেৰী ১২ নম্বৰ লাইনৰ অমল টেনচুপ্ৰা। পেঙেৰীৰ পৰা ডিগবৈ দিশে আহি থকাৰ সময়ত পথৰ কাষত থকা এটা পকী খুঁটাত খুন্দা মাৰি পৰি যোৱাত থিতাতে মৃত্যু হয়। দুৰ্ঘটনাগ্ৰস্ত মটৰ চাইকেলখনৰ নম্বৰ এ এছ-২৩ অ'-৮০৩। দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতে ডিগবৈ আৰক্ষীক খবৰ দিয়াত ততাতৈয়াকৈ উক্ত স্থানত উপস্থিত হৈ নিহত যুৱকজনক উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে তিনিচুকীয়ালৈ প্ৰেৰণ কৰে।

## ৰামদিয়া জ্ঞানোদয় সাহিত্য সভাৰ

১২ পৃষ্ঠাৰ পৰা ডেকাই যোৱা মাহিলি আলোচনাচক্ৰৰ স্বৰচিত লেখা পাঠৰ পৰ্যালোচনা দাঙি ধৰে। এই বৈঠকতে দৃষ্টিনন্দনা ঠাকুৰীয়াই বিষ্ণু প্ৰসাদ ৰাভাৰ কবিতা আবৃত্তি কৰে। সভাত ৰাজ্যিক কৃতী শিক্ষক বঁটাপ্ৰাপ্ত ৰজত চন্দ্ৰ ভৰালী, জিলা কৃতী শিক্ষক বঁটাপ্ৰাপ্ত ৰাজীৱ বৰুৱা প্ৰমুখ্যে কৰি কে'বাগৰাকী বিশিষ্ট গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

## পৰম্পৰাগত নৃত্য-গীতেৰে মুখৰিত

১২ পৃষ্ঠাৰ পৰা জনগোষ্ঠীটোৰ নৃত্য-গীতেৰে মুখৰিত হৈ পৰা অনুষ্ঠানত অধিবেশন উপলক্ষে প্ৰকাশ কৰি উলিওৱা 'ডুমুৰা মাখা' শীৰ্ষক স্মৃতিগ্ৰন্থখন উন্মোচন কৰি ভাষণ প্ৰদান কৰে দিছপুৰ সমষ্টিৰ বিধায়ক অতুল বৰাই। সভাত তিৱা মাথনলাই তখ্বাৰ প্ৰাক্তন সভাপতি তথা তিৱা স্বায়ত্ত পৰিষদৰ উপ-মুখ্য কাৰ্যবাহী সদস্য তুলসী বৰদলৈয়ে নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰাৰ লগতে তখ্বাৰ প্ৰাক্তন কেন্দ্ৰীয় সম্পাদক ৰবাৰ্ট লুমফৈয়ে আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকে।

## নগাঁৱৰ ৰাঙলুত পিষ্টল-ড্ৰাগছসহ দুজনক

১২ পৃষ্ঠাৰ পৰা তেওঁলোকৰ হাতৰ পৰা এটা পিষ্টল, নটা সজীৱ গুলি, এটা মেগজিন, বুজন পৰিমাণৰ সন্দেহজনক হেৰ'ইনসহ নিচাযুক্ত ঔষধ আৰক্ষীয়ে জব্দ কৰে। আৰক্ষী বিষয়াজনে লগতে জনোৱা মতে, এই লোক দুজনে পিষ্টলৰে বিভিন্নজনক ভয় ভাবুকি প্ৰদান কৰি বিভিন্ন অপৰাধজনিত ঘটনা সংঘটিত কৰি আহিছিল। তদুপৰি তেওঁলোকে জিলাখনৰ বিভিন্ন ঠাইত নিচাযুক্ত ঔষধৰ ৰমৰমীয়া ব্যৱসায় চলায় আহিছিল। আৰক্ষীয়ে দুয়োজনক অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে।

## তিনিমাহে সন্ধানহীন পালেপাৰাৰ

১২ পৃষ্ঠাৰ পৰা পৰা চাইকেল মাৰি ইখনৰ পাছত সিখন আৰক্ষী থানাত পুত্ৰৰ সন্ধান কৰিছে হতভগীয়া পিতৃয়ে। উল্লেখ্য যে আজিৰ পৰা ১২ বছৰমান আগতে ৰূপজ্যোতি মাৰাত্মক নিউমোনিয়া ৰোগত আক্ৰান্ত হৈছিল। অৱশেষত ৰোগমুক্ত হৈছিল যদিও কাণৰ শ্ৰৱণশক্তি সম্পূৰ্ণৰূপে হেৰাই পেলাইছিল। এনেদৰে দিন অতিবাহিত কৰাৰ মাজতে মানসিক বিকাৰগ্ৰস্ত হৈ পৰে। নানা দুখ-যন্ত্ৰণা অতিক্ৰমা ৰূপজ্যোতি পূৰ্বেও নিখোঁজ হৈছিল যদিও অৱশেষত নলবাৰী আৰক্ষীয়ে উদ্ধাৰ কৰি পৰিয়ালক চমজি দিছিল। এইবেলিও বিগত ছেপ্টেম্বৰৰ পৰা নিখোঁজ হৈ থকাত দুৰ্ভগীয়া পৰিয়ালটোৰ মাজত দুখৰ বন্যা বৈছে। সেয়েহে দুৰ্ভগীয়া পিতৃয়ে কোনো লোকে ৰূপজ্যোতিৰ সন্ধান পালে ৯৬৭৮১১৪৩৫৯ ফোন নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

## নগাঁৱত ড্ৰাগছসহ গ্ৰেপ্তাৰ এক

১২ পৃষ্ঠাৰ পৰা বিৰোধী অভিযানৰ অংশ হিচাপে কালি নগাঁও চহৰৰ সমীপৰ শিয়ালমাৰীত বুজন পৰিমাণৰ নিচাযুক্ত ঔষধসহ আৰ্শ্বাদ আলী নামৰ এজন ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰে। নগাঁও আৰক্ষীৰ উপ-আৰক্ষী অধীক্ষক ত্ৰিদিপ কুমবাঙৰ নেতৃত্বত নগাঁও আৰক্ষীৰ নাৰকটিক স্কোৱাডৰ সহযোগত আৰক্ষীয়ে অভিযান চলাই শিয়ালমাৰীৰ আৰ্শ্বাদৰ ঘৰৰ পৰা বুজন পৰিমাণৰ নিচাযুক্ত ঔষধ আৰু নগদ ধন জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে যোৱা ২৬ নৱেম্বৰতো নগাঁও আৰক্ষীয়ে মৰিকলঙৰ হোটেলবাৰীৰ পৰা হেৰ'ইনসহ ছাহিনা বেগম নামৰ এগৰাকী মহিলাক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে বহিঃৰাজ্য নগালেণ্ড, মণিপুৰ আদিৰ পৰা নগাঁৱলৈ ড্ৰাগছৰ সৰবৰাহ অব্যাহত আছে। ড্ৰাগছৰ কৰলত পৰি যুৱ প্ৰজন্মৰ একাংশ নিঃশেষ হৈ যাব ধৰিছে।

## বৰহোলাৰ কপিলী দুগ্ধ উৎপাদক সমবায়

১২ পৃষ্ঠাৰ পৰা সমবায় সমিতিখনৰ কাৰ্যবাহী বিষয়া হেমন্ত কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সভাপতি সৰ্বেশ্বৰ শইকীয়াই। সভাত কাৰ্যবাহী বিষয়া হেমন্ত কুমাৰ দাসে গো-পালনেৰে দুগ্ধ উৎপাদন কৰি গ্ৰাম্য অৰ্থনীতি সুদৃঢ় কৰাৰ বিভিন্ন পদ্ধতি, লাভালাভ, ভৱিষ্যৎ পৰিকল্পনা আদিৰ সম্পৰ্কত ভাষণ প্ৰদান কৰে। সভাত বৰহোলা ৰাজ্যিক পশু চিকিৎসালয়ৰ চিকিৎসা বিষয়া ডাঃ দীপক দৰৰধৰাই গো-পালকসকলে ল'ব লগা বিভিন্ন চিকিৎসা, সাৱধানতা আদিৰ বিষয়ে সজাগতামূলক বক্তব্য প্ৰদান কৰে। সভাত অৱসৰপ্ৰাপ্ত শিক্ষক পৰাগ ভাগৰকীয়ে দুগ্ধ উৎপাদন আৰু উপযুক্ত চিকিৎসাৰে উপকৃত হোৱা সম্পৰ্কত চমু বক্তব্য আগবঢ়ায়। সভাত আগন্তুক দিনত অধিক উদ্যমেৰে আৰু ৰাইজৰ উপাৰ্জন বৃদ্ধিৰ লক্ষ্যৰে ন ন পদক্ষেপ গ্ৰহণৰ সিদ্ধান্ত লয় এই কপিলী দুগ্ধ উৎপাদক সমবায় সমিতিয়ে। উল্লেখ্য যে আজিকোপতি কোনো চৰকাৰী সা-সুবিধা লাভ নকৰাৰ অভিযোগ কৰে সমবায় সমিতিখনে। তলাবন্ধৰ সময়ত একপ্ৰকাৰ জুৰুলা হৈ পৰা সমিতিখন বৰ্তমান অধিক উত্তোৰণৰ বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সু-দৃষ্টিৰ আহ্বান জনাইছে বিষয়ববীয়াসকলে।

## দীৰ্ঘদিনে প্ৰশাসনিক গাঁথনিত দেহাৰকুছি

১২ পৃষ্ঠাৰ পৰা গাঁওকেইখনৰ জনসাধাৰণ যথেষ্ট অসুবিধাত পৰি আছে। আনহাতে, নলবাৰী সমষ্টিৰ অন্তৰ্গত ১১ নম্বৰ দেহাৰকুছি গাঁও পঞ্চায়তখন সম্পূৰ্ণৰূপে বৰভাগ ৰাজহ চক্ৰৰ অধীনস্থ হোৱাত পঞ্চায়তবাসী ৰাইজ যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে। মন কৰিবলগীয়া যে সমষ্টি ভিত্তিত গাঁও পঞ্চায়তসমূহৰ সীমা নিৰ্ধাৰণ কৰে। ঠিক তেনেদৰে মৌজা ভিত্তিত ৰাজহ চক্ৰৰ সীমা নিৰ্ধাৰণ কৰিলে জনসাধাৰণৰ সুবিধা হয়। নহ'লে কেতিয়াবা এইসকল ৰাইজ যথেষ্ট অসুবিধাৰ সন্মুখীন হোৱা দেখা যায়। বিশেষকৈ দেহাৰকুছি পঞ্চায়তৰ জনসাধাৰণে বনভাগ মৌজাত অৰ্থাৎ বিলপাৰত মাটি-বাৰীৰ খাজনা আদায় দিব লাগে। কিন্তু মাটিৰ কিবা দৰকাৰী নথিপত্ৰ উলিয়াব লাগিলে বৰভাগ ৰাজহ চক্ৰৰ কমাৰকুছিত থকা কাৰ্যালয়লৈ যাব লাগে। ফলত এদিনৰ কামৰ বাবে দুই-তিনিদিন ক্ষতি কৰিব লগা হয়। যিহেতু বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অধীনস্থ দেহাৰকুছি গাঁও পঞ্চায়ত। উক্ত উন্নয়ন খণ্ডৰ অধীনত এটি ৰাজহ চক্ৰ আছে। উন্নয়ন খণ্ডটোৰ অধীনস্থ মুঠ নখন পঞ্চায়তৰ আঠখনে ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত। মাত্ৰ দেহাৰকুছি গাঁও পঞ্চায়ত অকলে বৰভাগ ৰাজহ চক্ৰত পৰে। ইয়াৰ ফলস্বৰূপে দুৰ্যোগকালীন কিবা চৰকাৰী সাহায্য আহিলে দেহাৰকুছি পঞ্চায়তৰ ৰাইজে সাধাৰণতে বঞ্চিত হৈ আহিছে। ইয়াৰ কাৰণ হ'ল দুৰ্যোগকালীন সাহায্যৰ তালিকাসমূহ ৰাজহ চক্ৰৰ জৰিয়তে সমষ্টি ভিত্তিত তৈয়াৰ কৰে। ঘগ্ৰাপাৰ ৰাজহ চক্ৰ বিষয়াই বনোৱা তালিকাত দেহাৰকুছি পঞ্চায়তখনক সাধাৰণতে বাদ দি থয়, আনহাতে, বৰভাগ ৰাজহ চক্ৰই তালিকাত সোমালেও শেষত বিধায়কে কাটি দিয়ে। যিহেতু উক্ত তালিকা শেষত বিধায়কৰ অনুমোদন ক্ৰমে হয় সেই হেতুকে দেহাৰকুছি পঞ্চায়ত বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত নহয়। গতিকে উক্ত পঞ্চায়তৰ হিতাধিকাৰীসকলে তালিকাৰ পৰা বাদ পৰে। এই ক্ষেত্ৰত তদানীন্তন ৰাজহ মন্ত্ৰী প্ৰয়াত ডাঃ ভূমিধৰ বৰ্মনক পঞ্চায়ত দুখনৰ উক্ত প্ৰশাসনিক গাঁথনিৰ আঁসোৱাহ দূৰ কৰাৰ বাবে একাংশ ৰাইজে অনুৰোধ জনাই আবেদন কৰিছিল। মন্ত্ৰীজনে আশ্বাসো দিছিল, কিন্তু কাৰ্যকৰী নহ'ল। উল্লেখ্য যে তদানীন্তন মন্ত্ৰীজনে পূৰ্বে বৰভাগ ৰাজহ চক্ৰ স্থাপনৰ সময়ত দেহাৰকুছি পঞ্চায়তখনক বৰভাগ ৰাজহ চক্ৰৰ অধীন কৰিছিল। তাৰ পৰাই ৰাইজে বহুত কষ্টৰে প্ৰশাসনিক কাম-কাজৰ সুবিধা ভোগ কৰি আছে। পৰৱৰ্তী সময়ত বিজেপি মিত্ৰজোঁট চৰকাৰকো বিষয়টো অৱগত কৰা হৈছিল। তেওঁলোকেও বিষয়টো চালি-জাৰি চাই ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিছিল। কিন্তু বৰ্তমানলৈ একো ফল ধৰা নাই। ভুক্তভোগীসকলে বিষয়টো চালি-জাৰি চাই এটি সুস্থিৰ সিদ্ধান্তৰে ৰাইজক আশ্বস্ত কৰাৰ দাবী জনাইছে।

## টীয়ক শাখা সাহিত্য সভাৰ উদ্যোগত প্ৰয়াত চিদানন্দ বৰুৱা স্মাৰকগ্ৰন্থ উন্মোচন

### ■ তিনিজন বিশিষ্ট ব্যক্তিক বঁটা প্ৰদান

অগ্ৰদূত বাৰ্তা

**জাঁজী, ২৯ নৱেম্বৰ ঃ** যোৰহাট জিলাৰ টীয়ক শাখা সাহিত্য সভাৰ উদ্যোগত যোৱা ২৮ নৱেম্বৰত টীয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰয়াত চিদানন্দ বৰুৱাৰ স্মৃতিত 'জীৱন আৰু শিক্ষাৰ বাটেৰে' নামৰ এখন স্মাৰকগ্ৰন্থ উন্মোচন কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি তিনিজন বিশিষ্ট ব্যক্তিক বঁটা প্ৰদান কৰে। টীয়ক শাখা সাহিত্য সভাৰ সভাপতি হেমচন্দ্ৰ হাজৰিকাই সভাপতিত্ব কৰা অনুষ্ঠানৰ আঁত ধৰে টীয়ক শাখা সাহিত্য সভাৰ সম্পাদক প্ৰশীল কুমাৰ বৰাই। সভাৰ আৰম্ভণিতে কবি সনন্ত তাঁতিৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি এক মিনিট মৌন প্ৰাৰ্থনা কৰে। বন্তি প্ৰজ্বলন কৰি অনুষ্ঠান আৰম্ভ কৰে টীয়কৰ জ্যেষ্ঠ চিকিৎসক ডাঃ মুখ্যেশ্বৰ বৰা আৰু চিদানন্দ বৰুৱাৰ সহধৰ্মিণী মিনতি বৰুৱাই। 'জীৱন আৰু শিক্ষাৰ বাটেৰে' নামৰ স্মাৰকগ্ৰন্থখন উন্মোচন কৰে টিংখং মহাবিদ্যালয়ৰ উপাধ্যক্ষ ডঃ যতীন কোঁৱৰে। কাকজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ অকণ চন্দ্ৰ শইকীয়াৰ উদ্বোধনী ভাষণেৰে আৰম্ভ হোৱা সভাত যোৰহাট জিলা সাহিত্য সভাৰ সভাপতি ডঃ ৰাতুল চন্দ্ৰ বৰা, চৰকাৰী পেঞ্চনপ্ৰাপ্ত সাংবাদিক ললিত বৰা, সদৌ অসম সাংবাদিক সন্থাৰ যোৰহাট জিলা সমিতিৰ সভাপতি তথা 'দৈনিক অগ্ৰদূত' কাকতৰ যোৰহাটৰ জ্যেষ্ঠ সাংবাদিক যোগেশ ওজা, টীয়ক উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ অধ্যক্ষ ৰাজু কুমাৰ শইকীয়া সভাত উপস্থিত থাকে। উক্ত সভাতেই টীয়ক শাখা সাহিত্য সভাই এই বৰ্ষৰ বাবে বিশিষ্ট চিত্ৰশিল্পী তথা অধ্যাপক ডঃ ভাৰত বৰাক প্ৰজ্ঞা সাধনা বঁটা, মুদৈজান শ্ৰীশ্ৰীকমলাবাৰী শাখা সত্ৰৰ বৰবায়ন তথা সাংবাদিক দিলীপ ভূএগ্ৰক সংগীত সাধনা বঁটা আৰু টীয়কৰ বিশিষ্ট ব্যৱসায়ী, সমাজকৰ্মী ৰাম অৱতাৰ বিহানীক সামাজিক সমন্বয় বঁটা আগবঢ়ায়।

## উজিৰৰচৰৰ বিএলঅ'ৰ বিৰুদ্ধে ৰাইজৰ উপায়ুক্তক অভিযোগ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৯ নৱেম্বৰ ঃ** গোৱালপাৰা পূব সমষ্টিৰ অন্তৰ্গত উজিৰৰ চৰৰ বিএলঅ' আব্দুৰ ৰহিমে ৰাইজক সেৱা আগবঢ়োৱাৰ নামত ব্যাপক হাৰত উৎকোচ লোৱা বুলি অভিযোগ উঠিছে। এই সন্দৰ্ভত আজি অঞ্চলটোৰ স্থানীয় গোপাল হুছেইন আৰু ৰফিকুল ইছলামসহ ১১৭গৰাকী লোকে জিলা উপায়ুক্তক এখন লিখিত অভিযোগ দাখিল কৰে। অভিযোগপত্ৰত উল্লেখ কৰা মতে, দুৰ্নীতিপৰায়ণ বিএলঅ' আব্দুৰ ৰহিমে দুখীয়া ৰাইজৰ পৰা ভোটাৰ আই কাৰ্ড, ঘৰৰ নম্বৰৰ নামত, নতুন ভোটাৰ কাৰ্ড বনোৱাৰ নামত, নতুন ঘৰৰ নম্বৰৰ ভেৰিফাই আদিৰ নামত পাঁচশৰ পৰা দুহেজাৰ টকালৈকে উৎকোচ লৈ থাকে। এই ক্ষেত্ৰত তদন্তমূলে বিএলঅ'জনৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে অভিযোগকাৰীসকলে। অৱশ্যে এই বাতৰি যুগুতোৱাৰ সময়ত বিএলঅ'জনৰ মন্তব্য জানিব পৰা হোৱা নাই।

## বোকাজানৰ বৰপথাৰত যাত্ৰীবাহী বাছৰ পৰা হেৰ'ইন উদ্ধাৰ ঃ আটক দুই মহিলা

অগ্ৰদূত বাৰ্তা

**বোকাজান/বকলীয়াঘাট, ২৯ নৱেম্বৰ ঃ** এক বিশেষ খবৰৰ ভিত্তিত বোকাজানৰ বৰপথাৰ আৰক্ষীয়ে আজি এখন যাত্ৰীবাহী বাছৰ পৰা বৃহৎ পৰিমাণৰ হেৰ'ইন জব্দ কৰাৰ লগতে দুই মহিলাক আটক কৰে। আৰক্ষীৰ সূত্ৰ অনুসৰি এ এছ-১২ এ চি-৩৪৭৭ নম্বৰৰ এখন বাছত দুগৰাকী মহিলাই ড্ৰাগছ সৰবৰাহৰ তথ্য আগতীয়াকৈ লাভ কৰি বৰপথাৰ



আৰক্ষীয়ে ৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত তাৎক্ষণিক তালাচী ব্যৱস্থা কৰি মহিলা দুগৰাকীক হাতে-লোটে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। মহিলা দুগৰাকীয়ে দেহৰ বিভিন্ন স্থানত ২৫টা চাবোনৰ বাকচত সোমোৱাই আনিছিল ৩৩০ গ্ৰাম ওজনৰ নিষিদ্ধ হেৰ'ইন। ধৃত মহিলা দুগৰাকী ক্ৰমে ধেমাজিৰ বতুৱামুখৰ নেহা পাদুন আৰু ডীনা নৰহ। মহিলা দুগৰাকীয়ে ডিমাপুৰৰ পৰা হেৰ'ইনখিনি সংগ্ৰহ কৰাৰ ধাৰণা কৰা হৈছে। উল্লেখ্য যে বিগত সময়ত কাৰ্বি আংলং আৰক্ষীৰ উপৰ্যুপৰি ড্ৰাগছ বিৰোধী অভিযানত সৰবৰাহকাৰীসকল ধৰা পৰাৰ ফলত সম্প্ৰতি মহিলা সৰবৰাহকাৰীৰ জৰিয়তে সৰবৰাহৰ কৌশল অৱলম্বন কৰিছে ব্যৱসায়ীসকলে।

## ছহিদ সুমন স্বৰ্গীয়াৰীৰ আদ্যশ্ৰাদ্ধ সম্পন্ন

**বৰমা, ২৯ নৱেম্বৰ ঃ** মণিপুৰত উগ্ৰপন্থীৰ হাতত প্ৰাণ আহুতি দিয়া বীৰ ছহিদ সুমন স্বৰ্গীয়াৰীৰ কালি দিনজোৰা কাৰ্যসূচীৰে নিজ বাসগৃহ কাহিবাৰীত পুৱাৰে পৰা বাথৌ ধৰ্মীয় ৰীতি-নীতিৰে অনুষ্ঠিত হয় আদ্যশ্ৰাদ্ধ। ছহিদৰ গৃহত উপস্থিত হৈ অসম চৰকাৰৰ মন্ত্ৰী ইউ জি ব্ৰহ্মাই অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ছহিদ পৰিয়ালক দিয়া প্ৰতিশ্ৰুতি অনুসৰি ছহিদৰ নামত পথ, ছহিদ সুমন স্বৰ্গীয়াৰীয়ে পঢ়া বিদ্যালয়খনৰ প্ৰেক্ষাগৃহ নিৰ্মাণৰ কাম চলি থকা বুলি উল্লেখ কৰে। লগতে ছহিদৰ পত্নী জুৰি স্বৰ্গীয়াৰীক সংস্থাপনৰ কাৰণে মুখ্যমন্ত্ৰী আৰু বিটিআৰৰ চীফ প্ৰমোদ বড়োৱে চিন্তা কৰাৰ কথা ব্যক্ত কৰে মন্ত্ৰীজনে। ইফালে, ছহিদ সুমন স্বৰ্গীয়াৰীৰ সহকৰ্মীয়ে আদ্যশ্ৰাদ্ধস্থলীত উপস্থিত হৈ ছহিদৰ পত্নীৰ হাতত পদক আৰু চেক প্ৰদান কৰে। ছহিদ স্বৰ্গীয়াৰীয়ে চৰকাৰৰ তৰফৰ পৰা যথেষ্টখিনি সন্মান লাভ কৰাৰ কথা ব্যক্ত কৰে ছহিদৰ পত্নীয়ে। ছহিদৰ নামত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰা পথ, দলং আৰু বিদ্যালয়ৰ তোৰণৰ কাম পূৰ্ণগতিত চলি থকা বুলি মন্তব্য কৰে পত্নীয়ে। অনাগত দিনত ৰাইজৰ মৰম আৰু আশীৰ্বাদ লৈ একমাত্ৰ কণমানি পুত্ৰক দেশৰ ভাল নাগৰিক কৰি তোলাৰ চেষ্টা কৰিব বুলি মন্তব্য কৰে ছহিদ পত্নীয়ে। ইয়াৰ পূৰ্বে পুৱা ছহিদৰ পত্নীয়ে স্বামীৰ স্মৃতিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে। তাৰ পাছত ৰাজহুৱা পুষ্পাঞ্জলি অৰ্পণ আৰু বাথৌ ধৰ্মৰ নিয়মানুসাৰে গাঁৱৰ কে'বাগৰাকী লোকক অন্নদান কৰে। অনুষ্ঠানত বৰমাবিধানসভা সমষ্টিৰ বিধায়ক ভূপেন বড়ো, ই এম ৰাকেশ ব্ৰহ্ম, নিখিল বড়ো ছাত্ৰ সন্থাৰ প্ৰতিনিধি দল, বড়ো সাহিত্য সভাকে ধৰি বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিবৰ্গ উপস্থিত থাকে।

## ৰাজপথত চলন্ত ট্ৰাকৰ পৰা সামগ্ৰী লুটৰ চেষ্টা বাহনসহ গ্ৰেপ্তাৰ তিনি

অগ্ৰদূত বাৰ্তা

**সোণাপুৰ, ২৯ নৱেম্বৰ ঃ** বৃহত্তৰ ডিমৰীয়া অঞ্চলৰ মাজেৰে যোৱা চাৰিপথযুক্ত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত নিশা হিন্দী চিনেমাৰ কায়দাৰে ট্ৰাকসমূহত লুট-পাট চলোৱা এটা চক্ৰক ক্ষেত্ৰী আৰক্ষীৰ এটি টহলদাৰী দলে যোৱা ২৭ নৱেম্বৰৰ নিশা গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা পথদস্যুকেইজন হৈছে ক্ৰমে ক্ষেত্ৰীৰ জিতু বৈশ্য (৩৮), তেতেলীয়াৰ দিগম্বৰ ৰাহাং (৩৭) আৰু ডিগাৰুৰ ইন্দ্ৰেশ্বৰ দলৈ (৩৫)। আৰক্ষীয়ে সদৰী কৰা মতে, এ এছ-২৭ চি-৬৮৪৯ নম্বৰৰ গুৱাহাটীৰ পৰা ইম্ফল অভিমুখে গৈ থকা ট্ৰাকখনক যোৱাবাটৰ এঁকা-বেঁকা পথ পোৱাৰ সময়তে পিছফালৰ পৰা আহি থকা এ এছ-২৫ ই-২০৫৬ নম্বৰৰ মেক্সিমোখনে অনুসৰণ কৰে। মেক্সিমোখনত থকা তিনিজন পথদস্যুৰে এজনে ট্ৰাকখনৰ ওপৰত উঠি ত্ৰিপাল কাটে আৰু ট্ৰাকখনে কঢ়িয়াই নিয়া কে'বাটাও ৰছীৰ বাণ্ডিল নমাই পিছে পিছে গৈ থকা চলন্ত মেক্সিমোখনত কৌশলৰে ভৰ্তি কৰে। এনেদৰে পথদস্যুকেইজনে দুষ্কাৰ্য সংঘটিত কৰি বহুদূৰ গৈ পোৱাৰ পাছত ক্ষেত্ৰীৰ ভৰাগাঁৱত ট্ৰাকখনৰ পৰা পথদস্যুজনে নামিব বিচৰাৰ সময়তে মেক্সিমোসহ ক্ষেত্ৰী আৰক্ষী থানাৰ টহলদাৰী আৰক্ষীৰ জালত পৰে। ঘটনা সন্দৰ্ভত ক্ষেত্ৰী আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ৩৭৯/৩৪ ধাৰাৰ অধীনত ২৭২/২১ নম্বৰত এটি গোচৰ পঞ্জীয়ন কৰি তিনি পথদস্যুক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰে। মেক্সিমোখনৰ গৰাকী জিতু বৈশ্য পূৰ্বতেও কে'বাটাও অপৰাধজনিত কাৰ্যকলাপত লিপ্ত বুলি আৰক্ষী প্ৰকাশ কৰিছে।

## শিমলুগুৰিৰ কেন্দুগুৰিত পথ দুৰ্ঘটনাত নিহত শিক্ষক

অগ্ৰদূত বাৰ্তা

**শিমলুগুৰি, ২৯ নৱেম্বৰ ঃ** শিমলুগুৰি থানাৰ অন্তৰ্গত কেন্দুগুৰিত আজি পুৱা ১০-৩০ বজাত এটা পথ দুৰ্ঘটনাত এজন শিক্ষকৰ মৃত্যু হোৱাৰ লগতে এজন আহত হয়। দুৰ্ঘটনাটোত ৰাউনা পহুচুঙী আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক টোৰাৰাম বৰগোহাঁই (৫০)ৰ ঘটনাস্থলীতে মৃত্যু হোৱাৰ লগতে বাণী শইকীয়া (৫৪) নামৰ এজন চতুৰ্থবৰ্গৰ কৰ্মচাৰী আহত হয়। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, চৰকাৰে অহা ৩০ নৱেম্বৰৰ ভিতৰত বিদ্যালয় শিক্ষক আৰু কৰ্মচাৰীসকলক ক'ভিড পৰীক্ষা কৰিবলৈ দিয়া নিৰ্দেশৰ পৰিপ্ৰেক্ষিতত শিক্ষকজনে চতুৰ্থবৰ্গৰ কৰ্মচাৰীজনক লগত লৈ নিজৰ স্কুটীৰে চণ্টকলৈ স্বাব পৰীক্ষা কৰিবৰ বাবে গৈ থাকোতেই পিছফালৰ পৰা তীব্ৰবেগেৰে অহা এ এছ-০৪ বি চি-২৮৭৩ নম্বৰৰ এখন ডাম্পাৰে মহটিয়াই নিয়ে। ফলত ঘটনাস্থলীতে শিক্ষক বৰগোহাঁইৰ মৃত্যু হোৱাৰ বিপৰীতে চতুৰ্থবৰ্গৰ কৰ্মচাৰী শইকীয়াৰ সৌভাগ্যক্ৰমে প্ৰাণৰক্ষা পৰে। স্থানীয় ৰাইজৰ তৎপৰতাত শিমলুগুৰি আৰক্ষীয়ে ডাম্পাৰখন জব্দ কৰাৰ লগতে চালকজনক আটক কৰিবলৈ সক্ষম হয়। ইফালে, শিক্ষকতাৰ দৰে পবিত্ৰ বৃত্তিত জড়িত থকাৰ পাছতো এজন অভিনেতা তথা সাংস্কৃতিক কৰ্মীৰূপে অঞ্চলটোত জনপ্ৰিয় হৈ পৰা শিক্ষক টোৰাৰাম বৰগোহাঁইৰ অকাল মৃত্যুত সমগ্ৰ শিমলুগুৰি অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত শিক্ষকজনে পত্নীসহ দুই সন্তানক ইহসংসাৰত এৰি যায়।

# জাতীয় লোককৃষ্টিবোৰে এটা জাতিৰ ভেটি নিৰ্মাণ কৰে

## ■ মঙলদৈৰ ডাউকাপাৰাত ৩৪ সংখ্যক ন-খোৱা উৎসৱ পালন

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২৯ নৱেম্বৰ ঃ** পশ্চিম মঙলদৈৰ ডাউকাপাৰা শ্ৰীশ্ৰীবিষ্ণুমন্দিৰৰ পৰিচালনা সমিতিৰ উদ্যোগত যোৱা ২৬ নৱেম্বৰত ৩৪ সংখ্যক ন-খোৱা উৎসৱ উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। এই উপলক্ষে যতীন ডেকাৰ পৰিচালনাত সমূহীয়া চাফাই, চিকন চন্দ্ৰ ডেকাই মণিকূটৰ বন্তি প্ৰজ্বলন, সূৰ্য্য কুমাৰ ডেকাই মন্দিৰৰ পতাকা উত্তোলন, মাধৱ চন্দ্ৰ ডেকাই ধৰ্মধ্বজা উত্তোলন, বিকাশ ডেকাৰ নেতৃত্বত চৰণ স্পখলন, বানেশ্বৰ ডেকাৰ দ্বাৰা গছপুলি ৰোপণ, ধ্ৰুৱ ডেকাই ৰান্ধনিশালৰ দ্বাৰ উন্মোচন, প্ৰসন্ন ডেকাই শৰাই অৰ্পণৰ অন্তত টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক প্ৰমোদ ডেকাই ভাগৱত পাঠ উদ্বোধন কৰে। নৰেন্দ্ৰনাথ ডেকাই ভাগৱত পাঠ কৰাৰ লগতে সুন্দৰকৈ ভাঙনি কৰি ভক্তপ্ৰাণ ৰাইজক মোহিত কৰে। দেওমৰনৈ কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰবক্তা সীমান্ত কুমাৰ ডেকাই উদ্বোধন কৰা ভাগৱত শোভাযাত্ৰাত শতাধিক লোকে অংশগ্ৰহণ কৰি ভক্তিৰসৰ সৃষ্টি কৰে। এই ভাগৱত শোভাযাত্ৰাত গুণাৰাম ডেকাই শিৰত ভাগৱত লৈ গোটেই অঞ্চলটো পৰিভ্ৰমণ কৰে। দিনৰ এক বজাত ৰাষ্ট্ৰীয় কৃতী শিক্ষকৰ বঁটাপ্ৰাপক, অৱসৰী উপাধ্যক্ষ ভাৰত ভূষণ মহন্তৰ সঞ্চালনাত হোৱা 'জাতীয় লোককৃষ্টিবোৰে এটা জাতিৰ ভেটি নিৰ্মাণ কৰে' শীৰ্ষক আলোচনাচক্ৰত টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ডঃ দিলীপ কুমাৰ বৰুৱা, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, জ্যেষ্ঠ সাংবাদিক গণেশ দত্তই আলোচক হিচাপে বক্তব্য প্ৰদান কৰে। ডাঁহী গাঁও পঞ্চায়তৰ সভানেত্ৰী অনিমা ডেকা, জলজলী শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য প্ৰদীপ মেধি, সমাজকৰ্মী ভৈৰৱ কিশোৰ নাথসহ পাঁচ শতাধিক লোক উপস্থিত থকা এই সভাত সমাজকৰ্মী নকুল ডেকা, ৰজনী ডেকা, কৃতী ছাত্ৰ-ছাত্ৰী হৃদয় ডেকা, অনামিকা ডেকা, অনিন্দিতা ডেকা, জ্যোতিপ্ৰিয়া ডেকা, শুভাসিতা ডেকাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

কোঁৱৰপুৰ মৌজাবাসীৰ টুলুঙা নাৱৰ যাত্ৰাৰ অন্ত নপৰাৰ আশংকা

# দিখৌৰ বুকুত প্ৰাথমিক পৰ্যায়তে থমকিল তিনিখন দলং নিৰ্মাণৰ কাম

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ২৯ নৱেম্বৰ ঃ** স্বাধীনতাৰ প্ৰায় ৭৪টা গৌৰৱোজ্জ্বল বৰ্ষৰ কথা কৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে জনসাধাৰণক উদ্বুদ্ধ কৰি অহাৰ সময়তে শিৱসাগৰ জিলাৰ কোঁৱৰপুৰ মৌজাবাসীয়ে সুদীৰ্ঘ সময়ছোৱাত যমৰ যাতনা ভোগ কৰি আহিব লগা হৈছে যাতায়াতৰ ক্ষেত্ৰত। আমগুৰি আৰু শিৱসাগৰ সমষ্টিৰ সীমাৰেখা স্বৰূপ দিখৌ নদীৰ উত্তৰ পাৰত অৱস্থিত কোঁৱৰপুৰ মৌজাবাসীৰ বাবে 'মিনি নগৰী' গৌৰীসাগৰখনেই সকলো প্ৰকাৰে সুবিধাজনক হোৱাত দৈনিক দিখৌ নদীৰ বুকুৰেদি টুলুঙা নাৱত উঠি পথ যোগাযোগ অব্যাহত ৰাখিব লগা হৈছে। স্মৰ্তব্য যে চৰকাৰী কৰ্মচাৰী, বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী আৰু সকলো শ্ৰেণীৰ জনসাধাৰণে ইয়াৰ খঁৰাধৰা, চিৰিপুৰীয়া, মাটিয়াবাট আৰু বলিয়াঘাট আদি তিনিটা



পাৰঘাটেদি টুলুঙা নাৱেৰে বিপদসংকুলভাৱে যাতায়াত অব্যাহত ৰাখিছে। জীৱন-মৰণ সমস্যাৰ মাজেৰে জীৱন অতিবাহিত কৰি অহা বৃহত্তৰ মৌজাটোৰ লগত বিভিন্ন কাৰণত অন্যান্য প্ৰান্তৰ জনসাধাৰণেও টুলুঙা নাৱৰ ওপৰতে ভৰসা কৰি সম্পৰ্ক বৰ্তাই ৰাখিছে। উল্লেখ্য যে বিগত কাৰ্যকালৰ সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন মিত্ৰজোঁটৰ বিজেপি চৰকাৰে দিখৌৰ বুকুত তিনিখনকৈ পকী দলং নিৰ্মাণ কৰাৰ প্ৰতিশ্ৰুতি দিছিল। পূব কোঁৱৰপুৰ আৰু পশ্চিম কোঁৱৰপুৰ মৌজাৰ জনসাধাৰণৰ এই গুৰুতৰ সমস্যাটো লাঘৱ কৰাৰ অৰ্থে সোণোৱাল চৰকাৰৰ কাৰ্যকালতে প্ৰতিশ্ৰুতি মতে খঁৰাধৰা, চিৰিপুৰীয়া, পাৰঘাটৰ আৰু গৌৰীসাগৰৰ নিচেই কাষতে আমগুৰি-শিৱসাগৰ সমষ্টিক সংযোগ ঘটাই তিনিখন দলঙৰ আধাৰশিলা কৰে যদিও দলং নিৰ্মাণৰ ক্ষেত্ৰত তীব্ৰ অনিশ্চয়তা নামি আহিছো মৌজা দুটাৰ জনসাধাৰণে দলং নিৰ্মাণক লৈ পৰম আশাবাদী হৈছিল যদিও যোৱা ডেৰ বছৰে দলং নিৰ্মাণৰ কাম-কাজ আশাত চেঁচাপানী পেলোৱাৰ উপক্ৰম ঘটাইছে। কিয়নো দলং নিৰ্মাণত ঠিকাদাৰে এবছৰৰ পূৰ্বে সংশ্লিষ্ট তিনিটাকৈ স্থানত দলঙৰ খুঁটা নিৰ্মাণৰ কাম-কাজ আৰম্ভ কৰিলেও প্ৰাথমিক পৰ্যায়তে বন্ধ হৈ পৰে। এতিয়া জনসাধাৰণৰ বাবে লাখটকীয়া প্ৰশ্নটো হ'ল কোঁৱৰপুৰ মৌজাবাসীৰ টুলুঙা নাৱৰ বিপদসংকুল যাত্ৰাৰ অন্ত কেতিয়া পৰিব? কিয়নো দলং নিৰ্মাণকাৰী ঠিকাদাৰে এবছৰৰ পূৰ্বেই প্ৰাথমিক পৰ্যায়তে কাম-কাজ এৰি অন্তৰ্ধান হোৱাত পূৰ্বৰ দৰে যাতায়াত অব্যাহত ৰাখিছে বিপদসংকুল টুলুঙা নাৱেৰে।

## শিক্ষাবিদ ইন্দ্ৰনাথ বৰগোঁহাইৰ স্মৃতিচাৰণ সভা

অগ্ৰদূত বাৰ্তা

**নামতি, ২৯ নৱেম্বৰ ঃ** নামতি দিকচু মাউত গাঁৱৰ শিক্ষাবিদ, সমাজ সেৱী তথা স্বাধীনতা যুঁজাৰু ইন্দ্ৰনাথ বৰগোঁহাইৰ স্মৃতিচাৰণ সভা এখন আজি অনুষ্ঠিত হয়। প্ৰয়াত বৰগোঁহাইৰ বাসগৃহত অনুষ্ঠিত সভাখন পৰিচালনা কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিনন্দ গগৈয়ে। উদ্দেশ্য ব্যাখ্যা কৰে সাংবাদিক বিমল বিভূতি গগৈয়ে। স্মৰণিকা 'সূৰ্যকান্তি' উন্মোচন কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক পুলিন খনিকৰে। প্ৰয়াত বৰগোঁহাইৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে সহ ধৰ্মিণী স্বৰ্ণলতা বৰগোঁহাইয়ে। তেওঁৰ স্মৃতিত বক্তব্য প্ৰদান কৰে শিক্ষবিদ ক্ৰমে অপূৰ্ব কলিতা, ৰামেশ্বৰ বৰুৱা, নগেন গগৈ, চন্দন গগৈ, শোভাকৰ শৰ্মা, যোগেশ্বৰ হাতীবৰুৱা, গীৰিণ বৰগোঁহাই, পুত্ৰ মৃণাল বৰগোঁহাই আদিয়ে।

## জাগীৰোডত উপ-পথ নিৰ্মাণৰ দাবীত প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

**জাগীৰোড, ২৯ নৱেম্বৰ ঃ** জাগীৰোড-মৰিগাঁও সংযোগী পথৰ জাগীৰোডৰ ৰেলৱে ক্ৰছিঙৰ ওপৰত নিৰ্মাণ হৈ আছে এখন উৰণীয়া সেতু। মৰিগাঁও জিলাবাসীৰ দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ বাবে নিৰ্মাণ কৰি থকা হৈছে এই উৰণীয়া সেতুখন। কিন্তু উৰণীয়া সেতুৰ তলত মাটি অংশত উপ-পথ নিৰ্মাণ নকৰাকৈ উৰণীয়া সেতুৰ দেৱাল নিৰ্মাণৰ অভিযোগ স্থানীয় লোকৰ। ৰেল ক্ৰছিঙৰ দক্ষিণ দিশে নিৰ্মাণ হৈ থকা উৰণীয়া সেঁতুৰ অংশৰ তলত এটা উপ-পথৰ নিৰ্মাণ নকৰিলে ব্যৱসায়িক প্ৰতিষ্ঠান আৰু স্থানীয় লোকসকলৰ দৈনিক অহা যোৱাৰ লগতে যাতায়াতৰ ক্ষেত্ৰত অসুবিধা সন্মুখীন হ'ব। আনকি এম্বুলেন্স বা অগ্নিনিৰ্বাপক বাহিনীৰ দৰে জৰুৰীকালীন সেৱাৰ পৰাও বঞ্চিত হ'ব ৰাইজ। সেয়ে স্থানীয় লোকে এটা উপ-পথ নিৰ্মাণৰ দাবীত আজি জাগীৰোড ৰেলৱে ক্ৰছিঙৰ ওচৰত প্ৰতিবাদ সাব্যস্ত কৰে। আনহাতে, উপ-পথ নিৰ্মাণ নকৰালৈ উৰণীয়া সেতুৰ মাটিৰ অংশ দেৱাল নিৰ্মাণৰ কাম বন্ধ কৰি দিয়ে স্থানীয় লোকে।

## বৰপেটা জিলা চৰ-চাপৰি সাহিত্য মঞ্চৰ সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**মন্দিয়া, ২৯ নৱেম্বৰ ঃ** অসম চৰ-চাপৰি সাহিত্য মঞ্চৰ বৰপেটা জিলা পূৰ্ণাংগ সমিতিখন কালি গঠন কৰা হয়। তদুপলক্ষে বৰপেটাৰ ইথোচ জুনিয়ৰ কলেজ প্ৰাংগণত পালহাজী আজাদ আঞ্চলিক জুনিয়ৰ কলেজৰ অধ্যক্ষ মজিবুৰ ৰহমানৰ, পৌৰোহিত্যত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা তদৰ্থ সমিতিৰ সাধাৰণ সম্পাদক তমিজউদ্দিন আহমেদে। সভাত অসম চৰ-চাপৰি সাহিত্য মঞ্চৰ কেন্দ্ৰীয় সভাপতি কবি, সাহিত্যিক, শিক্ষাবিদ, গণ অধিকাৰ বাতৰি কাকতৰ মুখ্য সম্পাদক খবিৰ আহমেদে কয় যে অসমত বহুতো সাহিত্যৰ সংগঠন আছে যদিও চৰ-চাপৰিৰ মানুহৰ সমস্যাৰাজি গুৰুত্ব সহকাৰে প্ৰতিফলিত কৰিব পৰা নাই। আমাৰ জাতি-জনগোষ্ঠীয়েও প্ৰকৃত ভাৰতীয়, প্ৰকৃত অসমীয়া হিচাপে দেশ তথা ৰাজ্যখনৰ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনলৈ অৱদান আগবঢ়াব লাগিব বুলি উল্লেখ কৰে। অসম চৰ-চাপৰি সাহিত্য মঞ্চক আগুৱাই লৈ যোৱাৰ সংকল্পৰ কথা দোহাৰি মঞ্চৰ বৰপেটা জিলা সমিতিক দুগুণ উৎসাহেৰে সাংগঠনিক কাম-কাজ চলাই নিবলৈ সাহিত্য সংগঠনটোৰ কেন্দ্ৰীয় সভাপতিজনে আহ্বান জনায়। সভাত বিশিষ্ট সাহিত্যিক ফয়েজুৰ ৰহমান, সাহিত্যিক আবুল হুছেইন, চিকিৎসক, সমাজকৰ্মী ডাঃ ছৈয়দ আহমদ জাদিদ, প্ৰাক্তন মন্ত্ৰী এম, ইব্ৰাহিম আলী আদিক উপদেষ্টা, মজিবুৰ ৰহমানক সভাপতি, নুৰুল আমিনক কাৰ্যকৰী সভাপতি, তমিজ উদ্দিন আহমেদক সাধাৰণ সম্পাদকৰূপে লৈ অসম চৰ-চাপৰি সাহিত্য মঞ্চৰ বৰপেটা জিলা সমিতিখন গঠন কৰা হয়।

## মেৰাপানীত লালীগুড়ৰ বৃহৎ সাম্ৰাজ্য

■ অৰুণাচলী সুৰা, চুলাই মদ, ড্ৰাগছৰ অবাধ বেহা ■

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ২৯ নৱেম্বৰ ঃ** গোলাঘাট জিলাৰ অসম-নগালেণ্ডৰ মেৰাপানী সীমান্তত সম্প্ৰতি ড্ৰাগছ, লালীগুড় অৰুণাচলী সুৰা আৰু চুলাই মদ ব্যৱসায় অবাধ গতিত বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। দীৰ্ঘদিন ধৰি লালীগুড়ৰ ব্যৱসায়ৰ চলি আহিছে মেৰাপানীত। গো-ফাৰ্মৰ নামত দৈনিক মেৰাপানীলৈ আমদানি হৈ আহিছে হেজাৰ হেজাৰ টন লালীগুড়। অভিযোগ মতে, বিহাৰ, উত্তৰ প্ৰদেশ আদি বিভিন্ন স্থানৰ পৰা ট্ৰাকে ট্ৰাকে আনি মেৰাপানীৰ কে'বাটাও বৃহৎ গুডামত মজুত কৰি চুলাই ভাটিসমূহত যোগান ধৰি আহিছে মেৰাপানী টাউনৰে এজন কুখ্যাত ব্যৱসায়ীয়ে। ফলত গ্ৰামাঞ্চলত চুলাই সেৱনকাৰীৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পাবলৈ ধৰিছে আৰু গ্ৰামাঞ্চলত হাই-কাজিয়া সৃষ্টি হৈ অপ্ৰীতিকৰ পৰিস্থিতিৰে এক অশান্ত পৰিৱেশ নামি আহিছে। আনহাতে, মেৰাপানী সীমান্তত আন এক অসাধু চক্ৰই ড্ৰাগছৰ এক ব্যৱসায় অতি গোপনে চলাই অহাৰ তথ্যও পোহৰলৈ আহিছে। মেৰাপানী আৰক্ষী আৰু সীমান্তত নিয়োজিত চিআৰপিএফে ড্ৰাগছ বিৰোধী অভিযান অব্যাহত ৰাখিছে যদিও এচাম লোকে অতি গোপনে লাহৰীজান, তেজপুৰ, নগাঁও, গুৱাহাটী, যোৰহাট আদি বিভিন্ন স্থানৰ পৰা ক্ৰয় কৰি আনি অধিক দামত চুবুৰীয়া ৰাজ্য নগালেণ্ডত বিক্ৰী কৰি সম্পত্তিৰ পাহাৰ গঢ়িছে। ৰাজ্যজুৰি ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে যদিও একাংশ ধুৰন্ধৰ ব্যৱসায়ীয়ে সহজে টকা ঘটাৰ লালসাত ড্ৰাগছ ব্যৱসায়টো গোপনে চলাই অহাৰ গোপন তথ্য লাভ কৰা হৈছে। এই তথ্যৰ ভিত্তিত ইতিমধ্যে মেৰাপানী আৰক্ষী আৰু সীমান্তত নিয়োজিত চিআৰপিএফে অভিযান চলাই বহু পৰিমাণৰ ড্ৰাগছ জব্দ কৰাৰ লগতে কে'বাজনকো গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে লালীগুড়, ড্ৰাগছৰ সমান্তৰালকৈ মেৰাপানীত আন এক অৰুণাচলী সুৰাৰ ব্যৱসায়ো চলি থকাৰ তথ্যও পোহৰলৈ আহিছে। তেজপুৰ, লখিমপুৰ, দেৰগাঁও, ৰঙাজান আদি বিভিন্ন ঠাইৰ এক অসাধু চক্ৰই মেৰাপানীৰ এটা চক্ৰৰ লগত সংগোপনে অৰুণাচলী সুৰা নগালেণ্ডলৈ সৰবৰাহ কৰি আহিছে। মেৰাপানী আৰক্ষী আৰু চিআৰপিএফৰ যৌথ অভিযানত কিছুদিনৰ পূৰ্বে অৰুণাচলী সুৰা সৰবৰাহ কৰা এটা চক্ৰক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰে। বৰ্তমান আৰক্ষী আৰু চিআৰপিএফৰ তীক্ষ্ণ দৃষ্টি থকা সত্বেও একাংশ দুষ্ট লোকে অতি গোপনে গ্ৰাম্য পথেদি উক্ত অৰুণাচলী সুৰা, ড্ৰাগছ আদি আমদানি কৰি নগালেণ্ডত বিক্ৰী কৰি আহিছে। সম্প্ৰতি মেৰাপানী এতিয়া ড্ৰাগছ, লালীগুড়, অৰুণাচলী সুৰা আৰু চুলাইৰ ঘাটিত পৰিণত হৈ পৰিছে। সেয়েহে চৰকাৰ তথা প্ৰশাসনে অসাধু ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰি মেৰাপানী সীমান্তত ড্ৰাগছ, চুলাইমুক্ত কৰি এক শান্তিৰ পৰিৱেশ গঢ়িবলৈ স্থানীয় ৰাইজে আহ্বান জনাইছে।

## পঞ্চায়ত পুঁজিৰে নিৰ্মাণ কৰা শৰীৰ চৰ্চা কেন্দ্ৰ-শিশু উদ্যান মুকলি মন্ত্ৰী সিংঘালৰ

অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ২৯ নৱেম্বৰ ঃ** ঢেকিয়াজুলি বিধানসভা সমষ্টিত আজি পুৱাই স্থানীয় বিধায়ক তথা ৰাজ্য চৰকাৰৰ মন্ত্ৰী অশোক সিংঘালে কে'বাটাও কাৰ্যসূচীত অংশ লয়। মন্ত্ৰীজনে ঢেকিয়াজুলি সমষ্টিত পঞ্চায়ত পুঁজিৰে নিৰ্মাণ কৰা উন্নতমানৰ শৰীৰ চৰ্চা কেন্দ্ৰ আৰু শিশু উদ্যান মুকলি কৰে। প্ৰথমে ঢেকিয়াজুলিৰ বামুণপুখুৰী পঞ্চায়ত, নাহৰবাৰী পঞ্চায়ত, ঠেলামৰা পঞ্চায়ত, ভোটপাৰা পঞ্চায়তে নিৰ্মাণ কৰা উন্নতমানৰ শৰীৰ চৰ্চা কেন্দ্ৰ আৰু শিশু উদ্যান মুকলি কৰে। পঞ্চায়তৰ নিজা পুঁজিৰে ঢেকিয়াজুলি সমষ্টিৰ প্ৰতিটো পঞ্চায়ত অঞ্চলত একোখনকৈ শৰীৰ চৰ্চা কেন্দ্ৰ, শিশু উদ্যান নিৰ্মাণ কৰিছে। আঁচনিকেইখন মুকলি কৰি এই সন্দৰ্ভত মন্ত্ৰীজনে কেৱল ঢেকিয়াজুলি সমষ্টিতে পঞ্চায়ত পুঁজিৰে এই আঁচনি ৰূপায়ণ কৰা হৈছে বুলি উল্লেখ কৰে। শিশুৰ শাৰীৰিক-মানসিক বিকাশৰ ক্ষেত্ৰত লক্ষ্য কৰি এই আঁচনি ৰূপায়ণ কৰা হৈছে বুলি প্ৰকাশ কৰে। পঞ্চায়তে চৰকাৰী ধনৰ সদ্ব্যৱহাৰ কৰিছে বুলি উল্লেখ কৰে। কাৰ্যসূচীত শোণিতপুৰ জিলা বিজেপিৰ সভাপতি বাতাচ ওৰাং, ঢেকিয়াজুলি আঞ্চলিক পঞ্চায়তৰ সভাপতি শিৱচৰণ চাহু, পূব মণ্ডল বিজেপিৰ সভাপতি শিৱচৰণ গোৱালা, বামুণপুখুৰী পঞ্চায়তৰ সভানেত্ৰী কামিনী কাকতি, নাহৰবাৰী পঞ্চায়তৰ সভাপতি নিৰ্মল দাস, ঠেলামৰা পঞ্চায়তৰ সভানেত্ৰী মীৰা দাস, গৰুবন্ধা পঞ্চায়তৰ সভাপতি দামোধৰ পাটোৱাৰী, ভোটপাৰা পঞ্চায়তৰ সভাপতি ভাস্কৰ বৰুৱা আদিয় উপস্থিত থাকে।







**ছিনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল**

# ৰাজস্থানক ৭-০ গ'লত বিধ্বস্ত কৰিলে অসমে

**গুৱাহাটী, ২৯ নৱেম্বৰ ঃ** অসমৰ ছোৱালী ফুটবল দলে আজি চমক সৃষ্টিৰে ছিনিয়ৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰিছে। কেৰেলাত চলি থকা ছিনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ প্ৰথম মেচত আজি অসমৰ ছোৱালী ফুটবল দলে ৰাজস্থানৰ বিৰুদ্ধে 7-0 গ'লত জয়লাভ অৰ্জন কৰে। অসমৰ হৈ হেট্ৰিক অৰ্জন কৰি তিনিটা গ'ল দিয়ে ছ'নিয়া মাৰাকে (58, 61, 81 মিনিট)। আনহাতে, ৰূপালী বড়ো (3 মিনিট), মৃদুলা মেচ (8 মিনিট), ছাইনজালি কেম্পৰাই (49 মিনিট) আৰু ছানিলা বসুমতাৰীয়ে (90 মিনিট) এটাকৈ গ'ল দিয়ে। অসমে অহা পহিলা ডিচেম্বৰত বিহাৰৰ আৰু তিনি ডিচেম্বৰত হিমাচলৰ মূখামুখি হ'ব। ইফালে, অসমৰ পুৰুষ দলে সন্তোষ ট্ৰফী ফুটবলৰ দ্বিতীয়খন মেচত কাইলৈ অৰুণাচলৰ মুখামুখি হ'ব। উল্লেখ্য যে অসমে প্ৰথমখন মেচত পৰাজয়ৰ সন্মুখীন হৈছিল। ছিলঙত হোৱা মেচত মেঘালয়ে 6-2 গ'লত পৰাস্ত কৰে অসমক। এই পৰাজয়ৰ পাছতে অসমৰ বিদায় নিশ্চিত হয়। এতিয়া কেৱল আনুষ্ঠানিকতাহে বাকী।




**অংশ লোৱা ১০ খেলুৱৈয়ে লাভ কৰিলে নটা সোণ, এটা ৰূপৰ পদক**

# ছাকাছ আন্তৰ্জাতিক গেমছত অসমৰ সাফল্য

**গুৱাহাটী, ২৯ নৱেম্বৰ ঃ** যোৱা 26-28 নৱেম্বৰলৈ নেপালৰ ৰাজধানী কাঠমাণ্ডুত অনুষ্ঠিত হোৱা দ্বিতীয় ছাকাছ আন্তৰ্জাতিক গেমছ, 2021ত অসমে অনবদ্য প্ৰদৰ্শন কৰিছে। উল্লেখ্য যে প্ৰতিযোগিতাত অসমৰ 10 জনীয়া এটা দলে অংশ লৈছিল। ইয়াৰে ন গৰাকীয়ে সোণ লাভ কৰাৰ বিপৰীতে এজনে ৰূপৰ পদক লাভ কৰে। উল্লেখ্য যে দ্বিতীয় ছাকাছ আন্তৰ্জাতিক গেমছ, 2021 ত গমে থাপাৰ নেতৃত্বত খেলা অসম দলে কুংফু, কাৰাটে, কিকবক্সিং, টাইকোৱান-ড', উশ্বুত অংশ লয়। 10 জনীয়া দলৰ সদস্যসকল হ'ল ঃ বিতোপন বৰা, মনোজ কুমাৰ দাস, ধৰ্মেন্দ্ৰ বড়ো, ৰমেন বড়ো, ময়ুখ মায়াংক, ছানি দাস, ছাহজাহান আলি, ইছলাম আলি, উত্তম মজুমদাৰ আৰু সুশীল ভট্টাচাৰ্য। উল্লেখ্য যে ছাউথ এছিয়ান ফেডাৰেছন অব অৰ স্পৰ্টছ নেপাল শাখাই আয়োজন কৰিছিল দ্বিতীয় ছাকাছ আন্তৰ্জাতিক গেমছ, 2021¼ উক্ত আন্তৰ্জাতিক প্ৰতিযোগিতাত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰি অসমৰ 10 জনীয়া এটা দলে অংশ লৈছিল। গ্ৰেণ্ডমাষ্টাৰ গমে থাপাৰ নেতৃত্বত নেপাললৈ গৈছিল অসম দলটো। দলৰ প্ৰশিক্ষক গোবিন্দ দাস। আনহতে, ৰেফাৰীৰ দায়িত্বত আছিল অৰূপ ডেকা আৰু অৰূপ দাস। দলৰ লগত বিষয়াৰূপে গৈছিল অজিত বড়ো আৰু লাখি বালা বসুমতাৰী। অসম ক্ৰীড়া সন্থাৰ সভাপতি কৈলাশ শৰ্মাই এই সফলতাৰ বাবে ছাকাছ আন্তৰ্জাতিক গেমছত অংশ লোৱা অসম দলটোক শুভেচ্ছা জনাইছে।

# স্বাধীনতা দিৱস কাপ ফুটবল আৰম্ভ

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২৯ নৱেম্বৰ ঃ** নগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত আজিৰে পৰা নৰুল আমিন ষ্টেডিয়ামত আৰম্ভ হৈছে 70 সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল। আজি নৈশলোকত হোৱা উদ্বোধনী মেচত মাজুলীৰ কাৰছং ফুটবল ক্লাবে টাইব্ৰেকাৰত 6-4 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ওডালগুৰিৰ দৈমালু ক্লাবক। কাইলৈ মৰাণ টাউন ক্লাবে খেলিব বডোচা স্পৰ্টছ ক্লাবৰ বিৰুদ্ধে।





# প্ৰিমিয়াৰ ক্লাব ক্ৰিকেটত নামবৰ ক্লাবৰ জয় অৰ্জন

**গুৱাহাটী, ২৯ নৱেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি গোলাঘাটত হোৱা মেচত নামবৰ ক্লাবে ছয় উইকেটত পৰাস্ত কৰে আমুপাল'টি ক্লাবক। পোনতে বেটিং কৰি আমুপাল'টি ক্লাবে 26.1 অভাৰত সকলো উইকেট হেৰুৱাই 99 ৰাণ কৰে। প্ৰত্যুত্তৰত নামবৰ ক্লাবে 16.4 অভাৰত চাৰি উইকেটত 100 ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাৰ 31 ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব প্ৰাৰম্ভিক ৰাউণ্ডৰ মেচ। অসম ক্ৰিকেট সন্থাৰ স্বীকৃত মুঠ জিলা গোট হ'ল 41 টা। সেয়ে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ পাৰম্ভিক ৰাউণ্ডৰ মেচ ৰাজ্যৰ 41 টা স্থানত অনুষ্ঠিত হ'ব। প্ৰতিটো স্থানতে জিলাৰ পঞ্জীয়ন থকা ক্লাবে প্ৰথম ৰাউণ্ডৰ মেচ খেলিব। প্ৰায় চাৰিশ ক্লাবৰ হৈ প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ খেলিছে এ চি এৰ পঞ্জীয়ন থকা প্ৰায় ছয় হেজাৰ ক্ৰিকেটাৰে।

**টীম ইণ্ডিয়াৰ মুখৰ পৰা জয়ৰ সফলতা কাঢ়ি নিলে ভাৰতত জন্মগ্ৰহণ কৰা দুই কিৱি ক্ৰিকেটাৰে**

# ভাৰত-নিউজিলেণ্ডৰ প্ৰথম টেষ্ট ড্ৰ

**কানপুৰ, ২৯ নৱেম্বৰ ঃ** ভাৰতত জন্ম গ্ৰহণ কৰা দুই যুৱ নিউজিলেণ্ড দলৰ স্পীনাৰৰ দৃঢ়তাপূৰ্ণ বেটিঙৰ বাবে কিৱি বাহিনীয়ে ভাৰতৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্ট ড্ৰ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে স্পীন সহায়ক উইকেটত ভাৰতৰ অশ্বিন, জাডেজা আৰু অক্ষৰক বিমুখ কৰি অন্তিম উইকেটৰ যুটিত 8.4 অভাৰ অনন্য ৰক্ষাত্মক বেটিং কৰি আজাজ পেটেল (23 বলত দুই ৰাণ) আৰু ৰচিন ৰবীন্দ্ৰই (91 বলত 18 ৰাণ) টেষ্টখন ড্ৰ কৰে লগতে ভাৰতৰ মুখৰ পৰা জয়ৰ সাফল্য কাঢ়ি নিয়ে। উল্লেখ্য যে ভাৰতে দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টতে জয়ৰ সন্ধিক্ষণত উপনীত হৈছিল কিন্তু লক্ষ্যত উপনীত হোৱাত ব্যৰ্থ হ'ল। স্মৰ্তব্য যে ভাৰতে নিউজিলেণ্ডৰ সন্মুখত 284 ৰাণৰ বিজয়লক্ষ্য দিয়াৰ পাছত চতুৰ্থ দিনাৰ খেলৰ অন্তত কিৱি বাহিনীয়ে দ্বিতীয় ইনিংছ আৰম্ভ কৰি অপেনাৰ ইয়ঙৰ (2] উইকেটতো হেৰুৱাই চাৰি ৰাণ কৰিছিল। কিন্তু আজি অন্তিম দিনা নিউজিলেণ্ডক সুন্দৰ আৰম্ভনি দিয়ে উইকেটত থকা অপেনাৰ লথাম (52] আৰু নৈশপ্ৰহৰী ছামাৰভিলে (110 বলত 36 ৰাণ)। আজি অন্তিম দিনা নটা উইকেট থকা অৱস্থাত নিউজিলেণ্ডক প্ৰয়োজন হৈছিল 280 ৰাণৰ। কিন্তু দলে ড্ৰৰ লক্ষ্যৰে খেলি পূৰা দৃঢ় আৰম্ভণি কৰে আলহী দলে। ভাৰতৰ হাতৰ পৰা মেচ ওলাই যোৱাৰ সময়তে জাডেজাই তাৎক্ষনিক চাৰিটা উইকেট লাভ কৰি আশা সজীৱ কৰে যদিও নটা উইকেট লাভ কৰাৰ পাছত ঘৰুৱা দলে অন্তিমটো কিৱি উইকেট লাভ কৰিবলৈ সক্ষম নহ'ল। নিউজিলেণ্ডৰ অধিনায়ক উইলিয়ামছনে 24 ৰাণ কৰাৰ বিপৰীতে ভাৰতৰ অশ্বিনে তিনিটা তথা অক্ষৰ আৰু উমেশে এটাকৈ উইকেট পায়। মেচৰ শ্ৰেষ্ঠ হয় টেষ্ট অভিষেক কৰা শ্ৰেয়াছ আয়াৰ।




# বড়োলেণ্ড ছহিদ ফুটবল

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২৯ নৱেম্বৰ ঃ** চলিত তৃতীয় বড়োলেণ্ড ছহিদ ফুটবলৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে ছিপাঝাৰ এফ চি। আজি দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত ছিপাঝাৰ এফ চিয়ে টাইব্ৰেকাৰত 7-6 গ'লত পৰাস্ত কৰে টংলা ক্ৰীড়া সন্থাক। ইয়াৰপূৰ্বে ছেমিফাইনেলত প্ৰৱেশ কৰিছিল বাকা এফ চি দল। প্ৰথম কোৱাৰ্টাৰ ফাইনেলতবাকা এফ চি দলে একমাত্ৰ গ'ল পৰাস্ত কৰে হাটীবন্ধা এফ চিক।

# বড়ো ছহিদ কাপ ফুটবল

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২৯ নৱেম্বৰ ঃ** লাংহিনত চলি থকা বড়ো ছহিদ কাপ ফুটবলৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে লাংহিন তিনিআলি ক্ৰীড়া সন্থা 'এ' দল। আজি কোৱাৰ্টাৰ ফাইনেলত লাংহিন তিনিআলি ক্ৰীড়া সন্থা 'এ' দলে 3-1 গ'লত পৰাস্ত কৰে ডংকাম'কাম ক্ৰীড়া সন্থাক। উল্লেখ্য যে এইবাৰৰবড়ো ছহিদ কাপ ফুটবল প্ৰতিযোগিতাত মুঠ নটা দলে যোগদান কৰিছে।

# ৰোমাঞ্চকৰ স্থিতিত উপনীত বাংলাদেশ-পাকিস্তানৰ টেষ্ট



**ঢাকা, ২৯ নৱেম্বৰ ঃ** বাংলাদেশে পাকিস্তানৰ বিৰুদ্ধে খেলা প্ৰথমখন টেষ্টত প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছিল যদিও এতিয়া মেচত জয়ৰ আশা পাকিস্তানৰহে সজীৱ হৈ উঠিছে। উল্লেখ্য যে বাংলাদেশে দিয়া 202 ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি আজি চতুৰ্থদিনাৰ খেলৰ অন্তত পকিস্তানে দ্বিতীয় ইনিংছত কোনো উইকেট নেহেৰুৱাকৈ 109 ৰাণ কৰিছে। কাইলৈ টেষ্টৰ অন্তিম দিনা হাতত 10 টা উইকেট থকা অৱস্থাত পাকিস্তানক প্ৰয়োজন 93 ৰাণৰ। উইকেটত অৰ্ধশতক অৰ্জন কৰি দৃঢ়তাৰে বেটিং কৰি আছে দুই অপেনাৰ আবিদ আলি (56] আৰু ছফিক [53]¼ উল্লেখ্য যে টেষ্টখনত বাংলাদেশৰ প্ৰথম ইনিংছৰ 330 ৰাণৰ প্ৰত্যুত্তৰত পাকিস্তানে 286 ৰাণত প্ৰথম ইনিংছ সামৰিছিল। প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰা বাংলাদেশে দ্বিতীয় ইনিংছ আৰম্ভ কৰি কালি খেলৰ অন্তত চাৰিটা উইকেট হেৰুৱাইছিল 39 ৰাণত। আজি দলে বেটিং আৰম্ভ কৰি লিটন দাসৰ 59 ৰাণৰ সহায়ত 157 ৰাণত দ্বিতীয় ইনিংছ সামৰে আৰু 202 ৰাণৰ বিজয়লক্ষ্য দিয়ে পাকিস্তানক। পাকিস্তানৰ হৈ শ্বাহিন আফ্ৰিদীয়ে পাঁচটা উইকেট পায়।

# শ্ৰীলংকা-ৱেষ্টইণ্ডিজৰ দ্বিতীয়খন টেষ্ট আৰম্ভ

**কলম্বো, ২৯ নৱেম্বৰ ঃ** আজিৰে পৰা আৰম্ভ হৈছে শ্ৰীলংকা আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ দ্বিতীয়খন টেষ্ট। আজি বৰষুণৰ বাবে 34.4 অভাৰৰ খেলহে সম্ভৱ হয়। শ্ৰীলংকাই পোনতে বেটিং কৰি প্ৰথম ইনিংছত কৰুণাৰত্নেৰ (42] উইকেটতো হেৰুৱাই 113 ৰাণ কৰে। দিনান্তত উইকেট আছে আনজন অপেনাৰ নিছাংকা (61]¼ উল্লেখ্য যে শ্ৰীলংকাই ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টত 187 ৰাণত জয়ী হৈ 1-0 ৰ অগ্ৰগতি লৈছে। প্ৰথম টেষ্টত শ্ৰীলংকাই দিয়া 348 ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি কেৰিবিয়ান বাহিনীয়ে 160 ৰাণত দ্বিতীয় ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে টেষ্টখনত শ্ৰীলংকাৰ প্ৰথম ইনিংছৰ 386 ৰাণৰ প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছ সামৰিছিল 230 ৰাণত।




**আন্তঃপ্ৰশিক্ষণ কেন্দ্ৰ ক্ৰিকেট প্ৰতিযোগিতা**

# ৰয়েল গ্লোবেল একাডেমীৰ জয়

**গুৱাহাটী, ২৯ নৱেম্বৰ ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত জজ খেলপথাৰত চলি থকা মহাবীৰ প্ৰসাদ আগৰৱালা 16 বছৰ অনূৰ্ধ্ব আন্তঃপ্ৰশিক্ষণ কেন্দ্ৰ ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত ৰয়েল গ্লোবেল ক্ৰিকেট একাডেমীয়ে পাঁচ উইকেটত পৰাস্ত কৰে গুৱাহাটী টাউন ক্লাব ক্ৰিকেট একাডেমীক। পোনতে বেটিং কৰা গুৱাহাটী টাউন ক্লাব ক্ৰিকেট একাডেমীয়ে 39.5 অভাৰত আটাইকেইটা উইকেট হেৰুৱাই সংগ্ৰহ কৰে 144 ৰাণ। প্ৰত্যুত্তৰত গ্লোবেল ক্ৰিকেট একাডেমীয়ে 26 অভাৰতে 148 ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে অহা আঠ ডিচেম্বৰলৈ হ'বলগা উক্ত আন্তঃপ্ৰশিক্ষণ কেন্দ্ৰ ক্ৰিকেট প্ৰতিযোগিতাখনত মুঠ 12 টা ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই যোগদান কৰিছে। গুৱাহাটী ক্ৰীড়া সন্থাই জনোৱা অনুসৰি প্ৰতিদিনে এখনকৈ খেল হৈছে তথা মেচসমুহ এটা ইনিংছত 40 অভাৰৰ কৰা হৈছে। অৱশ্যে ফাইনেল মেচখন 50 অভাৰকৈ খেলোৱা হ'ব।

# নিউ ষ্টাৰ ক্লাবৰ জয়লাভ

**গুৱাহাটী, ২৯ নৱেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি কলিয়াবৰত হোৱা মেচত নিউ ষ্টাৰ ক্লাবে 10 উইকেটত পৰাস্ত কৰে মৰ্ণিং ষ্টাৰক। মৰ্ণিং ষ্টাৰ ক্লাবে 25.1 অভাৰত সকলো উইকেট হেৰুৱাই মাত্ৰ 73 ৰাণ কৰাৰ প্ৰত্যুত্তৰত নিউ ষ্টাৰ ক্লাবে 11.5 অভাৰত 74 ৰাণ কৰে কোনো উইকেট নেহেৰুৱাকৈ। উল্লেখ্য যে মুঠ 75 লাখ টকা প্ৰাইজমানি থকা এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাখন তিনিটা স্তৰত অনুষ্ঠিত হ'ব। প্ৰথম ৰাউণ্ডৰ মেচ অনুষ্ঠিত হৈছে জিলা, ছাব ডিভিজন, বিশ্ব বিদ্যালয় পৰ্যায়ত। এই স্তৰত স্থানীয় ক্লাবে নিজৰ নিজৰ এলেকাত হোৱা মেচত অংশ লৈছে।




# অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ লিডু ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰৰ সহজ জয়লাভ

**গুৱাহাটী, ২৯ নৱেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি মাৰ্ঘেৰিটাত হোৱা মেচত লিডু ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই তিনি উইকেটত পৰাস্ত কৰে ক্ৰিকেট ক্লাব অব মাৰ্ঘেৰিটাক। পোনতে বেটিং কৰি ক্ৰিকেট ক্লাব অব মাৰ্ঘেৰিটা দলে 34.2 অভাৰত সকলো উইকেট হেৰুৱাই 131 ৰাণ কৰে। প্ৰত্যুত্তৰত লিডু ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই 25 অভাৰত সাত উইকেটত 134 ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ পাছত দ্বিতীয় স্তৰত হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এইবাৰ দুটা স্থানত কৰা হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এ চি এৰ মুঠ মণ্ডলৰ সংখ্যা কিন্তু ছটা। উল্লেখ্য যে প্ৰথম স্তৰত যিসলক চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হ'ব প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ।

# বদৌচা স্পৰ্টছ ক্লাবৰ জয়লাভ

**গুৱাহাটী, ২৯ নৱেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি তিনিচুকীয়াত হোৱা মেচত বদৌচা স্পৰ্টছ ক্লাবে তিনি উইকেটত পৰাস্ত কৰে ৰুদ্ৰ ক্লাবক। পোনতে বেটিং কৰি ৰুদ্ৰ ক্লাবে 20.3 অভাৰত সকলো উইকেট হেৰুৱাই 107 ৰাণ কৰাৰ পাছত বদৌচা স্পৰ্টছ ক্লাবে সাত উইকেটত 111 ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাৰ চেম্পিয়ন দলে লাভ কৰিব 10 লাখ টকা। ৰানাৰ্ছআপ দলে পাঁচ লাখ টকা। ছেমিফাইনেলত পৰাস্ত হোৱা দল দুটাই দুই লাখকৈ। মাণ্ডলিক স্তৰৰ চেম্পিয়ন দলে ডেৰ লাখ তথা ৰানাৰ্ছআপ দলে এক লাখ টকা পাব। আনহাতে, জিলাৰ চেম্পিয়ন দলে লাভ কৰিব এক লাখ।




# অসম টাং চু ডু সন্থাৰ উদ্যোগত আঠজনলৈ ব্লেক বেল্ট প্ৰদান

**গুৱাহাটী, ২৯ নৱেম্বৰ ঃ** যোৱা 27-28 নৱেম্বৰত অসম টাং চু ডু সন্থাৰ উদ্যোগত গুৱাহাটীৰ বেলতলাৰ ঈগল মাৰ্চিয়েল আৰ্ট আৰু যোগ কেন্দ্ৰত অনুষ্ঠিত হয় বেল্ট পৰীক্ষা। ৰাজ্যৰ মূখ্য প্ৰশিক্ষক তথা অসম টাং চু ডু সন্থাৰ কাৰিকৰী প্ৰশিক্ষক মাষ্টাৰ দেৱজিৎ গগৈয়ে সঞ্চালনা উক্ত পৰীক্ষাত আঠজনে ব্লেক বেল্ট আৰু 50 জনে কালাৰ বেল্ট লাভ কৰে। পৰীক্ষাত সহায়ক ৰূপে ভাগ লয় বৰ্ণালী গগৈ আৰু মানস প্ৰতিম কোঁৱৰে।

## বিলাসনন্দন চ'ৰা



# তেত্ৰিছ কোটি দেৱ-দেৱী

**যিকোনো** দেছক মূলতঃ দুটা ভাগত ভগোৱা হয়। ধনী আৰু দুখীয়া, সোঁপন্থী আৰু বাঁওপন্থী, সমাজবাদী আৰু পুঁজিবাদীকে ধৰি বিভিন্ন ভাগত একোখন দেছ বিভক্ত হয়। সৌসিদিনালৈকে আমাৰ দেছখনো বিভিন্ন ভাগত ভাগ হৈ আহিছিল। 'ধনী আৰু দুখীয়া'ৰ ভাগ দুটাতো আছিলেই। লগতে আছিল শোষক আৰু শোষিত, মালিক আৰু শ্ৰমিক, নেতা আৰু জনতা, ক্ৰেতা আৰু বিক্ৰেতা, নৰমপন্থী আৰু উগ্ৰপন্থী, কংগ্ৰেছী আৰু অকংগ্ৰেছী ইত্যাদি। বৰ্তমান পিছে আমাৰ দেছত এইবোৰ বিভাজন মচা গৈছে। এতিয়া আৰু আমাৰ দেছত শোষণ নচলে। গতিকে শোষক আৰু শোষিতৰ ভাগটো নাই। মালিক-শ্ৰমিক বুলি কোনো বস্তু নাই। নোটবন্দী, লকডাউনে মালিকবোৰকো দেউলীয়া কৰি শ্ৰমিকৰ শাৰীলৈ নমাই আনিছে। নৰমপন্থী-উগ্ৰপন্থী বুলি কোনো বস্তু নাই। সৱ চৰমপন্থী। কংগ্ৰেছী-অকংগ্ৰেছী বুলিও একো বস্তু নাই। আচলতে কংগ্ৰেছ বুলিয়ে একো নাই। কংগ্ৰেছী বুলিও একো নাই। আছে কেৱল কংগ্ৰেছ ত্যাগী।

কিন্তু দিল্লীৰ বাদশ্বাহে ডেম'ক্ৰেচীৰ ডুপ্লিকেচীক একেবাৰে পছন্দ নকৰে। তেওঁ একান্ত মনে বিশ্বাস কৰে যে ডেম'ক্ৰেচীত দুটা পক্ষ থাকিবই লাগিব। এটা সপক্ষ আৰু আনটো বিপক্ষ। এইটো বেলেগ কথা যে এই বিপক্ষটো জাষ্ট এটা ডেম' হিচাপেহে ৰখা হ'ব ডেম'ক্ৰেচীত। কোনোবাই বিপক্ষ হ'বলৈ গ'লেই তাক পক্ষপাতী বুলি নিপাত কৰি দিয়া যাব। বাদশ্বাহৰ আকৌ ইমান বেছি ঝামেলাত সোমাবলৈ ইচ্ছা নাই। তেওঁ চিধাচিধিকৈ দেছখনক দুটা ভাগত ভগাইছে—দেছভক্ত আৰু দেছদ্ৰোহী। যিসকল বিপক্ষত থাকি ডেম'ক্ৰেচীক উদ্ধাৰ কৰিবলৈ যোৱাৰ নামত দেছখনৰ বেয়া দিশবোৰ বিশ্ববাসীৰ আগত ডেম' কৰি দেখুৱায়, সিহঁত হ'ল দেছদ্ৰোহী। আৰু যিয়ে চকু দুটা মুদি সৱ কথাতে হয়ভৰ দি দেছখনৰ



সদনাম কৰাৰ সমস্ত ঠিকা অকলেই কান্ধ পাতি লয়, তেওঁলোক হ'ল সঁচা দেছভক্ত। চকু দুটা মুদি থকা কাৰণে বহুতে তেওঁলোকক অন্ধভক্ত বুলিও ক'ব খোজে। পিছে নহয়। চকু দুটা মেলি তেওঁলোকে মাজে মাজে চেনেলৰ পেনেলত বহি বিশ্বগুৰু ইণ্ডিয়াৰ ছবিখন দৰ্শনো কৰো। চকু দুটা মুদি থকা কাৰণে বহু সময়ত সিহঁতক মুডত থকা যেনো লাগে আৰু সেইকাৰণে বহুতে সিহঁতক 'মুডীভক্ত' বুলিবও খোজে। বৰ্তমান দেছখনত দেছভক্তিৰ অলিম্পিক চলা বুলি ক'লেও বঢ়াই কোৱা নহয়। এইবাৰ এই অলিম্পিক পতা হৈছে ইউপিত। দুজনমান দেছভক্তই হেনো ইউপিত যোগীনাথৰ ডেভেলপমেণ্টৰ নমুনা দেখুৱাবলৈ গৈ বেংগলৰ ফ্লাইঅ'ভাৰ এখনকে ইউপিৰ ফ্লাইঅ'ভাৰ বুলি দেখুৱাই দিছে। ইউপিৰ প্ৰজাগণে ইয়াকে দেখি কৈছে যে এইবোৰ আচলতে দেছভক্তৰ অ'ভাৰ ফ্লাই। ইমান বেছিকৈ উৰিলে ক'ত ছিটিকি পৰে তাৰ একো এড্ৰেছেই বিচাৰি পোৱা নাযাব। এইবাৰ আকৌ চাইনাৰ এয়াৰপোৰ্ট এটাক ইউপিৰ এয়াৰপোৰ্ট বুলি দেখুৱাইছে। তাকে দেখি ইউপিৰ প্ৰজাগণেও কৈছে যে এইবোৰ দেছভক্তি একেবাৰে চাইনীজ মালৰ দৰে। দুদিনমান বৰ ভালকৈ চলে। দুদিন পাছত দলিয়াই দিব লগা হয়। দলিয়াই দিবলৈ প্ৰজাগণ লাহে লাহে আগবাঢ়িছে। যদি এইবাৰো চাইনীজ মাল চলি যায়, তেন্তে দেছভক্তবোৰ সাজু হৈ আছে চাইনীজ ফটকা ফুটাবলৈ।

আমাৰ বাদশ্বাহেও সদায় জোখ-মাখ কৰি থাকে দেছভক্তি কাৰ কিমান বেছি। কাগজ-কলম লৈ বাদশ্বাহে সদায় ৰাতি ৰাতি হিচাপ কৰে। কিন্তু আজিলৈকে হিচাপটো শুদ্ধ হোৱা নাই। আজিলৈকে হিচাপটোৰ পৰা কোনো এটা সিদ্ধান্ত ওলোৱা নাই। কিন্তু হঠাতে যেন বাদশ্বাহে দেছভক্তিত এক নম্বৰজনৰ নামটো পাই গ'ল। লগে লগে ৰাজসভা আহ্বান কৰি বাদশ্বাহে ক'লে—'পাই গ'লো বুজিছা।'

ঃ কি পাই গ'ল জাহাপনা?
ঃ আটাইতকৈ ডাঙৰ দেছভক্ত কোন, সেয়া পাই গ'লো।
ঃ কেনেকৈ পালে জাহাপনা?
ঃ এনালাইচিচ কৰি পালো।
ঃ কি পালে জাহাপনা?
ঃ ডাঙৰ তথ্য এটা পালো।
ঃ কি জাহাপনা?
ঃ আটাইতকৈ ডাঙৰ দেছভক্ত কোন জানা?
ঃ কোন জাহাপনা?
ঃ তেত্ৰিছ কোটি দেৱ-দেৱী।
ঃ কেনেকৈ জাহাপনা?

বাদশ্বাহে বুজাই দিলে—'১৯৪৭ত দেছ বিভাজন হৈছিল। বহু মানুহ পাকিস্তান গ'ল। কিন্তু আমাৰ এই তেত্ৰিছ কোটি দেৱ-দেৱীৰ এজনো পাকিস্তান নগ'ল। সৱ ইণ্ডিয়াতে থাকি গ'ল। ইয়াকে কয় দেছভক্তি।'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# বৰপেটা চহৰত বনৰীয়া হাতীৰ ত্ৰাস

বিশেষ সংবাদদাতা

**বৰপেটা ২৯ নৱেম্বৰ ঃ** বৰপেটা চহৰত আজি দুটাকৈ বনৰীয়া হাতীয়ে ত্ৰাসৰ সৃষ্টি কৰে। আজি পুৱা প্ৰায় ছবজাত দুটা বনৰীয়া হাতী প্ৰত্যক্ষ কৰে প্ৰাতঃ ভ্ৰমণলৈ ওলাই অহা একাংশ লোকে। জনাঞ্চললৈ ওলাই অহা দঁতাল হাতী দুটাক লৈ ৰাইজৰ মাজত আতংকৰ সৃষ্টি হয় । চহৰখনত প্ৰৱেশ কৰাৰ পূৰ্বে বনৰীয়া হাতী দুটাই জাহোৰপাম নামৰ গাঁৱৰ এহাল স্বামী স্ত্ৰীক আক্ৰমণ কৰি আহত কৰে। জাহোৰপাম গাঁৱৰ ৰেজাউল হুছেইন নামৰ এজন ব্যক্তি আৰু তেওঁৰ পত্নী মালেকা খাতুনে নিজৰ তিয়হ খেতিৰ পথাৰত পানী দিবলৈ যোৱাৰ সময়তে হাতী দুটাৰ মুখামুখি হয়। হাতী দুটা খেতিপথাৰৰ পৰা খেদি দিবলৈ যোৱাৰ সময়তে মালেকা খাতুনক আক্ৰমণ কৰি শুঁৰেৰে এখন কাণ ছিঙি পেলায়। ইফালে পত্নীক হাতীৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ ৰফিকুল হুছেইনে চিঞৰ-বাখৰ কৰে। মালেকা খাতুনৰ পাছত হাতী দুটাই ৰফিকুল হুছেইনকো আক্ৰমণ কৰি আহত কৰে। হাতীৰ আক্ৰমণত দুয়ো স্বামী-স্ত্ৰী গুৰুতৰভাৱে আহত হয় । পাছত আত্মীয়-স্বজন আৰু স্থানীয় লোকে দুয়োকে বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰায়। ইয়াৰ পাছতে কে বাটাও পথ চফৰ কৰি বনৰীয়া হাতী দুটাই বৰপেটা সদৰ থানাৰ গাতে লাগি থকা আৰক্ষী আৱাসৰ গেৰেজ এটি ভাঙি পেলায় আৰু পাছত শ্ৰীমন্তপুৰ পথ হৈ হাতী দুটাই মৰা নদীৰ পাৰৰ জংঘলত সোমাই পৰে। ইপিনে, পুৱা হতী ওলোৱাৰ পাছতে বৰপেটা জিলাৰ উপায়ুক্ত তেজ প্ৰসাদ ভূষাল, অতিৰিক্ত উপায়ুক্ত নৱজিৎ পাঠক সেই স্থানলৈ আহি হাতী দুটাক নিৰাপদে ওভতাই পঠাবলৈ বন বিভাগৰ স'তে যোগাযোগ কৰে। সম্প্ৰতি স্থানীয় বন বিভাগৰ নিৰীক্ষণত আছে হাতী দুটা। দুপৰীয়া হাতী দুটাক খেদি পঠিওৱা অথবা ট্ৰেংকুলাইজড কৰাৰ বাবে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা বন বিভাগৰ এটা দল বৰপেটালৈ আহে। বন বিভাগৰ এটা সূত্ৰই জানিবলৈ দিয়া মতে, মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্গত কোকৰাঝাৰ জিলাৰ হল্টু গাঁৱৰ পৰা কলগাছিয়া-ভেৰা গাঁও হৈ হাতী দুটাই বৰপেটা চহৰত প্ৰৱেশ কৰিছে। নিশাৰ ভাগত বন বিভাগে হাতী দুটা মানাহ ৰাষ্ট্ৰীয় উদ্যানলৈ খেদি পঠোৱাৰ বাবে প্ৰচেষ্টা চলাব বুলি জানিব পৰা গৈছে।

বনৰীয়া হাতীৰ আক্ৰমণৰ শংকাত সুৰক্ষামূলক ব্যৱস্থা হিচাপে বৰপেটা চহৰত ১৪৪ ধাৰা জাৰি কৰা হৈছে। আজি সন্ধিয়াৰে পৰা চহৰখনত যানবাহন আৰু মানুহৰ যাতায়ত নিষিদ্ধ কৰা হৈছে। জিলা উপায়ুক্ত তেজ প্ৰসাদ ভূচালৰ দ্বাৰা স্বাক্ষৰিত এটা নিৰ্দেশত এই কথা প্ৰকাশ কৰা হৈছে।

হাতী দুটা চহৰৰ মাজৰ পৰা আঁতৰি নোযোৱাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰ্দেশ দিয়া হৈছে। বন বিভাগ আৰু আৰক্ষীয়ে হাতী দুটাক ওভতাই পঠিওৱাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। ইপিনে, বাতৰি লিখাৰ পৰলৈকে হাতী দুটা মৰানদীৰ পাৰতে আছে। সন্ধিয়া বনকৰ্মীৰ এটা দলে হাতী দুটা ধৰিবলৈ ওচৰ চাপোতে এজন বনকৰ্মীক এটা হাতীয়ে দাতেৰে ওপৰলৈ দাঙি পেলাই দি গাৰ ওপৰেৰে পাৰ হৈ যায়। বনকৰ্মীজনক চিকিৎসাৰ বাবে বৰপেটা মেডিকেল কলেজলৈ নিয়া হৈছে।





# ডিব্ৰুগড় মোহনবাৰী বিমান কোঠত অভিনেতা সঞ্জু বাবা

## দুনিশাৰ বাবে প্ৰকৃতিৰ ভূ-স্বৰ্গ অৰুণাচলৰ মেচুকালৈ

ৰাতুল বুঢ়াগোহাঁই

ডিব্ৰুগড়, ২৯ নৱেম্বৰ ঃ ডিব্ৰুগড়ৰ মোহনবাৰী বিমান কোঠত আজি পুৱাতে হঠাৎ বলিউদৰ মুন্নাভাই উপস্থিত হয়। বলিউদৰ প্ৰখ্যাত অভিনেতা তথা চুপাৰষ্টাৰ, মুন্নাভাইখ্যাত সঞ্জু বাবা, ওৰফে সঞ্জয় দত্ত আজি উপস্থিত হয় ডিব্ৰুগড়ৰ মোহনবাৰী বিমানকোঠত। সুদূৰ মুম্বাইৰ পৰা আজি পুৱা ৭-৩০ বজাত এখন চাৰ্টাৰ্ড বিমানেৰে উৰা মাৰি ডিব্ৰুগড়ৰ মোহনবাৰী বিমান কোঠত পুৱা অৱতৰণ কৰে। বিমানকোঠতে পুৱাৰ আহাৰ গ্ৰহণ কৰি অৰুণাচলৰ বিভিন্ন বিষয়া-কৰ্মচাৰীৰ স'তে মত বিনিময় কৰাৰ পাছত মোহনবাৰীৰ পৰাই অভিনেতাজন স্কাইৱানৰ এখন হেলিকপ্টাৰৰে প্ৰায় ১১-৩০ বজাত উৰা মাৰে চীন সীমান্তৰ অৰুণাচল প্ৰদেশৰ শ্বি য়ামি জিলাৰ মেচুকালৈ। প্ৰকৃতিৰ ভূ-স্বৰ্গ মেচুকাত ৰাজ্য চৰকাৰৰ ৰাজ্যিক অতিথি হিচাপে দুটাদিন থাকিব অভিনেতা সঞ্জয় দত্ত। অৱশ্যে কোনো ছবিৰ দৃশ্যগ্ৰহণ কৰিবলৈ নহয়, বলীউদৰ প্ৰখ্যাত অভিনেতাজনে অৰুণাচলৰ সোণালী জয়ন্তী বৰ্ষৰ আৰম্ভণি উৎসৱৰ এটা বিশেষ ভিডিঅ'ত অংশগ্ৰহণ কৰিব। অৰুণাচলত আয়োজিত সোণালী জয়ন্তী বৰ্ষৰ উৎসৱৰ ব্ৰেণ্ড এম্বেচাদৰ প্ৰখ্যাত অভিনেতাজন। আনহাতে মেঘালয়ৰ শ্বিলঙৰ পৰাও দুজনীয়া শিল্পী দল মেচুকালৈ ডিব্ৰুগড় হৈ ৰাওনা হৈছে অভিনেতা সঞ্জয়ৰ স'তে। তেওঁলোক যথেষ্ট উৎফুল্লিত হৈ পৰা দেখা গৈছে। আনহাতে সঞ্জয়ৰ স'তে তেওঁৰ বন্ধু তথা ব্ৰেণ্ড এডভাইচৰ ৰাহুল মিত্ৰ আৰু



অজয় অৰোৰা, ফটোগ্ৰাফাৰ মনোজ কেশ্বৰৱানী, কষ্টিউম ডিজাইনাৰ আহমেদ আলি আদম শ্বেইখ, ড্ৰেচমেন মহঃ শ্বাৰিক, মেকআপ আৰ্টিষ্ট সুশীল কুমাৰ স্বামী, স্পট বয় সুনীল ঝংকাৰ সিং সহ কে'বাজনীয়া দল মেচুকাত উপস্থিত হয়। মুম্বাইৰ পৰা ব্যক্তিগত বিমানেৰে ডিব্ৰুগড়ৰ মোহনবাৰী বিমান কোঠল অহাৰ পাছত হেলিকপ্টাৰেৰে ৰাওনা হয় প্ৰকৃতিৰ ভূ-স্বৰ্গ অৰুণাচল প্ৰদেশৰ মেচুকালৈ। মেচুকাত দুনিশা কটাই এক ডিচেম্বৰৰ পুৱা মেচুকাৰ পৰা ৯-৩০ বজাত পুনৰ ডিব্ৰুগড় অভিমুখে আহি দিনৰ ১২ বজাত পুনৰ মুম্বাই অভিমুখে ৰাওনা হ'ব। উল্লেখযোগ্য যে বিমান কোঠত অৰুণাচল প্ৰদেশৰ শ্বি য়'মি জিলাৰ কে'ৱাগৰাকী প্ৰশাসনিক বিষয়া উপস্থিত হৈ অভিনেতাজনক আদৰণি জনোৱাৰ লগতে বিমানবন্দৰ কৰ্তৃপক্ষয়ো ফুলৰ থোপা আৰু ফুলাম গামোচাৰে আদৰণি জনায়।

# বিশ্বনাথ সদৰ আৰক্ষীয়ে সুদীৰ্ঘ ন বছৰৰ পাছত পুনৰ মিলন কৰালে কন্যা-মাতৃৰ

**ধনৰ প্ৰলোভনত তিনি বছৰ বয়সতে পিতৃয়ে গোপনে বিক্ৰী কৰিছিল অৰুণাচলীক নিজ কন্যাক**

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি ২৯ নৱেম্বৰ ঃ এই হৃদয়বিদাৰক ঘটনা ঘটিছে বিশ্বনাথত। ধনৰ প্ৰলোভনত মাতৃৰ বুকু শুদা কৰি পিতৃয়ে ৰমিলা বসুমতাৰী নামৰ এগৰাকী মহিলাৰ হাতত তুলি দিছিল তিনি বছৰীয়া কন্যা শিশুটিক। পৰৱৰ্তী সময়ত ৰমিলাই কন্যা শিশুটিক বিক্ৰী কৰিছিল অৰুণাচলৰ নাহৰলগনত। মাকৰ বুকুৰ উমত থকা বয়সতে শিশুটিক অৰুণাচলৰ নাহৰলাগুনত ৰমিলাৰ পৰা কিনি লোৱা লোকে নিয়োজিত কৰে বনকৰা কামত। সুদীৰ্ঘ ন বছৰৰ পাছত এই কন্যা শিশুটিৰ মাতৃ সীমা খেৰীয়াই বিশ্বনাথ সদৰ আৰক্ষী থানাত এক গোচৰ তৰে। এই গোচৰৰ ভিত্তিতে বিশ্বনাথ সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জিত কুমাৰ ৰায়ৰ নেতৃত্বত আৰম্ভ হ'ল তদন্ত। এই তদন্তৰ অন্তত অৱশেষত তিনি বছৰ বয়সত কন্যা শিশুটিক বিক্ৰী কৰা মূল অভিযুক্ত ৰমিলা বসুমতাৰীক বিশ্বনাথ সদৰ আৰক্ষী থানাৰ দলে গ্ৰেপ্তাৰ কৰে। ৰমিলাৰ স্বীকাৰোক্তিৰ ভিত্তিত বিশ্বনাথ সদৰ আৰক্ষী থানাৰ অভিযানকাৰী দলে অৰুণাচলৰ নাহৰলাগুনত অভিযুক্ত মহিলাগৰাকীক লৈ অভিযান চলাই অৱশেষত উদ্ধাৰ কৰিবলৈ সক্ষম হয় কন্যা শিশুটি। সুদীৰ্ঘ ন বছৰে সন্ধানহীন হৈ থকা বিশ্বনাথৰ গলিয়াৰ সমীপৰ নৰপুৰৰ পুতুল খাৰিয়া আৰু সীমা খাৰিয়াৰ কন্যা লক্ষী খাৰিয়াই বৰ্তমান ভৰি দিলে ১২ বছৰ বয়সত। উল্লেখ্য যে অনুসন্ধান কালত ফটোত দেখি নিজ মাতৃয়েই চিনি পোৱা নাছিল কন্যাক। কিন্তু উদ্ধাৰ অভিযানত স্বচক্ষে কন্যাক দেখিহে চিনি পায় আৰু কন্যাইও চিনি পায় মাক সীমা খাৰিয়াক। ইফালে, অৰুণাচলী লোকে ন বছৰীয়া কন্যা শিশুটিৰ নাম পৰ্যন্ত সলাই নতুন নাম দিছিল মনিকা য়াংফু ওৰফে য়ামী আৰু শিশু গৰাকীয়েও মাতৃভাষা অসমীয়াৰ পৰিৱৰ্তে কথা বতৰা পাতে হিন্দী ভাষাত। ন বছৰীয়া কন্যা শিশুটি আজি স্বগৃহত উপস্থিত হোৱাৰ লগে লগে গোটেই ঘৰখনতে এক উৎসৱ মুখৰ পৰিবেশে বিৰাজ কৰে। বিশ্বনাথ আৰক্ষীৰ এই সফলতাক শিশুটিৰ পৰিয়ালৰ লগতে বিশ্বনাথ চাৰিআলিবাসীয়ে ধন্যবাদ জনায়। শিশুটি ঘূৰাই পোৱাত পৰিয়ালটোৰ মুখত পুনৰ হাঁহি বিৰিঙি উঠে ।




# মানাহৰ সমীপৰ বেঁকী নৈত অবৈধ খনন

## অবৈধ খননৰ বিৰুদ্ধে স্বেচ্ছাসেৱী সংগঠন-ৰাইজৰ উত্তাল প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৯ নৱেম্বৰ ঃ** মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৱৰ্তী বাগ্‌সাৰ শালবাৰীৰ বাঁহবাৰী নাৰায়ণগুৰিত অবৈধ শিল-বালি খননৰ বিৰুদ্ধে সজাগতা সভা পাতি ৰাইজে আজি প্ৰবল প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে বেঁকী নৈৰ কাষৰীয়া নাৰায়ণগুৰি, চুনবাৰী, বিশপানী, খাগ্ৰাবাৰী আদি ঠাইত একাংশ অবৈধভাৱে চলাই যোৱা শিল-বালিৰ অবৈধ খনন কাৰ্যত অতিষ্ঠ হৈ এই প্ৰতিবাদ সাব্যস্ত কৰে স্বেহচ্ছাসেৱী সংগঠনৰ লগতে স্থানীয় ৰাইজে। বেঁকী নৈৰ অবৈধ খননৰ বাবে বেঁকী নৈত হেজাৰ হেজাৰ কৃষিভূমি জাহ যোৱাৰ লগতে বহু লোক দিশহাৰা হ'বলগীয়াত পৰিছে। যাৰ বাবে অবৈধ খননৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ ওলাই আহে স্বেচ্ছাসেৱী সংগঠনৰ লগতে স্থানীয় ৰাইজ। প্ৰতিবাদী সংগঠন আৰু স্থানীয় ৰাইজে 'বেঁকী নৈত শিল-বালিৰ অবৈধ খনন কাৰ্য বন্ধ কৰক, বনমন্ত্ৰী হায় হায়, বন বিভাগ হায় হায়, শালবাৰী প্ৰশাসন হায় হায়, এই আন্দোলন চলিছে চলিবই' আদি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। শীঘ্ৰেই এই অবৈধ খনন কাৰ্য বন্ধ নকৰিলে তীব্ৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰে ৰাইজে।

# হাতীৰ জাকৰ মাজত কাজিয়া পোৱালি হাতীৰ কৰুণ মৃত্যু

বিশেষ সংবাদদাতা

নগাঁও, ২৯ নৱেম্বৰ ঃ কৰুণ মৃত্যুক সাৱটি ল'লে এটি হাতী পোৱালিয়ে। নগাঁও জিলাৰ বঢ়মপুৰৰ শিলফটাত উদ্ধাৰ হৈছে এই মৃত হাতীৰ পোৱালিটো। আজি পুৱা হাতীৰ চিঞৰ শুনি শিলফটাৰ ৰাইজ ওলাই আহি হাতী পোৱালিটো প্ৰত্যক্ষ কৰে। স্থানীয় লোকৰ মতে পুৱা হাতী পোৱালিটো জীৱিত অৱস্থাত আছিল যদিও কিছু সময়ৰ পাছত মৃত্যু হয়। হাতী পোৱালিটো জীৱিত অবস্থাত থকাৰ সময়তে বন বিভাগক ৰাইজে খবৰ দিছিল যদিও বন বিভাগৰ লোক সময়ত উপস্থিত নোহোৱাত পোৱালিটোৰ মৃত্যু হয়বুলি স্থানীয় ৰাইজে কয়। প্ৰাপ্ত তথ্য মতে কাৰ্বি আংলঙৰ পাহাৰৰ পৰা যোৱা নিশা হাতীৰ জাকটো নামি আহিছিল। নিশা হাতী জাকৰ মাজত কাজিয়াৰ সূত্ৰপাত হয় আৰু এই কাজিয়াৰ ফলত হাতী পোৱালিটো আঘাতপ্ৰাপ্ত হৈ মৃত্যু হোৱা বুলি সন্দেহ কৰা হৈছে। শিলফটাত পথাৰৰ ধান চপোৱাৰ পাছত পাহাৰৰ পৰা হাতীৰ জাক ভৈয়ামলৈ নামি আহিছে। যোৱা চাৰিদিন ধৰি প্ৰতিনিশা হাতীৰ জাক আহিছে শিলফটালৈ। ইয়াৰ মাজতে দেওবাৰে নিশাৰ এই অঘটনৰ ঘটনা সোমবাৰে পুৱা পোহৰলৈ আহে। মৃত হাতী পোৱালিটোৰ সন্মুখত স্থানীয় গঞাই পূজা-অৰ্চনা কৰা পৰিলক্ষিত হৈছে। হাতী পোৱালিটোৰ মৃত্যুত ৰাইজ ম্ৰিয়মাণ হৈ পৰিছে।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com